# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ১৪/০৩/২০১৮ বুধবাৰ

---

**মাননীয় অধ্যক্ষঃ** (সদনত মাননীয় অধ্যক্ষ মহোদয়ৰ প্ৰৱেশ)

কোৱেশ্চন নং-২৬১ শ্ৰীদেবানন্দ হাজৰিকা।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীদেবানন্দ হাজৰিকাঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মন্ত্ৰী মহোদয়ৰ পৰা যিখিনি উত্তৰ পাইছো। ভালে পাইছো। কিন্তু দুই এটা কথা জানিব খুজিছো।৪৫৩ খন বাছ এতিয়া যিখিনি আস্তানত পৰি আছে, যিখিনি ইকোনোমিকেলী ফিজিবুল নহয় ৰিপিয়েৰঙৰ কাৰণে এই বাছবিলাক Auction কৰি পেলাই কিবা ৰেভিনিউ আহৰণ কৰিব পৰা ব্যৱস্থা কৰিছে নেকি ? কনডাক্টৰ বা ড্ৰাইভাৰসকলৰ থাকিবলৈ জাগা নাই য'তে ত'তে বাৰাণ্ডাত পৰি থকা পৰিলক্ষিত হয়। তেওঁলোকে গোটেই দিনটো গাড়ী চলায়। কিন্তু ৰাতি শুবলৈ নাপায়। মহৰ কামোৰ খাই ৰাতিটো পাৰ কৰে। গতিকে তেখেতসকলৰ ৰাতিটো ভালকৈ শুব পৰা ব্যৱস্থা কৰিব নেকি বিভাগে ?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আমাৰ ৪৫৩ খন বাছ আমাৰ বৰ্ত্তমান ৰিপিয়েৰিং কৰিব পৰা অৱস্থাত নাই। এইটো নহয় যে, আমাৰ চৰকাৰ অহাৰ পিচত বাছবিলাকৰ এই অৱস্থা হৈছে। Total বাছ বেয়া হৈ আছিল ৬৫৩ খন। তাৰে ভিতৰত ২০০ খন বাছ আমি যোৱা দুটা বছৰত আমি ৰিপিয়েৰ কৰি লৈছো। আৰু মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে এই ৰিপিয়েৰ কৰিব নোৱাৰা বাছখিনি আৰু এই অৱস্থাটো আমি উত্তৰাধিকাৰ সুত্ৰে পোৱা সম্পদ। আমাৰ মাননীয় সদস্যগৰাকীয়ে কোৱা মতে এইবিলাক বাছ Auction কৰিব লাগিব। Auction কৰিলে হয়তো তাৰ পৰা অলপ ৰেভিনিউ আহিব। আমাৰ যিবিলাক কৰ্মচাৰী, কণ্ডাক্টৰ - ড্ৰাইভাৰ বাৰান্দাত শুব লগা হৈছে বুলি কৈছে সেইটো হৈছিল এই কাৰণে অধ্যক্ষ মহোদয়, এ এচ টি চিৰ যিমান এমপ্লই লাগে বা প্ৰয়োজন আছে তাতকৈ অধিক এমপ্লই আগৰ চৰকাৰে যধে মধে এপইন্টমেন্ট দি গৈছে। দিয়াৰ ফলত একোজন মানুহৰ দৰমহা নিম্নতম আছিল ৩০০০ আৰু মেক্সিমাম আছিল ৬০০০ । ৩০০০ দৰমহা পোৱা মানুহজনে কেনেকৈ ঘৰ ভাড়া লৈ থাকিব। কথাটো তেনেকুৱা। সেই কাৰণে অধ্যক্ষ মহোদয় আপুনি শুনি সুখি হ'ব মাননীয় সদস্যগৰাকীক আমি জনাও যে চৰকাৰৰ যিটো মিনিমাম গৰ্ভমেন্ট ৱেজ সেইটো প্ৰথমবাৰৰ বাবে আমাৰ চৰকাৰে মানি লৈছে। এতিয়া যিবিলাক ৩০০০ টকা আছে তেওলোকক ৮৫০০ টকাকৈ আৰু যিবিলাক ৬০০০ আছে সেইবিলাকক ১৫০০০ টকা দিয়া হৈছে। এতিয়া অন্তত তেওলোকে ৫০০ টকাৰ ভাৰা ঘৰত থাকিব পৰা অৱস্থাপ্ৰাপ্ত হৈছে। অধ্যক্ষ মহোদয়, আমাৰ সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়কে সুধিছে আমি কি কৰিছো, আমাৰ এতিয়া বাছ কিনিবলৈ পইচা নাই অধ্যক্ষ ডাঙৰীয়া। গতিকে অধ্যক্ষ ডাঙৰীয়া আমাৰ চৰকাৰ অহাৰ আগত ২০১৫-১৬ চনত আমাৰ ৰেভিনিউ গেপ আছিল , ইনকাম যিমান তাতকৈ খৰছ বেছি আছিল। গতিকে সেইটো ২০১৪-১৫ চনত আছিল ৭৪ কোটি টকা per month। তাৰ পিচত আমি কিছুমান ৰিফৰ্ম পলিছি ললো । পলিছি লৈ এষ্টাব্লিছমেন্ট কষ্ট আমি ১৮ পাৰ্চেন্ট কমাই দিছো। এষ্টাব্লিছমেন্ট কষ্ট আমি কমালো,

যিবিলাক কনডাক্টৰে যাত্ৰীক টিকেট নিদিয়ে বিনা পইচাই যাবলৈ দিয়ে , আমি এনফোৰ্ছমেন্ট কৰাই আমি ব্যৱস্থা ল'লো। যাৰ ফলত পইছা বাঢ়িল বিভাগৰ।২০১৪-১৫ চনত আমাৰ ৭৪ কোটি টকা ৰেভিনিউ গেপ আছিল তাৰ পিচত ২০১৬-১৭ চনত আমাৰ ৰেভিনিউ গেপ আমি কমাই ৬৯ কোটি লৈকে আমি আনিলো। আকৌ এই বছৰটোত একচপেক্টেড এই বছৰত ১৭-১৮ বিত্তীয়বৰ্ষটোত ৫২ কোটি লৈকে আমি ৰেভিনিউ গেপটো কমাই আনিলো। এইটো এটা কথা । দ্বিতীয় কথাটো হ'ল অধ্যক্ষ ডাঙৰীয়া আজিৰ দিনটোত আমি বাছ কিনিব নোৱাৰো এ এচ টি চিৰ পইচা নাই উত্তৰাধিকাৰ সূত্ৰে আমি এই অৱস্থা লাভ কৰিছো। কিন্তু আমাৰ যিখিনি বাছ চলি আছে তাৰ ওপৰিও প্ৰাইভেট ১৩০৯খন বাছ চলি আছে আজিৰ দিনটোত আৰু পি পি পি মোডত ভলভ'ৰ এতিয়া প্ৰথম কনচাইনমেন্টটোত ৫ খন Luxury বাছ আহিছে আৰু ভলভোৰ ৫খন লাকজুৰি বাছ অহাৰ ওপৰিও আমাৰ আজিৰ দিনটোত এ এচ টি চিত আমাৰ ১৯৬০ খন বাছ দিনটোত আমাৰ চলি আছে যিটো আগতে কেতিয়াও হোৱা নাছিল। তাৰ ওপৰিও এ এচ টি চিয়ে আজিৰ দিনটোত আমি ইনকাম কৰি আছো। প্ৰতি মাহে এতিয়া ৬ কোটি ৫৭ লাখ টকা আমাৰ ইনকাম হৈছে।

........ ....হুলস্থূল ..... ( সদনত বাদ বিবাদ)

**মাননীয় অধ্যক্ষঃ** অৰ্ডাৰ.... অৰ্ডাৰ...... প্লিছ। মন্ত্ৰী ডাঙৰীয়া কোনে কি কৈছে নাচাব আপুনি প্ৰশ্নৰ উত্তৰ সম্পূৰ্ন কৰক । উত্তৰটো চমু কৰক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ ডাঙৰীয়া মই চমু কৰিম। হাজৰিকা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে সেই ক্ষেত্ৰত এইখিনি প্ৰশ্ন ইনক্লুডেড। প্ৰশ্নটো হৈছে কি যদি আজি মই বেয়া কাম কৰো বা ভাল কাম কৰো মই ভালটোও শুনিব লাগিব বেয়াটোও শুনিব লাগিব।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া আপোনাৰ বাগ্মিতাৰ ওপৰত আমাৰ সন্দেহ নাই কিন্তু দিছ ইছ কোৱেশ্চন আৱাৰ। সেই কাৰনে আপুনি যিমান পাৰে চৰ্ট কৰক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ ডাঙৰীয়া মই চমু কৰিছো। আজিৰ দিনটোত ট্ৰেন্সপোৰ্টৰ ৰেভিনিউ ২৬ পাৰ্চেন্ট আমি ইনক্ৰিছ কৰিছো। ৬২০ কোটি টকা ট্ৰেন্সপোৰ্টে ৰেভিনিউ ইনক্ৰিছ কৰিছে আজিৰ দিনটোত। দিছ ইছ এ ৰেকৰ্ড অধ্যক্ষ ডাঙৰীয়া। সেই কাৰণে আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেট ভাষণত কৈছিল উই আৰ ফ্লোটি অন দি গ্ৰ'থ। এনেকৈ বাজেট বক্তৃতাত কোনো বিত্ত মন্ত্ৰী আজিলৈকে কোৱা নাই অধ্যক্ষ ডাঙৰীয়া। মাননীয় অধ্যক্ষ ডাঙৰীয়া আজিলৈকে Transport revenue 26%, 620 কোটি টকা increase কৰিছে। সেই কাৰণে আমাৰ মাননীয় বিত্ত মন্ত্ৰীয়ে বাজেট ভাষণত কৈছিল যে we are floating on the growth. গতিকে অধ্যক্ষ ডাঙৰীয়া আমাৰ মাননীয় সদস্যগৰাকীৰ যিটো শংকা হৈছে ASTC লৈ। আমি ASTC টো কেতিয়াও মৰিবলৈ নিদিও, এইটো আমি শক্তিশালী কৰি লৈ যাম। এইটোত অসুবিধা নাই। লগতে ASTC টোত আৰু revenue increase কৰাৰ কাৰণে আমাৰ Volvo ৰ লগত MOU হৈছে **৩৩** খন Volvo bus ৰ। ইতিমধ্যে **৫** খন বাছ আহিছে বাকী আহিব। তাৰ ওপৰিও Advantage Assam ত Mercedes bus কাৰণে **৩০০** কোটি টকাৰ Arya Transport লগত MOU হৈছে । গতিকে **১৭৫** খন Mercedes bus আহিব। কেনিয়াৰ লগত আমাৰ কথা চলি আছে আৰু Sleeper bus কাৰণে কথা চলি

আছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী দেবানন্দ হাজৰিকা।

**শ্ৰী দেবানন্দ হাজৰিকা, বিহপুৰীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা আনুষংগিক প্ৰশ্নৰ উত্তৰ জানিব বিচাৰিছো। সেয়া হৈছে কি মোৰ সমষ্টিত তিনি মুখ্য বাছ আস্থানৰ ভিতৰত ধলপুৰ আৰু নাৰায়ণপুৰত Station Superintendent জন বহিবলৈ ঠাই নাই। তেওঁ ৰাস্তাৰ কাষত টুল এখন পাৰি টিকত বিক্ৰী কৰে আৰু বিহপুৰীয়াৰ বাছস্থানটো ছয়মাহ পানীত বুৰ গৈ থাকে, এতিয়া কথা হ'ল যে এই সমস্যাটো নিবাৰণৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ? বা লোৱা নাই যদি কিয় লোৱা নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পৰিবহণ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া মই ইতিমধ্যে কৈছো যে ASTC ৰ যিটো revenue gap আছে মই ইতিমধ্যে কৈছো যে এইটো এটা কৰপোৰেচন। কৰপোৰেচনৰ নিজা ইনকাম থাকিলে, আমি ইনকাম অনুযায়ী তেনেকুৱা ধৰণৰ বাছ আস্থান বিলাক পৰ্য্যায়ক্ৰমে নিৰ্মাণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। বিহপুৰীয়াৰ কথাটো তেখেতে যেনেকুৱা ধৰণে কৈছে এইটো মই নিশ্চয় মনত ৰাখিম আৰু আমি এইটো ক্ষেত্ৰত এটা কথা কব বিচাৰিছো যে কিছুমান বাছ আস্থান খুব বেয়া অৱস্থাত আছে। গতিকে সেই বাছ আস্থান বিলাকত যিসকলে দোকান দিব, তেওঁলোকৰ পৰা ৯ বছৰৰ কাৰনে ৰুম এটা ভাড়াত দিম । আমি বিভিন্ন ঠাইত যেনে ডিব্ৰুগড়, শিলচৰ, ৰঙিয়া, বিশ্বনাথ চাৰিআলি, ছিপাঝাৰ আদি বাস্থানবিলাকত আৰম্ভ কৰিবলৈ লৈছো আৰু তেনেকৈ বাছ আস্থান বিলাক ভালকৈ আমি গঢ়িবলৈ লৈছো। তেখেতৰ কথাখিনিও আমি নিশ্চয় বিবেচনা কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা **১২** এপ্ৰিল, **২০১৭** চনত **৮২** টা পদৰ কাৰণে আবেদন হৈছিল। তাতে **১২** টা term & condition আছিল। তাৰে **৮** নং term & condition যিটো আছিলে তাতে application fees Rs. 500 ৰখা হৈছিল। বেলেগ বেলেগ বিভাগত য'ত **১০০** টকা হয়। অধ্যক্ষ মহোদয়, এই যে বৃহৎ সংখ্যক টকা সংগ্ৰহ হৈছে, তাতে কিবা খেলিমেলি হৈছে নেকি বা কিবা কেলেংকাৰী সংঘটিত হৈছে নেকি বা আমাৰ উত্তাধীকাৰীয়ে সূত্ৰে যিখিনি বাছ পোৱা হৈছে সেইখিনি মেৰামতিৰ কাৰণে ব্যৱস্থা কৰিব নেকি ? মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টভাৱে এটা উত্তৰ বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পৰিবহণ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো কৰপোৰেচন হয়। কৰপোৰেচনৰ নিজা নিতি নিয়মাৱলীত হ'ব। তাত যিটো ৫০০ টকা লৈছে, সেইটো transparent পইচা তাত কিহৰ কেলেংকাৰী হ'ব। গতিকে যিটো পৰিবহণ বিভাগে পৰীক্ষা পাতিলে তাৰ উত্তৰৰ কাৰ্বন কপিটো যিজনে পৰীক্ষা দিছে, তেওঁলোকলৈও গৈছে। আৰু দুই ঘণ্টাৰ ভিতৰত গোটেই ৰিৰ্জাল্ট দি দিছে। আৰু কোনো কিমান নম্বৰ পাইছে সেইটো নিজে জানি লব পাৰে। বাজেটত এইবাৰ কোৱা হৈছে এইবাৰৰ পৰা যিকোনো চৰকাৰী পদবীৰ বাবে আবেদন কাৰীৰ পৰীক্ষাত কোনো মাচুল লোৱা নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মাননীয় সদস্য শ্ৰী উৎপল বৰা।

**শ্ৰী উৎপল বৰা,গহপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে গহপুৰ সমষ্টিত তিনিটা বাছ আস্থান খুব বেয়া অৱস্থাত আছে হাৱাজান,

গহপুৰ আৰু ঘাহিগাওঁ। বিশেষকৈ এই বাছ আস্থান কেইটা encroach হৈছে। গতিকে সেই বাছ আস্থান কেইটা চোৱাৰ কাৰণে মাননীয় মহোদয়ক অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া এইকেইটাও অলপ চাব।

এতিয়া মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে ASTC ৰ মূল্যৱান মাটি লিজত দিয়া হৈছিলে আগতে। এতিয়া যি agreement মতে লিজত দিছিলে, তাত এনেকুৱা ধৰণে নিৰ্দেশ আছিলে নেকি যে আপোনালোকে যি মন যায় তাত তেনেকুৱা কৰিব। সেই কথাটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পৰিবহণ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো সত্য যে তেওঁলোকৰ যি মন যায় তাকে কৰে। মই যেতিয়া বিৰোধী দলত আছিলো তেতিয়া মই নিজে এই কথালৈ বহুত প্ৰতিবাদ কৰিছিলো। এতিয়া আমি এই ASTC ৰ মুল্যৱান মাটি লিজতলৈ দখল কৰা বিলাকৰ পৰা ঘূৰাই লব বিচাৰিছো। কিন্তু তেওঁলোকে হাইকোৰ্ট কৰি বহি আছে। গতিকে আমি এতিয়া লিজত দিয়া মূল্যৱান মাটিখিনি ঘূৰাই লোৱাৰ বাবে কোৰ্টলৈ যোৱাৰ কাৰণে ASTC ৰ পৰা নিজা উকিল লগাইছো। যাতে কোৰ্টৰ পৰা আমি এইখিনি বস্তু লব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, এতিয়া প্ৰশ্ন নং **২৬২,** মাননীয় সদস্য শ্ৰী ভুবন পেগু।

**শ্ৰী অতুল বৰা, Minister, Town & Country Planning ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ভুৱন পেগু, জোনাইঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি ছিলাপথাৰ টাউন তাতে **২০০৩** - ০৪ চনতে অনুমোদন পোৱা drainage project এটা আছে। project টো বিভিন্ন কাৰণত **২০০৯** চনত NBCC য়ে এৰি থৈ অসম চৰকাৰক দায়িত্ব দি থৈ গুছি গ'ল। এতিয়া **২০০৯** চনৰ পৰা এই project টো এনেকৈ পৰি আছে। অধ্যক্ষ মহোদয়, প্ৰত্যেক বছৰে বাৰিষা যেতিয়া হয় সাত মাহ মান আমাৰ ছিলাপথাৰ টাউনৰ মানুহবিলাকে পানীৰ মাজত বুঢ়ি থাকিব লগীয়া হয়। এইটো খুৱ গুৰুত্বপূৰ্ণ project । এতিয়া project টো অসম চৰকাৰক দায়িত্ব দিয়াৰ পিছত এতিয়া অসম চৰকাৰৰ account ত **৩.৪৭** কোটি টকা জমা আছে আৰু ইয়াৰ **৮, ৯** বছৰে জমা হৈ interest হৈ গ'ল **৫৮** লাখ। গৈ গৈ এতিয়া প্ৰায় ৪ কোটি মান হ'ল গৈ। গতিকে ইমান গুৰুত্বপূৰ্ণ Project এটা যোৱা বছৰৰ পৰা বিভাগৰ লগত লাগি আছো মই যে এই project টো পুনৰ আৰম্ভ কৰি যিখিনি টকা আমাৰ হাতত জমা আছে, এইটো কাম সম্পূৰ্ণ কৰি আৰু additional Central Government তে আমাক যিটো টকা দিম বুলি কৈছে সেই টকাবোৰ avail কৰি কামটো সম্পূৰ্ণ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, ৩ নম্বৰ প্ৰশ্নটো হল মই সুধিছিলো ইয়াত গোটেই বিৱৰণটো দিলে, মই সুধিলো যে When will the Department take an initiative to restart and complete the project ? Will the Department give a time line for starting and completing this porject ? ৩ নম্বৰৰ উত্তৰত দিছে, কেন্দ্ৰীয় চৰকাৰে এখন চিঠি দিছে ৰাজ্য চৰকাৰক, ১৫ ডিচেম্বৰত ৩মাহ হল। চিঠিত আপোনাৰ নিৰ্দেশ দিছে, টকাটো ১৮কোটি টকা দিয়া আছে, খৰচ কৰক নহলে টকাটো ঘূৰাই দিয়ক বুলি কৈছে আৰু Interest ত যি জমা আছে, সেইটো ঘূৰাই দিয়ক যদি

কামটো নকৰে, স্পষ্টকৈ চিঠি দিছে, ৩মাহ ধৰি একো কাম হোৱা নাই। মই Department ত বাৰে বাৰে গৈ আছো, মই কৈছো এটা কাম কৰক ৩মাহ আছে, ৩মাহ সময় পালে Either এইটো Tender কৰক। যি টকা আছে, কামত লগাওঁক, কিয়নো এপ্ৰিলৰ পিছত আকৌ পুনৰ বাৰিষা আৰম্ভ হব। এতিয়া এই কথাখিনি স্পষ্ট লাগে মন্ত্ৰী মহোদয়ৰ পৰা এইটো কেতিয়া আৰম্ভ হব, কেতিয়া Complete কৰিব।

**মাননীয় অধ্যক্ষ ঃ** Thank You.

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কামটো N.B.C.C দিছিলে, N.B.C.C য়ে পাল মাৰিলে, সন্মানীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে, সেইখিনি সত্য, এতিয়া যিটো দৰকাৰী অংশ আৰু সেই দৰকাৰী অংশটো কৰিবৰ কাৰণে আমি State ৰ পৰা ব্যৱস্থা লম। আমি Finance ত Move কৰিম, ইয়াৰ কাৰণে Estimate Prepare কৰিবলৈ কোৱা হৈছে।

**শ্ৰী ভূৰন পেগু (মাননীয় সদস্য, জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Estimate টো মই জনাত এটা Fresh Estimate যিটো ২০১৪-১৫ Schedule ত বনোৱা আছে। সেইকাৰণে Fresh Estimate টো মই ভাৱো যে All ready আছে Department ৰ লগত Department হয়টো মন্ত্ৰী মহোদয়ক জনোৱা নাই। সেই Fresh Estimate যিটো আছে, আমি যদি Phase by Phase কৰো তেতিয়া হলে যিটো টকা জমা আছে, ৪কোটি মান হৈছে, Interest সেইটো যদি Immediately Tender কৰি দিয়ে ১মাহ ২মাহৰ ভিতৰত তেতিয়া হলে আমি কামটো আৰম্ভ কৰিব পাৰিম। Critical যিখিনি Road Junction আছে, বা যত Drain ৰ দৰকাৰ আৰম্ভ কৰিব পাৰে, মন্ত্ৰী মহোদয়ে এইটো Immediately দায়িত্ব ললে ভাল হয় Tender Call কৰাৰ কাৰণে।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি Department ত Prepare হৈ আছে, Estimate মই আমাৰ সন্মানীয় সদস্য গৰাকীৰ লগতো আলোচনা কৰিম আৰু এইটো সোনকালে কৰাৰ কাৰণে যাৱতীয় ব্যৱস্থা লোৱা হব।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ গুণীন দাস আছে, কথা এটা সুধিব বিচাৰিছে, মন্ত্ৰীৰ হাতত হয়টো তথ্য নাথাকিব পাৰে।

**শ্ৰী গুণীন দাস (মাননীয় সদস্য, বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰীৰ পৰা এটা কথা জানিব বিচাৰিছো, আমাৰ বৰপেটা চহৰত ২০০৯ চনত UYDSSNT আঁচনিত কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ অধীনত তাত ১৯ কোটি টকাৰে Drain এটা তৈয়াৰ কৰা হৈছিল। 50% টকা দিলে আধা Drain ৰ কাম হল। এতিয়া আমাৰ আঁচনিটো বন্ধ হৈ গৈছে। ৰাজ্য চৰকাৰক SOPD আঁচনিত এইটো অন্তৰ্ভূক্ত কৰিব দিছে। গতিকে মই আপোনাৰ যোগেদী মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো। যে এইটো যাতে গুৰুত্ব সহকাৰে বিবেচনা কৰে।

**মাননীয় অধ্যক্ষ ঃ** এই প্ৰশ্নটো ইয়াৰ লগত Related নহয়। মন্ত্ৰী ডাঙৰীয়া আপোনাক বিবেচনাৰ কথা কৈছে।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো বিষয় উত্থাপন কৰিলে, সেই বিষয়টো পূৰ্বৰ প্ৰশ্নটোৰ লগত Related নহয়। তেখেতে যিহেতু কথাটো উত্থাপন কৰিছে, মই বিশেষ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Thank You. Next Question No.263 মাননীয় সদস্য শ্ৰী কৃপানাথ মাল্লাহ তেখেত বোধকৰো নাই তাৰ পিছৰ প্ৰশ্ন শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যি পশু চিকিৎসালয় সম্পৰ্কে প্ৰশ্ন সুধিছিলো তাত দেখা গৈছে যে Director, Additional Director, Joint Director, শীৰ্ষ বিষয়া সকল অসমত বৰ্তমানে Post সমূহ Vacant হৈ আছে, এইটো অতি দুখৰ কথা। দ্বিতীয়তে, মই মোৰ নাজিৰা মহকুমাৰ ৪৮টা Post ৰ ভিতৰত ১৫ টা Post টোত হে এতিয়া বিষয়া-কৰ্মচাৰী নিয়োজিত বুলি কৈছে, ৩৩ টাত নাই বহু কেইটাত নাই আৰু এটা কথা ইয়াতে কৈছে যে এই সমূহ পদ পূৰণৰ বাবে অসম লোকসেৱা আয়োগে বিজ্ঞাপন দিছে। যি সমূহ Post Gr. IV আৰু Field Assistant এইখিনিও APSC ৰ যোগেদি হয় নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো । কেতিয়া কৰিব যদি হয় আৰু লগতে মহকুমাত থাকিব লগীয়া Sub-Divisional Animal Husbandry & Veterinary কাৰ্য্যলয়টো Sanction হোৱা নাই, Sanction হব লাগিব, Post Creation হব লাগিব এইখিনি কেতিয়া হব অকল এটা কথা কৈছে যে SDVO পদটো পদোন্নতিৰ ব্যৱস্থা কৰি পূৰণ কৰা হব। কিন্তু যদি কাৰ্য্যালয় নাথাকে তেতিয়া হলে কাম কৰাত অসুবিধা হব। সেই গতিকে এই কামটো পূৰ্ণাংগ ভাৱে যাতে কৰা হয় আৰু কেতিয়া কৰিব মই জানিব বিচাৰিছো।

**শ্ৰী অতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, APSC য়ে অকল Doctor ৰ যি পৰীক্ষা সেই পৰীক্ষাহে Conduct কৰিব, ১১৩ Post খালী আছে আৰু APSC লৈ লিখা হৈছে, আৰু

APSC য়ে সোনকালে পৰীক্ষা পাতিম বুলি কৈছে । বাকী যিবোৰ Post, বহুত Field Assistant ৰ Post খালী আছে, Gr. III ৰ Post খালী আছে, মুঠতে বহু Post আজি বহুদিন ধৰি বিভাগত খালী হৈ আছে। কাৰণ বিভাগৰ Promotion ঠিক মতে হোৱা নাই। কংগ্ৰেছ চৰকাৰৰ দিনতে যিটো Scam হৈছিল, তেতিয়াৰ পৰাই এই বিভাগটো লাহে লাহে নিশকতীয়া হৈ গৈ আছে। আমি বিভাগটো সক্ৰিয়া কৰি ৰাইজৰ স্বাৰ্থত কাম কৰিবৰ কাৰণে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো। আৰু আমাৰ সন্মানীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিটো কথা কৈছে, যে SDVO ৰ যিটো পদ সেই পদটো পদোন্নতিৰ জৰিয়তে আমি পুৰণ কৰাৰ ব্যৱস্থা কৰিম আৰু চিকিৎসালয়খন নিৰ্মাণৰ বাবে আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিম।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অন্য পদ বিলাকৰ কথা কলে ভাল হব কাৰণ অকল SDVO জন কত বহিব, তেওঁ FS হৈ থাকিব নেকি Subsidiary Health Centre বা Veterinary Office ত। মই সমগ্ৰ অফিচটোৰ বিষয়ে কৈছো সেই বিষয়ে অলপ কলে ভাল হব।

**শ্ৰী অতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Veterinary বিভাগত যি বিলাক এনেধৰণৰ সমস্যা হৈ আছে, যাৰ কাৰণে অচল অৱস্থা এটাৰ পৰিৱেশ সৃষ্টি হোৱাৰ দৰে হৈছে গোটেইখিনি দূৰ কৰিবৰ কাৰণে সামগ্ৰীক ভাৱে আমি যাৱতীয়া ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ইয়াৰ পিছত মাননীয় সদস্য ড° নোমল মমিন

**ড° নোমল মমিন (মাননীয় সদস্য, বোকাজান)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো Veterinary আমাৰ বোকাজানত যিটো হস্পিতাল আছে, খুৱ জৰাজীৰ্ণ অৱস্থা ইয়াৰ অলপ বিহীত ব্যৱস্থা লব লাগে, চিকিৎসক Appointment হোৱা নাই, গতিকে তাত চিকিৎসকৰ Appointment দিয়া যায়, আপোনালোকে এইটো ব্যৱস্থা ললে ভাল পাম।

**শ্ৰী অতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো বিষয় আমাৰ

দৃষ্টি আকৰ্ষণ কৰিছে, এই বিষয়টো আমি বিবেচনা কৰিম।

**শ্ৰী আব্দুল খালেক (মাননীয় সদস্য, জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কৃষি অৰ্থনীতিৰ কাৰণে পশু পালন আৰু পশু চিকিৎসালয় দৰকাৰী বস্তু। কিন্তু দেখা গৈছে, অসমৰ বেলেগ ঠাইৰ বিষয়ে নাজানো, অন্তত বৰপেটা জিলা আৰু বঙ্গাইগাওঁ জিলাৰ কথা জানো ২০/২৫ বছৰ ধৰি এখনো পশু চিকিৎসালয় হোৱা নাই, পশু চিকিৎসা উপকেন্দ্ৰ হোৱা নাই। যেনেকৈ মোৰ জনীয়া মৌজাত এখনো পশু চিকিৎসালয় নাই, কৃষি প্ৰধান এলেকা গতিকে অসমত তেখেতে নতুন পশু চিকিৎসালয় পশু চিকিৎসা উপকেন্দ্ৰ স্থাপন কৰিব নেকি আৰু জনিয়া মৌজাত অন্তত পশু চিকিৎসালয় স্থাপন কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ যদিও কোৱা হৈছিল, পুঁজিৰ অভাৱত সেয়া সম্ভৱ হৈ নুঠিল। এইবাৰ সন্মানীয় সদস্য গৰাকীয়ে আকৌ এই বিষয়টো আজি সদনৰ মজিয়াত উত্থাপন কৰিছে আৰু নতুন সংযোজন আনিছে। আমি দুয়োটা বিষয় বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ৰ'জলীনা তিৰ্কী।

**শ্ৰীমতী ৰ'জ লীনা তিৰ্কী ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত যিহেতুকে অসম নাগলেণ্ড সীমান্তত, আমাৰ মন্ত্ৰী মহোদয়ে জানে উইলিয়াম ঘাটত যি এটা পশু চিকিৎসাৰ উপকেন্দ্ৰ আছে, সেইটো জৰাজীৰ্ণ অৱস্থাত আছে। আজি যদি সেই একেবাৰে ভিতৰুৱা অঞ্চলৰ পশু চিকিৎসা কৰিব লগীয়া হয়, তেতিয়াহলে Sub-Division বা অন্যান্য ঠাইলৈ যাব লাগে। সেই সকল লোকৰ কাৰণে আমাৰ এই উপস্বাস্থ্য কেন্দ্ৰটো কাৰ্য্যকৰী কৰিব নেকি বা কিবা পৰিকল্পনা লৈছে নেকি ? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰ'জলীনা তিৰ্কী ডাঙৰীয়ানীয়ে যিটো উপ-স্বাস্থ্য কেন্দ্ৰৰ কথা কৈছে, সেইটো মই নিজে প্ৰত্যক্ষ কৰিছো আৰু আজি অসম নাগালেণ্ড সীমান্তত, চুবুৰীয়া ৰাজ্য বিশেষকৈ নাগালেণ্ডে যিদৰে উন্নতিৰ কাম-কাজ বোৰ কৰে। গতিকে আমাৰ অসম চৰকাৰৰ তেনেধৰণৰ কেৱল Veterinary বুলি নহয়, অন্যান্য বিভাগতো তেনেধৰণে বহুত কিছুমান ঘৰ-দুৱাৰ পৰি আছে, যিখিনি সৎ ব্যৱহাৰ হোৱা নাই। গতিকে ৰ'জ লীনা তিৰ্কী ডাঙৰীয়ানীয়ে যিটো বিষয় উত্থাপন কৰিছে সেইটো কথাটো আমি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Last supplimentary Shri Sherman Ali Ahmed.

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৯ আগষ্ট ২০১৪ চনতে মোৰ এটা starred question no. 241 ৰ উত্তৰত তেতিয়াৰ মন্ত্ৰীয়ে বাঘবৰ সমষ্টিত বাঘমাৰা, কদমতলা, ভুছেশ্বৰ আৰু সত্ৰসনৰথ ৪ টা Veterinary Sub-Centre স্থাপন কৰিবলৈ প্ৰতিশ্ৰুতি দিছিল, এই সদনত।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** পৰৱৰ্তী ২০১৫ চনতো এই ৪ টা স্কীম, এই ৪টা Veterinary Sub-Centre RIDF 20 ত অন্তৰ্ভূক্ত হোৱা বুলি কৈছিলে। মন্ত্ৰী মহোদয়ে তৎক্ষণাত যিহেতু কব নোৱাৰিব মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ জনাম যে যিহেতু পৱিত্ৰ সদনত দিয়া প্ৰতিশ্ৰুতি, যাতে ৪ টা Veterinary Sub-Centre স্থাপন কৰিবলৈ মন্ত্ৰী মহোদয়ে চেষ্টা কৰে।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, RIDF 20 ত ৰাজ্যখনত এনেধৰণৰ বহুত

Sub-Centre ঠিক ঠাক কৰা হৈছিল। কিছুমান কাম হাউচফেডক দিছিল, কিছুমান কাম Building Division ক দিয়া হৈছিল, সেই সময়ত। আমি সেই বিষয়া সকলক মাতি আনি আলোচনা কৰিছো যে কি অসুবিধাৰ কাৰণে সেই কামবিলাক আপোনালোকে সম্পূৰ্ণ কৰিব পৰা নাই আৰু এইখিনি খৰতকীয়া কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে আৰু যিটো মাননীয় সদস্য গৰাকীয়ে ইয়াত উত্থাপন কৰিছে মই সেই বিষয়টো পৰীক্ষা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২৬৫, শ্ৰী চাহাব উদ্দিন আহমেদ, আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী চাহাব উদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৃষি বিভাগৰ ওপৰত প্ৰশ্ন আনিছিলো, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিছে, মই সন্তুষ্ট হব পৰা নাই। যিহেতু আমাৰ কৃষি প্ৰধান অঞ্চল, বানাক্ৰান্ত অঞ্চল। আমাৰ গোৱালপাৰা জিলাখন কৃষি প্ৰধান, সেইহিচাপে কৃষিত যিখিনি গুৰুত্ব দিয়াৰ কথা আছিলে, সেইখিনি পৰিলক্ষিত হোৱা নাই। ইয়াত মই সুধিছিলো, প্ৰশ্ন কালত যে ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭ বৰ্ষত গোৱাল পাৰা জিলাত জলেশ্বৰ বিধান সভা সমষ্টিত ট্ৰেক্টৰ, পাৱৰ টিলাৰ, ওৱাটাৰ পাম্পমেচিন আদি যোগন ধৰা হৈছে নেকি? ইয়াত যিখিনি উত্তৰ আহিলে এ চি পি আঁচনিৰ ২০১৪-১৫ ত ৩ খন ট্ৰেক্টৰ দিছিলে, পাৱাৰটিলাৰ দিয়া হোৱা নাই। Farm Mechanism ত ২০১৪-১৫ ত ৩ খন পাৱাৰ টিলাৰ দিছিলে, বাকী ২০১৫-১৬, ২০১৬-১৭ ত এখনো নাই। গতিকে এই তিনিটা বছৰত মাত্ৰ ৬ খন ট্ৰেক্টৰে দিয়া হৈছে। য'ত মোৰ সমষ্টিত ২৫ খন গাওঁ পঞ্চায়ত আছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো, প্ৰশ্নটো।

**শ্ৰী চাহাব উদ্দিন আহমেদ ঃ** প্ৰশ্নটো হৈছে চাৰ, ইমান কম বস্তু যদি আমাক দিয়া হয় কৃষক সকলক, আমি কেনেকৈ কৃষি সামগ্ৰী উৎপাদন কৰিবলৈ সক্ষম হম বা আমাৰ কৃষক ৰাইজে কেনেকৈ সকাহ পাব?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বৰ্তমান সময়ত বিভাগৰ তৰফৰ পৰা প্ৰত্যেক জিলাৰ পৰা যিবিলাক Requirement পাইছো, বিভিন্ন জিলাৰ পৰা, সেই Requirement ৰ ওপৰত ভিত্তি কৰি আমি বিভিন্ন আঁচনি ৰূপায়ণ কৰিছো। N.F.S.M ত আমাৰ পাৱাৰটিলাৰ দিয়াৰ ব্যৱস্থা আছে, D.G.I.R ত আছে, বিভিন্ন আঁচনিত পাৱাৰ টিলাৰ দিয়া ব্যৱস্থা আছে। আপোনালোকে জানেযে আমাৰ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিখন ৰাজহ গাৱত ২ খনকৈ ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। মই ভাৱো নিশ্চিত ভাৱে সেই আঁচনিয়ে সন্মানীয় সদস্য গৰাকীৰ বিধান সভাৰ সমষ্টিকো সামৰি লৈছে আৰু পাৱাৰটিলাৰৰ যদি প্ৰয়োজন আছে তেতিয়াহলে নিশ্চয় পাব, আমাৰ জিলাত যি কৃষি উন্নয়ন বিষয়া আছে তেওঁলোকৰ লগত যদি যোগযোগ কৰে বা মোকো যদি কয় তেতিয়াহলে মই নিশ্চিত ভাৱে এইখিনিৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াম।

**মাননীয় অধ্যক্ষ ঃ** সন্তুষ্ট, ঠিক আছে। This is related to Jalleswar, no other will be allowed. Please, please.

**শ্ৰী চাহাব উদ্দিন আহমেদ ঃ** চাৰ, আৰু এটা আছিলে। ছাৰ, জলেশ্বৰ বিধান সভা সমষ্টিত কেইটা কি উন্নয়ন সাম্প্ৰদায়িক বিষয়ৰ কাৰ্যালয়, কোৱাটাৰ আছে ৫ টা, তেওঁলোকে উত্তৰ দিলে যে এটা কৃষি উন্নয়ন বিষয়াৰ আৱাস গৃহ আছে আৰু ৫ টা কৃষি সম্পৰ্কীয় বিষয়াৰ আছে। কিন্তু ছাৰ, মই

জনা মতে এই ৫ টাৰ এটাও কাৰ্যক্ষম হোৱা নাই বুলি ইয়াত লিখিছেই, কিন্তু ইয়াত আৰু এটা কথা লিখিছে ছাৰ, ইয়াৰ মই প্ৰথম চেচনত আনিছিলো প্ৰশ্নটো, ইয়াত লিখিছে যে এইটো কোনোবা বে-দখল হোৱা বুলিও কৈছিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো।

**শ্ৰী চাহাব উদ্দিন আহমেদ ঃ** তেওঁলোকে কৈছে বে-দখল হোৱা নাই। কিন্তু যিকেইটা আৱাস গৃহ, সেইকেইটা মোৰ ঘৰৰ পৰা ২০০ মিটাৰ দূৰত্বৰ ভিতৰত হব। তাত ছাৰ, এটা কৃষি বিষয়াৰ কোৱাটাৰ আৰু দুটা গ্ৰামসেৱকৰ কোৱাটাৰ। সম্পূৰ্ণ দখল হৈ আছে। জাতীয় বিদ্যালয় ২ খন কৰিছে, এখন জাতীয় বিদ্যালয় হ'ল জ্ঞানজ্যোতি মাচুম বিদ্যালয় আৰু এখন নৱজ্যোতি বিদ্যালয়। নৱজ্যোতি চলি আছে আৰু জ্ঞানজ্যোতি তাৰ পৰা বেলেগ ঠাইলৈ গ'ল। যদি এইখিনি Recovery কৰে নহলে লিজত দি দিয়ক। আমি ৰাইজে ব্যৱস্থা কৰি লম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। প্ৰশ্নটো বৰ গুৰুত্বৰ।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো তেখেতে কৰিছে, মই প্ৰশ্নটো কৰোতে সন্দেহ প্ৰকাশ কৰিছিলো, নিশ্চিত এইটোৰ বিভাগৰ পৰা আমি উত্তৰটো পাইছিলো, জিলা খনৰ পৰা। মই নিজে কালি Enquiry কৰিছিলো, মই বি ও জনৰ লগত কথা-বতৰা পাতিছিলো। মই কৈছিলো তাত যে আৱাস গৃহটো কোনোবাই occupy ক ৰিছে বা Encroach কৰিছে এই কথাটোৰ কিব সত্যতা সত্য আছে, নহলে কিয় সন্মানীয় সদস্য গৰাকীয়ে এই প্ৰশ্নটো উত্থাপন কৰিছে। তেখেতে তাৰ পিছত কৈছে যে মাজে মাজে কোনোবা শিক্ষকে তাত জিৰণী লোৱা বুলি কৈছে, আৰু এটা কথা কৈছে কোনোবা এগৰাকী সন্মানীয় আমাৰ বিধান সভাৰ সদস্যই তাত এটা পঞ্চায়ত কাৰ্যালয় খোলাৰ কাৰণে ব্যৱস্থা লৈছে বুলি কৈছে। গতিকে এই কথাটো অলপ চাব লাগিব। গতিকে এইটো আমি Encroach হব নিদিও, আমি তাৰ কাৰণে যিখিনি ব্যৱস্থা চৰকাৰৰ তৰফৰ পৰা কৰিব লাগে সেইখিনি আমি নিশ্চয় আহি থকা দিন বিলাকত কৰিম।

**মাননীয় অধ্যক্ষ** ঃ কথাটো অলপ গুৰুত্বসহকাৰে চোৱাটো ভাল। কিন্তু চৰকাৰৰ উত্তৰত, কৃষি আৱাস গৃহ কেইটাৰ কোনো ধৰণৰ বেদখল হোৱা নাই, যি জনে এনেকুৱা উত্তৰ আপোনালৈ দিছে তেওঁক he should take action কিয় তেনেকুৱা কৰিব। পৰৱৰ্তী প্ৰশ্ন ২৬৬, শ্ৰী সঞ্জয় কিশান। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰী সঞ্জয় কিশান।

**শ্ৰী সঞ্জয় কিশান ঃ** অধ্যক্ষ ডাঙৰীয়া, মই উত্তৰ পাইছো কিন্তু মই উত্তৰত সন্তুষ্ট হব পৰা নাই। তিনিচুকীয়াৰ যি কচুজান চাহ বাগিছা M/S Nondalal & Sons Tea Company ৰ under ত আছে শুকানপুখুৰী T.E.অধ্যক্ষ ডাঙৰীয়া, মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে, এই যিখন চাহ বাগিছাৰ কথা কোৱা হৈছে, তেখেত সকলে দলিলযোগে মাটি বিক্ৰী কৰাৰ অনুমোদন পাইছে নেকি? তাত অন্য ব্যৱসায় প্ৰতিষ্ঠা কৰাৰ তেওঁলোকৰ কোনো প্ৰমান নাই বুলি কৈছে। কিন্তু তাত ইতিমধ্যে এটা ডাঙৰ চাহ মিল , ৰাইচ মিল খোলা হৈছে, তেল ডিপো খোলা হৈছে, কেইবাটাও তাত ফেক্টৰী খোলা হৈছে। এইটো যদি চাহ বাগিছাৰ সম্পত্তি তেনেহলে এইটো অসমৰ সম্পত্তি। গতিকে চাহ বাগিছাৰ মালিকসকলে যদি ব্যক্তিগত ভাৱে এই বাগিছাবিলাক ব্যৱহাৰ কৰাৰ অনুমতি লয় আৰু তাত নতুন নতুন প্ৰতিষ্ঠান থিয় হয়, তেতিয়াহলে তাত কাম কৰা হাজাৰ হাজাৰ শ্ৰমিকৰ জীৱনলৈ ভাবুকি আহিব। লগতে অধ্যক্ষ মহোদয়, আৰু এইটো কথা মই

জানিব বিচাৰিছো যে তিনিচুকীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত চাহ বাগিছা সমূহ ৰাজহ চক্ৰ বিষয়াই বেদখল কৰাৰ চেষ্টা কৰি আছে বুলি আমি গম পাইছো। তাত থকা বাহাদুৰ চাৰিআলি চাহ বাগিছাখন আমাৰ এজন প্ৰাক্তন বিধায়কৰ হয়। এইখনত ইতিমধ্যে ডাঙৰ ডাঙৰ প্ৰতিষ্ঠান হ'ল। ইয়াত কৈছে যে উচ্ছেদৰ কাৰণে ব্যৱস্থা লোৱা হৈছে কিন্তু উচ্ছেদৰ কাৰণে কোনো ব্যৱস্থা লোৱা নাই। ভুল তথ্য ইয়াত দিয়া হৈছে। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে চাহ বাগিছাৰ মাটিত কেনেকে পৈতৃক সম্পত্তিৰ নিচিনাকে দোকান বনাবলৈ সক্ষম হৈছে, তেতিয়াহলে অন্যান্য চাহ বাগিছা বিলাকতো তেওঁলোকে চাহ বাগিছা উচ্ছেদ কৰি তাত ব্যৱসায় প্ৰতিষ্ঠা কৰিব। মই এইটো উচ্ছেদ কৰাৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, বিধায়ক গৰাকীয়ে যিটো কথা কৈছে সেইটো হয়। শুকানপুখুৰী চাহ বাগিছাৰ কিছু মাটি নন্দলাল এণ্ড চনচ টি ইণ্ডাচট্ৰি প্ৰাইভেট লিমিটেড, শুকানপুখুৰী টি ষ্টেটৰ কাৰ্য্যালয়ত নামজাৰী আছে তেওঁলোকৰ। কিন্তু উক্ত চাহ বাগিছাত চৰকাৰৰ অনুমোদন সাপেক্ষে দদিলযোগে মাটি বিক্ৰী কৰাটো সত্য। অধ্যক্ষ ডাঙৰীয়া, এইটো আমাৰ চৰকাৰৰ দিনত হোৱা নাই। এইটো ২০০৭--২০০৮ চনৰ কথা। টি গাৰ্ডেনৰ মাটি আচলতে লিজত থাকে। গতিকে তাত মাটি বিক্ৰী কৰাৰ পাৰ্মিচন চৰকাৰে কিয় দিলে মই জানি নিজেও আচৰিত। এইটো আচলতে দিব নোৱাৰে। মই মাননীয় সদস্য গৰাকীক কওঁ যে, আজি বিধান সভাৰ পিছতে এই বিষয়টোৰ ক্ষেত্ৰত মই তিনিচুকীয়া জিলাৰ DC ক মই ইয়াৰ ওপৰত এনকোৱাৰী কৰি এটা ৰিপোৰ্ট দিয়াৰ কাৰণে ব্যৱস্থা লব দিম আৰু যিটো এনকোৰ্চমেন্ট হোৱা বুলি কৈছে ,তাত ইতিমধ্যে উচ্ছেদ হৈছে। তিনিচুকীয়া ৰাজহ বিভাগৰ পৰা আমি ৰিপোৰ্ট আনিছো। তেওঁলোকে কৈছে যে তিনিচুকীয়া ৰাজহ খণ্ডৰ অন্তৰ্গত চাৰিআলি চাহ বাগিছা উচ্ছেদৰ বাবে জাৰি কৰিছে আৰু উচ্ছেদৰ ব্যৱস্থা কৰিছে। কিন্তু মাননীয় সদস্য গৰাকীয়ে যিহেতু তাৰ স্থানীয় বিধায়ক, তেওঁ যিহেতু কৈছে তেন্তে তাত নিশ্চয় আৰু উচ্ছেদৰ কাম বাকী আছে। তাত হয়তো আৰু বেদখল আছে। এইটো আমি উচ্ছেদ কৰিব লাগিব। আজি বিধানসভাৰ পাছতে তিনিচুকীয়াৰ ডি চি ক এই দুটা বিষয় চাবলৈ কম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী সঞ্জয় কিশাণ ঃ** মহোদয়, গেলাপুখুৰীত যিটো প্লাষ্টিক পাৰ্ক কৰিবলৈ লোৱা হৈছে ১৫০০ বিঘা মাটিত, ইতিমধ্যে মন্ত্ৰী মহোদয়ে জানিবলৈ দিছে যে তাত ৫০০ বিঘা মাটিত ব্যৱসায় প্ৰতিষ্ঠান খুলিবলৈ কেইবাটাও প্ৰতিষ্ঠানক অনুৰোধ কৰা হৈছে। কিন্তু বাকী যি ১০০০ বিঘা মাটি আছে তাত যিখিনি মানুহে ঘৰ বনাই বহি আছে তেওঁলোকক যদি ঘৰ বনাবলৈ বেলেগ ঠাইত মাটিৰ ব্যৱস্থা কৰা হয় তেওঁলোকে খালী কৰি দিম বুলি প্ৰতিশ্ৰুতি দিছিলে। তাৰ কাৰণে আমাৰ AIDC ৰ হাতত টকাও আছে। গতিকে এই মাটিটোত থকা শ্ৰমিকসকলক থাকিবলৈ যদি ঘৰ বনাই দিয়া হয় ভাল হয় আৰু এটা অনুৰোধ কৰিব বিচাৰিছো যে তাত যথেষ্ঠ মাটি আছে। প্লাষ্টিক পাৰ্কৰ বাহিৰেও অন্য যদি ডাঙৰ প্ৰতিষ্ঠান তাত স্থাপন কৰা হয়, ভাল হয় বুলি মই ভাৱো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, গেলাপুখুৰীত প্ৰায় ৫০০ বিঘামান মাটি দখল কৰি আছে আৰু বাকী মাটিখিনি আমাৰ হাতত আছে প্লাষ্টিক পাৰ্কৰ নামত। এই ৫০০ বিঘা মাটিত যিসকল চাহ শ্ৰমিক বহি আছে প্লাষ্টিক পাৰ্কখনৰ স্বাৰ্থত তেওঁলোকক তাৰ পৰা যাবলৈ

আমি অনুৰোধ জনাইছো। এ আই ডি চি ৰ পৰা তেওঁলোকক যিখিনি কমপেনচেচন লাগে সেইখিনি দিম। কিন্তু ইতিমধ্যে লোৱাৰ কোৰ্ড আৰু উচ্চতম ন্যায়ালয়ত এই সম্পৰ্কে গোচৰ ৰুজু হৈছে। এতিয়া স্থানীয় বিধায়ক হিচাপে সঞ্জয় কিশাণ ডাঙৰীয়াকে অনুৰোধ জনাইছো। তেখেতে এই মানুহখিনিৰ লগত কথা পাতক আৰু কথা পাতি আমাৰ AIDC ৰ লগত কথা পাতক। মইও থাকিম লগত, আমাৰ কোম্পানী বিভাগো থাকক আৰু তেওঁলোকৰ ৰিপ্ৰেজেনটেটিভ সকলো থাকক। যদি কমপেনচেচন দিব লাগে, কেচ কেইটা উঠাই ল'ব লাগিব। কাৰণ চাব জুডিচ মেটাৰ এটাত চৰকাৰে ডিচিচন দিব নোৱাৰে। তেনেকুৱা ব্যৱস্থা হয়তো কৰিব পৰা যাব। প্লাষ্টিক কোম্পানীৰ কাৰণে আমাক প্লাষ্টিক পাৰ্কখনৰ প্ৰয়োজন যথেষ্ঠ বেছি।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইমাত্ৰ মন্ত্ৰী মহোদয়ে কলে যে চাহবাগিছা সমূহক যিবোৰ মাটি লিজত দিয়া হৈছিল চাহ বাগিছা নিৰ্মাণ কৰাৰ কাৰণে , সেই মাটিবোৰ চাহবাগিছাৰ মালিক পক্ষই বিক্ৰী কৰিব নোৱাৰে। কিন্তু আমি দেখিছো যে গুৱাহাটীৰ সমীপৱৰ্ত্তী চুনশালি বা সোনাপুৰ চাহ বাগিছাই হওঁক , যেতিয়া আমাৰ বিধান সভাৰ অধিৱেশন হৈছিল তেতিয়াও আমাৰ মাননীয় সদস্য অতুল বৰা ডাঙৰীয়াই এই বিষয়টো উৎথাপন কৰিছিল। এই ক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ লৈছে? বিগত সময়তো কোৱা হৈছিলে যে, এই ক্ষেত্ৰত আমি পদক্ষেপ ল'ম।

**মাননীয় অধ্যক্ষ ঃ** হয়। লিজত দিয়া মাটি বিক্ৰী কৰিব নোৱাৰে। এই ক্ষেত্ৰত চৰকাৰৰ পলিচিটো কি ?

**শ্ৰী অতুল বৰা ঃ** মই এই ক্ষেত্ৰত দুযাৰমান ক'ব বিচাৰিছো। চৰকাৰক ধন্যবাদ জনাই মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ লিখা চিঠিখনৰ দুশাৰীমান পঢ়ি দিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** This is question hour. Relevant আমি যেতিয়া কম তেতিয়া দিব। ঠিক আছে এটা লাইন কওঁক ।

**শ্ৰী অতুল চন্দ্ৰ বৰা ঃ** লাইনটো অলপ দীঘলীয়া। মাননীয় শ্ৰী যুত সৰ্বানন্দ সোণোৱাল , মুখ্যমন্ত্ৰী অসম, প্ৰিয় মুখ্যমন্ত্ৰী, চৰকাৰীভাৱে প্ৰশাসনৰ জৰিয়তে চুনশালীত সৃষ্টি নগৰ নিৰ্মাণ কাৰ্য্য বন্ধ কৰাৰ নিৰ্দেশ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। স্থানীয় ৰাইজেও শলাগ লৈছে আৰু সন্তুষ্টি লভিছে , তদন্ত যাতে নিৰপেক্ষ হ য়, তাৰ বাবেও আপুনি যেন দৃষ্টি ৰখাটো কামনা কৰিছো।

**মাননীয়অধ্যক্ষ ঃ** ধন্যবাদ। পাটোৱাৰী ডাঙৰীয়া পলিচিটো কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** যিবিলাক মাটি লিজত দিয়া হয়, সেই মাটিখিনি বিক্ৰী কৰিব নোৱাৰে। এইটো চৰকাৰী নিয়ম। কিন্তু প্ৰশ্নটো হৈছে যে কোনোৱা চাহ বাগিছাই কেতিয়াবা বিছাৰে যে সেই বাগিছাতে আমি নতুন উদ্যোগ গঢ়ি তুলিম। তেতিয়া হয়তো চৰকাৰে বিশেষভাৱে বিবেচনা কৰে। কিয়নো তেতিয়া investment হয় আৰু নিযুক্তিও হয়। ঠিক তেনেকৈ Hindustan Unilever এ প্ৰায় ১৬০০ কোটি টকা invest কৰি ডাঙৰ উদ্যোগ গঢ়ি তুলিছে আৰু তাৰ এটা portion আমি তেওঁলোকক দিবলগীয়া হৈছে। কিন্তু মাটিটো বিক্ৰী কৰা নাই, লীজতেই আছে। ভট্টাচাৰ্য ডাঙৰীয়াই যিটো কৈছে তেওঁলোকক মাটিটো বিক্ৰী কৰিব নোৱাৰে। গতিকে তেখেতে যিখন বাগিচাৰ কথা কৈছে, মই ইয়াৰ গোটেই খিনি status লৈহে আপোনাক জনাম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য সুৰেন ফুকনে তেখেতৰ supplementary question টো কওঁক।

**শ্রী সুৰেন ফুকন, (ডিগবৈ)ঃ** অধ্যক্ষ মহোদয়, মোৰ ডিগবৈ সমষ্টিৰ হাঁহচৰা চাহ-বাগিচাত ২০০০ চনতে বহুজাতিক কোম্পানী Hindustan Unilever য়ে তাত প্রসাধন সামগ্রীৰ factory বহুৱাইছিল আৰু সেই সময়চোৱাৰে পৰাই আজি ১৮ বছৰ পর্যন্ত তেওঁলোকে শ শ বিঘা মাটি উচ্ছেদ কৰি তেওঁলোকৰ factory expand কৰি আহিছে। তেনেধৰণে যদি প্রত্যেক বছৰে তেওঁলোকে শ শ বিঘা মাটি expand কৰি থাকে তেনেহ'লে ই চাহ-শ্রমিক ৰাইজৰ বাবে এক সমস্যাৰ সৃষ্টি কৰিব।

**মাননীয় অধ্যক্ষঃ** হয়, বাগানত diversification হ'ব লাগিব। বাগানত মালিকে যদি কিবা বিচাৰে সেইটো এটা আলোচনাৰ মাজেৰে সম্পন্ন হ'ব লাগে যাতে চাহ-উদ্যোগো জীয়াই থাকে আৰু চাহ-উদ্যোগৰ লগত জড়িত যুৱক-যুৱতী সকলো নিয়োগ হৈ থাকে। অতিৰিক্ত যুৱক-যুৱতী সকলক চাহ-বাগিচাই যিহেতু absorb কৰিব নোৱাৰে গতিকে তাৰ বাবে genuine diversification is alright. কিন্তু আপোনালোকে যিটো কথা কৈছে, সেই concern টো মই বুজি পাইছো। Hindustan Unilever ৰ ক্ষেত্ৰত মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকর্ষণ কৰিছো।

Next, Rituparna Baruah.

**শ্রী ঋতুপর্ণ বৰুৱা, (লাহোৱাল)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেৰে এই গোটেই বিষয়টোৰ প্রতি মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে সমগ্ৰ অসমতে, ডিব্রুগড়, তিনিচুকীয়াতো দেখিছো যে চাহ-বাগিচাৰ মাটি বিক্রী হৈ আছে। তাৰ এটা উচ্চ পর্যায়ৰ তদন্ত হ'ব লাগে আৰু ইয়াৰ ওপৰত এটা কঠোৰ ব্যৱস্থা গ্রহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। ইয়াৰ পিছত বিমল বৰা।

**শ্রী বিমল বৰা, (টিংখাং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগিচাৰ মাটিত যেতিয়া বিভিন্ন কাৰণত acquisition কৰা হয়, তেতিয়া সেই acquisition ৰ ধন বাগিচা সমূহৰ মালিকে পায় কিন্তু তাৰ কর্মচাৰী বা চাহ শ্রমিক সকলে নাপায়। গতিকে এই ক্ষেত্ৰত এটা সু-স্পষ্ট নীতি হ'ব লাগে।

**মাননীয় অধ্যক্ষঃ** হয়, ইয়াৰ বাবে নীতি লাগিব, otherwise it will be difficult, because it is a law matter. আপোনাৰ কথাটো মই বুজিছো আৰু আপোনাৰ কথাটো মই দৃষ্টি আকর্ষণ কৰিলো।

Next , Shri Pabindra Deka. Question No. 268.

**শ্রী অতুল বৰা, মাননীয় মন্ত্রী, নগৰ উন্নয়ন, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্রী পবিন্দ্র কুমাৰ ডেকা, (পাটাছাৰকুছি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্রশ্ন কৰিছিলো যে অসম চৰকাৰে ৰাজ্যখনৰ চহৰ উন্নয়নৰ বাবে ২০১৬-১৭, ২০১৭-১৮ বিত্তীয় বর্ষত কি কি আঁচনি গ্রহণ কৰিছে? ইয়াৰ উত্তৰত ক'লে যে, অসম চৰকাৰে পৌৰ প্রশাসন সঞ্চালকালয়ৰ জৰিয়তে চহৰ উন্নয়নৰ বাবে ২০১৬-১৭ , ২০১৭-১৮ বিত্তীয় বর্ষ দুটাত লোৱা আঁচনি সমূহ হ'ল- চতুর্থ বিত্ত আয়োগ, পঞ্চদশ অসম ৰাজ্যিক বিত্ত আয়োগ। অধ্যক্ষ মহোদয়, মই জনা মতে এই আয়োগ সমূহে টকাহে দিয়ে, আঁচনি গ্রহণ নকৰে। তেওঁলোকে আঁচনি নলয়। এতিয়া আঁচনিৰ

ভিতৰত অন্তৰ্ভূক্ত হৈছে, Development of Small Town, construction of S.C linked Road under SCSP, Street Light, Roads and Bridges. যিহেতু বিত্ত আয়োগে আঁচনি ৰূপায়ণৰ বাবে টকাহে দিয়ে, কোনো ধৰণৰ আঁচনি গ্ৰহণ নকৰে, গতিকে এই কথা খিনি বুজি নাপালো আৰু মই মন্ত্ৰী ডাঙৰীয়াক অনুগ্ৰহ কৰিছো যে তেওঁ যাতে মোক বুজাই দিয়ে।

দ্বিতীয়তে, তেখেতে কৈছে যে এনে আঁচনি সমূহৰ বাবে বিত্তীয় বৰ্ষ দুটাত এতিয়ালৈ ১৪,১৮২.৪৯ লাখ টকা দিয়া হৈছে। উক্ত বিত্তীয় বৰ্ষত লোৱা আঁচনি সমূহৰ কোনো এখন আঁচনিৰ কামেই সম্পূৰ্ণ হোৱা নাই। এই আঁচনি সমূহত টকা দি থকা হৈছে কিন্তু দেখা গৈছে যে, সৰু সৰু নগৰবোৰৰ অৱস্থা নাই, drain ৰ সুবিধা নাই। সদায় তাত পানী জমা হয়। গতিকে আঁচনি সমূহত টকা দিয়াৰ স্বত্বেও কিহৰ বাবে আঁচনিবোৰ সম্পূৰ্ণ হৈ উঠা নাই এই সম্পৰ্কে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে তদন্ত ল'ব নেকি? কাৰণ কেইখন মান নগৰৰ কথা মই ব্যক্তিগত ভাৱে জানো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া,

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, নগৰ উন্নয়ন, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পবিন্দ্ৰ ডেকা ডাঙৰীয়াক ধন্যবাদ জনাইছো। আমাৰ চৰকাৰে ২০১৬-১৭, ২০১৭-১৮ বৰ্ষত কিছুমান আঁচনি গ্ৰহণ কৰিছিল আৰু সেই আঁচনি বোৰৰ সফল ৰূপায়ণৰ বাবে চৰকাৰৰ তৰফৰ পৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। সমস্যা কেতবোৰ আছে, কাৰণ বিভিন্ন ঠাইত যিবোৰ পৌৰ সভা, Town Committee আছে, সেইবোৰৰ সহযোগিতা অবিহনে আমি ঠিক মতে কাম-কাজবোৰ কৰিব নোৱাৰো। এইবোৰ হৈছে একো-একোখন সৰু চৰকাৰ। গতিকে তেওঁলোকক বাদ দি আমি নিজাববীয়াকৈ কেতবোৰ কাম কৰিব নোৱাৰো। কেতিয়াবা দেখা যায়, কিছুমান কাম কৰাৰ বাবে টকা দিয়াৰ পিছত তেওঁলোকে UC ( Utilization Certificate) বোৰ নিদিয়ে, UC বোৰ নিদিয়াৰ বাবে আমি দ্বিতীয়টো কিস্তি মোকলাই দিব নোৱাৰো। এনে ধৰণৰ বহু খিনি অসুবিধা যোৱা দিনবোৰত মই নিজেই প্ৰত্যক্ষ কৰিছো আৰু তাৰ বাবে বিভিন্ন সময়ত আমি আলাপ-আলোচনা কৰি এইবোৰৰ সমাধানৰ বাবে চেষ্টা কৰিছো। আপোনালোকে জানে যে, এইবাৰ আমাৰ চৰকাৰে Urban development ৰ বাবে বহুখিনি আঁচনি হাতত লৈছে। CIDF ত যোৱা বছৰ ৰাজ্যখনৰ তিনিচুকীয়া, ডিব্ৰুগড়, যোৰহাট, তেজপুৰ, কাছাৰ এনেধৰণৰ ৬ খন চহৰত আমি এই আঁচনিৰ অধীনত ২০০ কোটি টকা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলো আৰু তাৰ বাবে যিখিনি কৰণীয় সেইখিনি আমি কৰিছো আৰু তাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এইবাৰ নতুনকৈ কেইবাখনো চহৰ ইয়াত অন্তৰ্ভূক্ত কৰা হৈছে যিবিলাকক এইবোৰ ১০০ কোটিকৈ টকা দিয়া হ'ব। ইয়াৰোপৰি, ২০০ কোটি টকা এইবাৰ সৰু সৰু নগৰৰ ৰাস্তা-পদূলি নিৰ্মাণৰ বাবে দিয়া হৈছে। বিভিন্ন আঁচনিৰ অধীনত বিভিন্ন আঁচনি আছে। আমাৰ পূৰ্বৰ যিবোৰ আধৰুৱা কাম আছে আৰু নতুনকৈ লোৱা যিবোৰ আঁচনি আছে সেইবোৰৰ কাম এইবাৰ সম্পূৰ্ণ কৰিবৰ বাবে আমি চেষ্টা কৰিম। আমি সকলো সন্মানীয় সদস্য সকলৰ তথা পবিন্দ্ৰ ডেকা ডাঙৰীয়াৰ সহযোগিতা কামনা কৰিছো।

**শ্ৰী পবিন্দ্ৰ কুমাৰ ডেকা, (পাটাছাৰকুছি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা বুজি পোৱা নাই যে এই আঁচনি সমূহ চতুৰ্থ বিত্ত আয়োগে কেনেকৈ কৰে?

**মাননীয় অধ্যক্ষঃ** বোধকৰো, এইবোৰ চতুৰ্দশ বিত্ত আয়োগৰ অধীনৰ আঁচনি, পঞ্চম অসম ৰাজ্যিক

বিত্তীয় আয়োগৰ অধীনৰ আঁচনি। ইয়াতে লিখোতে ভূল হ'ব পাৰে।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, নগৰ উন্নয়ন, ইত্যাদিঃ** হয়, অধ্যক্ষ মহোদয়, ইয়াত লিখোতে ভূল হৈছে।

**শ্ৰী পবিন্দ্ৰ কুমাৰ ডেকা, (পাটাছাৰকুছি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহু বছৰ আগতে খোৱা পানীৰ বাবে কিছু আঁচনি লোৱা হৈছিল। এই আঁচনিৰ সকলো ধৰণৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিছিল কিন্তু Town Committee বোৰক তাৰ পৰিচালনাৰ দায়িত্ব দিয়া হৈছিল। Town Committee বোৰ অৰ্থনৈতিক ভাৱে অক্ষম গতিকে সেই আঁচনিবোৰ আজিও দশক দশক ধৰি পৰি আছে। গতিকে এই আঁচনিবোৰ হয়তো ৰূপায়ণ কৰক, পানী দিয়ক নাইবা সেই আঁচনিবোৰ চৰকাৰে redundant বুলি ঘোষণা কৰিব নেকি ?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, নগৰ উন্নয়ন, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, পবিন্দ্ৰ ডেকা ডাঙৰীয়াই গোটেই কথাখিনি নিজেও ভালকৈ জানে আৰু বিভিন্ন সময়ত ব্যক্তিগত ভাৱে তেখেতৰ লগত আলাপ-আলোচনা কৰো আৰু তেওঁৰ যি মনোবেদনা আমি সেইটো হৃদয়ংগম কৰিছো। গতিকে আমি ভৱিষ্যতলৈ আলাপ-আলোচনাৰ মাজেৰে এইবোৰ সমাধানৰ বাবে ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস, (মঙলদৈ)ঃ** অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে মঙলদৈৰ ১০ টা Ward ত খোৱা -পানীৰ ব্যৱস্থাটো কেতিয়াৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব ? প্ৰায় ৮-৯ বছৰ ধৰি মঙলদৈৰ ১০টা Ward ৰ মানুহে এতিয়ালৈকে খোৱা-পানী খাব পৰা নাই।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, এই বিষয়ে কিবা উত্তৰ দিব পাৰিব নেকি ? যদি নোৱাৰে, পিছত দি দিব।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, নগৰ উন্নয়ন, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, এইটো related নহয়। তৎসত্বেও গুৰুজ্যোতি দাস ডাঙৰীয়াৰ সমষ্টিৰ মানুহে সন্মুখীন হোৱা সমস্যাটোৰ বিষয়ে উত্থাপন কৰিছে গতিকে আমি এইটো বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া আবুল কালাম ৰছিদ আলম। আপোনাৰ last supplementary.

**শ্ৰীআবুল কালাম ৰছিদ আলম ঃ** গোৱালপাৰাত আজিলৈকে এটা কামো মই দেখা নাই। বিভিন্ন আঁচনিৰ কাৰণে যেতিয়া টকাতো Municipality Board ক দিয়া হয় সেইটো সাধাৰণতে কৰ্মচাৰীক দৰমহা দি শেষ কৰে। গতিকে যিবিলাক উন্নয়ন মূলক আঁচনিৰ কাৰণে টকাটো দিয়া হয় যাতে দৰমহা দিব নোৱাৰে তাৰ ব্যৱস্থা এটা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** আগৰ প্ৰশ্নটো দৰকাৰী দৰমহা দিব নালাগে।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে ঠিকেই কৈছে দৰমহা দিব নালাগে। এতিয়া এনেকুৱা হয় সমগ্ৰ ৰাজ্যখনতে আজি কিছুদিন পৌৰনিকায়, নিগমৰ কৰ্মচাৰী সংস্থাই আন্দোলন কৰিলে, অসহযোগিতা কৰিলে যাৰ ফলত জাৱৰে জোথৰে নগৰ সমূহ ভৰি পৰিল। আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে যেতিয়া এখন পৌৰসভা নতুনকৈ গঠন হয় পৌৰসভা গঠন কৰাৰ পাছত পৌৰসভা বিলাকে নিজাববীয়াকৈ কিছুমান মানুহ নিযুক্তি দিয়ে। যাৰ ফলত নিযুক্তিৰ সংখ্যা এতিয়া দিনক দিনে বৃদ্ধি হৈ পৰিছে। সেই সকলোখিনিক দৰমহা দিব পৰাটো সম্ভৱ নহয়। তথাপি পৌৰ কৰ্মচাৰী যি আন্দোলন কৰিছিল তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কিছু টকা তেওঁলোকক মোকলাই দিয়াৰ কাৰণে ব্যৱস্থা কৰিছে UC ও আৰু নিদিয়ে সেইটো

এটা ডাঙৰ কথা।

**माननীয় অধ্যক্ষ ঃ** তেওঁ কৈছে যে development ৰ fund দৰমহাত খৰছ নকৰাৰ কথা।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** সেই কথাটো আমিও চিন্তা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Time out. সকলো বহি দিয়ক। মই সকলোকে সুবিধা দিম। point of order only. বেলেগ কথা নক'ব।

**শ্ৰী বৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পানী যোগানৰ যিটো আলোচনা হৈ আছিল তাত যিটো উত্তৰ দিছে প্ৰশ্ন নং ২৭৪ত । মোৰ প্ৰশ্নটো আছিল তেজপুৰ নগৰ পানীযোগান আঁচনি এখন ৯০ দশকৰ পৰা আৰম্ভ হোৱাটো সত্যনে? এইটো ঠিকে কৈছে যে তেজপুৰ নগৰ পানীযোগান আঁচনি খন ৯০-৯১ ৰাজ্যিক পৰিকল্পনাৰ পৰা কৰা হৈছিল। মোৰ প্ৰশ্নটো আছিল আঁচনিখন সম্পূৰ্ণ হ'লনে? এতিয়া লৈকে কিমান ধন ব্যয় হ'ল? কিন্তু ইয়াত সেইখনৰ বিষয়ে নকৈ ইয়াত কৈছে যে Renovation and upgradation ৰ বাবে চতুৰ্থ অসম ৰাজ্যিক বিত্তীয় আয়োগৰ অধীনত ইং ২০১৫ চনৰ ফেব্ৰুৱাৰী মাহত মুঠ ৩১৪০.০০ লাখ টকাৰ অনুমোদন দিয়া হৈছে। মহ সেইটো বিচৰা নাই। মই বিচাৰিছিলো ৯০ ৰ পৰা। গতিকে ইয়াত যিটো উত্তৰ আৰু ধনৰ ব্যয় দিছে মই সেইটো বিচৰা নাছিলো। বিচাৰিছিলো ৯০ ৰ পৰা হোৱা খন।

মাননীয় অধ্যক্ষ ঃ ঠিকে আছে। আপোনাৰ প্ৰশ্নটো মই চাইছো। মই এইটোৰ ব্যৱস্থা গ্ৰহণ কৰিম। আপোনাৰ প্ৰশ্ন নং ২৭৪ টোৰ উত্তৰটো দিয়াৰ ব্যৱস্থা কৰাম।

**শ্ৰী আমিনুল ইছলাম ঃ** চাৰ, আজি আমাৰ সদনৰ এটা কাৰ্য্যসূচীৰ লগত সংগতি ৰাখি জুৰীয়া থানাত এটা গুলীচালনাৰ ঘটনা হৈছিলে............................

**মাননীয় অধ্যক্ষ ঃ** please you can give a notice. I will allow you. আপুনি senior Member. পৰহি মই মিজোৰামৰ কথাটো কওঁতে উলিয়াব দিয়া নাই। কালি মই দিছো। আপোনাৰো তেনেকুৱা থাকিলে কাগজ দিব। direct নহ'ব। notice দিব। I will allow every thing.

**কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাইজৰ টেক্সৰ টকাইদি আমাৰ Assembly খন পতা হয়। প্ৰশ্নটো হৈছে আমাৰ প্ৰশ্নখিনি specific কৰিবলৈ সদায় কৈ থাকে। আমি specific কৰি থাকো। কিন্তু চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই যিটো উত্তৰ দি থাকে, ইমান দীঘলীয়া উত্তৰ দি থাকে ..................

**মাননীয় অধ্যক্ষ ঃ** আপুনি মই চন্দ্ৰমোহন পাটোৱাৰীৰ লগত এদিন বহিম। হৈ যাব। আপুনি বহক। next Pabindra deka.

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মই আপোনাক এটা অনুৰোধ কৰিব বিচাৰিছো। গম পাইছো যে হৰি শংকৰ ব্ৰহ্ম যিখন Land Committee আছিলে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াত ঘোষণা কৰিছিল যে খিলঞ্জীয়া....................

**মাননীয় অধ্যক্ষ ঃ** This is not a point of order. you can come and meet me in my chamber. I will allow you. যেতিয়াই তেতিয়াই নহ'ব।

**ড. নোমল মমিন ঃ** অধ্যক্ষ মহোদয়, কাৰ্বিআংলঙৰ বিভিন্ন নগৰ সমিতি কৰ্মচাৰী সকলৰ দৰমহা ২৪ মাহতকৈ বেছি পোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ে...

**মাননীয় অধ্যক্ষ ঃ** সেইটো point of order নহয়। please sit down. You give notice. সকলোৱে notice দিব। মই সকলোকে allow কৰিম।

**শ্ৰী ৰনোজ পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, point of order মোৰ প্ৰশ্ন নং ৬৫২ তাৰ উত্তৰত জনাইছে যে ধেমাজীত drainage project ৰ কাৰণে দুটা project আছে। এটা ৫ কোটি টকা আৰু Chief Minister Package আৰু আনটো NLCPR ৰ under ত ১২ কোটি টকাৰ কোনো drainage project নাই। গতিকে 12+5=17 কোটি টকা drainage package নাই। গতিকে এইটো এটা অসত্য তথ্য।

**মাননীয় অধ্যক্ষ ঃ** সঞ্জয় কিশান।

**শ্ৰী সঞ্জয় কিশান ঃ** মোৰ এটা প্ৰশ্ন আছিলে প্ৰশ্ন নং ৬৪৭। তাত (চ) নং মই সুধিছিলো অধ্যক্ষ ডাঙৰীয়া যে ক্ষুদ্ৰ চাহবাগিছাত যি সকল শ্ৰমিকে কাম কৰে তেওঁলোকৰ সা-সুবিধা আৰু চিকিৎসাৰ কথা কৈছিলো কিন্তু উত্তৰটো পালো মই যিবিলাক কোম্পানী চাহ বাগিছাৰ শ্ৰমিকে যিখিনি সা-সুবিধা পায় সেই কথাখিনিহে উত্তৰত উল্লেখ কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** কিন্তু শুদ্ধকে উত্তৰ পোৱা নাই বুলি ভাৱিছে। We will see to it question no. 647. Next Zakir Husain.

**শ্ৰী জাকিৰ হুছেইন ঃ** চাৰ, মোৰ প্ৰশ্ন নং আছিল unstared question no. 619. মই প্ৰশ্ন কৰিছিলো যে অসমত সৰ্বমুঠ কিমান কৃষি ভূমি আছে? উত্তৰটো দিছে ৩১,৪৪,০৩২ হেক্টৰ কৃষি ভূমি। দ্বিতীয়তে মই প্ৰশ্ন কৰিছিলো যে ২০১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষত গড়াখহনীয়াৰ ফলত কিমান কৃষি ভূমি জাহ গৈছে? তাতে উত্তৰ দিছে ২০১৬-১৭ বৰ্ষত ১১৭৩.২৯ হেক্টৰ আৰু ২০১৭-১৮ ত দিছে ১৯২১.৫১ হেক্টৰ। তাৰপিছত মই প্ৰশ্ন কৰিছিলো কিমান কৃষি ভূমি কৃষিৰ বাবে উপযোগী হৈ আছে? বিভাগে উত্তৰ দিলে যে ৩১,৪৪,০৩২হেক্টৰ ভূমি কৃষিৰ বাবে উপযোগী হৈ আছে। অধ্যক্ষ মহোদয়, ২০১৪-১৫ ত যিটো ৰিপোৰ্ট আছিল সেই ৰিপোৰ্টকেই একেধৰণে জাহ গৈছে বা কৃষি ভূমি বিনষ্ট হৈছে সেইখিনি কোনো ধৰণৰ গুৰুত্ব নিদি একেখিনি উত্তৰেই ২০১৪-১৫ ৰ উত্তৰটো দিছে।

**মাননীয় অধ্যক্ষ ঃ** Question no. 659. I will check it.

**শ্ৰী ভূবন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন নং ৬৪৩ ইয়াতে মই এটা important বিষয় সুধিছিলো যে আমাৰ অসমত on going skill development scheme ক'ত ক'ত চলি আছে। তাত উত্তৰটো দিছে ঠিকে কিন্তু উত্তৰ name of the implementing agency, training location, trade duration code এই খৰৰটো লওঁতে এনেকুৱা এটা agency ৰ নাম দিছে অধ্যক্ষ মহোদয়, BYST ইয়াৰ কোনো location নাই। Address নাই বা training ৰ কোনো duration নাই। ২৬ লাখ টকা দেখাইছে। সেইটো অধ্যক্ষ মহোদয়, অলপ চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস ঃ** প্ৰশ্ন নং ২৭১ মংগলদৈ নগৰ খোৱাপানী যোগান আঁচনি কেতিয়া আৰম্ভ কৰা হৈছিল আৰু আঁচনিখনৰ work order কেতিয়া দিয়া হৈছিলে? মংগলদৈ নগৰ খোৱাপানী যোগান আঁচনিখন ২০১০ চনত আৰম্ভ কৰা হৈছিল বুলি কৈছে আৰু work order দিছিল ২০১১ চনত। অৰ্থাৎ work order নোপোৱাকৈ কামটো আৰম্ভ কৰিছিল। সেইকাৰণে আজি ৮-৯ বছৰ পানী খাব পোৱা নাই মংগলদৈ নগৰৰ ৰাইজে।

**মাননীয় অধ্যক্ষ ঃ** কথাটো এইটো নহয়। যদি তাত আপোনাৰ কিবা বিসংগতি আছে this is not the way. প্ৰশ্নটোত যদি কিবা ভুল আছে সেইটো আপুনি মোক কওঁক। ডিবেট নহয়।

You can give a notice to me. I will allow you. This is not the way. Shri Rupjyoti Kurmi. What is your point of order?

**শ্ৰী ৰূপজ্যোতি কুৰ্মীঃ** মোৰ unstarred question no. 661. Animal Husbandry and Vaterinary বিভাগৰ মাননীয় মন্ত্ৰীলৈ আছিল ২০১৫ চনত কাম আৰম্ভ হৈছিল মৰিয়নীত Veterinary Dispensary ইয়াত যিটো উত্তৰ দিছে আমি সন্তুষ্টৰেই হৈছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ আৰু গুৰুজ্যোতিৰ প্ৰশ্ন একেই। please sit down. মই এতিয়া '0' hour লৈ যাম। প্ৰথমতে শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, “আজান পীৰ ক্ষেত্ৰ নিৰ্মাণত গুৰুত্ব নিদিলে অসম চৰকাৰে ঃ ঘোষণাতেই পৰি ৰ'ল ১০ কোটি টকা।” এই বাতৰিটো আপুনি উত্থাপন কৰিব দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। চাৰ, বাতৰিটো ওলাইছিলে “এদিনৰ সংবাদ” নামৰ এখন বাতৰি কাকত তাত ওলাইছিলে । তাৰিখ হ'ল ১৩-০৩-২০১৮। এই মিত্ৰ জোট চৰকাৰ খনৰ যিখন প্ৰথম বাজেট। ২০১৬ চনত যেতিয়া তেওঁলোকে বাজেট দিছিল, আজিৰ পৰা প্ৰায় ২০ মাহমান আগত, তেতিয়া তেওঁলোকে মিত্ৰজোঁট চৰকাৰৰ বাজেটত এটা প্ৰস্তাৱ কৰা হৈছিল যে, আজান পীৰ ক্ষেত্ৰৰ কাৰণে শিৱসাগৰত, এইটো আমি সকলোৰে জানো সৰাগুৰি চাপৰিত। তাত ১০ কোটি টকা ধাৰ্য্য কৰা হৈছিল। তাৰ পাছত ২০১৭-১৮ বাজেট গ'ল। সিদিনা ২০১৮-১৯ ৰ বাজেট আহিল। এই ১০ কোটি টকাৰ যিটো ধাৰ্য্য কৰা হৈছিল আজিলৈকে কোনো ধৰণৰ কাম কৰা নাই বুলি পেপাৰখনত ওলাইছে আৰু সেই কাৰণে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ মই দৃষ্টি আকৰ্ষণ কৰিছো যে, দুটাকৈ বছৰ পাৰ হৈ যাঁও যাওঁ অৱস্থা হৈ যোৱাৰ পাছতো কিন্তু প্ৰথম বাজেটৰ কামখিনি আপোনালোকে কৰিব পৰা নাই। গতিকে এইটো এটা স্পষ্টীকৰণ দিলে ভাল হয়। দ্বিতীয়তে চাৰ, তাত এটা আজান পীৰৰ দৰগাহটোত পৰ্য্যটন ভৱন এটা আছে। আগৰ চৰকাৰে বনাইছিল। সেই পৰ্য্যটন ভৱনটোৰ অৱস্থা খুব জৰাজীৰ্ণ। গতিকে এইটো কিবা ব্যৱস্থা কৰিব পৰা যায় নেকি? এই বিষয়টোৰেই চাৰ, উত্থাপন কৰি মই শেষ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এইটো আচলতে Cultural Department ৰ বিষয় বস্তু আছিলে।গতিকে Cultural Department ৰ গোটেই বিষয়টো মই আজি কথাখি নি চাম। বাজেট প্ৰভিজন ১০ কোটি তাৰে ভিতৰত কিয় খৰচ হোৱা নাই। কি হোৱা নাই। গতিকে এইটো কথালৈ মই অহাকালি মাননীয় সদস্যগৰাকীক এইটো কেতিয়া আৰম্ভ হ'ব, কেতিয়া কৰা হ'ব, মই অহাকালি এটা বিবৃতি সদনত দি দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, “অসমীয়া খবৰ” যোৱা ০৫-০৩-২০১৮ তাৰিখে প্ৰকাশিত “অসমত চৰ কিমান? নাজানে চৰকাৰেঃ সঠিক তথ্য জনসংখ্যা নজনাকৈয়ে বছৰি কোটি কোটি টকা আৱণ্টন দিছে -চৰ উন্নয়নৰ নামত ভয়াবহ লুণ্ঠন।” শীৰ্ষক বাতৰিটো সম্পৰ্কে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এইটো মাননীয় অধ্যক্ষ মহোদয়, অনস্বীকাৰ্য্য যে, চৰ এলেকাত অসমৰ জনসংখ্যাৰ যথেষ্ট লোক প্ৰায় ৩১ লাখতকৈ অধিক লোক বিভিন্ন সূত্ৰৰ পৰা পোৱা খৱৰ মতে , তাত বসবাস কৰে। আৰু তাৰ অধিকাংশ লোক বসবাস কৰে গড়াখহনীয়া আক্ৰান্তত। যিসকলৰ মাটি ভেটি ইতিমধ্যে প্ৰায় চাৰে তিনি হাজাৰতকৈ অধিক গাওঁ সম্পুৰ্ণ ৰূপে নদীৰ বুকুত বিলীন হৈ গ'ল। আৰু বহু গাওঁ আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে। সেই

মানুহখি নি বিভিন্ন সময়ত মথাউৰিত জোনাইৰ পৰা আৰম্ভ হৈছে মথাউৰিত বসবাস কৰা ধুবুৰীলৈকে বিভিন্ন ঠাইত। আৰু বহু মানুহ তেওঁলোকে গৈ য'ত সেই যিখিনি মাটি গাওঁবিলাক ভাঙি যায়, তাত যিটো নতুনকৈ চৰ পৰে সেই চৰত গৈ অস্থায়ী ভাৱে মথাউৰিৰ পৰা গৈ shifting হয়। গতিকে তাত .যিহেতু প্ৰায় এটা জৰীপত ৩১ লাখ মানুহ বসবাস কৰে। এই ক্ষেত্ৰত ইমান বছৰ ধৰি ৪০-৫০ বছৰ ধৰি বসবাস কৰা মানুহখিনিৰ তথ্য জৰীপ কৰি চৰকাৰে এতিয়ালৈকে তথ্যটো সংগ্ৰহ নকৰাটো এটা বহুত আচৰিত কথা। এই কাৰণেই যে, এই মানুহ সকলৰ সংখ্যাটো চৰকাৰে জৰীপ কৰিব। তেতিয়া যাতে তেওঁলোকৰ কাৰণে এটা বাস্তৱ সন্মত পদক্ষেপ লব পৰা যাব। কাৰণ, অধ্যক্ষ মহোদয়, এই চৰৰ কথাটো লৈ আমি বহুবাৰ অসম বিধান সভাতো প্ৰশ্ন কৰিছিলো কিমান চৰ আছে। এবাৰ কৈছিল দুই হাজাৰ তিনিশ চৰ আছিল বুলি পূৰ্বৰ চৰকাৰৰ দিনত তথ্য দিছিলে। কেতিয়াবা কয়, চাৰে তিনিশ, দুশ চল্লিশ। মানে চৰ কিমান সংখ্যক আছে। এই তথ্যটো চৰকাৰৰ হাতত নাই। আৰু চৰৰ ভিতৰত যিখিনি Notified চৰ আছে, চৰকৰীভাৱে দুশ প্ৰায় আঢ়ৈশ মান Notified চৰ আছে। এই চৰত আকৌ কিমান মানুহ আছে, এইটোও নাজানে। যিখিনি ইতিমধ্যে চৰকাৰী ভাৱে এটা নাম দিয়া হৈছে যিকেইটা চৰত। সেই নাম দিয়া চৰৰ তাত মানুহ কিমান , এইটোও নাজানো। আৰু যিখিনি Notified চৰ নহয়, অৰ্থাৎ সেই চৰ বিলাক এনেয়ে পানীৰ মাজত, নদীৰ মাজত কিছু মাটি জমা হৈ এটা চৰ হৈ গ'ল তাত মানুহো থাকে। কিন্তু চৰকাৰে জৰীপো কৰা নাই, Notified কৰা নাই। সেই চৰখিনিত কিমান মানুহ আছে, সেইটো পিছৰ কথা। নটিফাইড চৰৰ তথ্যটো চৰকাৰে নাজানে। তাত কিমান মানুহ আছে। গতিকে এই বিষয়টো অতি ভয়াবহ হৈ আছে। এই কাৰণেই যে চৰ উন্নয়ন নামৰ এটা বিভাগো খোলা হৈছে। আৰু চৰ উন্নয়ন বিভাগে ইতিমধ্যে চৰ চাপৰিৰ লোকৰ কাৰণে কিছু পুঁজিৰ আৱণ্টনৈ দিয়া হৈছে। সেই অনুপাতে অলপ কামো হৈ আছে। কিন্তু যিহেতু চৰৰ মানুহৰ প্ৰকৃত হিচাপতো নাই, যে আৱণ্টনটো কিহৰ ভিত্তিত দিয়া হয়, বা সেই আৱণ্টনটো দিয়া হয়, কোন চৰৰ কাৰণে কিমান জনসংখ্যাৰ বিপৰীতে কিমান টকাৰ বস্তু দিব এই বিলাক এটা তথ্যৰ ওপৰত জনসংখ্যা অনুপাতে যাব লাগে। যদি সেই তাত বসবাস কৰা জনসংখ্যাটোৱে চৰকাৰে নাজানে তেনেহ'লে আৱণ্টনটো কিহৰ ওপৰত ভিত্তিত দিয়া হ'ব। এতিয়া ভয়ংকৰ কথাটো হ'ল যে, এই চৰ অঞ্চলত কোনো আন্তঃগাথনি নাই, শিক্ষানুষ্ঠান নাই, মাজে মাজে দুই এখন শিক্ষানুষ্ঠান নতুনকৈ হৈছে আমাৰ পঢ়াশালিৰ পৰা এল পি স্কুললৈ। তাত কোনো স্বাস্থ্য কেন্দ্ৰ নাই। গতিকে এই সম্পুৰ্ণ এই কামবিলাক কৰিবলৈ যাতায়াতৰ বৈদ্যুতিকৰণ চৰ বিলাক নটিফাইড হ'ব লাগিব। জৰীপ হ'ব লাগিব। কোন চৰত কিমান মানুহ বসবাস কৰে, তাৰ তথ্য থাকিব লাগিব। সেই মতে চৰকাৰে আঁচনি গ্ৰহণ কৰিব লাগিব। গতিকে এতিয়ালৈকে যিহেতু চৰকাৰে ইয়াত অৱশ্যে যিটো বাতৰিৰ উদ্ধৃতিটো দিয়া হৈছে। এই বাতৰিত চৰকাৰে দিয়া প্ৰায় দুশমান চৰৰ এটা তালিকা দিছে। কোন চৰত কিমান মাটি আছে, আৰু বাকী চৰবিলাকৰ তথ্য চৰকাৰৰ লগত নাই। কিন্তু এই নটিফাইড চৰত মানুহ কিমান আছে। এটা চৰৰ মানুহৰ সংখ্যা চৰকাৰে নাজানে। গতিকে এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়, সিদিনা আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আমি আলোচনা কৰিছিলো আমি কৈছিলো যে, চৰ উন্নয়নৰ কাৰণে যিখিনি আৱণ্টন দিয়া হয় পুঁজি, সেই পুঁজি কেৱল কিছুমান পাৱাৰ টিলাৰ, ট্ৰেক্টৰ আৰু টিউৱেল, চিলাই মেচিন এনেকৈ দিয়া হয়। আৰু ইয়াৰ বাহিৰে চৰৰ কোনো কাম নাই। আমি মুখ্যমন্ত্ৰী মহোদয়ক কৈছিলো যে, চাৰ চৰৰ মানুহক এই পাৱাৰ টিলাৰ, চিলাই মেচিন এতিয়া লাগিলে বন্ধ কৰি দিয়ক কাৰণ ইয়াৰ নামত বিয়াগোম কেলেংকাৰী হৈ আছে। যিসকলক দায়িত্ব দিয়া হৈছে। তেওঁলোকৰ ভিতৰত কোনোবা

এজন ছুপাৰভাইজাৰক ডিষ্ট্ৰিকত দি দিয়া হৈছে আৰু চৰ উন্নয়নৰ
কোনো বেলেগ বিষয়া নাই। তেওঁ আকৌ চৰৰ বাহিৰৰ মানুহৰ পৰা লিষ্ট লৈ কিবা বুজা-বুজিৰ ভিত্তিত শতকৰা ৭৫ ভাগ আৰু শতকৰা ৮০ ভাগ বস্তু চৰৰ মানুহে নাপায়। বাহিৰৰ মানুহক দি দিয়ে আৰু তেওঁলোকৰ নামৰ বিপৰীতে এটা চৰৰ নাম লিখি দিয়ে। লিখি পেলাই বাহিৰৰ মানুহক দি আছে। আমি মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো। তেখেতে ভাল পাইছিল আৰু কৈছে আপোনালোকৰ প্ৰস্তাৱটো আমি ভাল পাইছো। আমি কৈছে এই চৰৰ মানুহক এই বস্তু আৱণ্টন দিয়া বন্ধ কৰি এই প্ৰকাৰে আন্তঃগাঁথনি নিৰ্মাণ কৰক। চৰ অঞ্চলত শিক্ষানুষ্ঠান, স্বাস্থ্য কেন্দ্ৰ ৰাষ্টা-ঘাট বা প্ৰয়োজন সাপেক্ষে দলং বা যদি বৈদ্যুতিকৰণ আন্তঃগাথনি দিয়ক। এই মানুহক ব্যক্তিগত ভাৱে বস্তু দিয়াৰ নামত এই লুণ্ঠনটো বন্ধ হ'ব লাগে। গতিকে এই ক্ষেত্ৰত মই এতিয়া আপোনাৰ জৰিয়তে মই চৰকাৰক এটা অনুৰোধ জনাম যাতে অতি সোনকালে অসমৰ এই যি দুই হাজাৰ তিনিশমান চৰ যিখিনি নটিফিকেশ্যন এতিয়ালৈকে হোৱা নাই। এই চৰৰ জৰীপ চলাই যাতে ভূমিৰ আৱণ্টৰ, ভূমি পট্টা দিয়াৰ ব্যৱস্থাটো কৰা হয় আৰু কোন চৰত কিমান মানুহ বসবাস কৰে, সেই মানুহৰ তথ্য লৈ সেই জনসংখ্যা অনুপাতে বিদ্যালয় স্থাপন কৰা আৰু আন্তঃগাথনি নিৰ্মাণ কৰা, স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰা এই ক্ষেত্ৰত যাতে এটা ব্যৱস্থা লয়, নহ'লে অসমৰ মুঠ জনসংখ্যাৰ এক বৃহৎ অংশ মানুহক সদায় উপেক্ষিত হৈ থাকিব। আৰু উপক্ষিত হৈ থকাৰ কাৰণে যেতিয়া এই অংশটো যেতিয়া পিছুৱাই থাকিব, তেতিয়া অসম সামগ্ৰিকভাৱে শিক্ষিতৰ হাৰ বা উন্নয়নৰ হাৰত সদায় পিছ পৰি থাকিব। গতিকে এই ক্ষেত্ৰত মই এই অনুৰোধটো চৰকাৰক জনাইছো যে, আমাৰ দাবি হ'ল তাত চৰৰ জৰীপ কৰক। যিখিনি ৰিমেইনিং চৰ আছে, জৰীপ কৰি মাষ্টাৰ প্লেন প্ৰস্তুত কৰি সেই চৰত আন্তঃগাঁথনি নিৰ্মাণ কৰক। চৰৰ লোক সকলক ব্যক্তিগত ভাৱে সামগ্ৰী দিয়া বন্ধ কৰি আৰু এই গোটেইখিনি আৰু সেই মানুহসকলক যিহেতু এটা কথা আমি অস্বীকাৰ কৰিব নোৱাৰো অধ্যক্ষ মহোদয়, চৰ অঞ্চলত মানুহে যিটো কৃষি শাক-পাচলি উৎপন্ন কৰে, গোটেই উত্তৰ পূৰ্বাঞ্চলৰ মানুহক চাহিদা পুৰাই আছে। গতিকে এই মানুহ সকলক নিম্নতম মানবীয় সা-সুবিধাখিনি মানুহ হিচাপে জীয়াই থকাৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে বুলি দাবী জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা আজি উত্থাপন কৰিছে, হয় এইটো কথা ঠিক যে অসমৰ চৰ অঞ্চলত বসবাস কৰা যিসকল ব্যক্তি বা অসমৰ মাইনৰিটি যিসকল ব্যক্তি, তেখেত সকলে দীৰ্ঘদিন ধৰি যিখিনি তেখেত সকলৰ প্ৰাপ্য সেই প্ৰাপ্যখিনিৰ পৰা বঞ্চিত হৈছে। কিন্তু ইয়াৰ ক্ষেত্ৰত এই প্ৰাপ্যখিনিৰ পৰা বঞ্চিত হৈ থকাৰ ক্ষেত্ৰত আমি জোনেই নহওঁক, যি দলৰেই নহওঁক নিৰ্বাচনৰ সময়ত আমি ভাল ভাল কথা কওঁ আৰু নিৰ্বাচনৰ পিছত প্ৰকৃতাৰ্থত মানুহখিনিৰ স্বাৰ্থখিনি কিমান সুৰক্ষিত হয়, সেইটো কথা আমি সকলোৱে বুজি পাওঁ। গতিকে কোনে ভাল ভাল কথা কৈছে, কোনে ভাল ভাল কথা কোৱা নাই সেইটো আমি সকলোৱে জানো। সেইটো মই উল্লেখ নকৰো। কিন্তু এই মাইনৰিটি সকলৰ উন্নয়নৰ স্বাৰ্থত প্ৰকৃতাৰ্থত ফৰমেলি এই মাইনৰিটি মানুহখিনি যাতে অফিচিয়েলী যাতে এটা চেফগাৰ্ড হয়, গেৰাণ্টি হয়, তেওঁলোকৰ উন্নয়ন, তাৰ কাৰণে মই আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্ত ডাঙৰীয়াক ধন্যবাদ দিছো..যে মহন্ত ডাঙৰীয়াৰ দিনতে MinorityAffairs এটা Department তেখেতে গঠন কৰিছে। মইয়ো মন্ত্ৰী আছিলো তেখেতৰ মন্ত্ৰী সভাত। তাৰ কাৰণে মই তেখেতক ধন্যবাদ দিছো। প্ৰথমবাৰৰ বাবে অসমৰ Minority চৰ অঞ্চলৰ মানুহ Minority মানুহে মহন্ত ডাঙৰীয়াই

সেই বিভাগটো খোলাৰ পাছত Officialy আচলতে এই মানুহখিনিৰ উন্নয়নৰ এটা গ্যাৰেন্টী পালে। আৰু যোৱা কালিও মই দেখিছো, আমাৰ পৰহিৰ উত্তৰত মই দেখিছো, আমাৰ বিৰোধী পক্ষৰ পৰাও কৈছে, আজি AIUDF ও শাসনত থকা নাই কোনো দিন, তেওঁলোকক মই দোষাৰোপ নকৰো। যি সকলে দীৰ্ঘদিন শাসনত থাকি Minority সকলৰ কাৰণে উন্নয়নৰ কথাৰ শ্লগান দিলে, কিন্তু তেখেত সকলে Minority Department এটা নকৰিলে বা ইয়াৰে উন্নয়ন নকৰিলে, মহন্ত ডাঙৰীয়াক সেই কাৰণে মই ধন্যবাদ দিলো। আৰু অধ্যক্ষ ডাঙৰীয়া আজি চৰ অঞ্চল যিটো সেই চৰ অঞ্চলত অধ্যক্ষ ডাঙৰীয়া আজি ২০০২-৩ চনত ইয়াৰ এটা চাৰ্ভে হৈছিল। গতিকে তাৰ পাছৰ পৰা ইয়াত চাৰ্ভে হোৱা নাই। গতিকে আজি Minority Department টো গঠন হোৱাৰ কাৰণে এসময়ৰ Minority সকলৰ কৰবলৈ এখন ফ'ৰাম থাকিল, এটা অফিচ থাকিল। কোনোবা এজন অফিচাৰ থাকিল আৰু তাৰ কাৰণে Sachar Commission আহিল। Sachar Commission য়ে recommendation দিলে recommendation দিয়াৰ ফলত আজি MSDP হ'ল। MSDP ৰ জৰিয়তে যদি infrastructure গঠন হৈছে নিজৰ নিজৰ অঞ্চলত। আৰু আমাৰ মাননীয় বিধায়ক সকলে য'ত য'ত MSDP,Block আছে মাননীয় সদস্য সকলে তাতে নিজে ছোৱা-চিতা কৰিব পাৰিছে। আজি আন্তঃগাঠনিটো, যিটো আমাৰ মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে, আন্তঃগাঠনিৰ কাৰণে এই বিলাক কথা MSDP ত আহিছে। আজি অহাৰ মুলত কিন্তু আজি আমাৰ Major Oppoisition Party মই কংগ্ৰেছক দোষাৰোপ কৰা নাই, কিন্তু এই Major অংশীদাৰটো আমি যি সকল কংগ্ৰেছত নাই, আমাৰ কাৰণেই আজি এইখিনি হৈছে। আচলতে Minority ৰ উন্নয়ন আজিৰ দিনটোত। আৰু সেই কাৰণেও আমাৰ শিক্ষা মন্ত্ৰীয়ে সেই দিনা ঘোষনা কৰিছে, মুখ্য মন্ত্ৰী ডাঙৰীয়াইয়ো সেই দিনা ঘোষনা কৰিছে, আপোনালোকে শুনি সুখ পাব যে চৰ অঞ্চলত, য'ত নদীৰ মাজত চৰ আছে, তেওঁলোকে বিভিন্ন ঠাইলৈ যাব নোৱাৰে, তেওঁলোকে বিভিন্ন ঠাইত পঢ়া-শুনা কৰিব নোৱাৰে। অধ্যক্ষ মহোদয়, এতিয়া MSDP ৰ তৰফৰ পৰা ভাৰত চৰকাৰে ২২খন ৰেচিডেঞ্চিয়েল স্কুল চেংচন কৰিছে। চৰ অঞ্চলৰ Minority অধ্যুষিত এলেকাত হ'ব। সেইটো কোন চৰকাৰৰ দিনত এনেকুৱা ধৰণৰ আঁচনি এই Minority সকলৰ উন্নয়ন কাৰণে হৈছিল। কাৰণ শিক্ষাটোৱে প্ৰসাৰতা লাভ কৰিলেহে, অঞ্চল বিলাকৰ উন্নয়ন হ'ব। ২২ খন ৰেচিডেঞ্চিয়েল স্কুল MSDP ৰ পৰা ভাৰত চৰকাৰে এই বাৰ Minority ৰ উন্নয়নৰ স্বাৰ্থত কৰিববলৈ লৈছে। বাজেটত অধ্যক্ষ ডাঙৰীয়া, আপুনি দেখিছে যে Minority ছাত্ৰী সকলক M.A. পঢ়ালৈকে up to 10,000/- scholarship দিয়াৰ ব্যৱস্থা বাজেটত কৰা হৈছে। তাৰ উপৰিও Minority students সকলক Pre- Metric, Post-Matric up to Post Graduate গতিকে তাতো Minority Department ৰ পৰা scholarship ৰ ব্যৱস্থা আছে। সামগ্ৰিক ভাবে Minority অঞ্চলৰ উন্নয়নৰ স্বাৰ্থত আমাৰ বৰ্তমানৰ চৰকাৰ, মাননীয় সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত বৰ্তমানৰ যি চৰকাৰ, এই চৰকাৰে সামগ্ৰিক ভাৱে আমি এটা উন্নয়নৰ দিশ আমি উন্মোচিত কৰিছো, যিটো দিশ আমি ঐতিহাসিক বুলি কম। কম আৰু তাৰ কাৰণে মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই এই ক্ষেত্ৰত যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছে, মই তেখেতক আজি সদনত, আমাৰ সদনৰ হৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাম। অধ্যক্ষ ডাঙৰীয়া সেই কাৰণে আজি আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই যিটো কথা কৈছে,

**শ্ৰী আব্দুল খালেক, বিধায়ক ঃ**-Minority এলেকাত এখনো নাই।

**মাননীয় অধ্যক্ষ ঃ**- খালেক ডাঙৰীয়া, এতিয়া এইটো মেটাৰ নহয়। এতিয়া শূণ্যকালীন ঘণ্টা চলি আছে, আৰু এতিয়া ডিবেট নহয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**-অধ্যক্ষ মহোদয় এইটো ক্লীয়েৰ কৰি যাব লাগিব। এখেত সকলে দীৰ্ঘদিন শাসন কৰিছে, তেখেত সকলে Minority উন্নয়নৰ কথা কয় যে, ৯ খনৰ ১ খন কলেজো যে দিয়া নাই; কিন্তু MSDP ৰ ২২খন ৰেচিডেণ্ডিয়েল কলেজ বা স্কুল এইবাৰ চৰ অঞ্চলত দিয়া হৈছে।

( সদনত হুলস্থুল হয়)

**মাননীয় অধ্যক্ষ ঃ**-This is zero hour, I don’t allow.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ**- ঠিক আছে, অধ্যক্ষ ডাঙৰীয়া, মই এই বিলাক কথা নকও। মই মুল বিষয়লৈকে ঘুৰি আহিছো। কাৰণ মই এই বিলাক কৈ লাভো নাই। অধ্যক্ষ ডাঙৰীয়া, কাৰণ ৰাইজেটো যিটো ৰায় দিব লাগে দিছে, ৰাইজে বিচাৰ কৰিছেই। অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় আমিনুল ইছলাম ডাঙৰীয়াই এটা প্ৰয়োজনীয় কথা কৈছে। যিটো আমাৰ চৰকাৰে মানি লৈছো যে ২০০৩-৪ চনত যিটো চাৰ্ভে হৈছিল চৰ অঞ্চলত, এই চাৰ্ভেটো আকৌ তেখেতে কৰিব লাগে বুলি কৈছে। সেইটো আমি মানি লৈছো। আৰু মানি লৈ মই এটা সৰু বিবৃত্তি এই ক্ষেত্ৰত দিছো। আমিনুল ইছলাম ডাঙৰীয়াই এটা কথা কৈছে, যে আমি ব্যক্তিগত benefit আমি নিদি Master plan আমি কৰি লব লাগে। তেখেতে সেইটো কথা কৈছে আৰু সেইটো কথাত মইয়ো একমত। সেইটো indivisual benefit কিছুমান দিব লাগিব কাৰণ আৰ্থ সামাজিক দিশটোৰ ফালে চাই। যদি সেই হিচাপে চৰ উন্নয়ন সমিতি, Department হওঁক বা আমাৰ board হওঁক । গতিকে তেওঁলোকে কিছু সামগ্ৰী IDS হিচাপে দিছে আৰু সেইখিনি আৰ্থ সামাজিক পৰিস্থিতিৰ ওপৰত নিৰ্ভ ৰ কৰি দিছে। কিন্তু এখন master plan হোৱাটো উচিত। কথাখিনি বিবেচনা কৰো। মাননীয় অধ্যক্ষ মহোদয়, সেই বিষয়টোত এটা বিবৃতি দিব বিচাৰিছো। যোৱা ৫-৩-২০১৮ ইংৰাজী তাৰিখৰ ‘অসমীয়া খবৰ” বাতৰি কাকতত ‘চৰ উন্নয়নৰ নাম ভয়াবহ লুণ্ঠন” শীৰ্ষক বাতৰিটো সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ২০০২-০৩ চনত চৰ অঞ্চল সঞ্চালকালয়ৰ ‘আৰ্থ সামাজিক জৰীপ মতে ২২৫১ খন চৰগাওঁ আছে। অসমত সোতৰখন জিলা আংশিক ভাবে এই চৰ গাওঁ সমূহত অৱস্থিত। উক্ত জৰীপ মতে প্ৰায় পশিছ লাখ মানুহ চৰগাওঁ সমূহত বসবাস কৰি আছে। চৰ অঞ্চল সঞ্চালকালয়ে নিৰ্দ্ধাৰিত আৰু অনুমোদিত আঁচনিসমূহ ২০০২-০৩ চনত জৰীপ কৰা গাওঁ সমূহৰ তথ্যৰ ভিত্তিত বৰ্তমান ৰূপায়িত কৰি আহিছে। উক্ত বাতৰিটোত উল্লিখিত তথ্যসমূহ কি উৎসৰ পৰা দিয়া হৈছে জনা নাযায়। যিহেতু চৰ অঞ্চলৰ জৰীপ ২০০২-০৩ চনতেই কৰা হৈছিল সেয়েহে বৰ্তমান চৰকাৰে পুনৰ জৰীপৰ ব্যৱস্থা হাতত হৈছে। বিত্তীয় বৰ্ষ ২০১৭-১৮ চনত নিৰ্দ্ধাৰিত ২২,২৫,০০০.০০ টকা মোকলাই দিবৰ বাবে বিত্ত বিভাগক অনুমোদন বিচৰা হৈছে। বিত্তীয় বৰ্ষৰ ২০১৮-১৯ চনৰ পৰা উক্ত জৰীপৰ কাম আৰম্ভ কৰিবৰ বাবে Omeo Kumar Das Institute of Social Change & Development ক চৰকাৰৰ অনুমোদৰ সাপেক্ষে দায়িত্ব দিয়া হৈছে। এই কাম সম্পূৰ্ণ কৰিবৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষত পঞ্চাশ লাখ টকাৰ প্ৰস্তাব ৰখা হৈছে। গতিকে আপুনি যিকেইটা পইন্ট কৈছে সেইকেইটাত আমি চৰকাৰ একমত। সেইমতে আমাৰ চৰকাৰৰ স্থিতি আপোনাক জনোৱা হ’ল। জৰীপ সম্পৰ্কীয় যদি কাগজখন আপোনাৰ প্ৰয়োজন হয় তেতিয়া হ’লে আপুনি অধ্যক্ষ মহোদয়ৰ অনুমতি সাপেক্ষে ল’ব পাৰিব।

**माननीय অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰীনুৰুল হুদা।

**শ্ৰীনুৰুল হুদা** ঃ- মাননীয় অধ্যক্ষ মহোদয় যোৱা ১৩-২-২০১৮ ইং তাৰিখৰ 'আমি অসমৰ জনগণ' বাতৰি কাকতত প্ৰকাশিত 'ন্যায় সাহাৰ্য্যৰ পৰা বঞ্চিত মনিৰ উদ্দিনৰ পৰিয়ালৰ কঠালগুৰীৰ বনকৰ্মীৰ গুলিত নিহত লোকৰ পৰিয়াললৈ দৰদ নাই চৰকাৰৰ''। ২১-৯-২০১৭ তাৰিখে মনিৰুদ্দিন লোকজনে ঘৰৰ ওচৰৰ মথাউৰিত গৰু চৰায় থাকোতে বনৰক্ষী বাহিনীয়ে তেওঁক গুলিয়াই হত্যা কৰে। তেওঁক হত্যা কৰাৰ লগে লগে তেওঁৰ পত্নী মোঃ হাবিজ খাতুনে জুৰীয়া থানাত এটা গোচৰ ৰুজু কৰে। এই গোচৰটো জুৰীয়া থানাত ৫৬৮/১৭ ভা.দ.বি পঞ্জীয়ন হয়। মাননীয় অধ্যক্ষ মহোদয় আজি ছয়মাহ পাৰ হৈ যোৱাৰ পিছতো ইয়াৰ কোনো ধৰণৰ বিচাৰ নহ'ল আৰু কোনো ভাল তদন্ত নহ'ল। পৰিয়ালটিৰ একমাত্ৰ উপাৰ্জনকাৰী মনিৰুদ্দিনে তেওঁৰ তিনিটা সন্তান আৰু পত্নীক এৰি থৈ গৈছে। বৰ্তমান এই পৰিয়ালটিৰ এটা হাহাকাৰ অৱস্থা চলি আছে, তেওঁলোক এতিয়া খাদ্যবিহীন, বস্ত্ৰবিহীন হৈ মানুহ ঘৰে ঘৰে ঘুৰি ফুৰিব লগা হৈছে। যদি মনিৰুদ্দিনৰ কিবা অন্যায় বনৰক্ষীয়ে পাইছিল তেতিয়া তেওঁক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিব লাগিছিল। তেওঁক গুলিয়াই মাৰাৰ অধিকাৰ বনৰক্ষীৰ নাই। তেওঁক মাৰাৰ পিচতো আমাৰ চৰকাৰে পৰিয়ালটিৰ প্ৰতি কোনো সদ্‌ইচ্ছা নেদেখুৱালে। আজি 'সবকা সাথ, সবকা বিকাশ' আৰু সংবেদনশীল বুলি কোৱা ৰাজ্য চৰকাৰখনে মনিৰুদ্দিনৰ পৰিয়ালটিৰ প্ৰতি কোনো সংবেদনশীলতা প্ৰদৰ্শন কৰা পৰিলক্ষিত নহ'ল। মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱাকৈ নিৰ্মমভাবে হত্যাকৰা ব্যক্তিসকলক যদি শাস্তি প্ৰদান কৰা নহয় আৰু দুৰ্ভগীয়া পৰিয়ালক যদি চৰকাৰে সহায় নকৰে তেতিয়া হ'লে গণতন্ত্ৰ কেনেকৈ জীয়াই থাকিব। গতিকে মই সংবেদনশীল বুলি দাবী কৰা চৰকাৰখনক অনুৰোধ জনাইছো যে এই ঘটনাটোৰ ভালদৰে তদন্ত কৰি দোষিক উপযুক্ত শাস্তি প্ৰদান কৰে আৰু দুৰ্ভগীয়া পৰিয়ালটিক এককালীন সাহাৰ্য্য হিচাপে দহলাখ টকা দি পৰিয়ালটি চলাৰ ব্যৱস্থা কৰে।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৩-২-২০১৮ ইং তাৰিখৰ 'আমি অসমৰ জনগণ' বাতৰি কাকতত প্ৰকাশিত 'ন্যায় সাহাৰ্য্যৰ পৰা বঞ্চিত মনিৰুদ্দিনৰ পৰিয়াল'' শীৰ্ষক বাতৰি সম্পৰ্কে শূণ্যকালীন ঘন্টাত মাননীয় বিধায়ক শ্ৰীযুত নুৰুল হুদাই উত্থাপন কৰা বিষয়টো সম্পৰ্কত ক'ব বিচাৰিছো যে যোৱা ২১-৯-২০১৭ তাৰিখে অভিযোগকাৰিণীয়ে মোঃ হাবিজ খাতুন, স্বামী স্বৰ্গীয় মনিৰুদ্দিনে কঠালগুড়ি থানা -জুৰীয়া, নগাওঁয়ে জুৰীয়া থানাত এখন লিখিত অভিযোগনামা দাখিল কৰে। উক্ত অভিযোগনামাত অভিযোগকাৰিণীয়ে জনায় যে, যোৱা ১৯-৯-২০১৭ তাৰিখে দিনৰ প্ৰায় বাৰমান বজাত তেওঁৰ স্বামী মনিৰুদ্দিনে তেওঁলোকৰ ঘৰৰ ওচৰৰ মথাউৰিৰ পৰা গৰু খেদি ঘৰলৈ আহি থকা অৱস্থাত এজাহাৰত উল্লেখত আচামীগণ ক্ৰমে শ্ৰীডেকাৰজা, এ.চি.এফ লাওঁখোৱা অভয়াৰণ্য, জ্ঞান নাথ মণ্ডল, ৰেঞ্জাৰ বৰচাপৰি ৰেঞ্জ, নেত্ৰ শইকীয়া ডেপুটি ৰেঞ্জাৰ, লাওঁখোৱা অভয়াৰণ্য আৰু শ্ৰীজিনাৰাম বৰদলৈ, ৰেঞ্জাৰ, গৰাজান ৰেঞ্জ অফিচ আৰু লগত অহা ফৰেষ্ট বাহিনীৰ লোকে জধেমধে গুলীচালনা কৰাত তেওঁৰ স্বামীৰ গাত গুলি লাগি তেওঁৰ স্বামী গুৰুতৰ ভাবে আঘাতপ্ৰাপ্ত হয়। লগে লগে তেওঁৰ স্বামীক চিকিৎসালয়লৈ চিকিৎসাৰ বাবে নিয়া হয় যদিও বাটত তেওঁৰ স্বামীৰ মৃত্যু হয়। তদন্তকালত চিকিৎসালয়ত যাৱতীয় বিধিমতে মৃতকৰ মৰোনোত্তৰ পৰীক্ষা সম্পন্ন কৰা হয়। উক্ত অভিযোগ সংক্ৰান্তে জুৰীয়া থানাত এটি গোচৰ ৰুজু হয়, জুৰীয়া থানাৰ গোচৰ নং ৫৬৮/১৭ ভা.দ.বি আইনৰ ৩০২/৩৪ ধাৰাত তদন্ত চলি আছে। তদন্তকালত গোচৰ সংক্ৰান্তে ঘটনাস্থলী পৰিদৰ্শন কৰি সাক্ষীবাদীক সোধা-

পোচা কৰা হয়। ইয়াৰোপৰি এই গোচৰত আচামী সকলৰ ক্ৰমে শ্ৰীডেকাৰজা, জ্ঞাননাথ মণ্ডল, নেত্ৰ শইকীয়া শ্ৰীজিনাৰাম বৰদলৈকে সোধপোচ কৰি ফৌঃ কাঃবিঃ আইনৰ ১৬১ ধাৰাত জবানবন্দী গ্ৰহণ কৰা হয়। তদন্তকালত এতিয়ালৈকে যথেষ্ট সাক্ষ্য প্ৰমাণৰ অভাবত কাকো গ্ৰেপ্তাৰ কৰা হোৱা নাই। মৃত মনিৰুউদ্দিন পেছাত এজন খেতিয়ক তথা মাছমৰীয়া আছিল। এই গোচৰৰ তদন্ত বৰ্তমান চলি আছে। উক্ত ঘটনা সংক্ৰান্তত জিনাৰাম বৰদলৈ, ফৰেষ্ট ৰেঞ্জ অফিচাৰ, লাওখোৱা ৱাইল্ড লাইফ বনাঞ্চলৰ অভিযোগ তাং ১৯-৯-২০১৭ৰ ভিত্তিত জুৰীয়া থানাত গোচৰ নং ৪৬৪/১৭ ভা.দ.বি. আইনৰ ১৪৭/১৪৮/৪৪৭/৩৪৩/৩২৮/৩২৬ ধাৰাত ৰুজু কৰা হয়। গোচৰীয়াই জনায় যে ডি.এফ.অ, ৱাইল্ড লাইফ ডিভিজন, নগাওঁ নিৰ্দেশ মৰ্মে তেওঁৰ লগত গৰাজান আৰু ধনীয়া বিট অফিচৰ ষ্টাফ আৰু ফৰেষ্ট প্ৰটেকচন ফৰ্চৰ ৬০ জন বনকৰ্মীয়ে ১৯-৯-২০১৭ তাৰিখে চুটিৰপাৰৰ ওচৰত অৱস্থিত কঠালগুড়ি এন্টি পচিং চেন্টাৰৰ ওচৰ পায়। তেওঁলোকৰ উদ্দেশ্য আছিল কিছুমান দুষ্কৃতিকাৰীয়ে অবৈধভাবে মাছ মাৰিবলৈ বনাঞ্চলৰ ভিতৰৰ পানীত নিৰ্মাণ কৰা ভেটাসমূহ নিঃশেষ কৰা। সেইমৰ্মে উক্ত দিনা ৰাতিপুৱা প্ৰায় ১০ঃ৪০ মান বজাত তেওঁলোকে তেওঁলোকৰ অভিযান আৰম্ভ কৰিছিল। কিন্তু হঠাৎ প্ৰায় ২০০ জনমান মানুহে হাতত লাঠি, দা, কুঠাৰ যাঁঠি ইত্যাদিৰে তেওঁলোকক আক্ৰমণ কৰে। আনকি দুবৃত্তৰ দলটিয়ে বিভাগীয় গাড়ীৰ ওপৰতো চোকা অস্ত্ৰৰে আক্ৰমণ কৰিবলৈ লয়। ইয়াৰ ফলত হাবিলদাৰ ভৱানন্দ বাৰ্মা, ফৰেষ্ট গাৰ্ড জয়ন্ত কুমাৰ পাটৰ, আহমেদ আলী, কুমাৰ থাপা কনিষ্টবল জ্যোতিষ মণ্ডল আদিয়ো গুৰুতৰভাবে আঘাতপ্ৰাপ্ত হয়। শেষত উপায়ন্তৰ হৈ আত্মৰক্ষাৰ কাৰণে ফৰেষ্টা ষ্টাফ আৰু ফৰেষ্ট প্ৰটেকশ্বন ফৰ্চে শূণ্যলৈ গুলিচালনা কৰে। লক্ষ্যভষ্ট কোনো গুলিয়ে এজন লোকক আঘাত কৰে আৰু পিছত তেওঁৰ মৃত্যু হোৱা বুলি খবৰ পোৱা যায়। মৃত লোকজনৰ নাম মনিৰ উদ্দিন বুলি পিচত জনা যায়। এই গোচৰৰ তদন্ত কালত ঘটনাস্থলী পৰিদৰ্শন কৰি সাক্ষীবাদীক সোধাপোচা কৰি জবানবন্দী লিপিবদ্ধ কৰা হয় আৰু বৰ্তমান তদন্ত চলি আছে। গতিকে বিষয়টো আৰক্ষীৰ তদন্তাধীন হৈ আছে। সেয়েহে মৃতকৰ পৰিয়াললৈ আৰ্থিক সাহাৰ্য্যৰ কথাটো উত্থাপন হোৱা নাই।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** মই আপোনাক বিশেষভাৱে দিছো। আপুনি বিচাৰিছে যে দুখীয়া পৰিয়ালটোৱে কিবা এটা লাভ কৰক। কিন্তু মন্ত্ৰীয়ে কৈছে যে DC পৰা Report এটা আহি লওঁক। DC Report টো অহাৰ পিছত চাব,নহ'লে মোক ক'ব।.এতিয়া Under Rule 54 প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৰেন্দ্ৰ নাথ ভৰালী ডাঙৰীয়াই এটা বিষয় উত্থাপন কৰিব "২০১৮ ত সম্পূৰ্ণ হ'ব লগা ফ'ৰলেনৰ কাম দুবছৰে বন্ধ" শীৰ্ষক বাতৰিটো সম্পৰ্কত।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, বঢ়মপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি Rule 54 এই বিষয়টো উত্থাপন কৰিব দিয়া বাবে অধ্যক্ষ ডাঙৰীয়া, মই অলপ কম। তাৰ পিছত ভৰালী ডাঙৰীয়াই ক'ব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই প্ৰধান মন্ত্ৰী হৈ থাকোতে এক অভিলেখ আঁচনি হাতত লৈছিল। আঁচনিটো আছিল যে ভাৰতবৰ্ষৰ পূবৰ পৰা পশ্চিমলৈ বা পশ্চিমৰ পৰা পূবলৈ আৰু উত্তৰ পৰা দক্ষিণলৈ এই ফ'ৰলেন ৰাস্তা নিৰ্মাণ কৰি Communication ৰ যিটো Priority সেই Priority সম্পূৰ্ণ কৰিবৰ বাবে আগভাগ ল'বৰ কাৰণে আৰু পশ্চিমৰ পৰা পূবলৈ নিৰ্মাণ কৰিবলগীয়া এই ফ'ৰলেন ৰাস্তাটো কলিকতাতে সীমাবদ্ধ আছিল। তেতিয়া মুখ্যমন্ত্ৰী হিচাপে অসমত মই আছিলো আৰু উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইজন মুখ্য মন্ত্ৰীৰ লগলাগি বাজপেয়ী ডাঙৰীয়াক লগ ধৰা হৈছিল আৰু তেখেতক কোৱা হৈছিল যে কলিকতাই পূবৰ শেষ সীমা নহয়। আপুনি অসম আন্দোলনতো জড়িত আছিল। আপুনি প্ৰতিখন ৰাজ্যৰ বিষয়ে Head Quarter

লৈ এই ফ'ৰলেন সম্প্ৰসাৰণ কৰিব লাগে। বাজপেয়ী ডাঙৰীয়াই মানি লৈছিল আৰু সেইমতে ৰাস্তাৰ কাম আৰম্ভ হৈছিল। কিন্তু অতি দুখৰ বিষয় যে সেই কাম এতিয়ালৈকে সম্পূৰ্ণ হৈ উঠা নাই আৰু ২০১৫ চনৰ ১ মেত কেন্দ্ৰীয় পথ পৰিবহন, ঘাইপথ আৰু জল দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী ডাঙৰীয়াই নুমলীগড়ৰ পৰা ডিমৌ পৰ্য্যন্ত নিৰ্মাণ হ'ব লগা ৮৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ফ'ৰলেন ঘাইপথৰ তেখেতে আধাৰশিলা স্থাপন কৰিছিল। ইয়াৰ ঠিকাটো পাইছিল এটা স্পেইনৰ বিদেশী প্ৰতিষ্ঠানে আৰু তেনেকুৱা প্ৰতিষ্ঠানবোৰে প্ৰথমে ঠিকাটো লৈ লয় আৰু লোৱাৰ পিছত তেওঁলোকৰ ইয়াত আন্তঃগাঁথনি নাথাকে। সেইকাৰণে তেওঁলোকে sub-contract দিয়ে। ৰাজ্যসমূহতো তেনেকুৱা চলি থাকে। কিন্তু sub-contract যাক দিলে তেওঁলোকে যি কাম কৰিলে তেওঁলোকে তাৰ পৰা পইচা নোপোৱা বাবে কামবোৰ বন্ধ কৰি দিলে। ফলত সেই ৮৩ কিলোমিটাৰ পথৰ ১০ শতাংশ কামো সম্পূৰ্ণ হৈ উঠা নাই। অধ্যক্ষ ডাঙৰীয়া আপুনি জানে, আপুনি অহা-যোৱা কৰি থাকে যে নগাওঁৰ পৰা উড়িয়া গাওঁৰ চ'কটোৰ পৰা আৰম্ভ কৰি উজনি অসমলৈ কমাৰ গাওঁ অংশটো বাদ দি গোটেই পথটো ফ'ৰলেনবোৰ কোম্পানীসমূহক দায়িত্ব দিয়া হৈছে। সেই কোম্পানীসমূহে এইবোৰ সম্পূৰ্ণ কৰিবৰ বাবে প্ৰয়াস কৰা নাই। ৰাজ্য চৰকাৰৰ সেই ক্ষেত্ৰত সীমিত অধিকাৰত আছে। তথাপিও মই কৈছো যে ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত initiative ল'ব লাগে আৰু অতি সোনকালে এই কাম সম্পূৰ্ণ কৰিবৰ বাবে ব্যৱস্থা হাতত ল'ব লাগে। ইয়াৰ উপৰিও অধ্যক্ষ ডাঙৰীয়া যিখিনি National Highway আছে সেই ফ'ৰলেনৰ ঠিকা পোৱা ঠিকাদাৰ সকলে সেই ৰাস্তা Hand Over নকৰালৈকে ইয়াৰ maintenance ৰ কাম তেওঁলোকে কৰিব লাগে। কিন্তু তেওঁলোকে maintenance নকৰা বাবে আজি ৰাস্তাবোৰৰ যাতায়তৰ পথ অতি দুৰ্গম হৈ পৰিছে। এই ক্ষেত্ৰত মই ভাৱো ৰাজ্যচৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠানবোৰক, যাক দায়িত্ব দিয়া হৈছে, তেওঁলোকক জোৰ দিয়া উচিত। অৱশ্যে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই অলপতে এটা ভাল সিদ্ধান্ত লৈছে যে National Highway চাবৰ কাৰণে Chief Engineer level ত বেলেগ মানুহ নিয়োগ কৰিছে। গড়কাপ্তানী বা (PWD) বিভাগটোক দায়িত্ব ভগাই দিছে আৰু মই ভাৱো যে যদি তেওঁলোকে ভালধৰণে ব্যৱস্থা হাতত লয়, তেতিয়াহ'লে কাম হ'ব আৰু ইয়াৰ উপৰিও যিটো 'Inlax Fobtione' নামৰ স্পেইনৰ কোম্পানীটোৱে যি কামত গাফলতি দেখুৱাইছে, তাৰ কাৰণে এবাৰ Black Listed টো হৈছিল আৰু বেলেগ নিবিদা আহ্বান কৰি G.DCL বুলি আন এটা কোম্পেনীক এই অংশটোৰ কিবা কৰিবলৈ দিয়া হয়। কিন্তু তেওঁলোকৰ সেই সমস্যাৰ কাৰণেই ইয়াৰ কাম আগুৱাই নিব পৰা নাই। আনহাতে অধ্যক্ষ ডাঙৰীয়া আমাৰ গড়কাপ্তানী বিভাগৰ লগত কাম কৰোতে বন বিভাগো জড়িত হৈ থাকে। মই পোৱা খবৰ মতে বালি, শিল এইবোৰৰ কাৰণে এই কোম্পেনীবোৰে যি Royality চৰকাৰক দিব লাগে, সেই Royality সংগ্ৰহ কৰে বন বিভাগে। কিন্তু বন বিভাগৰ এক সংখ্যক বিষয়াই এই কোম্পেনীবোৰৰ লগত বুজাবুজি কৰি কোটি কোটি টকাৰ Royality আদায় নকৰাকৈ আছে। গতিকে সেই বিষয়টো ৰাজ্য চৰকাৰে চোৱা উচিত। অধ্যক্ষ ডাঙৰীয়া, মই বিশেষ কথা ক'ব বিচৰা নাই। এই ফ'ৰলেন ৰ কাম অতি সোনকালে কৰিবৰ বাবে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰ আৰু ঠিকাদাৰ সকলক বাধ্য কৰাব লাগে। কাৰণ এতিয়াও যদি মাত্ৰ ১০ শতাংশ কামো সম্পূৰ্ণ হোৱা নাই। তেতিয়াহে ২০১৮ চনটো বাদেই ২০২১ ৰ পৰা ২০২২ চনলৈ সম্পূৰ্ণ নহ'ব আৰু এনেধৰণে ঠিকাৰ কাম চলি থাকিব। সেয়েহে অধ্যক্ষ ডাঙৰীয়া, মই অনুৰোধ কৰিছো যাতে ঠিকাৰ কাম সম্পূৰ্ণ কৰিবৰ বাবে ৰাজ্যচৰকাৰে পদক্ষেপ গ্ৰহণ কৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । ভবেন্দ্ৰ নাথ ভৰালী ডাঙৰীয়া, Just add 2 or 3 pionts. যিহেতু বিষয়টো আমাৰ সকলোৰে বাবে গুৰুত্বপূৰ্ণ।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি পবিত্ৰ সদনত এই ৰাস্তাটো সম্পৰ্কত National Highway আমি সঘনে অহা-যোৱা কৰো, এই ৰাস্তাটোৰ অৱস্থা আটাইতকৈ বেয়া যি অহা-যোৱা কৰিছে, তেওঁহে গম পায়। এইক্ষেত্ৰত নীতিন গাডকাৰী দেৱে ২০১৫ চনত ১ মে' তাৰিখে আধাৰশিলা স্থাপন কৰিছিল আৰু আধাৰশিলা অনুষ্ঠানত মন্ত্ৰীয়ে কৈছিল ২০১৮ চনত এই ৰাস্তা সম্পূৰ্ণ হ'ব। মুকলি কৰা হ'ব। কিন্তু আজি ২০১৮ চনৰ মাৰ্চ মাহ। কাম একো হোৱা নাই আৰু তাৰ বিনিময়ত যিটো পূৰণি ৰাস্তা সেই ৰাস্তাটো বৰ্তমান ভাগি অৱস্থা নোহোৱা হৈছে। এই সম্পৰ্কত যোৰহাট জিলাৰ উপায়ুক্ত, গোলাঘাট জিলা ৰ উপায়ুক্তই জানে। আমি কেইবাবাৰো National Highway ৰ বিষয়াসকলক মাতি আলোচনা কৰিছো। তাত বিধান সভাৰ সদস্যসকলো আছিল। কিন্তু বিষয়া সকলে এতিয়া এই বিষয়টো আমাৰ লগত নাই, ঠিকাদাৰৰ দায়িত্বত আছে । এনেকুৱা ধৰণৰ গা-এৰা মন্তব্য বা বিবৃতি দি দায়িত্ব সামৰিব বিচাৰে। যাৰ ফলত এই ৰাস্তাটোৰ দুৰ্ভোগ ভুগিব লগীয়া হৈছে। মই পবিত্ৰ সদনৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা ক'ব বিচাৰিছো যে এইবিলাকত আমাৰ ৰাজ্য চৰকাৰৰ কণ্ট্ৰোল নাই নেকি ? এই সম্পৰ্কত নিশ্চিত ভাৱে এটা ব্যৱস্থা ল'ব লাগে। কাৰণ প্ৰথমটো কোম্পনীয়ে কৰিলে Intaks Fobtion ইয়াক Black .Listed কৰিলে। তাৰ পিছত পুনৰ টেণ্ডাৰ কৰিলে আৰু GDCL নামৰ কোম্পানীটোক দিলে যোৱা ডিচেম্বৰ মাহত। এতিয়া মাৰ্চ মাহ আহিল। কিন্তু এতিয়ালৈকে একো কাম কৰা নাই। এই বিধানসভাৰ মজিয়াত উত্থাপন কৰা বাবে দুই এটা ঠাইত মাটি পেলোৱা দেখিবলৈ পোৱা গৈছে। এইবাৰ গুৱাহাটীলৈ আহোতে দেখিছো। কিন্তু যিটো পথেৰে আমি আহা-যোৱা কৰো যিটো পুৰণি ৰাস্তা। তাৰ অৱস্থা একেবাৰে বেয়া আৰু তাৰ মেৰামতিৰ একো ব্যৱস্থা কৰা নাই। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে ৮৩ কিলোমিটাৰ যোৰহাট By Pass ৰ পৰা একেবাৰে ডিমৌলৈকে এই গোটেই পথছোৱা অহাযোৱা কৰিব পৰাৰ এটা ব্যৱস্থা হয়, নিৰ্মাণ কাৰ্য্য চলি থকালৈকে। সেইখিনি মেৰামতি কৰি ঠিক কৰি দিব লাগে আৰু দ্বিতীয়তে এই কামটো ক্ষীপ্ৰতাৰে আৰম্ভ কৰিব লাগে। বাৰিষা আৰম্ভ হোৱাৰ আগতে মাটিৰ কামতো কৰিব লাগে নহ'লে বৰষুণ আৰম্ভ হোৱাৰ লগে লগে এক অবৰ্ণনীয় অৱস্থাৰ সৃষ্টি হ'ব। সেইকাৰণে মাননীয় মন্ত্ৰী মহোদয, আপোনাৰ জৰিয়তে এটা ক্ষীপ্ৰ সিদ্ধান্ত আশা কৰিছো।

**ডাঃ নোমল ম'মিন ঃ** অধ্যক্ষ মহোদয়, N.H-31 একে অৱস্থা।

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি আপুনি বহক। আজি কংগ্ৰেছৰ ফালৰ পৰা National Highway ৰ বিষয়ে কৈছিল। তেতিয়া মই ক'লো যে আজি বাজেট আলোচনা আছে। National Highway বিষয়টো আমাৰ সকলোৰে Concern ৰ বিষয়। এতিয়া আজি আমাৰ আহিছে National Highway-37 ৰ প্ৰশ্ন নম্বৰ ৫৪ ৰ প্ৰশ্ন সুধিব আৰু মাননীয় মন্ত্ৰীয়ে তাৰ উত্তৰ দিব। আজি আমাৰ ইমানখিনি সময় আছে। আজি মোক কমলাক্ষ দেৱেও কৈছিলে সেইফালৰ National Highwayএকে অৱস্থা। কিন্তু গোটেই National Highway কেইটা যিহেতু কেন্দ্ৰীয় চৰকাৰৰ অধীনত তেওঁলোকৰ এজেণ্টে কাম কৰি আছে, । গতিকে সেই কথাটো জনাওতে মাননীয় মন্ত্ৰীয়ে বাকী কথাখিনিও কৈ দিব পাৰিব। এই কথাটোত We all are worried. কাৰণ বহুত দিন হৈ গৈছে। গতিকে কেনেকৈনো ফাষ্ট কৰিব পৰা যায়, কেৱল এইটো National Highway ক্ষেত্ৰতে নহয় বাকী সকলো National Highway ক্ষেত্ৰতো । ধন্যবাদ।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী,গড়কাপ্তানি ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় প্ৰফুল্ল কুমাৰ মহন্ত দেৱ আৰু ভৱেন্দ্ৰ নাথ ভড়ালী দেৱে আজি আমাৰ "**অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী**"ৰ ৫৪ নং নিয়মৰ অধীনত "**অসমীয়া প্ৰতিদিন**" কাকতত ২০১৮ চনৰ ২২ ফেব্ৰুৱাৰীত প্ৰকাশিত **"২০১৮ত সম্পূৰ্ণ হ'ব লগা ফ'ৰলেনৰ কাম দুবছৰে বন্ধ"**, দহ শতাংশ কাম নকৰাকৈ পলাল স্পেইনৰ প্ৰতিষ্ঠান" । হয়, এই বাতৰিটোৰ ওপৰত আমাৰ দুগৰাকী শ্ৰদ্ধাৰ সদস্যই এই সম্পৰ্কে আলোচনা আৰম্ভ কৰিলে। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা অসম বিধান সভাৰ বৰ্ত্তমানৰ সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই কৈছে যে অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া দেৱ যেতিয়া প্ৰধান মন্ত্ৰী আছিল তেওঁ তেতিয়া মুখ্যমন্ত্ৰী আছিল। এই কামবিলাকৰ সূচনা তেতিয়াই কৰিছিল। মই ভাৱো এইটো একেবাৰে সঁচা কথা। এই কাৰণে অসমৰ মানুহৰ এই দুজনৰ প্ৰতি অত্যন্ত শ্ৰদ্ধা আছিল। ইমান আগতে এই প্ৰকল্পটো লোৱা হোৱাৰ পাছতো আমি এই প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিব পৰা নাই। তাৰ পিছতো বহুখিনি কাৰণ আছে। আমি এই কাৰণবোৰত যাব বিচৰা নাই। এই অঞ্চল বিলাক ভাল নহয় কাৰণে আমাৰ ৰাইজেও কষ্ঠ পায় আছে। ৰাইজে প্ৰকৃতাৰ্থত নাজানে যে কোনটো ৰাস্তা এন, এইচ এ কৰি আছে আৰু কোনটো ৰাস্তা N.H.D.C.L.এ কৰি আছে । এইক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰো বিভিন্ন ঠাইত জগৰীয়া হৈ আছে। আমাৰ চৰকাৰ অহাৰ পিচতে মই কেইবাৰমান লিখা লিখি কৰিলো। আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বতে দুবাৰ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিলো। আপোনালোকে কৈছে যিটো কোম্পানীয়ে কাম লৈছিল তেওঁলোকে কাম কৰা নাই, এই সম্পৰ্কত মই আপোনালোকক তথ্যসহকাৰে জনাম। আমাৰ Existing যিটো ৰাস্তা আছে, এই ৰাস্তাটো যাতে মেৰামতি কৰা যায়, তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে অলপতে এটা ব্যৱস্থা লৈছে। সেই মৰ্মে ৪০৩.১২ কিলোমিটাৰ ৰাস্তাৰ কাম N.H.D.C.L.এ হাতত লৈছে। আমাৰ শ্ৰদ্ধেয় মোডী ডাঙৰীয়ায় নেতৃত্বত চৰকাৰ অহাৰ পাচতেই এই N.H.I.D.C.L. নামৰ প্ৰতিস্থানটোৱে ৪০৩ কিলোমিটাৰ ৰাস্তা যাতে ফ'ৰ লেন যুক্ত কৰিব পাৰে তাৰ কাৰণে কাম আৰম্ভ কৰিলে। এই ৪০৩ কিলোমিটাৰ ৰাস্তাৰ বাবে ১৬ টা পেকেজৰ কাম চলি আছে। প্ৰকল্পটোৰ মুঠ ব্যয় ৫৪২০৭.৭২ কোটি (চিভিল ৱৰ্কচ) আৰু ভূমি অধিগ্ৰহণ, অন্যান্য খৰচ সামৰি সৰ্বমুঠ ব্যয় ১১,২০৭.৪৩৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই কামসমূহৰ অগ্ৰগতি লেহেমীয়া হৈছে সেইটো একেবাৰে সঁচা কথা। প্ৰকৃততে আমাৰ যোৰহাটৰ পৰা ডিমৌ লৈকে বিয়পি থকা পথছোৱা সামৰি আমি যদি আলোচনা কৰো তেতিয়াহ'লে ক'ব লাগিব যে ইয়াতো যে অগ্ৰগতি হৈছে কথাটো তেনেকুৱা নহয়, মুঠতে কথা হল কামবোৰ লেহেমীয়া হৈছে।

দ্বিতীয়তে, পুৰণি ৰাষ্ট্ৰীয় ঘাইপথবোৰ মেৰামতি কৰিবৰ বাবে ১১ টা পেকেজত ২৭৪.৭৯ কিলোমিটাৰ কাম হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত তিনিটা পেকেজত নিবিদা নোপোৱাৰ বাবে নগাঁও -ৰঙাগৰা, জমুগুৰি-বিশ্বনাথ চাৰিআলি আৰু বিশ্বনাথ চাৰিআলিৰ পৰা গহপুৰলৈ নিবিদা আহ্বান কৰা হৈছে। বাকী অংশৰ মেৰামতিৰ কাম অহা ১৫ এপ্ৰিলৰ ভিতৰত শেষ কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে।

এতিয়া কথা হৈছে যে যোৰহাটৰ দিমৌলৈকে তেওঁলোকে দিয়া তথ্য মতে প্ৰায় ৩৮ কিলোমিটাৰ পথ প্ৰথমতে M/S Corsan Corviun S. A. ক নিৰ্মাণ কৰিবলৈ দিয়া হৈছিল আৰু নিবিদা অনুসৰি যোৰহাট-জাঁজী পথ চোৱাৰ প্ৰকল্পৰ ব্যয় আছিল ৪৩৭.৩৯ কোটি টকা। এই কোম্পানীটোৰ Appointed তাৰিখ আছিল ০১-০৬-২০১৫। আমাৰ চৰকাৰ অহাৰ পিচতে যোগাযোগ কৰি দেখা গল যে - এই কোম্পানীটোৱে কোৱা কাৰণ বিলাকৰ উপৰিও আৰু

এটা কাৰণ আছিল যে বহু ঠাইত ভূমি অধিগ্ৰহণৰ কামটো সম্পূৰ্ণ হোৱা নাছিলবাবে কোম্পানীটোৱে কামবোৰ ভালকৈ কৰিব পৰা নাছিল। কিন্তু যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ পৰা হেচা প্ৰয়োগ কৰা হল ,তেতিয়া আৰু কিছুমান কাৰণ দেখুৱাই তেওঁলোকে সেই কামটো ০৭-০৬-২০১৭ চনত Cancel কৰিলে। এই Cancellation ৰ পাচতেই আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত এই ভূমি অধিগ্ৰহণৰ সমস্যাটো ৯৫ শতাংশ সম্পূৰ্ণ কৰিছো। এই আঁচনিটো Cancel কৰি Performance Security মূল্য ৩২.৮০ কোটি টকা কৰা হৈছে আৰু বাকী প্ৰাপ্য ধন আদায়ৰ বাবে বিচাৰ বিবেচনা চলি আছে। পৰবৰ্তী সময়ত পুনৰ নিবিদা সংগ্ৰহ কৰি কামটো M/S Ganon Dunkerley Co-operative Ltd.ক ০৯-১১-২০১৭ তাৰিখে সৰ্বমুঠ ৪০৭.৩০ কোটি টকাত নিৰ্মাণ কৰিবলৈ দিয়া হৈছে। 4-Lane যুক্ত কামটো তেওঁলোকে নানা উজুহাত দেখুৱাই আজিৰ দিনটো ভালকৈ কৰিব পৰা নাই। কিন্তু আমাৰ কাৰণে দিগদাৰ হয় যে আমাৰ Existing Road টোত মানুহ চলিব নোৱাৰে। সেইকাৰণে এই ৯৯ কোটি টকাৰ ভিতৰত আৰু কিছুমান প্লেন তৈয়াৰ কৰা হৈছে। বিগত সময়চোৱাত এই পথচোৱা আৰু শোচনীয় হৈ পৰে আৰু তাৰ মেৰামতিৰ বাবে ০৭-০৩-২০১৮ তাৰিখৰ পৰা ৯.২৫ কোটি টকা ধাৰ্য্য কৰি মাৰ্চৰ পৰা পুনৰ কাম আৰম্ভ কৰা হৈছে। বিগত সময়ছোৱাত পথছোৱাৰ অৱস্থা অতি শোচনীয় হৈ পৰে আৰু তাৰ মেৰামতিৰ বাবে ০৭-০৩-১৮ তাৰিখৰ পৰা মুঠ ৯.২৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। মাৰ্চৰ পৰা ৯.২৫ কোটি টকাৰ কাম আৰম্ভ কৰা হৈছে। আপোনালোকে যিটো কথা কৈছে , মেৰামতিৰ কাম ১৫ এপ্ৰিলৰ ভিতৰত শেষ কৰিবলৈ লক্ষ্য স্থিৰ কৰিছে তেওঁলোকে। NHAI এপ্ৰিলৰ ১৫ তাৰিখৰ ভিতৰত এই existing road টোৰ টেম্প'ৰাৰী কামখিনি কৰি দিব তেওঁলোকৰ ফালৰ পৰা তথ্য পাইছো। যোৰহাটৰ পৰা জাঁজীলৈ যোৱা খগেন দত্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কাম ছোৱা ৩১-১২-২০২০ তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে লক্ষ্য স্থিৰ কৰা হৈছে। এতিয়া permanent nature ৰ কামটো আগতে ১৮ চনৰ ভিতৰত কৰাৰ কথা আছিল এইটো এতিয়া আকৌ বঢ়াই ২০ চনলৈকে লৈ যোৱা হৈছে। আকৌ জাঁজীৰ পৰা ডিমৌৰ দৈৰ্ঘ্য ৪৪.৭৫ কি.মি এই কামটো আকৌ দেখা গৈছে আগৰ নিবিদা অনুসৰি জাঁজী - ডিমৌ পথটোৰ প্ৰকল্প ব্যয় আছিল ৪৬৬.৪৯ কোটি টকা appointed তাৰিখ আছিল কনট্ৰেক্টৰৰ ০৬-১৫ দিয়া হৈছিল , ঠিকাদাৰৰ বিফলতাৰ বাবে সেই কামটো ইংৰাজী ০৩-০৮-২০১৭ তাৰিখে উঠাই ল'ব লগা হয়। আৰু পাৰফৰেন্স চিকিউৰিটিত ৩৪.৭০ কোটি টকা profit কৰা হৈছে। আকৌ মেচাৰ্চ গেমন কোম্পানী লিমিটেডক ১১-১৭ তাৰিখে মুঠ ৩৫৮ .৬ কোটি টকাত নিৰ্মান কৰিবলৈ দিয়া হৈছে। এই ঠাইত যিটো আমাৰ Temporary কাম হ'ব সেইটো কাৰণে আকৌ appointed তাৰিখ দিয়া হৈছে ২০-১-২০১৮ । অলপতে জানুৱাৰী মাহত আৰু এটা কোম্পানী দিয়া হৈছে বিগত সময়ছোৱাত পথটি অতি শোচনীয় হৈ পৰে আৰু তাৰ মেৰামতিৰ বাবে ০৭-০৩-২০১৮ তাৰিখৰ পৰা মুঠ ৯.৬০ কোটি টকাত কাৰ্য্য আৰম্ভ কৰা হৈছে। মেৰামতিৰ কাম ১৫ এপ্ৰিলৰ ভিতৰত existing roadটো তেওলোকে কৰি দিব এনেকুৱা কিবা এটা তেওলোকে কৈছে কিন্তু এই কামটোত তেওলোকে আকৌ কৈছে যে জাজীৰ পৰা ডিমৌ লৈ four lane যুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কামছোৱা ২০০০ চনৰ ২১ তাৰিখৰ ভিতৰত কৰা হ'ব। এইটো আৰু অলপ টাইম বাঢ়িছে। এতিয়া কথা হৈছে চাৰ আমাৰ ষ্টেট গৰ্ভমেন্ট practically নজৰদাৰীটো আমি কৰিব নোৱাৰো। কাৰণ NHAI সম্পূৰ্নৰূপে আমাৰ কেন্দ্ৰীয় চৰকাৰে নিয়ন্ত্ৰন কৰে । তথাপিও আমি আমাৰ ৰাজ্য চৰকাৰৰ ফালৰ পৰা দায়িত্ব দিছো আমাৰ অফিচাৰসকলক ক'ত ক'ত কেনেধৰণৰ অসুবিধা হৈছে আৰু যদি

আমাৰ ফালৰ পৰা কিবা আমাৰ সহায় কৰিব লাগে , চাপোৰ্ট কৰিব লাগে, এনেকুৱা কৰাৰ বাবে আমি PWD ৰ পৰা ব্যৱস্থা লৈছো। অলপতে কেইজনমান অফিচাৰ দিয়াৰ বাবে আমি প্ৰস্তুতি চলাইছো। যাতে সোনকালে কামটো হয়। মই কেইদিনমান আগতে তেওঁলোকৰ লগত এখন ৰিপোৰ্ট মিটিঙত বহিছিলো, বহি দেখা গ'ল যে তিনিটা ঠাইত টেণ্ডাৰ কৰাই নাই। তেওলোকে দিল্লীৰ পৰা টেণ্ডাৰ কৰিছে ইয়াতে কৰা নাই তেতিয়া আমি নিজে আমাৰ স্থানীয় ভাল ঠিকাদাৰৰ লগত কথা পাতি যাতে এই Temporary work of nature টো যাতে কৰি দিব পাৰো তাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। মই ভাৱো যে তেওঁলোকে কোৱামৰ্মে এই Temporary কামখিনি যদি হৈ যায় ৰাইজৰ অলপ অন্তত অহা যোৱাৰ সুবিধা হ'ব। আৰু four laneৰ কামটো যাতে অলপ সোনকালে কৰিব পাৰে তাৰ কাৰণে আমাৰ ৰাজ্য চৰকাৰৰ ফালৰ পৰা আমাৰ মাননীয় মূখ্যমন্ত্ৰীয়ে অবিৰাম চেষ্টা কৰি আছে। প্ৰতিনিয়ত কেন্দ্ৰীয় চৰকাৰৰ লগত মাহত অন্তত ২দিন কথা পাতে । মই ভাবো তেওঁলোকে আজি দিয়া তথ্যমতে কামখিনি অতি সোনকালে সম্পন্ন কৰিব পাৰিব।

**মাননীয় অধ্যক্ষঃ** এই কথাটো কেইবাগৰাকীয়ে কৈছে। হাই্ৱে সেইফালেও এটা আছে, এইফালেও আছে। আজি আৰু আলোচনা নহ'ব । আমি আকৌ ২৬ তাৰিখৰ পৰা এক সপ্তাহমান বহিম। আপোনালোকে উলিয়াব মই allow কৰিম। আজি নালাগে। আজি যেনেকৈ notice আনিছে তেনেকৈ আনিব। কথাটো হৈছে এইটো কেন্দ্ৰীয় চৰকাৰৰ বিষয় গতিকে Agency বিলাকক খুব বেছি হেঁচা দিব নোৱাৰিম। কিন্তু Monitoring about progress of work সেইটো কাৰনে State য়ে যদি তেওলোকক Convince কৰিব পাৰে তেতিয়া ভাল পাব। এটা mechanism লাগে। আৰু এই mechanismটোত যদি ষ্টেট গভৰ্ণমেন্টৰ প্ৰতিনিধি নাথাকে তেতিয়া হ'লে সদায় এনেকুৱা প্ৰশ্ন উঠি থাকিব। সেই কাৰনে চেন্ট্ৰেলৰো আৰু ষ্টেটৰো এখনকৈ Monitoring কমিটি থাকিব লাগে। বাকীবিলাকত আমি সোমাব খোজা নাই । তেতিয়া হ'লে আমাৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো চেষ্টা কৰিছে ফলৱৰ্তী হোৱাত সহায় হ'ব বুলি মই ভাবো। আপুনি চেষ্টা কৰি চাব। এতিয়া next question। ৰুল ৩০১ৰ প্ৰশ্নকৰ্ত্তা বৰ্তমান উপস্থিত নাই গতিকে এতিয়া বাজেটৰ এপৰত সাধাৰন আলোচনা। চন্দন ব্ৰহ্ম ডাঙৰীয়া যোৱা কালি আপুনি আৰম্ভ কৰি ৫ মিনিট কৈছিল আজি শেষ কৰিবলৈ অনুৰোধ জনালো। তাৰ পিচত বাকীসকলে ক'ব।

**শ্ৰীচন্দন ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেটৰ বিষয়ে যোৱাকালি কিছু আৰম্ভ কৰাৰ বাবে যিটো সুবিধা আপুনি দিছিলে তাৰ কাৰনে ধন্যবাদ। বাজেটৰ যিখিনি বিষয়বস্তু উন্নয়ন আৰু ভবিষ্যত সম্পৰ্কে যিখিনি preliminary পৰিকল্পনা সেই হিচাপে এইখন ভাল বাজেট এই সংক্ৰান্তত বিশেষ পৰ্য্যালোচনা কৰাৰ কাৰণে আৱশ্যক বুলি অনুভৱ কৰা নাই। ইয়াত মাত্ৰ কিছু সংযোজনৰ বাবে আঙুলিয়াই দিব বিচাৰিছো আৰু কিছু সংযোজনৰ বাবে অনুৰোধ জনাব বিচাৰিছো। বড়োলেণ্ড অঞ্চল একেবাৰে পিছপৰা অঞ্চল। পিছপৰা এইটো কাৰনে এই গোটেই বড়ো লেণ্ড অঞ্চল হ'ল Himalayan Foot hills। এইটো Bhutan Foot hills বুলিও আমি সকলোৱে জানো। Himalayan Foot hills হোৱা বাবে ইয়াত বিভিন্ন ধৰণৰ obstacles আছে। এই কথাখিনি আমি ভালদৰে অধ্যয়ন কৰা প্ৰয়োজন। Foot hills হোৱা কাৰণে ইয়াৰ যিটো গ্ৰাউণ্ড ৱাটাৰ লেভেল,drinking water facility কৰাৰ কাৰণে বহুতো অসুবিধা । Normal plan area যিটো ব্ৰহ্মপুত্ৰ বুলি কোৱা যায় তাত ১৮-২০ ফুট খান্দি আমাৰ ring well বনাই ধুনীয়াকৈ

কুঁৱা বনোৱাৰ সুবিধাটো হয়। কিন্তু Himalayan Foot hill ত এইটো সম্ভৱ নহয়। য'ত খোৱা পানীৰ ব্যৱস্থাৰ কাৰনে ৩০০- ৪০০- ৫০০ ফুটলৈকে deep boring কৰিব লগা হয়। ইয়াৰ কাৰনে naturally drinking water facility সেইবোৰ অঞ্চত কৰাৰ কাৰণে কষ্টিংটো যথেষ্ট হাই হয় । যেতিয়া বাৰিষাকালত বৰষুণ হয়, আমাৰ ৰাজ্যখনত নহ'লেও ভুটানত বৰষুণ হ'লে automatocally আমাৰ এই অঞ্চলবিলাকত, বড়োলেণ্ড অঞ্চলত বানপানী লগতে গড়াখহনীয়া হয়। গড়াখহনীয়া যেতিয়া হয় ইয়াৰ মাটি বাৰী, গছ গছনি, সা সম্পত্তি গোটেইখিনি wash out হৈ যায়। এই erosion টো আমি যদি ভালদৰে protect কৰিব নোৱাৰো তেতিয়া এই অঞ্চলৰ যিটো অৰ্থনৈতিক অৱস্থা সেইটো উন্নতিৰ কথাটো বাদেই দিয়ক লাহে লাহে অৱনতিৰ ফালে ঢাল খায়। পূৰ্বৰ পৰা এনেধৰণৰ প্ৰাকৃতিক দুৰ্যোগ আৰু এই অৱস্থাটো গোটেই অঞ্চলৰ অঞ্চলবাসী ৰাইজে ভুগিব লগা হৈছে। যিটো অসম হিচাপে ভুটান portion সেই গোটেই areaটো বড়োলেণ্ডে আজিৰ তাৰিখত cover কৰি আছে। আজি কমপক্ষেও ২৯ খন tributory নৈ বড়োলেণ্ডৰ মাজেদি হিমালয়ৰ পৰা বৈ আহি ব্ৰহ্মপুত্ৰত পৰিছে। আজি পৰ্য্যন্ত সঠিক protection measure কৰা সম্ভৱ হোৱা নাই। বছৰে বছৰে ইয়াৰ যিটো ধাৰা সেইটো সলনি হয় , divert হয়। নতুন নতুন disaster সেই অঞ্চলত হৈ আছে।

Permanent measure তাত লোৱাৰ কাৰণে প্ৰয়োজন। নৰ্মেল গড়াখহনীয়া, নৰ্মেল কাউন্সিলৰ কথাটো একেলগে সাঙুৰি লৈ পেলাই যদি তাতে এটা উন্নতি তথা সুৰক্ষাৰ কাৰণে কাম কৰিব বিচাৰে কেতিয়াও সম্ভৱ নহয়। ইয়াৰ কাৰণে যথেষ্ট পুঁজি, টেকনোলজিৰ ব্যৱস্থাটো আমি এটা বিশেষ category হিচাপে অধিক প্ৰাধ্যনতা দি এই অঞ্চলত এই disaster টো measure লবৰ কাৰণে আমি ইয়াত এটা পুঁজি আৱন্টৰ কথাই বা ইয়াত দৃষ্টিটো বেছিকৈ দিব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক এই বাজেটত এইখিনি কথা সংযোজন ৰাখি আৰু যিটো পিছপৰা জনসংখ্যাৰ আকাৰ গোটেই বড়ো লেণ্ডত আজি ৩৩ লাখ, এই গোটেই কথাটো আমি চাই লৈ উন্নতিৰ কথাটো যদি বিবেচনা কৰো, তেতিয়া হ'লে আজিৰ দিনটোত বড়ো লেণ্ড অঞ্চলৰ কাৰণে, বা বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ কাৰণে যিখিনি পুঁজি আৱন্টনৰ কাৰণে প্ৰস্তাৱ দাঙি ধৰিছে, এই কথাটো আৰু যথেষ্ট বৃদ্ধি কৰাৰ প্ৰয়োজন আছে। আৰু সময়ে সময়ে বি টি চি বা আমাৰ অসম চৰকাৰে মাজে সময়ে Planing Commission এতিয়াৰ নীতি আয়োগত বিষয় বিলাক স্পষ্টভাৱে আলোচনা বিলোচনা হৈছে। মই ভাৱো যে এইটো বৃদ্ধি কৰাটো অতি আৱশ্যেক আৰু এইটো সম্ভৱ। ঠিক তেনেকৈ কিছুমান আমাৰ বাজেটত যিখিনি উত্থাপন হৈছে আৰু নতুন প্ৰজেক্ট বিলাকৰ কথা কৈছে। শিক্ষা দিশত বা স্বাস্থ্য দিশত বা বিভিন্ন আমাৰ বিভাগৰ আঁচনি বিলাকৰ যিটো কথা ইয়াত দাঙি ধৰিছে, মই এইটো ক্ষেত্ৰত এটা অনুৰোধ জনাব বিচাৰিছো যে আমাৰ গোটেই অসমৰ যিটো সাতখন টাউন আৰু এইটো অধিক উন্নত কৰাৰ কাৰণে ১০০ কোটি টকাকৈ ধাৰ্য্য কৰিছে। বিটিচিত চাৰিখন জিলা আছে, কোকৰাঝাৰ হ'ল বিটিচিৰ মুখ্য কাৰ্য্যলয়, অতি প্ৰাচীন আৰু যথেষ্ট জনসংখ্যক। আৰু ইয়াক উন্নত কৰিবৰ কাৰণে যথেষ্ট প্ৰয়োজনীতা আছে। গতিকে কোকৰাঝাৰ টাউন খনক এই সাতখন টাউনৰ ভিতৰত যিটো ১০০ কোটি টকাকৈ ধাৰ্য্য কৰিছে, ইয়াক অন্তৰ্ভূক্ত কৰাতো বিচাৰো। আৰু যিখিনি আমাৰ বিভিন্ন আঁচনিৰ প্ৰস্তাৱ দাঙি ধৰিছে, কোকৰাঝাৰত কেন্সাৰ হস্পিতাল যিটো স্বাস্থ্য মন্ত্ৰীয়ে কৈছে, তেখেতে নিজে ভালদৰে জানে । ওদালগুৰিত চিভিল হস্পিতাল, তাত in-

frastructure যথেষ্ট ভাল। গতিকে ইয়াৰ কাৰণেও তাতএই ব্যৱস্থাটো ৰাখিলে খুৱে ভাল হ'ব। ওদালগুৰি শোণিতপুৰ, লক্ষিমপুৰ, ধেমাজী গোটেই উত্তৰ অঞ্চল বা পূৱ অঞ্চলৰ ৰাইজেও ইয়াত গ্ৰহণ কৰিবৰ বাবে সুবিধা হ'ব। আৰু লগতে আমাৰ চৰকাৰী বি এড কলেজ আৰু চৰকাৰী আইন কলেজ আমাৰ চাৰিখন জিলাত এতিয়ালৈকে নাই। কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি তাতে সংযোজন কৰিব লাগে। আৰু পলিটেকনিকৰ কথা যিটো ইয়াত আহিছে এই জিলা চাৰিখনত যাতে অন্তৰ্ভূক্ত কৰিব পৰা যায়। এইটো যাতে অলপ উন্নতিৰ পিনে আহে । শেষত এটাই কথা অনুৰোধ জনাব বিচাৰিছো, ইতিমধ্যে আমাৰ শিক্ষামন্ত্ৰী তথা বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এটা বলিষ্ঠ পদক্ষেপত বড়োলেণ্ড ইউনিভাৰচিটি **১২** বি পোৱাৰ কাৰণে ইতিমধ্যে উপক্ৰম হৈছে। ইমান ছাত্ৰ-ছাত্ৰী ইমান এনৰোলমেন্ট ইয়াৰ কাৰণে এই বাজেটত বড়োলেণ্ড ইউনিভাৰচিটি কেম্পাচ ওদালগুৰি, বাক্সা আৰু চিৰাং এইটো যাতে অন্তৰ্ভূক্ত হয়। এই দুষাৰ কথা কৈ মই মোৰ বক্তব্য সমাৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা।

**শ্ৰী তেৰছ গোৱালা, দুলীয়াজানঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা **১২** তাৰিখে পবিত্ৰ বিধান সভাৰ মজিয়াত মাননীয় বিত্ত মন্ত্ৰীয়ে স্বদেশ, স্বজাতীৰ প্ৰতি জাতীয় দায়িত্ব গ্ৰহণ কৰি জনকল্যাণমুখী বাজেট দাখিল কৰিছে । এই বাজেট অসমৰ সকলো শ্ৰেণীৰ জাতি জনজাতি ৰাইজৰ সামগ্ৰীক উন্নয়ণ হ'ব বুলি আমি আশা কৰো। আৰু এই জনকল্যাণমুখী বাজেট দাখিল কৰাৰ বাবে বিত্ত মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাইছো। মোৰ মনত পৰিছে জ্যোতিপ্ৰসাদ আগৰৱালই যেতিয়া অসমৰ অপৰূপ চিন্তা বিলাক, সৃষ্টি বিলাক দেখি তেওঁ এটা স্তৱক লিখিছিল তেওঁ কবিতাত - 'সুন্দৰে যে প্লাৰ মন্ত্ৰ অহুৰাত্ৰী মাতে। আজি ইমান ফুল প্ৰভাতে প্ৰভাতে', আৰু ময়ো কওঁ এই বাজেট অধ্যায়ণ কৰি অনুভৱ কৰিছো যে ময়ো এষাৰ কথা কব বিচাৰো। -

পৰিবৰ্ত্তন মানেই আশাৰ বতৰা, অসমবাসীৰ মতে, দেশ জাতি মাটিৰ স্বাৰ্থত অসমৰ শাসনত বহা বি জে পি মিত্ৰজোটৰ চৰকাৰে তুলি দিলে আজি সুজলা -সুফলা শস্য-শ্যামলা অসমৰ সংযুক্তিকৰণ, উত্তৰণ আৰু একত্ৰীকৰণৰে বাস্তৱৰ সপোন ভৰা জনকল্যাণমুখী ই-বাজেট সকলোৰে হাতে হাতে।

আজি প্ৰতিজন সদস্যৰ হাতত ই-বাজেট দি চৰকাৰ যে প্ৰতিশ্ৰুতিৰ প্ৰতি দায়বদ্ধ সেইটো প্ৰমাণ কৰিছে। উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেট উত্থাপনৰ প্ৰাক্ মুহূৰ্ততে উল্লেখ কৰিছে যে মাননীয় ভাৰতৰ প্ৰধানমন্ত্ৰীৰ যি সপোন, যি ইচ্ছা তেওঁ কৈছিল যে সবকা সাথ,সবকা বিকাশ, সকলোৰে লগতে সকলোৰে বিকাশৰ যি সপোন,সেই সপোন আগত ৰাখিছে। আৰু আমাৰ মাননীয় মূখ্যমন্ত্ৰীয়ে পাহাৰ, ভৈয়াম, চাহ বাগিছা,সকলো জাতি-জনগোষ্ঠি, ভাষিক, ধৰ্মী, সংখ্যালঘু ৰাইজৰ সামগ্ৰীক উন্নয়ণৰ যি মূল ধাৰণা তাকো আগত ৰাখি মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই সুন্দৰ ভাৱে এটা কথা উল্লেখ কৰিছে। আমাৰ মিচাইল মেন প্ৰাক্তণ ৰাষ্টপতি প্ৰয়াত এ পি জে আব্দুল কালামৰ এষাৰি কথা উল্লেখ কৰিছিলে যে 'তোমাৰ সপোন বোৰক সাৰ্থক কৰিবলৈ হ'লে তাৰ আগে তুমি সপোন দেখিব লাগিব। সপোন বিলাক সাৰ্থক কৰিবলৈ হলে আমি সপোন দেখিব লাগিব। যোৱা কালি আমাৰ বিৰোধী দলৰ মাননীয় সদস্য সকলে এনেধৰণৰ কথা কৈছে যে এই বাজেটখন এখন নিৰ্বাচনী মুখী জনসাধাৰণক আভুয়াভৰা বাজেট। সেই কাৰণে মই অনুভৱ কৰিছো যে বাজেটটো চাগে তেওঁলোকে ভালকৈ পঢ়া নাই বা ভালকৈ শুনা নাই। সেই কাৰণে যদি বাজেটৰ প্ৰতি দফাটো বিৰোধী সদস্যসকলে ভালকৈ পঢ়ে, তেতিয়াহলে মই ভাবিম যে এই বাজেটত

ঋণাত্মক সমালোচনাৰ কোনো যুক্তি নাই। আৰু এই আজি কৈছো যে বিৰোধী দলে কালি শংকা প্ৰকাশ কৰিছে। শংকা প্ৰকাশ কৰাৰ কথাও আছে, কাৰণ তেওঁলোকে ভাবিছে যে দুটা বছৰত বি জে পি, অ গ প আৰু বি পি এফৰ মিত্ৰজোটৰ চৰকাৰে যি জনকল্যাণকামী বাজেটৰে কাম বিলাক কৰিবলৈ আৰম্ভ কৰিছে বা চিন্তা বিলাক কৰিছে । এই চিন্তা বিলাক যদি বাস্তৱত ৰূপায়িত হয় তেতিয়াহলে হয়তো আমি এদিন এই পবিত্ৰ বিধান সভাৰ মজিয়াত হয়তো বহাৰ সুবিধা নাপাও বুলি তেওঁলোকে নিশ্চিত হৈছে। যাৰ কাৰণে তেওঁলোকে শংকিত হৈছে। কাৰণ আমাৰ এই বাজেটত দক্ষতা বিকাশৰ ওপৰত যি গুৰুত্ব প্ৰদান কৰিছে যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়েও কৈছে যে অসমত বা অসম চৰকাৰৰ ইমান চাকৰি নাই যে অসমৰ প্ৰত্যেকগৰাকী নিৰনুৱাক চাকৰি দিব পাৰে। অসমত ইমান উদ্দ্যেগ নাই, যে অসমৰ নিৰনুৱা সকলক চাকৰি দিব পাৰো। আৰু সেই কাৰণে আমাৰ চৰকাৰে দক্ষতা বিকাশৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। যাতে প্ৰতিগৰাকী শিক্ষিত যুৱক যুৱতীয়ে তেওঁলোকৰ আত্মবিশ্বাস হব লাগিব যে মই যি আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিছো, তাৰ জৰিয়তে মই নিজকে সংস্থাপন কৰিব পাৰিম। আজিৰ তাৰিখত প্ৰায় **১৭** লাখ শিক্ষিত নিৰনুৱা অসমত ঘূৰি ফুৰি আছে। সেইসময়ত আমি যদি নিৰনুৱাসকলৰ ভৱিষ্যৎ নিৰ্মাণৰ কাৰণে সংস্থাপনৰ কথা নাভাৱো, তেতিয়াহলে আমাৰ চৰকাৰৰ কাৰণে এটা দুখ থাকি যাব। এই কাৰণে মই এই বাজেটত নিৰনুৱাৰ প্ৰতি দায়বদ্ধতা থকা বাজেট বুলি মই কব বিচাৰিছো। যাৰ কাৰণে প্ৰায় **৩৮৫** কোটি টকা বাজেটত ধাৰ্য কৰিছে।

মাননীয় উপাধক্ষ্য মহোদয়, সেই কাৰণে মই এই বাজেটত নিৰনুৱাৰ প্ৰতি দায়বদ্ধতা থকা এখন বাজেট বুলি মই ক'ব বিচাৰিছোঁ। যাৰ কাৰণে প্ৰায় ৩৮৫ কোটি টকা বাজেটত ধাৰ্য্য কৰিছে, কালি মই শুনিছিলো যে আমাৰ বিৰোধী দলৰ এগৰাকী সদস্যই পশ্চিমবংগৰ এটা উপমা দিছিল, যে কংগ্ৰেছৰ চৰকাৰ চলি আছিল, বিৰোধীত আমাৰ Communist দল আছিল। যেতিয়া বাজেটৰ আগে আগে ৩ গৰাকী কেবিনেট মন্ত্ৰী গৈছিল। মুখ্যমন্ত্ৰীক লগ পাবলৈ তাৰ পিছত আমাৰ সমসাময়িক বিৰোধী দলৰ দলপতি জ্যোতি বসু গ'ল। তেওঁৰ দলৰ কেবিনেট মন্ত্ৰী নামাতি বিৰোধী দলৰ দলপতি মাতি যেতিয়া ৩ঘণ্টা সময় নষ্ট কৰিলে, যাৰ কাৰণে কংগ্ৰেছৰ কেবিনেট মন্ত্ৰী সকলে খুব দুখ পাইছিল আৰু প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। আৰু কালি আমাক পৰামৰ্শ দিছে, যে বিৰোধী দলৰ দলপতিক বা বিৰোধী দলৰ কথাখিনি খুব গুৰুত্ব সহকাৰে ল'ব লাগে। কিন্তু মই কৈছো, এনেকুৱা পৰামৰ্শ নালাগে। এই কাৰণে ল'ব নালাগে,যে জ্যোতি বসুক যদি ৩ ঘণ্টা সময় নিদিলে হেঁতেন তেতিয়া হ'লে পৰৱৰ্তী সময়ত কংগ্ৰেছৰ চৰকাৰ আকৌ আহিলে হেঁতেন। কিন্তু জ্যোতি বসুৰ বা বিৰোধী দলৰ এই পৰামৰ্শ লোৱাৰ কাৰণে পৰৱৰ্তী সময়ত পশ্চিমবংগৰ পৰা কংগ্ৰেছ চৰকাৰ নোহোৱা হ'ল। সেই কাৰণে মই কৈছো, যে আমাৰ শাসক দলৰ মিত্ৰ যোঁটৰ যি সকল বিধায়ক আছো, আমাৰ ভিতৰত আমি নিশ্চয় পৰামৰ্শ দিবলৈ সক্ষম। গতিকে এনেকুৱা পৰামৰ্শ ল'ব নালাগে। দ্বিতীয়তে মাননীয় উপাধ্যক্ষ মহোদয়, মই গৌৰৱ অনুভৱ কৰো, কিন্তু কেতিয়াবা মোৰ দুখ লাগে, সেই কাৰণে মই যোৱাবাৰ আমাৰ মাননীয় অধ্যক্ষই Speaker's initiative ত এটা বিষয় আলোচনা আনিছিলে চাহ বাগিচাৰ বিষয়ে। চাহ বাগিচা বিলাকৰ প্ৰায় ১০লক্ষাধিক Casual আৰু Temporary চাহ শ্ৰমিক তেওঁলোকৰ সন্তান যদি আমি ৫জনকৈ যদি হিচাব কৰো প্ৰায় ৫০লক্ষ। এই ৫০লক্ষ বা ৫০ লাখ মানুহক স্বাধীনতাৰ দিনৰ পৰা এই চৰকাৰ অহালৈকে কোনো দিন চৰকাৰ ব্যৱস্থাৰ লগত যোগাযোগ কৰাৰ ব্যৱস্থা কৰা হোৱা নাছিল। যোৱা বাজেটত যেতিয়া ঘোষণা কৰিছিল, আমাৰ মাননীয় বিত্ত মন্ত্ৰীয়ে এই ঘোষণা এইবাৰ আমি কাৰ্য্যকৰী হোৱা

দেখিছো। কাৰণ মাননীয় প্ৰধান মন্ত্ৰীয়ে দুৰ্নীতিৰ বিৰুদ্ধে যি জাতীয় যুদ্ধ ঘোষণা কৰিছিল, এই যুদ্ধত তেওঁ অৱতীৰ্ণ হয়। সকলোকে Bank Account খুলিবলৈ আহবান জনাইছিল। মোৰ আচৰিত লাগে মাননীয় উপাধ্যক্ষ মহোদয়, যিটো Generation যিটো জনগোষ্ঠীয়ে প্ৰায় বৃটিছৰ আমোলত ১৫০টা বছৰ স্বাধীনতাৰ পিছত প্ৰায় ৪০টা বছৰ এই অসমত থকাৰ পিছত আমাৰ এই চাহ শ্ৰমিক সকলৰ Bank Account খোলাৰ কথা প্ৰয়োজন বোধ কৰা নাছিল। কাৰণ কি কোৱা হৈছিল জানো, আমাক কোৱা হৈছিল বাগানৰ মানুহ বিলাকৰ পঢ়া শুনা নাই, তেওঁলোকে মূৰ্খ, তেওঁলোকে একো নাজানে, তেওঁলোকে Bank Account খুলি একো কৰিব নোৱাৰে। মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় প্ৰধান মন্ত্ৰীৰ আহ্বান, মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ কঠোৰ স্থিতিৰ কাৰণে আমি প্ৰায় ৩মাহৰ ভিতৰত প্ৰায় ৯ লক্ষাধিক Bank Account খুলিবলৈ সমৰ্থ হলো আৰু এই Bank Account খোলাৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উদগনি হিচাপে তেওঁলোকৰ শ্ৰমিক সকলৰ মনোবল বৃদ্ধিৰ বাবে ধন পুৰস্কাৰ এক ব্যৱস্থা কৰিলে । আৰু এই ধন পুৰস্কাৰ ব্যৱস্থাত প্ৰায় ৭লাখ ২১হাজাৰ ৪৮৫গৰাকী চাহ শ্ৰমিকে আজি আঢ়ৈ হাজাৰ টকাকৈ পাবলৈ সমৰ্থ হ'ল। যদি Bank Account নুখুলিলে হয়, তেতিয়া হলে হয়তো আজি চাহ শ্ৰমিকে সকলে ধন পুৰস্কাৰ পোৱাৰ পৰা বঞ্চিত হলহেতেন। আজি প্ৰায় ২৬খন জিলাৰ ৭৫২খন চাহ বাগিচাৰ প্ৰায় ৭লক্ষাধিক চাহ শ্ৰমিকে Bank Account খুলি প্ৰমাণ কৰি দিলে আমিও বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ লগত চলিব বিচাৰো, আমিও ডিজেটেল ইণ্ডিয়াৰ লগত ফেৰ মাৰিবৰ কাৰণে আমি আগবাঢ়ি যাব পাৰো। কেৱল লাগে চৰকাৰৰ সদিচ্ছা এই চৰকাৰৰ সদিচ্ছাৰ বাবে আজি চাহ শ্ৰমিক সকলে Bank Account খুলিব পৰা হল। আজি আপোনালোকে যদি গোটেই প্ৰশাসন ব্যৱস্থাটো চায়, প্ৰায় ৩কোটি ১২লাখ জনসংখ্যা ভোটাৰ থকা এই অসমত চাহ জনগোষ্ঠীৰ হয়তো অসম মূলৰ এগৰাকীও IAS Officer, IPS Officer, পোৱা নাই। ACS পাইছো দুই এগৰাকী, এই কাৰণে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই, এই জনগোষ্ঠীটোৰ প্ৰতি অধিক গুৰুত্ব দিয়ে। আজি কিছুদিন আগত IAS, ACS, IPS এই প্ৰতিযোগিতা মূলক পৰীক্ষা বিলাকত অৱৰ্তীণ হ'ব পাৰে, চাহ জনগোষ্ঠীৰ Candidates বিলাকে তেওঁলোকৰ কাৰণে বিনামূলীয়াকৈ Coaching ৰ ব্যৱস্থা কৰি তেওঁ প্ৰমান কৰি দিছে, যে চাহ শ্ৰমিক সকল কেৱল আৰু ১৩৭ টকাত পাত চিঙি থাকিলে নহ'ব। তেওঁলোকে অসম চৰকাৰ চলাবৰ কাৰণে প্ৰশাসনীয় দায়িত্বও ল'ব লাগিব। এনেধৰণৰ মহান চিন্তাৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই, এই Dynamic সিদ্ধান্ত লৈছে। মাত্ৰ এইটো নহয়, আমি আগতে সৰু থাকোতে দেখিছো, হয়তো আমাৰ বিধান সভাৰ বহুত তেনেকুৱা মাননীয় সদস্য আছে, যি সকলে কয়, চাহ বাগিচাৰ শ্ৰমিক বিলাকৰ টেঙা বল খেলিছিলো। এইটো কথা সত্য আমাৰ চাহ বাগিচাৰ Talented ফুটবল Player আছে। এই ফুটবল Player বিলাকক চৰকাৰী ভাৱে Encourage কৰা নহ'ল। আমি কেৱল মাত্ৰ মালিকৰ ওপৰত নিৰ্ভৰশীল হৈ খেল খেলিব লগা হৈছিল। কেতিয়াবা বাগিচাৰ পৰিচালকে যদি ট্ৰাক গাড়ীখন দিয়ে, তেতিয়া হ'লে আমি দূৰত যাব পাৰো, নহ'লে আমি চাহ বাগিচাৰ মাজতে চাইকেল লৈ গৈ খেল খেলিব লগা হৈছিল। কিন্তু যোৱা বছৰৰ পৰা চাহ বাগিচাৰ Talentedফুটবল Players বিলাকক সংগঠিত কৰি তেওঁলোকক ৰাষ্ট্ৰীয় পৰ্য্যায়ত লৈ যাবৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন অভিলাষী আঁচনি ঘোষণা কৰিলে, মুখ্যমন্ত্ৰী কাপTea Tribes football Tournament ৰ জৰিয়তে ইতিমধ্যে আমাৰ Directorate of Welfare of Tea Tribes য়ে ইতিমধ্যে ফুটবল Academy খোলাৰ কাৰণে প্ৰস্তুতি আৰম্ভ কৰিছে। মই জনাত মাটি অধিগ্ৰহণৰ

কামো চলি আছে। গতিকে এই ধৰণে গতিশীল চিন্তাৰে আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে কাম কৰিবলৈ আগবাঢ়ি আহিছে। উপাধ্যক্ষ মহোদয়, এইবাৰ বাজেটত আৰু ঐতিহাসিক কথা ঘোষণা কৰিছে। যিটো হয়তো আমি ভবা নাছিলো, যে আগত আমি বিচাৰিলেও নাপাওঁ, আবেদন, নিবেদন স্মাৰকপত্ৰ দি হায়ৰান হৈ যায়। মই নিজেও তাৰে উদাহৰণ লগতে সঞ্জয় কিষাণ ডাঙৰীয়াৰ উদাহৰণ আছে। কিন্তু আমি এইবাৰ দেখিলো, চাহ বাগিচাখন চলোৱাৰ মূল চাবি কাঠি মই মালিক বা মেনেজাৰক কোৱা নাই, এগৰাকী চৰ্দাৰে সুন্দৰকৈ চাহ বাগিচাখন চলাই থাকে। সেই চৰ্দাৰ বিলাকক আমি বিগত দিনত কেৱল ৰাজনৈতিক ভাৱে ব্যৱহাৰ কৰিলো। কিন্তু এইবাৰ আমাৰ চৰকাৰে প্ৰায় ২০ হাজাৰ চৰ্দাৰক মোবাইল ফোন দিয়াৰ কথা ঘোষণা কৰিছে। কেৱল পৰিচালক বা বাবু হ'লে মোবাইল ব্যৱহাৰ কৰিব এনেকুৱা কথা নহয়। আজিৰ তাৰিখত চাহ শ্ৰমিকৰ চৰ্দাৰজনে এতিয়া কাম কৰা Location পৰা মেনেজাৰৰ লগত ফোনত কথা পাতিব পাৰিব এতিয়া । এনেধৰণে হ'লে স্বাভাৱিকতে মই ভাৱো চাহ বাগিচাৰ কাম-কাজ আৰু উন্নত হ'ব নহ'লে বাগিচাত এনেকুৱা ব্যৱস্থা আছিল, য'ত কাম কৰি আছে, সেই Section ত যদি কিবা ঘটনা হয়, তেতিয়া হ'লে আমি মহৰী জনৰ ওচৰলৈ পঠাব লাগে, নহ'লে বাগিচা অফিচত পঠাব লাগে। তেওঁ চাইকেল মাৰি বা খোজ কাঢ়ি গৈ পৰিচালকক খবৰ দিব পৰিচালক আহিব আৰু তাৰ পিছত ব্যৱস্থা গ্ৰহণ কৰিব। এই মোবাইল দিয়াৰ জৰিয়তে মোবাইল দিয়াৰ কাৰণে চৰ্দাৰ জনে এই চা হ-বাগিচাৰ য'ত কাম কৰি থাকিব সেই ঠাইৰ পৰাই বাগিচাৰ পৰিচালকৰ লগত বা তেওঁলোকৰ হেড ক্লাৰ্ক বা বিষয়াৰ লগত কথা পাতি যিকোনো সমস্যা সমাধান কৰিবলৈ সমৰ্থ হ'ব। এইটোৱে হ'ল পৰিবৰ্তনৰ এটা ধাৰা। উপাধ্যক্ষ মহোদয়, হয়তো আমাক ক'ব বিৰোধী দলে, যে বেঙ্ক একাউন্ট খোলাৰ কথাটো, যেতিয়া বেঙ্ক একাউন্ট খোলাৰ কথা আৰম্ভ হৈছিল তেতিয়া আমাৰ বিৰোধী দলে এনেকুৱা চাহ বাগিচা বিলাকত প্ৰচাৰ চলাইছিল যে এই বুলি যে চাহ বাগানৰ মানুহ বিলাকৰ পঢ়া শুনা নাই এওঁলোকে কেনেকৈ বেঙ্কলৈ যাব, কেনেকৈ তেওঁলোকে ATM চলাব, কিন্তু উপাধ্যক্ষ মহোদয়, মই কওঁ কোনো এজন ব্যক্তিয়ে জন্ম হৈয়ে সকলো শিকি নাহে। আমি পৰ্যায়ক্ৰমে শিকিব লাগিব। এটা সন্তান যেতিয়া জন্ম হয়, তেওঁক অন্ততঃ খোজ কাঢ়িবলৈ, থিয় হ'বলৈ ডেৰ/দুবছৰ সময় লাগে। গতিকে মই ভাৱো এই বিষয়বিলাক যদি ২০ বা ৩০ বছৰ আগত চিন্তা চৰ্চা কৰিলেহেঁতেন তেতিয়াহ'লে চাহ বাগিচাৰ মানুহ বিলাক অন্যান্য জাতি জনগোষ্ঠীৰ তুলনাত আগবাঢ়ি গ'লহেঁতেন। আজি ময়ো ৩০১ ত ৫৪ নং Rule ত এটা প্ৰশ্ন put up কৰিছিলো, ছাগে প্ৰশ্নটো আহিব। কিন্তু আজি বাজেট পঢ়ি মোৰ এটা ভাল লাগিছে যে Assam Tea Co-operation ১৯৭২ চনত গঠন হোৱা এই Co-operation ত প্ৰায় ১৬ হাজাৰৰ অধিক চাহ শ্ৰমিক আজি জীয়াতু ভুগিব লগীয়া হৈছে। ১৫ খন চাহ বাগিচাৰ ভৱিষ্যত অন্ধকাৰ হ'বলৈ গৈ আছে। আজি বাজেটত উল্লেখ কৰিছে আৰু আমি তথ্যসহকাৰে কম ২০ বছৰ অৱসৰ হোৱাৰ পাছত যিগৰাকী মানুহে পি এফ ৰ পইচা পোৱা নাই, যি গৰাকী শ্ৰমিকে gratuity পোৱা নাই, যি গৰাকী মানুহে ৪০/৪৫/৫০ বছৰ কাম কৰাৰ পিছত তেওঁ gratuity, PF নোপোৱাকে তেওঁ ইহলীলা ত্যাগ কৰিব লগা হৈছে। তেনেকুৱা এটা সময়ত আজি মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই এটা নতুন আশা দিছে। প্ৰায় ৯৯ কোটি টকাৰে ATC ৰ PF, gratuity দিয়াৰ কাৰণে যি প্ৰতিশ্ৰুতি দিছে মই ধন্যবাদ জনাম, যে অন্ততঃ এই বিষয়টো যদি ২০ বছৰ আগতে হ'ল হেঁতেন তেতিয়াহ'লে এই ১৬ হাজাৰ চাহ শ্ৰমিক আজি শংকাত নুভূগিলে হেঁতেন। আজি তেওঁৰ মাটি লুটপাত কৰি দিয়া হ'ল, তাৰ ব্যৱস্থা কৰা নহ'ল, তেওঁৰ সম্পত্তি বিক্ৰী কৰি দিয়া হ'ল তাৰ ব্যৱস্থা কৰা নহ'ল উপাধ্যক্ষ মহোদয়।

এই কাৰণে মানুহ বিলাক যেতিয়া খঙত ৰাস্তাত ওলাই আহে তেতিয়া আমি তেওঁলোকক কওঁ যে 'এই বিলাক মানুহে একো নাজানে, তেওঁলোক বুৰ্বক মানুহ।' এই ধৰণে আমি উপমা দিবলৈ চেষ্টা কৰো বা তেওঁলোকৰ বিশেষণ লগাবলৈ চেষ্টা কৰো। উপাধ্যক্ষ মহোদয়, মই ধন্যবাদ জনাইছো বিত্ত মন্ত্ৰী ডাঙৰীয়াক যে প্ৰাৰম্ভিক পৰ্য্যায়ত, ২ বছৰ হওঁ হওঁ অৱস্থাত যেতিয়া এই ধৰণে গতিশীল চিন্তাবিলাক আনিব পাৰে, তেতিয়াহলে আমি নিশ্চয় আশা ৰাখিম ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বধীন মিত্ৰজোঁটৰ চৰকাৰে এই চাহ বাগিচা আৰু চাহ শ্ৰমিক সকলৰ সামগ্ৰিক উন্নয়নৰ কাৰণে অনাগত দিনত আৰু ভাল ভাল কাম কৰিব। মই এইখিনিতে চৰকাৰক পুনৰ আহ্বান জনাম যে চৰ্দাৰ সকলক যি ধৰণে মোবাইল দিছে, মই ভাৱো চকীদাৰ সকলকো দিব লাগে, লাইন চকীদাৰ বিলাককো দিব লাগে। এই কাৰণে দিব লাগে উপাধ্যক্ষ মহোদয়, যে লাইন চকীদাৰ জন হৈছে চাহ বাগিচাৰ মূল মেচেঞ্জাৰ, তেওঁ মূল পিয়ন হিচাপে কাম কৰে। আপোনালোকে জানে যে আমাৰ চৰকাৰী বিভাগবিলাকত বহুত সময়ত অভিযোগ আছে আমি ৯ বজাত যাব লাগে, অফিচাৰ সকল, বিষয়া সকল বা কৰ্মচাৰী সকল ১০ বজাত আহে। কিন্তু চাহ বাগিচাত এনেকুৱা এটা ব্যৱস্থা বৃটিছে কৰি গ'ল যে আমাৰ ভাৰতীয় সময়তকৈ এক ঘন্টা আগত আৰু তাত বেলেগ আৰু কোনো Instruction দিব নালাগে, লাইন চকিদাৰ জনক মেনেজাৰে জনাই দিয়ে যে কালি অমুক Section ত কাম যাব লাগে, পুৰুষ সকল অমুকত যাব লাগে, মহিলা সকল অমুকত যাব লাগে এনেকৈ এটা Instruction দি দিয়ে। যেতিয়া লাইন চকীদাৰ গৰাকীয়ে লাইনে লাইনে এবাৰ চিঞৰি দিয়ে, ৰাতিপুৱা ৫ বজাতে, কোনো ধৰণৰ বিসংগতি নোহোৱাকে সকলো চাহ শ্ৰমিক ৰাইজ সময়ত গৈ নিজৰ নিজৰ কামত লাগি যায়। গতিকে দেখা যায় যে বাগিচা বিলাকত ইমান ধুনীয়া এটা কৰ্মসংস্কৃতি আছে, যি কৰ্মসংস্কৃতি আমাৰ ইয়াত Gallery ত থকা আমাৰ বিষয়া সকলকো অলপ গৈ অলপ অধ্যয়ন কৰিবলৈ মই আহ্বান জনাম। চাহ শ্ৰমিক সকলে পঢ়া শুনা নাজানিব পাৰে, ডিগ্ৰী ডিপ্লমা নাথাকিব পাৰে কিন্তু তেওঁলোকৰ কৰ্মসংস্কৃতি, সমাজ, দেশৰ প্ৰতি যি দায়বদ্ধতা তেওঁলোকে কিন্তু কোনো ধৰণৰ যুক্তি প্ৰদৰ্শণ নকৰাকে মানি লয় আৰু কাম কৰিবলৈ চেষ্টা কৰে। যাৰ কাৰণে আজি প্ৰায় ১ হাজাৰৰ অধিক চাহ বাগিচা আজি ধুনীয়াকে চলি আছে। হয় কিবা মেনেজমেন্টৰ কাৰণত সেইটো shift হ'ব পাৰে। উপাধ্যক্ষ মহোদয়, মই আৰু এটা অনুৰোধ জনাম যে বিগত দিনত চৰকাৰে, আমাৰো Demand আছিল, মই Artsত আছিলো, যে চাহ বাগিচাৰ প্ৰাথমিক বিদ্যালয় বিলাকক চৰকাৰী আওতাত আনিব লাগে। কিন্তু নাজানো চৰকাৰ আহিলে কিয় কথাবিলাক এনেকৈ ভাৱে যে যিসকলে কথা বিলাক কৈ আছে তেওঁলোকৰ লগতো এবাৰ আলোচনা কৰোচোন ইয়াৰ Mechanismটো আমি কেনেকৈ কৰো। এতিয়া কিন্তু Provincialized ব্যৱস্থাটো আৰম্ভ কৰা হ'ল, কিন্তু আমি যি ধৰণে ভাৱিছিলো সেই ধৰণে Provincialized ব্যৱস্থাটো কৰা নহ'ল। এই কাৰণে নহ'ল যে বাগিচা বিলাকত যিহেতু এখন আইন প্ৰযোজ্য হৈ আছে, বাগিচা শ্ৰম আইন আৰু মই কৈছো যে হয়তো যি সময়ত চৰকাৰী বিদ্যালয় বিলাকৰ পকা Building নাছিল সেই সময়ত কিন্তু চাহ বাগিচাৰ বিদ্যালয় বিলাক পকাৰ Building আছিল। তেতিয়া Desk-bench ৰ ব্যৱস্থা আছিল আৰু চাহ বাগিচাৰ এই প্ৰাথমিক বিদ্যালয় বিলাক যি ধৰণে Provincialized কৰা হ'ল মই ভাৱো যে মই শিক্ষা মন্ত্ৰীক পুনৰবাৰ আহ্বান জনাম এই বিষয়টো পুনৰ Review কৰিব লাগে যে চাহ বাগিচাৰ প্ৰাথমিক বিদ্যালয় বিলাক আমি Semi Provincializedকৰিব লাগে। গোটেই System Implement কৰোতেআমাৰ যিটো শিক্ষা বিভাগৰ নীতি নিয়ম তাত লাঘব কৰিব লাগে, কিন্তু নিযুক্তিৰ পদ্ধতিটো মই ভাৱো যিহেতু বাগিচা

শ্ৰম আইন তাত জড়িত আছে, কাৰ্য্যকৰী হৈ আছে, সেই কাৰণে চাহ বাগিচাৰ মালিক সকলে বাগিচাৰ শ্ৰম আইন মতে তাত শিক্ষক নিযুক্তি দিবই লাগিব। কিন্তু তাৰ অতিৰিক্ত শিক্ষক যিখিনি আমি ভাৰো যে প্ৰত্যেকটো চাহ বাগিচাৰ প্ৰাথমিক বিদ্যালয়ত আমি চৰকাৰী ভাৱে অতিৰিক্তকে যাতে শিক্ষক দিব পাৰো এই ব্যৱস্থাটো মই বিচাৰো। নহ'লে বহুত সময়ত আমাৰ বিধান সভাতো আলোচনা হৈছে, ভাষাৰ কথা আছে। এদিন আমাৰ অধ্যক্ষ মহোদয়ে এটা কথা কৈ আছিল যে আমাৰ চাহ বাগিচাৰ বহু এনেকুৱা ভাষা আছে যিটো আমাৰ link language আছে, এই ভাষা বিলাকত আমাৰ অসমীয়া ভাষাৰ লগত বহুত মিল নাই। অসমীয়া ভাষী মানুহ যেতিয়া আহে বা অনাচাৰ জনগোষ্ঠীৰ মানুহ শিক্ষক হৈ আহে তেতিয়া ভাষাবিলাকৰ অৰ্থবিলাক বুজাব নোৱাৰে কাৰণে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে হয়তো বুজি নাপাব পাৰে। কিন্তু আমাৰ বিভিন্ন চৰাই চিৰিকিতি বিলাকৰ নাম কওঁ, এতিয়া তিএঞা বুলি কলে হয়তো আপোনালোকে বুজি নাপাব, মাখুৰী বুলি কলে আপোনালোকে বুজি নাপাব, গতিকে এইবিলাক শব্দ যেতিয়া চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীয়ে যদি শিক্ষক যদি হয় মই ভাৰো তাৰ অৰ্থটো ধুনীয়াকৈ বুজাই দিব পাৰিব। মাননীয় উপাধ্যক্ষ মহোদয়, মই বাজেটত এইবাৰ এটা ঐতিহাসিক কথা গম পালো, প্ৰস্তাৱত আহিছে, মই ধন্যবাদ জনাইছো এইকাৰণে যে ইতিমধ্যে চাহ বাগিচাৰ মাননীয় প্ৰধান মন্ত্ৰীয়ে ১২ টকীয়া Insurance এটা ব্যৱস্থা কৰিছিল, প্ৰধান মন্ত্ৰী জীৱন জ্যোতি যোজনা আৰু প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা। এই দুটা যোজনাত ১২ টকীয়া Insurance আৰু ৩৩০ টকা Instalment আছিলে, কিন্তু চাব বাগিচা বিলাকত যিহেতু এইবিষয়ে আমি সজগতা আনিব নোৱাৰিলো যাৰ কাৰণে আমি ইয়াক শক্তিশালী ৰূপত কাৰ্যকৰী কৰিব পৰা নাই। কিন্তু এইবাৰ বাজেটত এটা কথা ঘোষণা কৰিছে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই যে প্ৰায় ১০ লক্ষাধিক চা হ শ্ৰমিকৰ এই ১২ টকীয়া আৰু ৩৩০ টকীয়া যিটো Insurance আৰু Instalmentটো আমাৰ চৰকাৰৰ ফালৰ পৰা দিব, সেইটো হৈছে চাহ শ্ৰমিক সকলৰ প্ৰতি থকা আমাৰ চৰকাৰৰ এটা দায়ৱদ্ধতা। সেই কাৰণে মই ধন্যবাদ জনাইছোঁ কাৰণ আমাৰ চাহ শ্ৰমিক সকল আজি একাউন্ট খুলিবহে শিকিছে, বহুত চাহ শ্ৰমিকে এতিয়াও একাউন্ট খোলা নাই। সেই কাৰণে মই আৰু এটা অনুৰোধ জনাব বিচাৰো এই যে একাউন্টবিলাক খোলোতে আমাৰ এচাম মানুহে বা বিৰোধীয়ে যেনেকৈ বিৰোধ কৰাৰ কাৰণে বহুত চাহ শ্ৰমিকৰ আজি একাউন্ট নুখুলিলে। যাৰ কাৰণে আমি ধন পুৰস্কাৰ দিয়াৰ পিছত এতিয়া চাহ শ্ৰমিক সকল আমাৰ ওচৰত; সম্ভৱত শাসক বিৰোধী সকলো বিধায়কৰে ওচৰত আহে। যে বহুত চাহ শ্ৰমিকৰ একাউন্ট খোলা নাই, গতিকে মই ভাৰো আৰু এটা অতিৰিক্ত সুযোগ দিব লাগে, যি সকলৰ একাউন্ট বাকী থাকি গ'ল তেওঁলোকৰ হয়তো ২ মাহ বা ৩ মাহৰ ভিতৰত একাউন্ট বিলাক খুলি ধন পুৰস্কাৰৰ কাৰণে তেওঁলোকক যোগ্যতা বিবেচনা কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী সদস্য সকলে কথাবিলাক এনেকে কয় যে, আজিৰ তাৰিখত আমাৰ বোলে ইমান ঘাটি বাজেট, আজিৰ তাৰিখত কোনোৱা এজন লৰাৰ যদি জন্ম হয়, তেতিয়াহলে ২৫ হাজাৰ টকা ধাৰ ল'ব লাগিব। হয়, কথাটো মইও কৈছো। সৰুতে যেতিয়া আমাৰ আৰ্থিক অৱস্থা খুবেই বেয়া আছিল, দুৰ্গা পুজা আহিলে আমি নতুন কাপোৰ নাপাইছিলো, খুব দুখ লাগিছিল। বাইদেউহতঁক নতুন কাপোৰ দিয়ে আৰু আমাক স্কুলৰ কাপোৰটো পিন্ধিবলৈ কওঁতে মনত দুখ পাইছিলো। কিন্তু দুখৰ বিষয়টো হ'ল যে আজিও মাননীয় সদস্য সকলে কয় যে এফালে দলং লাগে , ৰাস্তা লাগে, পানী যোগান লাগে, নিৰনুৱা সংস্থাপন দিব লাগে, ইণ্ডাচট্ৰি দিব লাগে। আকৌ এফালে কয় যে বাজেট বঢ়াব নোৱাৰে। আপোনালোকে এডিচনেল ঘাটি বাজেট আনিব নোৱাৰে বুলি কয়। গতিকে উপাধ্যক্ষ মহোদয়,

অভিভাৱকে জানে কিদৰে সমগ্ৰ পৰিয়ালৰ সকলোকে দি সন্তুষ্ট কৰিব লাগে। গতিকে অভিভাৱকৰ দায়িত্বত থকা আমাৰ চৰকাৰক মই ধন্যবাদ জনাইছো। আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চাৰিটা মূল লক্ষ্য লৈ চৰকাৰ চলাব বিচাৰিছে। কাৰণ ইমান আচঁনি আহিছে, সেইবোৰ কেতিয়া কাৰ্য্যকৰী হ'ব? যেতিয়ালৈকে আমি দূৰ্নীতিমুক্ত চৰকাৰ আৰু সমাজ বনাব নোৱাৰো তেতিয়ালৈকে আমি এই আচঁনি কাৰ্য্যকৰী কৰিব নোৱাৰো। সেইকাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে দূৰ্নীতিমুক্ত অসম। তাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো জাতীয় যুদ্ধৰ ঘোষণা কৰিছে তাত আমি সহযোগ কৰিব লাগিব। তেওঁলোকে কৈছে আমি টিম আসাম হৈ কাম কৰিম। কোনো বিৰোধী বিধায়কে কিন্তু এবাৰো নকয় যে, বিৰোধী দলৰ হলেও আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে আমাক এইখিনি দিছে বুলি। তেওঁলোকে কয় বি জে পি চৰকাৰে একো কৰা নাই। কিন্তু ৫২ চনৰ পৰা হিচাপ নিকাচবোৰ কৰি থোৱা হলে ভাল হয়। পি ডব্লিউ ডি মিনিষ্টাৰে যেতিয়া ৰাস্তাৰ নামত , দলঙৰ নামত সকলোকে সমান পইচা দিয়ে, তেতিয়াও কিন্তু নকয়। সেইকাৰণে মোৰ আহ্বান 'সবকা সাথ সবকা বিকাশ' আহ্বানটো অলপ কমাব লাগে আৰু মিত্ৰজোটৰ বিধায়কসকলৰ অলপ বেছি বিকাশ কৰিব লাগে। নহলে ছাৰ এফালে আমি সা-সুবিধাও দিম আনফালে গালিও খাই আছো। যিহেতু চৰকাৰখনে 'টিম আচাম'ত কাম কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে, সহযোগ কৰাত আমাৰ অসুবিধা কিয়? আহক আমি সকলোৱে সহযোগ কৰো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি অলপ চমু কৰিলে ভাল হয়।

**শ্ৰী তেৰছ গোৱালা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ এজন বিৰোধী দলৰ সদস্যই বহুত দুখ প্ৰকাশ কৰিছিল আৰু তেওঁ শংকিত। মই পিছত ভাৱিলো যে, এইবাৰ আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই অসম বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰাৰ কাৰণে টকা ধাৰ্য্য কৰিছে, তাৰ কাৰণে অবৈধ বাংলাদেশী অসমত আহিব নোৱাৰিব আৰু তাৰ ফলত ভোট বেংক নাবাঢ়িব বুলি তেওঁ শংকিত নেকি?

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** উপাধ্যক্ষ মহোদয়, এই কথাটো ঠিক হোৱা নাই। আমি সকলো বিধায়কেই একমত যে, আমি অসমৰ পৰা সকলো অবৈধ বাংলাদেশী খেদিব লাগে।

**শ্ৰী তেৰছ গোৱালা ঃ** তেতিয়াহলে শংকাৰ কথা ক'ত? আমি অবৈধ বাংলাদেশী খেদিব লাগিব। সেইকাৰণে মই ধন্যবাদ জনাইছো যে আমাৰ অসম আন্দোলনৰ স্বহীদ সকলৰ পৰিয়ালক আমি আৰ্থিক সাহাৰ্য্য প্ৰদান কৰিব পাৰিছো, যিসকল গুলিবিদ্ধ হ'ল তেওঁলোককো দিব, বড়োলেণ্ড আন্দোলনত যিসকল বলি হ'ল তেওঁলোকৰ কাৰণেও আৰ্থিক সাহাৰ্য্যৰ ঘোষণা কৰিছে। সেইকাৰণে মই ধন্যবাদ জনাইছো উপাধ্যক্ষ মহোদয়, আপোচ নকৰিবলৈ আহ্বান জনাই মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী দেবব্ৰত শইকীয়া।

**শ্ৰী দেবব্ৰত শইকীয়া ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা **১২** মাৰ্চ তাৰিখে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই যি বাজেট দাখিল কৰিলে সেইখন এখন ব্যতিক্ৰমী বাজেট বুলি বহুতেই উল্লেখ কৰিছে। ৫১৫ টা বিন্দুত গুৰুত্ব দিয়া হৈছে। যোৱা বছৰৰ বাজেটখনত ৩৪০ টা বিন্দু আছিল। এইবাৰ ১৭৫ টা বেছি। এই বাজেটখনক মইও ব্যতিক্ৰমী বুলিয়েই ক'ব বিচাৰিছো, কাৰণ ই পৰম্পৰা ভঙ্গ কৰিছে। মোৰ বিধায়িনী অভিজ্ঞতা যথেষ্ঠ কম। তাকৰীয়া সময়ৰ অভিজ্ঞতাত মই দেখিছো যে বাজেটৰ পূৰ্বত Economic Survey Report টো দাখিল কৰা হয়। কিন্তু এইবাৰ Economic Survey Report টো দাখিল কৰা নাই। বাজেটৰ প্ৰথম বা দ্বিতীয়

পৃষ্ঠাৰ ভিতৰত নতুন প্ৰস্তাৱনা যিসমূহ অনা হয় তাৰ পূৰ্বে এটা অৰ্থনৈতিক বাতাবৰণ ৰাজ্যিক বিত্তীয় পৰিস্থিতিৰ বিষয়েও উল্লেখ থাকে। কিন্তু এইখিনিত বিভিন্ন পৰিসংখ্যা থাকে যিখিনি দাখিল কৰা হোৱা নাই। তাৰ ফলত যোৱা বছৰ কেনেধৰণে আগুৱাইছে এইবাৰ কেনেদৰে আগুৱাইছে এইখিনি তথ্য মই গোটেই বাজেটখন পঢ়িও বিচাৰি পোৱা নাই। বাজেটখনক মই একেবাৰে বেয়া বুলি কেতিয়াও নকওঁ। Old age pension. সকলোকে দিব বিচাৰিছে। কিন্তু ২৫০ টকা যথেষ্ঠ কম হয়। সেইটো পাৰিলে বৃদ্ধি কৰিবলৈ চৰকাৰক অনুৰোধ জনাম। অঙ্গনবাড়ী আৰু আশা কৰ্মী সকলৰো যি remuneration বৃদ্ধি কৰিছে, সেইটো ভাল পদক্ষেপ। কিন্তু Contractual Superviser সকলৰ লগত এটা আলোচনা কৰি আছিলে চৰকাৰে যোৱা সময়ছোৱাত। সেই ক্ষেত্ৰত কিন্তু এই বাজেটত কোনো Provision ৰখা হোৱা নাই। গতিকে এইটোও বিবেচনা কৰিবলৈ মই চৰকাৰক পৰামৰ্শ আগবঢ়াম। এই বাজেটত বিভিন্ন মহৎ লোকৰ কবিতা, উক্তি আদি উল্লেখ কৰা হৈছে। সুজালা সুফলা , শস্য -শ্যামলা, অসমৰ কথা কোৱা হৈছে। আমাৰ ৰাজ্যৰ আশী শতাংশ লোক কৃষি কাৰ্য্যত নিয়োজিত। কিন্তু কৃষিৰ বাবে কেইবাটাও বিভাগে একেলগে কাম কৰিবলগা হয়, Irrigation বা অন্যান্য বিভাগ। আমাৰ যেতিয়া National Average land ৰ ৩৪ শতাংশ হৈছিল, অসমত১০ শতাংশ হৈ আছে। পৰবৰ্তী সময়ত বৃদ্ধি কৰিম বুলি কৈছিল। এক লাখ Shallow Tubewell ৰ কথা কোৱা হৈছিল কিন্তু আজিৰ তাৰিখলৈকে কতো Shallow Tubewell দিয়া হোৱা নাই। আমাৰ যি State Agricultural Marketing Board আছে, বাতৰিত উল্লেখ হৈছে যে, ইয়াত পুঁজিৰ অ ভাৱ হৈছে ফলত কৃষকসকলক এটা minimum support price ত তেওঁলোকৰ উৎপাদিত সামগ্ৰী চৰকাৰে ক্ৰয় কৰি দিম বুলি কৈছিল। কিন্তু সংবাদমেল পাতি বোধকৰো Marketing Board ৰ বিষয়াসকলে কৈছে যে আমি যিধৰণে support পাব লাগে পোৱা নাই। কিন্তু এই কথাটো আমাৰ যোৱাবাৰ বাজেটত উল্লেখ কৰা হৈছিল। বিভিন্ন সময়ত প্ৰতিশ্ৰুতি দিয়া হৈছিল । বাঘবৰ আৰু অন্যান্য অঞ্চলৰ কৃষকসকলৰ কথা ওলাইছিল। Farmer সকলক যি KCC ৰ কথা কোৱা হৈছে, আমাৰ ৰাজ্যত প্ৰায় ১৬ লাখ মানুহৰহে Kisan Credit Card আছে আৰু ইয়াক বৃদ্ধি কৰিব লাগে। তাৰ বাবে প্ৰয়োজন হ'ব মাটিৰ পট্টা দিয়াটো। পট্টাৰ কথাও এই চৰকাৰে প্ৰথমেই ঘোষণা কৰিছিল কিন্তু এতিয়ালৈকে বহু ঠাইত Subdivision land Advisory ত এই কথাবিলাক অ হা নাই। চৰকাৰে এটা নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত এই কামটো কৰিলে ভাল হ'ব। বিধানসভাতেই কোৱা হৈছিলে যে'কৃষি ফচল বীমা যোজনা' প্ৰধানমন্ত্ৰীৰ এই আচঁনিখন কৰা হ'ব আৰু এই আচঁনিৰ বাবে Insurance Premium দিয়া হ'ল। কিন্তু এতিয়ালৈকে কোনো কৃষকেই ইয়াৰ দ্বাৰা উপকৃত হ'ব পৰা নাই। লগতে নতুন নতুন Techonology অনা হয়, বাবে কৃষকসকলৰ কেতিয়াবা বহুত অসুবিধা হয়। যিহেতু কৃষি বিভাগৰ প্ৰশিক্ষণৰ কোনো ব্যৱস্থা নাই, সেই গতিকে দুই এজন বিষয়াই ব্যক্তিগতভাবে কৃষক বিদ্যালয় বি ভিন্ন কৃষি বিষয়াৰ কাৰ্য্যালয়ত স্থাপন কৰিছিল। তেনে এটা আচঁনি যদি কৃষকসকলৰ সুবিধাৰ বাবে লয় , বিভাগৰ বিষয়াসকলে যদি কৃষকসকলক প্ৰশিক্ষণ হিব পাৰে তাৰ বাবে এটা পৰামৰ্শ মই আগবঢ়াইছো। দ্বিতীয়তে , মুখ্যমন্ত্ৰী মহোদয়ে সমগ্ৰ মুখ্যমন্ত্ৰীৰ গ্ৰামোন্নয়ন যোজনা আৰু ধ্বজাবাহী মুখ্যমন্ত্ৰী গ্ৰামোন্নয়ন আচঁনিখন এটা ধ্বজাবাহী আচঁনি। ধ্বজাবাহী আঁচনিত ৫ বছৰত ৩০ হাজাৰ কোটি টকা বিনিয়োগৰ কথা কোৱা হৈছে যাতে আমাৰ ৰাজহুৱা গাঁও সমূহক যথেষ্ট উন্নত কৰিব পৰা যায়। এই বাজেটখন বোধকৰো আমাৰ নতুন চৰকাৰৰ তৃতীয় বাজেট, ইয়াত যোৱা বছৰ কোনো পুঁজি আৱণ্টন কৰা হোৱা নাছিল। প্ৰথম

বছৰত বোধকৰো ১৫০০ কোটি টকা Supplemenatry and Budget ত allocate কৰা হ'ল কিন্তু কাৰ্যক্ষেত্ৰত এতিয়াও কোনো কামেই হোৱা নাই। গতিকে এই আঁচনিখন তৰান্বিত কৰাৰ কেনে ধৰণৰ ব্যৱস্থা লোৱা হৈছে তাৰ বিষয়েও ইয়াত উল্লেখ কৰা হোৱা নাই।

Rural Development ত যি পুঁজি, সেই পুঁজি যোৱা বাৰতকৈ ৮% হ্ৰাস কৰা হৈছে কিন্তু আমি জানো যে পঞ্চায়তৰ বহু খিনি আঁচনি যেনে-NREGA বা অন্যান্য আঁচনিৰ কাম Rural Development ৰ যোগেদি আমি কৰিব পাৰো। গতিকে তাৰ বাবে যদি ৰাজ্যিক পুঁজিৰ অভাৱ হয় তেনেহ'লে আমি কেন্দ্ৰৰ পৰা পুঁজি অনাত অসুবিধা হ'ব।

প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ক্ষেত্ৰত, যোৱা সময়চোৱাত চৰকাৰে লাখতকৈও অধিক ঘৰৰ নিৰ্মাণৰ কথা কৈছিল কিন্তু এতিয়ালৈকে সেই লক্ষ্যত উপনীত হ'ব পৰা নাই আৰু ইন্দিৰা আৱাসতকৈ প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ allotment ৰ সংখ্যা কমি আহিছে। গতিকে এইবাৰ বাজেটত সাধাৰণ ৰাইজক সেইখিনিৰে কেনেধৰণে উপকৃত কৰিব পৰা যায় তাৰ বাবে ব্যৱস্থা ল'বলৈ মই চৰকাৰক অনুৰোধ জনাইছো। পঞ্চায়তৰ প্ৰতিনিধি সকলক মাননী দিয়াৰ বাবে পূৰ্বৰ চৰকাৰৰ সময়ছোৱাত এখন আইন গ্ৰহণ কৰা হৈছিল, কিন্তু এতিয়া দেখা গৈছে যে প্ৰায় ৪ বছৰতকৈও অধিক সময় হ'ল, বহু অঞ্চলত পঞ্চায়তৰ প্ৰতিনিধি সকলে মাননী পোৱা নাই। আজি কালি যিমান কাম পঞ্চায়তৰ যোগেৰে হয়, সেই কাম সমূহ তেওঁলোকে কৰে। গতিকে তেওঁলোকৰ আন কাম থাকিলেও সেইবোৰ কৰিব নোৱাৰে কাৰণ এইটো এতিয়া full time job হৈ পৰিছে। গতিকে তেখেতসকলৰ বাবে মাননীৰ ব্যৱস্থা কৰিবলৈ বাজেটত পুঁজি আৱণ্টন কৰিবলৈ মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো।

আমাৰ PHE বিভাগৰ কথা এই বিধান সভাত আমি বিভিন্ন মাধ্যমেৰে যোৱা সময় ছোৱাত আলোচনা কৰি আহিছো। বিধান সভাৰ তথ্যতে ওলাইছে যে, বৰ্তমান ৬০০ খনতকৈও অধিক পুৰণি আঁচনি অচল হৈ আছে আৰু নিৰ্মীয়মান প্ৰায় ১১৬৭ খন আঁচনিৰ কাম পুঁজিৰ অভাৱত যোৱা দুবছৰৰ পৰা অসম্পূৰ্ণ হৈ আছে। গতিকে PHE শিতানত যদি আৰু পুঁজি দিয়া হয়, তেনেহ'লে আমাৰ গাঁও অঞ্চলৰ খোৱা-পানীৰ ব্যৱস্থাটো ভাল হ'ব।

মূল্যবৃদ্ধি ৰোধৰ বাবে যোৱা বাজেটত ১৫০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছিল কিন্তু যোৱা ১১ মাহ ধৰি এই পুঁজি খাদ্য আৰু অসামৰিক যোগান বিভাগে পোৱা নাই। Price rate stable কৰিবলৈ এই বছৰ পুনৰ ৫০ কোটি টকা দিয়া হৈছে, কিন্তু ২২ বিধ সামগ্ৰীৰ যি কথা কোৱা হৈছে এই সামগ্ৰী কেইবিধ যোৱা এঘাৰ মাহে বজাৰত ৰাইজে অত্যাধিক দামত কিনিব লগীয়া হৈছে। গতিকে এই আঁচনিখন কিয় ৰূপায়ণ কৰিব পৰা নগ'ল আৰু এতিয়া ইয়াক কেনেধৰণে ৰূপায়ণ কৰিব এই বিষয়ে স্পষ্টীকৰণ দিয়া নাই। Food & Civil Supply Co-operation এটা গঠন কৰাৰ কথা ঘোষণা কৰা হৈছিল। কিন্তু, কিয় এতিয়াও Food & Civil Supply টো কাৰ্যক্ষম হোৱা নাই এই কথা খিনি মন্ত্ৰী মহোদয়ে আমাক জনাব বুলি আশা কৰিছো।

চাহ-বাগিচা অঞ্চলৰ বাবে চৰ্দাৰ সকলক Mobile phone দিয়াৰ কথা কৈছে আৰু এই কথাটো আমি ভাল পাইছো। অসমত ৮০০ তকৈও অধিক কোম্পানীৰ বাগিচা আছে, কিন্তু বৰ্তমান সময়ত, তথ্য অনুসৰি যদি তেখেত সকলে cashless system ত যাব লাগে তেওঁলোকক অতি কমেও ৮০০টা extra ATM ৰ দৰকাৰ হ'ব। কিন্তু অসমৰ বাগান সমূহত মাত্ৰ ৫৬ টা ATM কাৰ্যক্ষম হৈ আছে। প্ৰথম কিস্তি হিচাপে যি ২৫০০ টকা ইতিমধ্যে দিয়া

হ'ল আৰু সেই ২৫০০ টকা দ্বিতীয় কিস্তি হিচাপে পাবলৈ হ'লে ৮-১০ কিঃমিঃ আঁতৰত য'ত Bank বা ATM আছে তালৈ যাবলগীয়া হ'ব। যদি এনে হয়, তেন্তে এই আঁচনিখন সফল নহ'ব আৰু ৬ মাহৰ ভিতৰত ২৫০০ টকা transaction কৰা যিটো commitment আছিলে সেইটো নহ'ব পাৰে। গতিকে ATM খোলাৰ ব্যৱস্থা কৰিব লাগে যাতে শ্ৰমিক সকলে নিজৰ মজুৰি নষ্ট নকৰাকৈয়ে, নিজৰ বাগান অঞ্চলতে এই cashless system ৰ সুবিধা ল'ব পাৰে । চাহ-বাগিচাৰ যুৱক- যুৱতী সকলৰ বাবে এসময়ত AATSA ই দাবী কৰাৰ বাবে যথেষ্ট পুঁজি আবণ্টন হৈছিল কিন্তু যোৱা সময়ছোৱাত এই পুঁজি হ্ৰাস হৈছে। Family Oriented Income Generation Scheme ৰ বাবে যেনেধৰণে আগতে উৎসাহ যোগোৱা হৈছিল, সেইটো এতিয়া দেখিবলৈ পোৱা নাই। গতিকে এনেধৰণৰ আঁচনিবোৰ যদি অন্তৰ্ভূক্ত কৰে তেন্তে বাগিচা অঞ্চলৰ যুৱক-যুৱতী সকল অধিক উপকৃত হ'ব। স্কুলৰ ক্ষেত্ৰত দেখা গৈছে যে কিছুমান জিলাতহে বাগানৰ স্কুল সমূহ প্ৰাদেশিকীকৰণৰ ব্যৱস্থা লোৱা হ'ল গতিকে মই আশা কৰো যে মন্ত্ৰী মহোদয়ে সকলো বাগানৰে স্কুল সমূহ প্ৰাদেশিকীকৰণৰ বাবে যাৱতীয় ব্যৱস্থা ল'ব যাতে চলিত বছৰতে আমি এই সুবিধাখিনি পাব পাৰো।

অন্য এটা প্ৰয়োজনীয় বিভাগ হ'ল WPTBC, ইয়াত ৪% পুঁজি বৃদ্ধি কৰা হৈছে কিন্তু বিগত সময়ছোৱাত ২০১৬-১৭, ২০১৭-১৮ চনত ৩৩ খন উন্নয়ন পৰিষদৰ বাবে যি পুঁজি আগবঢ়োৱা হৈছিল, তাৰ allocation তেওঁলোকে পাইছিল কিন্তু সেইখিনি release নহ'ল। এই আঁসোৱাহটো চাব লগীয়া বিষয়, কাৰণ ৩৩ টা জনগোষ্ঠীৰ উন্নয়নৰ বাবে আমি সকলোৰে অসমৰ Sabka Sath Sabka Bikash ৰ কথা কৈছো। এই উন্নয়ন পৰিষদ সমূহ বিভিন্ন ধৰণৰ ক্ষুদ্ৰ জনগোষ্ঠীৰ উন্নয়নৰ বাবে গঠন কৰা হৈছিল। বিধান সভাৰ তথ্য অনুসৰি ইয়াৰ পুঁজি যোৱা দুবছৰৰ পৰা একেবাৰে release হোৱা নাই। গতিকে এই পুঁজি সমূহ যাতে সময় মতে ৰূপায়ণ হয় তাৰ বাবে আমি পদক্ষেপ লোৱাটো বিচাৰো।

Minority ৰ বাবে বৰ্তমান অসমত বিশেষকৈ MSDP আঁচনি সমূহ চলি আছে আৰু যোৱা দুটা বছৰত Welfare of Minority ৰ বাবে অসমৰ বিভিন্ন জিলাত যি মহকুমা উপদেষ্টা বোৰ্ড আছে সেই সমূহত কোনো পুঁজি যোৱা নাই আৰু ২০১৭-১৮ বছৰৰ বাজেটত ইয়াৰ বাবে কোনো পুঁজিও দিয়া নহ'ল গতিকে মই আশা কৰিছো আমাৰ ১১৮ টা যি MSDP Block আছে, এই অঞ্চলৰ সংখ্যালঘূ সকলৰো যাতে সুবিধা হয়, তাৰ বাবে আঁচনিত যাতে পুঁজি আৱণ্টন কৰা হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, স্বাস্থ্য আৰু শিক্ষা বিভাগত যথেষ্ট পুঁজি দিয়া হ'ব বুলি বিত্ত মন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে আৰু এইটো নিশ্চয় প্ৰয়োজনীয়। ই আমাৰ Sustainable Development Goals ৰ ভিতৰতো অন্তৰ্ভুক্ত । কিন্তু এতিয়াও বহুত Hospital ত চিকিৎসকৰ অভাৱ আছে। গতিকে Ayush পদ্ধতিৰ চিকিৎসককো যাতে অধিক নিয়োজিত কৰিব পৰা যায়, তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। মোৰ নাজিৰা সমষ্টিৰ চহৰত থকা যিখন Subsidiary Health Centre, তাত অন্য চিকিৎসকৰ পদ খালী হৈ থকাৰ বাবে আজি অলপ দিনৰ পৰা এজন Ayush Doctor এ night duty কৰিব লগীয়া হৈছে।

"অটল অমৃত অভিযান", ই এটা ভাল আঁচনি। ইয়াৰ যোগেৰে অসমৰ ১.৬ কোটি জনসাধাৰণক cover কৰা হৈছে। কিন্তু ইয়াত মাত্ৰ ৬ টা বেমাৰৰ বাবেহে বৰ্তমান অন্তৰ্ভূক্ত কৰা হৈছে। যদি কেতিয়াবা কাৰোবাৰ হাত-ভৰি ভাঙি যায় বা অন্যান্য সৰু-সুৰা ধৰণৰ বেমাৰ হয়,

তাৰ বাবে claim কৰাৰ সুবিধা বোধকৰো ইয়াত এতিয়ালৈকে অহা নাই। গতিকে অন্যান্য বেমাৰ সমূহো যাতে তাত অন্তৰ্ভূক্ত কৰিব পৰা যায় আৰু জিলা ভিত্তিত সকলো জিলালৈ যাতে ব্যক্তিগত বা চৰকাৰী হস্পিতালত চিকিৎসাৰ বাবে সকলো সা-সুবিধা প্ৰদান কৰা যায়, তাৰ বাবে অনুৰোধ কৰিছো। কাৰণ বৰ্তমান সময়ত মাত্ৰ ১৪ খন হস্পিতালহে এই আঁচনিত অন্তৰ্ভূক্ত হৈ থকাৰ বাবে যথেষ্ট লোকে ইয়াৰ সুবিধা লাভৰ পৰা বঞ্চিত হৈ আছে। আন এখন আঁচনি বিগত সময় ছোৱাত মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছিল যে O.T. Dialysis ৰ ব্যৱস্থা কৰা হ'ব, এই আঁচনি যাতে সোনকালে প্ৰতিখন জিলাতে কৰা হয় তাৰ বাবে মই অনুৰোধ জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা নিৰ্বাচনী সময়ছোৱাত ৰাইজক নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়া হৈছিল যে শিক্ষা বিভাগৰ যি সমস্যা আছে সেইটো প্ৰথম কেবিনেটতে যথেষ্ট খিনি সমাধান কৰা হ'ব। এই পদক্ষেপক আমিও আদৰণি জনাইছিলো। মই আশাবাদী যে ইয়াৰ বাবে মন্ত্ৰী মহোদয়ে যাৱতীয় ব্যৱস্থা ল'ব। কিন্তু আমাৰ শিৱসাগৰ জিলাত অৱস্থিত Rajiv Gandhi Institute of Co-operative Management, এই শিক্ষানুষ্ঠান খনক যেনে ধৰণে গুৰুত্ব দিব লাগে তাত তেনেধৰণে গুৰুত্ব দিয়া হোৱা নাই। ঠিক তেনেধৰণে Assam Women University, যিখনৰ Chancellor আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়া , তেওঁ এবাৰ Court ৰ সভাত উপস্থিত হৈছিল আৰু তেখেতে কিছু প্ৰতিশ্ৰুতি দিছিল বুলি গম পোৱা যায়। গতিকে এই Assam Women University খন বৰ্তমানে যেনেধৰণে আছে ঠিক তেনেধৰণে যাতে ইয়াক শক্তিশালী কৰা হয় আৰু যাতে ইয়াক degrade কৰা নহয় তাৰ বাবে মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো আৰু তেখেতে ইতিমধ্যে বিভিন্ন নতুন নতুন অনুষ্ঠানৰ কথা কৈছে । গতিকে এই দুখন প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানকো যাতে শক্তিশালী ৰূপত আগন্তুক সময়ত তৈয়াৰ কৰা হয় তাৰ বাবে মই অনুৰোধ জনাইছো। বহু স্কুল, প্ৰকৃততে ব্যক্তিগত স্কুল সমূহ দুটা কাৰণত হয়। এটা, য'ত choice থাকে তাত কিছু লোকে ব্যক্তিগত ব্যৱসায় হিচাপে লয় অথবা চৰকাৰী স্কুলতকৈ ভাল শিক্ষা দিবলৈ. কিছুলোকে ব্যক্তিগত ব্যৱসায় হিচাপে অথবা চৰকাৰী scholl ভাল শিক্ষা দিবলৈ। কিন্তু কিছু অঞ্চল আছে যেনে - দুৰ্গম অঞ্চল, সীমান্তবৰ্তী অঞ্চল, চৰ অঞ্চল , চাহ বাগান অঞ্চল এই অঞ্চল সমূহত চৰকাৰী স্কুল নথকাৰ বাবে বহু ৰাইজে প্ৰতিষ্ঠা কৰে। কিছুমান স্কুল যিখিনি actually অভাৱত পৰি তাত হয়। গতিকে সেইখিনিৰ প্ৰয়োজনীয়তাটো একেবাৰে নুই কৰিব নোৱাৰি। সেইবাবে সেই স্কুল সমূহত কেনেধৰণে নতুন প্ৰাদেশিকীকৰণ আইন বা পূৰ্বৰ খনকে সংশোধন কৰি কেনেধৰণে সকাহ দিব পাৰি সেই কথাটো যাতে মন্ত্ৰী মহোদয়ে কিছু বিবেচনা কৰে যে এই বাজেটখনৰ যোগেদি আগন্তুক সময়ত আমি কি কি কামৰ বাবে পুঁজি আৱণ্টন কৰিম সেইকাৰণে এইটো অনুৰোধ জনাইছো। দ্বিতীয়তে, নতুনকৈ বি এড কলেজ, ল' কলেজ ৰ কথাও কোৱা হৈছে কিন্তু অসমত বহুতো পুৰণি B.Ed College, Law College আছে সেই সমূহে বিচাৰে যে তেখেত সকলক প্ৰাদেশিকৰণ কৰা হওঁক আৰু নতুন কলেজ স্থাপন কৰাতকৈ যিহেতু সেই পুৰণি কলেজ বিলাকৰ পৰা অন্যান্য কিছুমান সা-সুবিধাও গ্ৰহণ কৰিব পাৰো তাৰ বাবে আমি সেই B.Ed College, Law College সমূহক প্ৰাদেশিকৰণ কৰিব পাৰি নেকি সেই কথাটো মন্ত্ৰী মহোদয়ে বিবেচনা কৰিব বুলি মই মোৰ এই বক্তৃতাত পৰামৰ্শ দিব বিচাৰিছো। তৃতীয়তে গৃহ বিভাগৰ বহু post বহুদিন ধৰি খালী হৈ আছে। এতিয়া ৩০০০ নে ৫০০০ হাজাৰ দিম বুলি কৈছে কিন্তু ১১ হাজাৰতকৈ অধিক বোধকৰো বহু

post খালী হৈ আছে। তাৰ ফলত থানা সমূহত যেনে ধৰণে staff থাকিব লাগে, থকা নাই। under staff হৈ থকাৰ বাবে crime rate টো বৃদ্ধি পাইছে। যিটো national crime record bureau কৈছে অসম কিছুমান ক্ষেত্ৰত হাৰিয়ানাৰ পিছত দ্বিতীয় তৃতীয় স্থানত আছে। গতিকে গৃহ বিভাগত থকা বাকী post সমূহো সোনকালে fill-up কৰাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল হ'ব। ঠিক তেনেদৰে অসমৰ home guard সকলৰ বাবে এইটো খুব সম্ভৱ প্ৰত্যেকজনৰ বিপৰীতে ৫০ টকাকৈ পাৰিশ্ৰমিক বৃদ্ধি কৰাৰ কথা কৈছে। অসমত ২৬,০০০ তকৈ অধিক প্ৰশিক্ষিত home guard আছে আৰু দিল্লী চৰকাৰে প্ৰত্যেক মাহত তেওঁলোকক ২২,০০০ টকা, পাঞ্জাৱ চৰকাৰে ২৯,০০০ টকা , ৰাজস্থানৰ চৰকাৰে ২২,৬০০ টকা, মধ্যপ্ৰদেশত ২০,২৮০ টকাকৈ প্ৰত্যেক মাহত দিয়ে। তেখেত সকলে যিহেতু পুলিছ সকলৰ লগত সমানেই দায়িত্ব পালন কৰিব লগা হয় সেইকাৰণে তেখেত সকলৰ যি বৃদ্ধি সেইটো ৫০ টকাৰ পৰিৱৰ্তে আৰু অধিক কৰাৰ কাৰণে মই মোৰ বক্তব্যৰ যোগেদি অনুৰোধ জনাব বিচাৰিছো আৰু এইটো অতি গুৰুত্বপূৰ্ণ বিষয় যে আমাৰ জলসম্পদ বিভাগ য'ত বানপানী আৰু গড়াখহনীয়া যথেষ্ট বেছি। আমাৰ এইবাৰৰ বাজেট ৰ যিটো allocation সেইটোত গম পোৱা গৈছে যোৱাবাৰ ২৭২৩ কোটি টকা আছিল। বৰ্তমান ৮২৫ কোটি টকা কৰা হৈছে যিটো যোৱাবছৰতকৈ ৬৯ শতাংশ কম। এই পুঁজি কমাই দিলে বিভাগে কেনেধৰণে কাম কৰিব সেইটো আমাৰ অসুবিধা হ'ব কাৰণ বিধান সভাত বিভিন্ন সময়ত মন্ত্ৰী মহোদয়ে কৈছে বিত্ত বিভাগৰ পুঁজি যোগানৰ সাপেক্ষে মথাউৰি সমূহ আমি তৈয়াৰ কৰিব পাৰিম। কিন্তু ইয়াত liabilities ও আছে বোধকৰো। যোৱা বছৰৰ ৪০০ কোটি টকাতকৈ আৰু অধিক। সেই গতিকে এই পুঁজিৰ পৰা নতুন কাম কৰিববৈলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব। আমাৰ ব্ৰহ্মপুত্ৰ dredging ৰ কথা কৈছে তাত যিহেতু বান প্ৰতিৰোধৰ বা বে dredging ৰ কথা আছিল। মুখ্যমন্ত্ৰীয়ে নিদিষ্ট সময়ো ঘোষণা কৰিছিল দুবাৰমান । ডিব্ৰুগড়ত তাৰ বাবে কিছু কামো আশিংক ভাৱে আৰম্ভ কৰিছিল। সেইকাৰণে এই গোটেইখিনি কথা বাজেটত স্পষ্টকৈ অৰ্ন্তভু ক্ত কৰিববৈলে মই অনুৰোধ জনাইছো। যিহেতু এইখিনি বিষয় আমাৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ। আমাৰো বহুতখিনি positive কথা আছে মই কৈছোৱেই। সেইখিনি ক'বলৈ অন্যান্য বিধায়ক সকলে নিশ্চয় সুযোগ পাব। মই এইখিনিকে কৈ মোক এই সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বাজেট সম্পৰ্কত বক্তব্যৰ সামৰনি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ এতিয়া শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়া।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পোন প্ৰথমে অসমৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই এখন balance budget এই বিধান সভাত উৎথাপন কৰাৰ বাবে তেখেতক ধন্যবাদ জনাবলৈ বিচাৰিছো। কাৰণ অসমৰ দৰে এখন সমস্যা বহুল ৰাজ্যত সীমিত আয় আৰু পুঁজিৰে সকলো শ্ৰেণীকে স্পৰ্শ কৰিব পৰাকৈ এখন বাজেট প্ৰস্তুত কৰা যথেষ্ট কঠিন কাম। বিগত সময়চোৱাত বিভিন্ন বক্তাই বাৰম্বাৰ একেটা কথাই কৈছে, বিৰোধী পক্ষই কৈছে যে এইখন তৃতীয় বাজেট আৰু তৃতীয় বাজেট হিচাবে এইখনত বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ যি ধাৰাবাহিকতা সেই ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা নাই। মই অনুভৱ কৰো যে তৃতীয় বাজেট হয় কিন্তু তাৰ আগতে তেখেতে কি পৰিস্থিতিত ইয়াৰ আগৰ দুখন বাজেট প্ৰস্তুত কৰিব লগীয়া হৈছিল সেই কথাটো আমি মন কৰিবলগীয়া। পোন প্ৰথমে প্ৰথমবাৰ যেতিয়া বাজেট হৈছিল ২০১৬ চনত আমি সকলোৱে জানো নিৰ্বাচনৰ বাবে বিগত চৰকাৰখনে vote of thanks ৰ মাধ্যমেৰে তেখেত সকলে বাজেট প্ৰস্তুত কৰিব পৰা নাছিলে আৰু পৰৱৰ্তী সময়ত আমি এই যিখন বাজেট প্ৰস্তুত কৰিব লগীয়া হৈছিল এই বাজেট

খনত আগৰ চৰকাৰখনৰ বিভিন্ন প্ৰতিশ্ৰুতি বা সেই সময়ত তেখেত সকলে আৱণ্টন কৰা বিভিন্ন শিতানবোৰৰ ওপৰত নিৰ্ভৰ কৰি বাজেট প্ৰস্তুত কৰিব লগীয়া হৈছিল।

(Hon'ble Speaker on the Chair)

माननीय অধ্যক্ষ মহোদয়, এখন বাজেট, কেৱল মাত্ৰ আগন্তুক বিত্তীয় বৰ্ষ আয় আৰু ব্যয় এক সম্ভ্যাব্য খতিয়ানেই নহয় এই বাজেটৰ মাজেৰে শাসনাধিষ্ট চৰকাৰখনে যি বিত্তীয় চিন্তা ধাৰা কৰে সমাজৰ সকলো শ্ৰেণীৰ উন্নয়নৰ বাবে যি নীতিক আগতলৈ তেখেত সকলে ৰাইজৰ পৰা mendate লৈ এই চৰকাৰ গঠন কৰিছে তাৰ প্ৰতিফলন এটা হোৱাটো হয়। এই মিত্ৰগোষ্ঠীৰ যিটো ৰাজনৈতিক চিন্তা , যিটো অৰ্থনৈতিক চিন্তা সেইটোক এটা শব্দত কোৱা হৈছে অন্তোদয়া। অন্তোদয়া বুলি কওঁতে আমি বুজো যে সমাজৰ শেষ পংক্তিৰ শেষ জন ব্যক্তিৰ উন্নয়নেই হৈছে অন্তোদয়া আৰু এই বাজেট খনত আমি সেই চিন্তাৰ প্ৰতিফলন দেখা পাইছো। মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখনত আমি এটা কথা মন কৰিছো যে সমাজৰ সাম্যক উন্নয়নৰ বাবে এই বাজেটখনত এক বিশেষ চিন্তা কৰিছে আৰু সমাজৰ বিশেষকৈ অসমৰ লেখিয়া এক ৰাজ্যত য'ত আমি অৰ্থনৈতিক উন্নয়ন বিচাৰো, সু-শাসন বিচাৰো তেতিয়াহ'লে আন্তঃগাথঁনিৰ কথা কেতিয়াও আমি পাহৰি যাব নোৱাৰো। এই বাজেটখনত সেই আন্তঃগাথঁনিৰ উন্নয়নৰ বাবে যি প্ৰচেষ্টা তাৰবাবে মই বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো, শলাগ লৈছো। আন্তঃগাথনি বুলি কওঁতে আমি কেৱল অনুষ্ঠান, প্ৰতিষ্ঠান বা নিজস্ব নিৰ্মাণৰ কথাই নহয় ইয়াৰ লগত মানৱ সম্পদৰ উন্নয়নৰ, মানৱ সম্পদৰ উৎথানৰো কথা কিন্তু নিহীত হৈ থাকে আৰু এই বাজেটখনত আমি সেই চিন্তাধাৰাৰ প্ৰতিফলন দেখিবলৈ পাইছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত যেতিয়া এই চৰকাৰে শাসনৰ বাঘজৰী হাতত লৈছিলে তেতিয়া এটা কথাই আমি বাৰম্বাৰ অনুভৱ কৰিছিলো, সমগ্ৰ অসমবাসীয়ে অনুভৱ কৰিছিল সেইটো হৈছে যে আমাৰ যিটো ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনা এই বিত্তীয় ব্যৱস্থাপনা ব্যৱস্থাটো সম্পূৰ্ণ বিধ্বস্ত হৈ পৰিছিল আৰু বিগত যি বাজেট, সেই বাজেটতো সেই বিত্তীয় ব্যৱস্থাপনা পদ্ধতিটো সক্ৰিয় কৰিবৰ বাবে, উন্নত কৰিবৰ বাবে যথেষ্ট চিন্তা চৰ্চা কৰা হৈছিলে। আমাৰ যি কোষাগাৰবোৰ আছে এই কোষাগাৰবোৰক পৰিচালনা কৰিবৰ বাবে বিভিন্ন চিন্তাধাৰাৰ কথা তাত কোৱা হৈছিলে আৰু আজি আমি মন কৰিছো যে এইবাৰৰ যি বাজেট, বাজেটত কিন্তু এই ধাৰাবাহিকতাকে ৰাখি তেখেতৰ বাজেটৰ দফা ৩০ ৰ পৰা ৩৩ লৈকে তেখেতে কিন্তু বিভিন্ন ব্যৱস্থা লোৱাৰ কথা ঘোষণা কৰিছে যিবোৰে আমাৰ এই চৰকাৰখনক যি বিত্তীয় ব্যৱস্থাপনা, এই বিত্তীয় ব্যৱস্থাপনাক যথেষ্ট সহায় কৰিব, সুদৃঢ় কৰিব। কিয়নো আমি দেখিছিলো যে এই বিত্তীয় ব্যৱস্থাপনা সঠিক নোহোৱাৰ বাবে যথেষ্ট ৰাজহুৱা ধনৰ অপব্যয় হৈছিলে। এই বিত্তীয় ব্যৱস্থাপনা সঠিক নোহোৱাৰ বাবে যথেষ্ট ৰাজহুৱা ধনৰ অপব্যয় হৈছিলে। যথেষ্ট ৰাজহুৱা ধন বিভিন্ন শিতানত দিয়া স্বত্বেও কিন্তু তাক ব্যৱহাৰ কৰিব পৰা হোৱা নাছিল। কিন্তু এই যি এটা প্ৰচেষ্টা লোৱা হৈছে ৰাজহুৱা ব্যৱস্থাপনাক সঠিক ৰূপে সুদৃহ কৰিবৰ বাবে মই বিত্তমন্ত্ৰীক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বাজেট ভাষণত অষ্টাদশ মুকুতা উন্নয়ন মালা শিতানত তেখেতে অসমৰ বিভিন্ন শিতানত আন্তঃগাথনি নিৰ্মাণৰ বাবে যি প্ৰচেষ্টা লৈছে, সেই প্ৰচেষ্টাবোৰৰ সম্পৰ্কে বিতংভাৱে আমি ইয়াত হয়তো উল্লেখ কৰাৰ প্ৰয়োজন নহ'ব। কিন্তু মই তেখেতক এইবাবেই ধন্যবাদ দিব বিচাৰিছো যে, আমাৰ যিবোৰ মৌলিক সমস্যা, যিবোৰ সমস্যাৰ বাবে অসমক উন্নয়নৰ পথত দ্ৰুতগতিত লৈ যোৱাত যথেষ্ট অসুবিধা হৈছিল, সেই অসুবিধাবোৰ দূৰ কৰিবৰ বাবে তেখেতে এই অষ্টাদশ মুকুতামালা শিতানৰ যিবোৰ ব্যৱস্থাপনা, এই ব্যৱস্থাপনাবোৰৰ মাধ্যমেৰে তেখেতে প্ৰয়াস

কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মই এই বাজেটখনক এখন বাস্তৱবাদী বাজেট বুলি উল্লেখ কৰিব বিচাৰো। কিয়নো এই বাজেটখনত আমাৰ সমাজৰ বহুতো সমস্যা, যিবোৰ সমস্যা হয়তো সাধাৰণতে আমি অভাৰলোক কৰো। তেনেকুৰা ধৰণৰ সেই সমস্যাবোৰক কিন্তু এই বাজেটখনত আমি সমাধান কৰিবলৈ প্ৰচেষ্টা লৈছো। গুণোৎসৱৰ সময়ত অসমৰ বিভিন্ন যি প্ৰাইমাৰী স্কুলবোৰ আছে, এই প্ৰাথমিক বিদ্যালয় বিলাকত গৈ আমি অবাক হৈছিলো, যে বিগত সময়ত এই স্কুলবোৰৰ উন্নয়নৰ নামত একো একোটা ঘৰ বনাই দিয়া হৈছে আৰু সেই ঘৰৰ মাজত একেলগে চাৰিটা শ্ৰেণীৰ ল'ৰা-ছোৱালীয়ে কোনোবা এঠাইত তেওঁলোকে যদি নেওঁতা পঢ়িছে, অন্যটোৰে হয়তো শ্ৰুতলিপি লৈছে, তাৰ ওচৰৰ জনে হয়তো তেখেত সকলে গৰুৰ ওপৰত ৰচনা কৰিছে। কিন্তু এই গোটেইখিনি ল'ৰা-ছোৱালীয়ে একেলগে কেনেকৈ ইজনে সিজনক অসুবিধা নকৰাকৈ পঢ়াশুনা কৰিব পাৰিব, সেই সম্পৰ্কে কিন্তু কোনেও চিন্তা কৰা হোৱা নাছিলে। প্ৰাথমিক বিদ্যালয় সমূহত বৈদ্যুতিকৰণৰ বাবে কোনো প্ৰচেষ্টা লোৱা হোৱা নাছিলে। এইবাৰৰ বাজেটত এই যিটো এটা বাস্তৱবাদী চিন্তা, বাস্তৱবাদী চিন্তাৰ মাধ্যম প্ৰকাশন হিচাপে আমি দেখিছো যে, এইবাৰ প্ৰাথমিক বিদ্যালয়সমূহত শ্ৰেণীকোঠাবোৰক নিৰ্দিষ্ট কৰি দিবলৈ পাৰ্টিশ্যন ৱালৰ ব্যৱস্থা কৰা হৈছে। দেখাত তেনেই সৰু কথা, কিন্তু এই এটা সৰু ব্যৱস্থাৰ মাধ্যমেৰে আমাৰ যি প্ৰাথমিক বিদ্যালয়সমূহ, এই প্ৰাথমিক বিদ্যালয় সমূহৰ উত্তৰণত আমাৰ গুণগত মানদণ্ড বৃদ্ধি কৰাত আমাৰ যথেষ্ট সহায়ক হ'ব। অধ্যক্ষ মহোদয়, সৰু সৰু ল'ৰা-ছোৱালীক ,সাত আঠ বছৰৰ ল'ৰা-ছোৱালীক গৰমৰ দিনতটিঙৰ তলত যদি এখন ফেন নোহোৱাকৈ তেওঁলোক থাকিব লাগে। তেতিয়াহ'লে তেওঁলোক কেনেকুৰা শাৰীৰিক অৱস্থা হয়, সেইটো আপুনি, মই সকলোৰে অনুভৱ কৰিব পাৰো। কিন্তু বিগত সময়ত প্ৰাথমিক বিদ্যালয়ৰ নামত যিবোৰ গৃহ নিৰ্মাণ কৰা হ'ল, এই গৃহবোৰত কিন্তু কোনো বিদ্যুতিকৰণৰ ব্যৱস্থা কৰা হোৱা নাছিল। এই বাজেটখনত সেই বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰি গ্ৰীষ্মৰ দিনত এই ল'ৰা-ছোৱালীখিনিক এখনকৈ ফেন অন্ততঃ দি কিছু ঠাণ্ডা কৰি ৰখাৰ বাবে যি প্ৰয়াস কৰা হৈছে, এই প্ৰচেষ্টাই যিবোৰ আমাৰ মাতৃভাষাৰ প্ৰাথমিক বিদ্যালয় আছে, মাতৃভাষাৰ প্ৰথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ যি উপস্থিতি সেইটোক যথেষ্ট বৃদ্ধি কৰিব। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমাজত বিভিন্ন শ্ৰেণীৰ মাজত শিক্ষাগত যি এটা বৈষম্যতা আমি দেখিছো, মই মন কৰিছো যে, এইবাৰ বিত্ত মন্ত্ৰীয়ে, সেই বৈষম্যৰ প্ৰতি দৃষ্টি ৰাখি কিন্তু বাৰম্বাৰ কোৱা হৈছে যে সংখ্যালঘু সম্প্ৰদায়ৰ শিক্ষাৰ ক্ষেত্ৰত তেখেতসকলৰ শিক্ষিত সংখ্যা যথেষ্ট কম। কিন্তু তাৰ লগত জৰিত যি সামাজিক বা অৰ্থনৈতিক যিটো চিন্তা, সেই চিন্তা সম্পৰ্কে কিন্তু কোনেও চিন্তা কৰা নাছিলে। অন্ততঃ আগৰ সময়ছোৱাত আমি বিভিন্ন শিতানত বিভিন্ন খৰচ কৰা দেখিছো। কিন্তু এইবাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই সংখ্যালঘু সম্প্ৰদায়ৰ যিসকল জীয়ৰী তেখেত সকলক শিক্ষাৰ প্ৰতি আগ্ৰহিত কৰিবলৈ, শিক্ষা গ্ৰহণ কৰিবলৈ অৰ্থনৈতিক ভাৱে উদ্‌গনি দিবলৈ তেখেতে এটা প্ৰচেষ্টা লৈছে। তেখেতে, সংখ্যালঘু সম্প্ৰদায়ৰ কন্যা সন্তানসকলৰ বাবে বৃত্তি আঁচনি প্ৰৱৰ্তন কৰাৰ এটা প্ৰস্তাৱ দিছে। একাদশ শ্ৰেণীৰ বাবে দুই হাজাৰ টকা, দ্বাদশ শ্ৰেণীৰ বাবে চাৰি হাজাৰ টকা, স্নাতক শ্ৰেণীৰ বাবে ছহেজাৰ টকা, আৰু পোষ্ট গ্ৰেজুৱেশ্যনৰ বাবে দহ হাজাৰ টকা। মই অনুভৱ কৰো, এই যি এটা বৃত্তি আঁচনি প্ৰবৰ্তন কৰা হ'ল বা প্ৰৱৰ্তন কৰিবলৈ প্ৰস্তাৱ ৰখা হৈছে। এই আঁচনিৰ মাধ্যমেৰে সংখ্যালঘু সম্প্ৰদায়ৰ। সাধাৰণতে সংখ্যালঘু সম্প্ৰদায়ৰ মহিলা সকলৰ শিক্ষিতৰ হাৰ আমি দেখিছো বিভিন্ন সময়ত, বিভিন্ন যি চাৰভে হৈছে, এই চাৰভেটোত ওলাইছে, তেখেত সকলৰ শিক্ষিতৰ হাৰ যথেষ্ট কম। কিন্তু মই অনুভৱ কৰো, এই বাজেটৰ মাধ্যমেৰে যি প্ৰচেষ্টা হাতত লোৱা হৈছে, এই প্ৰচেষ্টাই

আমাৰ সংখ্যালঘু সম্প্ৰদায়ৰ কন্যা সন্তান সকলৰ বৃত্তিৰ যথেষ্ট সহায়ক হ'ব। ঠিক তেনে হিচাপে আমি দেখিছো যে, সংখ্যালঘু সম্প্ৰদায়ৰ অধ্যুষিত অঞ্চলবোৰত বিভিন্ন শিক্ষানুষ্ঠান, কলেজ প্ৰতিষ্ঠা কৰিবৰ বাবে প্ৰচেষ্টা লোৱা হৈছে। এইবাৰ এটা প্ৰস্তাৱ দিয়া হৈছে, আৰু এই প্ৰস্তাৱটোৱে মই ভাবো যে, এই সম্প্ৰদায়ক সমাজৰ সকলোৰে লগত সমানে শিক্ষিত হাৰত লৈ অহাত যথেষ্ঠ সহায়ক হ'ব। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে, অসম এখন কৃষি প্ৰধান ৰাজ্য আৰু অসমৰ ভৌগোলিক যি অৱস্থান, এই ভৌগোলিক অৱস্থানৰ বাবে হয়তো ইয়াত গধুৰ শিল্প বা গধুৰ উদ্যোগ স্থাপন কৰাত যথেষ্ট অসুবিধা আছে। গতিকে আমি আমাৰ অৰ্থনীতিৰ উন্নয়ন আনিব লাগিলে আমাৰ কৃষি ভিত্তিক যি অৰ্থনৈতিক ব্যৱস্থা এই কৃষি ভিত্তিক অৰ্থনৈতিক ব্যৱস্থাক আৰু সুদৃঢ় কৰাৰ আৰু শক্তিশালী কৰাত যথেষ্ট প্ৰয়োজন আছে আৰু এইবাৰৰ যি বাজেট, এই বাজেটত কৃষি ক্ষেত্ৰত সহায় কৰিবৰ বাবে কৃষি ক্ষেত্ৰৰ উন্নতিৰ বাবে যথেষ্ট প্ৰচেষ্টা হাতত লোৱা হৈছে। আমি দেখিছো যে, এই বাজেটত যি শস্য ঋণৰ ব্যৱস্থা এই শস্য ঋণ যথেষ্ট কমাই দিয়া হৈছে। শূণ্য শতাংশ কৰা হৈছে। কৃষকক ঋণ ৰেহাই দিয়াৰো ব্যৱস্থা লোৱা হৈছে। আৰু অন্যান্য ব্যৱস্থাও লোৱা হৈছে। মই ভাৱো এইটো এটা সু-চিন আৰু এই যি ব্যৱস্থা লোৱা হৈছে, এই ব্যৱস্থাই অসমত কৃষিৰ ক্ষেত্ৰত কৃষক সকলক বিশেষভাৱে সহায় কৰিব। আৰু যিটোৱে আমাৰ ৰাজ্যখনৰ সাম্যক উন্নতিত যথেষ্ট সহায়ক হ'ব। ঠিক তেনেকৈ ৰাজ্যৰ যি স্বাস্থ্য ক্ষেত্ৰত, এই স্বাস্থ্য ক্ষেত্ৰখনক উন্নত কৰিবৰ বাবে, বিভিন্ন শিতানত, বিভিন্ন পদক্ষেপ লোৱা হৈছে, বিভিন্ন প্ৰস্তাৱ উত্থাপন কৰা হৈছে বাজেটৰ মধ্যেমেৰে আৰু মই ভাবো যে, চিকিৎসা ক্ষেত্ৰতো এনেকুৱা ধৰণৰ পদক্ষেপ লোৱা হৈছে, এই পদক্ষেপে আমাৰ অসমৰ সামগ্ৰিক উন্নয়নত যথেষ্ট সহায়ক হ'ব। মাননীয় অধ্যক্ষ মহোদয়, অন্তঃগাথ নি ৰ এটা অন্যতম অংগ হৈছে শিক্ষা আৰু এই শিক্ষাৰ ক্ষেত্ৰত এইবাৰ বাজেটত যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছে। আমি দেখিছো যে, ১০ খনকৈ চৰকাৰী আইন মহাবিদ্যালয় স্থাপন কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। ১০ খন বি এড মহাবিদ্যালয়ৰ বাবে এই বাজেটত প্ৰস্তাৱ লোৱা হৈছে। তিনিখন নতুন পলিটেকনিক, ন খন মহিলা মহাবিদ্যালয়, আঠখন স্নাতক মহাবিদ্যালয়। ইয়াৰ উপৰিও শিক্ষাৰ ক্ষেত্ৰত আৰু বিভিন্ন পদক্ষেপ লোৱা হৈছে। শিক্ষাক যদি আমি প্ৰাথমিক গুৰুত্ব দিওঁ, তেতিয়াহ'লে সমাজত আমাৰ যি অনাসাক্ষৰতাৰ বাবে আমাৰ শিক্ষাৰ কমৰ কাৰণে যি এটা দৈন্যতাত ভুগিছে, সেই দৈন্যতা দুৰ হ'ব আৰু আমাৰ যুৱক-যুৱতী সকলে শিক্ষাৰ ক্ষেত্ৰত উৎকৰ্ষতা লাভ কৰি তেখেত সকলে ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বতে সকলোৰে লগতে ফেৰ মাৰি আগবাঢ়ি যাব পাৰিব। আৰু এই যিটো পদক্ষেপ লোৱা হৈছে শিক্ষাৰ ক্ষেত্ৰত, তাৰ বাবে বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো.

মাননীয় অধ্যক্ষ মহোদয়, এই যিখন বাজেট, এই বাজেটখনত আমাৰ মই অলপ আগতে যিটো কৈছিলো যে অন্তোদয়া, সেই অন্তোদয়া, চিন্তাধাৰাৰ প্ৰতিফলন বাৰম্বাৰ বিভিন্ন শিতানত হৈছে। আৰু চৰকাৰখনে যে সমাজৰ সকলো শ্ৰেণীৰ বাবে সংবেদনশীল, সেই কথাটো স্পষ্টভাৱে উন্মোচিত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমাজৰ এটা অন্যতম অংগ, অলপ আগতে গোৱালা ডাঙৰীয়াই তেখেতৰ বক্তৃতাত বিস্তৃতভাৱে কৈছে। গতিকে মই বৰ বিস্তৃতভাৱে এই প্ৰসংগটো উত্থাপন নকৰোঁ। কিন্তু মই ভাৱো যে এই চাহ বাগিচাৰ যি সকল শ্ৰমিক তেখেত সকলৰ উন্নয়নৰ বাবে, তেখেত সকলক বিভিন্ন সা- সুবিধাৰ মাধ্যমেৰে শিক্ষাৰ ক্ষেত্ৰত হওঁক আৰ্থিক ভাৱেই হওঁক বা তেখেত সকলৰ আনুষ্ঠানিক বিত্তীয় ব্যৱস্থাৰ মাজত আনিবৰ বাবে, তেখেত সকলক বেংকত একাউন্ট খোলাৰ বাবে এটা উদ্যোগ দিয়াৰ বাবে ২৫০০ টকাকৈ দিয়াৰ কথা বিগত বাজেটত

উত্থাপন কৰা হৈছিল আৰু যিটো এইবাৰ আমি দেখিছোঁ যে সেইটো ৰখা হৈছে। আৰু এইবাৰো আমি দেখিছো, তেখেত সকলক আৰু অধিক উদগনি দিবৰ বাবে আৰু কিছু টকাৰ তেখেত সকলৰ একাউন্টত দিয়াৰ বাবে যি সকলে এই একাউন্টটো চলাই আছে, তেখেত সকলৰ একাউন্টত দিবৰ বাবে ব্যৱস্থা লোৱা হৈছে আৰু এইটো এটা যথেষ্ট সময়োপযোগী ব্যৱস্থা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, সময়ৰ সীমাবদ্ধতা আছে। এই সময়ৰ সীমাবদ্ধতাৰ প্ৰতি চকু ৰাখি, মই মাথো এটা শেষ কথা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিব বিচাৰিছোঁ। মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিছোঁ যে সমাজৰ দৰিদ্ৰ শ্ৰেণীয়েই হওঁক, মধ্যবিত্ত শ্ৰেণীয়েই হওঁক, যেতিয়া কোনোবা এটা গুৰুতৰ ব্যাধিত তেখেত সকল পৰে তেতিয়া, তেখেত সকলৰ অৰ্থনৈতিক অৱস্থা তথৈবচ হৈ পৰে। কেঞ্চাৰ হলে, কোনোবা যদি হাৰ্টএটেক হয়, কোনোবাৰ যদি কিডনী ট্ৰেন্সপ্লেনটেশ্যনৰ কথা আহে, তেনেকুৱা ধৰণৰ খুবেই গুৰুত্বপূৰ্ণ যিটো ব্যাধি, এই ব্যাধিৰ বাবে তেখেত সকলৰ আৰ্থিক অৱস্থা জুৰুলা হৈ পৰে। আৰু অটল অমৃত যোজনাৰ মাধ্যমেৰে সমাজৰ সকলো ব্যক্তিকে, যিভাৱে এটা Health Security ৰ ব্যৱস্থাৰ মাজত আনিবলৈ প্ৰচেষ্টা কৰা হৈছে আৰু তাৰ বাবে প্ৰায় ৪০০ কোটি ধন এই বাৰ আৱন্টন কৰা হৈছে। এই ধন আৱন্টনেৰে সমাজৰ প্ৰতি এই চৰকাৰখনৰ দায়বদ্ধতাৰ পৰিচয় পুনৰ বাৰ প্ৰকাশ পাইছে। অধ্যক্ষ মহোদয়, সামগ্ৰীক ভাবে এই বাজেটখন সময়োপযোগী হোৱাৰ লগতে, মই অনুভৱ কৰোঁ, এইখন এখন বাস্তৱবাদী বাজেট, এখন সংবেদনশীল বাজেট, এখন বেলেঞ্চ বাজেট। এই বাজেটৰ মাধ্যমেৰে আমি আগন্তুক দিনবোৰত মিত্ৰগোষ্ঠীৰ এই চৰকাৰখনৰ যি অৰ্থনৈতিক চিন্তাধাৰা সমাজত উন্নয়নৰ বাবে আমাক সকলো শ্ৰেণীৰ সকলো ব্যক্তিৰ উন্নয়নৰ বাবে যি প্ৰচেষ্টা, এই প্ৰচেষ্টা আৰু সুদৃঢ় হ'ব আৰু আগবাঢ়ি যাব বুলি মই মোৰ বক্তব্য এই খিনিতে সামৰিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ**-Thank you ইয়াৰ পাছত শ্ৰী ভৱেন ভড়ালী আপোনাৰ alloted time মাত্ৰ ৭ মিনিট বাকীখিনি সময় হৈ গ'ল। গতিকে আপুনি তাৰ মাজতে পাৰিলে কব। ১-২ মিনিট বাৰু হ'ব ইফাল সিফাল alloted time খিনি আপোনালোকৰ প্ৰায় শেষ হৈছে।

**শ্ৰী ভৱেন ভড়ালী, বিধায়কঃ**- মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে এই পবিত্ৰ সদনত অসমৰ ২০১৮-১৯ বৰ্ষৰ যি বাজেট দাখিল কৰিলে, সেই বাজেটখন প্ৰকৃতাৰ্থত এখন জনমুখী বাজেট। কণ কণ ল'ৰা-ছোৱালীৰ পৰা একেবাৰে বৃদ্ধজনলৈকে আটাইকে সামৰি এই বাজেটখন ইয়াতে উপস্থাপন কৰিছে। য'ত নেকি সমাজৰ কিছুমান লোকক আমি সাধাৰণতে, অ-বিবাহিত ছোৱালী বিলাক, বা দিব্যাংগ সকলক সাধাৰণতে অকনমান আওঁকান কৰি চিন্তা কৰো। কিন্তু এই বাজেটখনত সকলোকে সামৰি আটাইখিনি কথা স্পষ্টভাৱে ওলাইছে। সকলোৰে উন্নয়নৰ স্বাৰ্থত কিছু ধনৰ আৱন্টন দিছে, আৰু আশা কৰোঁ, এই বাজেটে অসমৰ প্ৰত্যেকজন লোকৰ উন্নয়নৰ স্বাৰ্থত কাম কৰিব। বিশেষভাবে অষ্টাদশী মুকুতাৰ মালা বুলি যিটো অভিহিত কৰিছে সেই আঁচনিৰ আধাৰত সেই সকলো লোককে মই বিতং ভাৱে কব নাযাওঁ, কিন্তু এই অষ্টাদশী মুকুতাৰ মালাৰ ভিতৰত সকলোকে সামৰি অঞ্চলটোৰ তথা বৃদ্ধ লোকৰ পৰা একেবাৰে শিশুলৈকে অংগনবাদী চেণ্টাৰলৈকে কণ কণ শিশুলৈকে, মাতৃলৈকে সামৰি যি ব্যৱস্থা লৈছে, সেই ব্যৱস্থাত আমি ভাল পাইছোঁ। ২য়তে আমাৰ ১২৬ টা সমষ্টিৰ আটাইকেইটা সমষ্টিৰে উন্নয়নৰ স্বাৰ্থত Signature project বুলি বিত্ত মন্ত্ৰী ডাঙৰীয়াই প্ৰত্যেকটো সমষ্টিতে একোটা ব্যতিক্ৰমী চিন্তাধাৰাৰে আঁচনিৰ অৰ্ন্তভুক্ত কৰাটো এই বাজেটৰ উল্লেখযোগ্য দিশ। আৰু ইয়াৰ জৰিয়তে আমি নিৰ্বাচিত প্ৰতিনিধি সকলে সমষ্টিটোৰ ৰাইজৰ বহুদিনীয়া এটা এটা সমস্যা আমি পূৰণ কৰিবলৈ সক্ষম হৈছোঁ। এইটো

এটা ভাল পদক্ষেপ বুলি ভাবোঁ। ঠিক সেই দৰে, কেইটামান মই পৰামৰ্শ দিব বিচাৰিছোঁ। মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা আঁচনিৰ অধীনত, আমি আচলতে ট্ৰেক্টৰ বা কৃষি সামগ্ৰী বিলাক আমি দিব বিচাৰিছো। Double Croping কৰিব বিচাৰিছো। আমাৰ যিখিনি খেতিৰ মাটি, কৃষিৰ মাটি, পৰি থাকে, ধানখেতি, শালিখেতিটো কৰাৰ পাছত পৰি থাকে, আমাৰ অসমীয়া মানুহৰ এটা স্বভাৱআছে, যে মাটিখিনি পেলাই থৈ পুনৰ আকৌ আহাৰ-শাওন মহীয়া শালিখেতি কৰিব। কিন্তু এই মাজৰ সময়ছোৱাত পথাৰখন চন পৰি থাকে। আমি এই ক্ষেত্ৰত কৃষি বিভাগৰ জৰিয়তে আমি Cluster basis nursing, Community Nursing type ৰ নিবনুৱা যুবক সকলক একো একোটা গোট তৈয়াৰ কৰি সেই মাটিবিলাক, বিভিন্নজন মালিকৰ মাটি হ'ব পাৰে, তেওঁলোকক ৭ জনীয়া বা ১১ জনীয়া গোট কৰি ৰবি শস্য কৰিবৰ কাৰণে যদি আমি তেওঁলোকক সকলোখিনি চৰকাৰী সুবিধা ট্ৰেক্টৰ, চেলুটিউৰেল, জৈৱিক সাৰ দি যদি আমি ডেকা ল'ৰাখিনিক, নিবনুৱাখিনিক ১০০ বিঘা, ৫০ বিঘা, ১৫০ বিঘা মাটিৰ এখন এখন পথাৰ, আমি তেওঁলোকৰ জৰিয়তে কৃষিকৰ্মত যদি লগাব পাৰো, তেতিয়াহলে ই নিশ্চয় এক ভাল ব্যৱস্থা হ'ব বুলি ভাবিছোঁ কাৰণ আমি দেখিছো কেইখনমান জিলাৰ বাহিৰে বাকী অঞ্চলত কিন্তু Double croping আমাৰ কৃষক সকলে কৰিবলৈ অলপ অনিহা প্ৰকাশ কৰে। গতিকে নিৰনুৱা যুৱক সকলক, প্ৰয়োজন হ'লে তেওঁলোকক কিছু প্ৰশিক্ষণ দি হলেও যি সকল আগ্ৰহী, তেওঁলোকক একো একোটা গোট তৈয়াৰ কৰি যদি আমি এনেদৰে Community Nursing ত ৰবি শস্য যেনে সৰিয়হ খেতি, মটৰ মাহৰ খেতি, মাটি মাহৰ খেতি এনেদৰে যদি আমি কৰিবলৈ, আমি উদ্‌গনি দিব পাৰো, প্ৰয়োজন হ'লে অলপ incintive দি হলেও তেওঁলোকক যদি লগাব পাৰো, নিশ্চিতভাৱে কৃষি ক্ষেত্ৰত আমি আগবাঢ়ি যাবলৈ সক্ষম হ'ম। এই ক্ষেত্ৰত কৃষি বিভাগৰ জৰিয়তে, প্ৰথম পৰ্য্যায়ত তেওঁলোকক প্ৰয়োজন হলে পাৰম্ভিক পৰ্য্যায়ত কৃষি সামগ্ৰী, ট্ৰেক্টৰ, পাৱাৰ টিলাৰ বা পানী যোগান বা জৈৱিক সাৰ বা গুটি, বীজ আদি যোগান ধৰি তেওঁলোকক উদ্‌গনি দিলে নিশ্চয় এই সম্পৰ্কত আমি আগবাঢ়ি যাব পাৰিম কৃষিৰ ক্ষেত্ৰত। মাননীয় অধ্যক্ষ মহোদয়, ঠিক সেইদৰে বাঁহ উদ্যোগৰ কথাটো ইতিমধ্যে বাজেটত বিশেষ ভাবে উল্লেখ কৰিছে। বাঁহ উদ্যোগৰ সম্পৰ্কত অসম সঁচাকৈ বৰ চহকী। কিন্তু দুৰ্ভাগ্য বৰ্তমান বাঁহৰ সলনি ফুলনি হৈছে। বাঁহবোৰ কাটি কাটি তাত মানুহে ঘৰ বনাবলৈ লৈছে বা অন্য কিবা উদ্যোগ প্ৰতিষ্ঠা হৈছে। বাঁহ বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰটো অতি প্ৰয়োজন। সেই কাৰণে বন বিভাগৰ দ্বাৰা কিছু চৰ অঞ্চল নাইবা নদীকাষৰীয়া অঞ্চলত চৰকাৰী ভাবে বাঁহ ৰোপন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰোঁ তেতিয়া হ'লে আমি গৰাখহনীয়াও ৰোধ কৰিব পাৰোঁ আৰু সেই বাঁহক কেঁচামাল হিচাপে লৈ আমাৰ কুটিল শিল্পৰ উন্নয়ন ঘটাব পাৰিম। কাগজকলত ব্যৱহাৰ কৰিব পাৰিম। ইয়াৰ বাবে পৰিকল্পিত ভাবে আগবাঢ়িব লাগিব। বানাক্ৰান্ত অঞ্চল বিলাকত আমি কিছু অঞ্চল বাঁহৰ বাবে সংৰক্ষণ কৰিব লাগিব আৰু বাঁহ ৰোপন কৰিব লাগিব। তাৰবাবে প্ৰয়োজনত স্থানীয় ৰাইজৰ গোট তৈয়াৰ কৰি বাঁহৰ ক্ষেত্ৰত ব্যৱস্থা ল'ব পাৰো। এই ক্ষেত্ৰত চৰকাৰে আমাৰ নিবনুৱা সকলকো আগবঢ়াই নিব পাৰিব। মই ভাবো যিহেতু বাঁহক কৃষি জাতীয় বুলি কোৱা হৈছে গতিকে বন বিভাগ আৰু কৃষি বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব। এই বাঁহৰ ৰোপনৰ ব্যৱস্থা কৰিলে আমাৰ কুটিৰ শিল্প পাচি, খৰাহী, দলা, কুলা আদি বনোৱা স্থানীয় যিটো শিল্প নোহোৱা হৈছে সেই শিল্পটোও জীয়াই থাকিব আৰু এই শিল্পৰ লগত জড়িত শিল্পীসকলকো আমি কিছু সকাহ দিব পাৰিম। ইয়াৰ লগতে মই এছ.ডি.জি সম্পৰ্কত এটা কথা ক'ব বিচাৰিছো। অন্তত অসমীয়া মানুহখিনিয়ে শুদ্ধ বায়ু সেৱন কৰিব পাৰে তাৰ বাবে বৰ্তমান অসমত যিখিনি চৰকাৰী মুকলি মাটি

আছে তাৰে কিছু চৰকাৰী ভূমি সংৰক্ষণ কৰিব লাগে আৰু সেই ভূমিত অসমৰ থলুৱা গছ যেনে নিম গছ, আম, কঠাল, জামু ইত্যাদি ৰোপন কৰি একোখন হৰ্টিকালচাৰ ফাৰ্মৰ ব্যৱস্থা কৰিব লাগে। প্ৰতিখন জি.পিত হ'লেতো ভালেই নহলেও প্ৰতিটো বিধান সভাত এনোকুৱা দুখন ফাৰ্ম কমেও দুশ বিঘা মাটিত কৰিব লাগে। এইটো কৰিলে অসমত শুদ্ধ বায়ু সেৱন কৰিবলৈ সুবিধা হ'ব। কাৰণ এছ.ডি.জিৰ বহনশীল ক্ষমতাসম্পন্ন। এইটোৱেই আটাইতকৈ কম খৰছত কৰিব পৰি। ইয়াৰ পিছত এটা বিভাগৰ ওপৰত ক'ব বিচাৰিছোঁ অধ্যক্ষ মহোদয়। কাৰণ বিশেষ ভাবে আমি সংৰক্ষিত আসনৰ পৰা অহা বিধায়ক। বাজেটখনত আমি এটা বিভাগৰ কথা উল্লেখ কৰা দেখিবলৈ নাপালোঁ। সাংবিধানিক ভাবে পিচপৰি থকা অনুসূচিত জাতিৰ মানুহখিনিৰ সম্পৰ্কত কোনো ধৰণৰ বিশেষ আঁচনি আমি বাজেটত দেখিবলৈ নাপালোঁ। গতানুগতিক আঁচনিসমূহ বাজেটত আছে যিবিলাক হ'ল ব্যক্তিগত লাভালাভৰ আঁচনি। এখন ট্ৰেক্টৰ দিয়া, পাৱাৰ টিলাৰ দিয়া, তাঁতশাল, হাঁহ দিয়া, মুৰ্গীদিয়া, ছাগলী দিয়া এই বিলাক আঁচনি আছে। কিন্তু এই বিলাক আঁচনিৰ জৰিয়তে অসমত থকা অনুসূচিত জাতিৰ মানুহখিনিক কোনো কাৰণতে উন্নয়ন ঘটাব নোৱাৰে। এই ক্ষেত্ৰত চৰকাৰ এটা কংক্ৰিট প'লিচি ল'ব লাগে। সেই অনুসূচিত মানুহখিনি থকা গাৱসমূহত ক্লাষ্টাৰ বেচিচ আঁচনি লৈ মানুহখিনিৰ উন্নয়নৰ ব্যৱস্থা কৰিব লাগে। ভাৰত স্বাধীন হোৱা আজি ৭০ বছৰ হ'ল কিন্তু এই মানুহখিনি তেনেকৈয়ে আছে। ভৈয়াম জনজাতি আৰু অন্যান্য পিচ পৰা শ্ৰেণী কল্যাণ বিভাগৰ দ্বাৰা cluster basis আঁচনি গ্ৰহণ কৰি এই মানুহখিনিৰ উন্নয়নৰ বাবে বিশেষ ব্যৱস্থা হাতত ল'ব লাগে। প্ৰয়োজনত উপদেষ্টা সমিতিৰ লগত আলোচনা-বিলোচনা কৰি ঠিক কৰিব লাগে। এটা কথা ঠিক যিমান ধন আৱন্টন দিয়া হয় সেইখিনি অকল ব্যক্তিগত লাভালাভৰ বাবে। নিবনুৱা সকলক গাড়ী এখন দিলে ছমাহ পিছত গাড়ীখন বিক্ৰী কৰি দিয়ে। ক'ত উন্নতি হ'ব। এইবিষয়ত বাজেটত কোনো চিন্তাচৰ্চা নেদেখিলো। মই বিত্ত মন্ত্ৰী মহোদয়ক সেই অঞ্চলৰ নিবনুৱাসকলক লৈ এটা cluster basisত আঁচনি লোৱা বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়ালোঁ। শেষত বিত্তমন্ত্ৰী ডাঙৰীয়াক অসমৰ প্ৰতিটো জনগোষ্ঠীৰ লগতে শিশুৰ পৰা বৃদ্ধলৈ সকলোকে সামৰিলৈ বাজেট দাখিল কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো আৰু এই বাজেটৰ সামগ্ৰীক উন্নয়নৰ ছবিখন ২০১৮-১৯ বিত্তীয় বৰ্ষত দেখিবলৈ পাম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীৰমাকান্ত দেউৰী।

**শ্ৰীৰমাকান্ত দেউৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উপস্থিত সন্মানীয় মন্ত্ৰী আৰু বিধায়কসকল যোৱা ১২ মাৰ্চ ২০১৮ সদনত উপস্থাপন হোৱা বাজেট সম্পৰ্কত মই ক'ব বিচাৰিছোঁ। ইতিমধ্যে বিৰোধী আৰু শাসকীয় পক্ষৰ মাননীয় বিধায়কসকলে বজেট সম্পৰ্কত সুন্দৰ বক্তব্য আগবঢ়াইছে। মই সকলো কথা ভালদৰে হৃদয়ঙ্গম কৰিছোঁ। পবিত্ৰ সদনত মই নতুনকৈ অহা বিধায়ক হিচাবে এই বক্তব্যসমূহ শুনি আছোঁ। মোৰ ইয়াত দুটা বছৰ সম্পূৰ্ণ হ'ব, এই দুই বছৰ মোৰ কিছু অভিজ্ঞতা হৈছে। বিগত দিনত কথাসমূহ জনাৰ বাবে মই মৌনতা অৱলম্বন কৰি আহিছিলো আৰু বিভিন্ন বিভাগৰ ওপৰত অহা বিৰ্তকত অংশগ্ৰহণ কৰা নাছিলোঁ। ২০১৮-১৯ বিত্তীয় বাজেটৰ পৰা সমগ্ৰ অসমৰ তিনিকোটি বিশ লাখ জনসাধাৰণ উপকৃত হ'ব। এই সুযোগতে আজি বাজেট সম্পৰ্কত মই কেইটামান কথা ক'ব বিচাৰিছোঁ। মোৰ দৃষ্টিত চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ লোকক সামৰি কেইটামান দিশত যুগান্তকাৰী সিদ্ধান্ত লৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দেশৰ প্ৰধানমন্ত্ৰীৰ অনুসৰণেৰে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ একান্ত প্ৰচেষ্টাত 'সবকা সাথ, সবকা বিকাশ" নীতিয়ে অসমৰ সকলো শ্ৰেণীৰ নাগৰিকক লৈ জনমূখী তথা বিকাশমুখী বাজেট প্ৰস্তুত কৰিলে

তাৰ বাবে মই মাননীয় বিত্তমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰথমতে,উত্তৰ গুৱাহাটী আৰু পানবজাৰৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ অনুমোদন জনাইছে সেইটো উল্লেখনীয়। এই বাজেটত অনুকম্পামূলক নিযুক্তিৰ পৰিবৰ্তে অনুকম্পামূলক আঁচনি পাৰিবাৰিক পেঞ্চনৰ ব্যৱস্থা লৈছে সেয়া অতি আদৰণীয়। প্ৰাথমিক বিদ্যালয়ৰ অতিৰিক্ত কোঠা. প্ৰাথমিক বিদ্যালয়ৰ অতিৰিক্ত কোঠা বৈদ্যুতিক সংযোগৰ বাজেটৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে এই পদক্ষেপত সকলোৱে আদৰণি জনাইছে আৰু মইও আদৰণি জনাইছো। এই বাজেটত উচ্চশিক্ষাৰ ২০ খন অনুষ্ঠানৰ শৈক্ষিক আন্তঃগাঁথনি উন্নতিকৰণৰ বাবে ধাৰ্য্য কৰিছে, সেইটোৱে উচ্চ শিক্ষা ব্যৱস্থাটোৰ উন্নতি সাধনত সহায় কৰিব। ইয়াৰ বাহিৰেও এই বাজেটত বহুকেইটা দিশ সামৰি এই বাজেট খন প্ৰস্তুত কৰিছে। কিন্তু এটা কথা মই ক'বলৈ বিচাৰিছো মাননীয় অধ্যক্ষ মহোদয়, যে বিভিন্ন জনগোষ্ঠী, ভাষা, সংস্কৃতি হেৰাই যোৱাৰ উপশম ঘটিছে। বৈদিক আৰু আৰবীক শিক্ষাৰ ক্ষেত্ৰত প্ৰাথমিক আৰু উচ্চ শিক্ষালৈকে অসমত ব্যৱস্থা আছে। কিন্তু অতি দুখৰ কথা যিটো সময়ত জনজাতি সকলৰ ভাষা-সংস্কৃতি হেৰাই গৈছে সেইটো সময়ত তিৱা ভাষা, এটা তিৱা সকলৰ স্বৰ্গীয় ভাষা। মই বহুবাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক আবেদন-নিবেদন কৰিছিলো যে প্ৰাথমিক পৰ্য্যায়ত অন্তঃত ১০০ খন তিৱা শিক্ষা, ভাষা প্ৰৱৰ্ত্তন আৰু নিযুক্তিৰ কাৰণে ব্যৱস্থা কৰিব লাগে। তাৰ কাৰণে অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছো। একেখিনি কথাকে বহুজন বিধায়কে কৈছে। সেইকাৰণে মই একেখিনি কথাকে ক'ব বিচৰা নাই। কাৰণ এই বাজেটখনে এটা ভাল সফলতা অৰ্জন কৰিব যে বিভিন্ন দিশত আৰু বিভিন্ন সময়ত দেখা গৈছে যোৱা কালি এই সদনৰ সন্মানীয় সদস্য কেইজনমানে এই সদনত এই বাজেটৰ সমালোচনা নকৰি বাহিৰত সমালোচনা কৰা দেখা গৈছে। মই ভাৱো ৩২০ কোটি মানুহে আমাৰ বিধায়ক সকলক এই সদনলৈ নিৰ্বাচন কৰিছে। গতিকে বাহিৰত সমালোচনা কৰাৰ কোনো যুক্তি নাই। মই পৱিত্ৰ সদনত এই কথাটো কৈছো এই কাৰণে কাৰণ মইও এজন বিধায়ক। আপোনালোকেও একো একো জন বিধায়ক আৰু আমাৰ বক্তব্য ৩ কোটি ২০ লাখ মানুহে আমাক চাই আছে। সেইকাৰণে আলোচনা- সমালোচনা কৰিলে পৱিত্ৰ সদনৰ মৰ্জিয়াত কৰিব লাগে। গতিকে মই এই কথাটো ব্যক্তিগতভাৱে উপলব্ধি কৰা কাৰণে এই বিষয়টো ইয়াত উত্থাপন কৰিলো। আৰু বহু কথা ইয়াত সংযোজন আছে। সকলোখিনি দিশ সামৰি যিহেতু এই বাজেটখন প্ৰস্তুত কৰিছে । গতিকে আমি কি পাইচো কি নাই পোৱা আমি সকলো জ্ঞাত আৰু বিগত বাজেটৰ কথা আমি নকওঁ। এই বাজেটখনৰ এটা দিশ মই ক'বলৈ বিচাৰিছো। এই বাজেটখনে চৰকাৰক এটা ভাল দিশলৈ জনসাধাৰণৰ প্ৰিয়ভাজন হ'বলৈ এই বাজেটখনে এটা ভাল পদক্ষেপ গ্ৰহণ কৰিছে। আমি এটা উপলব্ধি কৰিছো যে আমি সমালোচনা কৰাটো সহজ। কিন্তু কাম কৰাটো বৰ জটিল। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যে এই বাজেটখনত যিবোৰ দিশ অন্তৰ্ভূক্ত হ'ল, যি বাজেট ইয়াত সংযোজন হ'ল যাতে কামবোৰ সোনকালে কৰি ৰাইজৰ মাজত আমি যাতে প্ৰিয়ভাজন হ'ব পাৰো তাৰ বাবে চেষ্টা কৰিব লাগিব। এতিয়া বাজেটখন এটা বছৰ প্ৰস্তুত কৰা এখন দলিল। এই দলিলখন আমি অন্তৰ্নিহিত কৰিছো। ৩০ কোটি ২০ লক্ষ্য মানুহৰ জীৱন ধাৰণৰ মান দণ্ড উন্নয়ণ কৰিবৰ কাৰণে এখন দলিল। যদি এই দলিলখন বাস্তৱত ৰূপায়ণ কৰিব নোৱাৰো, তেতিয়াহ'লে আমাৰ পৱিত্ৰ সদনত থকা প্ৰত্যেকজন বিধায়কক ৰাইজে ক্ষমা নকৰিব। এই কথাটো মই ভালদৰে উপলব্ধি কৰিছো যে বিৰোধী পক্ষই এই বাজেটখনক সমালোচনা কৰিছে। সমালোচনা কৰা ভাল কথা। বিৰোধী পক্ষই আমাক সমালোচনা কৰিব আৰু চৰকাৰ পক্ষই সততাৰে নিষ্ঠাৰে কামখিনি কৰিবৰ বাবে চেষ্টা কৰিব। গতিকে মই ভাৱো বিৰোধী পক্ষই কাম-কাজ কৰিবলৈ যথেষ্ট সচেতন হ'ব।

গতিকে অনুৰোধ জনাইছো, আহ্বান জনাইছো ইয়াত যিমানবিলাক লিপিবদ্ধ সংযোজন কৰিছে আজি মাননীয় মন্ত্রী ড: হিমন্ত বিশ্ব শৰ্মাদেৱে বিত্ত মন্ত্রী হিচাপে বহু কষ্ট কৰি এই ৩ কোটি ২০ লক্ষ্য মানুহৰ জীৱন ধৰণৰ  লগত সংগতি ৰাখি এই বাজেটখন তৈয়াৰ কৰিছে আৰু ইয়াক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত  অনাগত দিনবোৰত আমি প্ৰত্যেকজন বিধায়কে চেষ্টা কৰিম। এইখিনি আমাৰ প্ৰত্যেকজন বিধায়কৰ প্ৰধান দায়িত্ব যে মোৰ সমষ্টিটোত কেনেধৰণে সমাধান কৰিম এই বাজেটতে লিপিবদ্ধ আছে। এই পৱিত্ৰ সদনত মাননীয় অধ্যক্ষ ডাঙৰীয়াই মোক দু-আষাৰ বক্তব্য ৰাখিব দিয়া বাবে মই তেখেতলৈ শ্ৰদ্ধা জনাইছো আৰু এই বাজেটখনক মই মোৰ ফালৰ পৰা  বিধায়ক হিচাপে চেষ্টা কৰিম, ইয়াক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত। এইখিনি আমাৰ প্ৰত্যেকজন বিধায়কৰ প্ৰধান দায়িত্ব যে মোৰ সমষ্টিটো কেনেধৰণৰ উন্নতি কৰিব লাগে। মোৰ সমষ্টিত পিচ পৰি থকা বহুতো সমস্যা আছে। এই সমস্যাসমূহ কেনেধৰণে সমাধান কৰিম। এই বাজেটতে লিপিবদ্ধ আছে। এই পবিত্ৰ সদনত মাননীয় অধ্যক্ষ ডাঙৰীয়াই মোক দু-আষাৰ বক্তব্য ৰাখিব দিয়া বাবে মই তেখেতলৈ শ্ৰদ্ধা জনাইছো আৰু এই বাজেটখনক মই মোৰ ফালৰ পৰা আন্তৰিকতাৰে গ্ৰহণ কৰিছো আৰু সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মামুন ইমদাদুল হক। আপোনাৰ সময় আছে ৯ মিনিট। ১০ মিনিটৰ ভিতৰত শেষ কৰিব।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক  বাজেট আলোচনাত অংশগ্ৰহণ কৰাৰ সুবিধা দিয়া বাবে আপোনাক ধন্যবাদ জনাইছো। আমাৰ অলপ আগতে মাননীয় গোৱালা ডাঙৰীয়াই ক'লে যে সমালোচনা নকৰিব আৰু দেউৰী ডাঙৰীয়াই ক'লে যে সমালোচনা কৰিব। কিন্তু আচল কথাটো হ'ল আমি Parliamentary Democracy ত আছো আৰু Parliamentary Democracy ত Decent is must. এইটো থাকিবই। সেইফালৰ পৰা Propose কৰিব। আমাৰ ফালৰ পৰা oppose কৰিম। আপুনি ছাৰ গাইড লাইন দিব। বিজেপি বিধায়ক গোৱালা ডাঙৰীয়াই ক'লে যে আমি বোলে বাজেটখন পঢ়া নাই। আমি ২০১৬-১৭খনো পঢ়িছো, ২০১৭-১৮ খনো পঢ়িছো। ২০১৮-১৯ খনো পঢ়িছো আৰু খুব ভালকৈ আমি পঢ়িছো। ভালকৈ পঢ়া কাৰণে আমাৰ এটা ধাৰণা হৈছে যে তিনিখনকৈ বাজেট ২০ মাহত চৰকাৰ খনে দিছে।এইটো চৰকাৰখনৰ কাৰণে ভাগ্য। এই যে তিনিখনকৈ বাজেট তেওঁলোকে দিলে মোৰ এটা ধাৰণা হৈছে যে ভৱিষ্যত যিসকলে বাজেট বিশ্লেষণ কৰিব, বাজেটৰ ওপৰত যিসকল পণ্ডিত মানুহ অৰ্থনীতিবিদ, তেওঁলেকে চাগৈ আমাৰ বাজেটখন অলপ বেলেগ লাইনত চিন্তা কৰিব যে Not in the sense of development but in the sense of literature বাজেটখনত development plan programe ত কৈ বেছি Literature ৰ কথা আছে। ইয়াত  ইমান ভালকৈ কিছুমান কথা কোৱা হৈছে মানে শব্দৰ মায়াজাল। কিছুমান মেজিকেল শব্দ ব্যৱহাৰ কৰা হৈছে। মানুহবোৰ ইয়াত আকৰ্ষিত হৈ পৰিছে। "একত্ৰিকৰণ, সম্প্ৰসাৰণ আৰু উত্তৰণ" এই তিনিটা গাইড লাইন ফৰ্ছৰ কথা কৈছে। এতিয়া একত্ৰিকৰণ শুনোতে এনেকুৱা লাগে যে বিৰাট ডাঙৰ বস্তু। কিন্তু একোৱেই নহয়। যোৱা বছৰ এক হাজাৰ দলংৰ কথা কৈছিল। এইবাৰ ইয়াত সোমাই দিলে একত্ৰিকৰণ। যোৱাবছৰ অষ্টাদশী উন্নয়ণৰ মুকুতাৰ মালাৰ কথা কৈছিল, এইটো সোমোৱাই দিলে একত্ৰিকৰণ। যোৱাবছৰ Signature Project ৰ কথা কৈছিল, সেইটোৰ বিষয়ে চিঠি দি অফিচাৰৰ লগত ঘূৰি ঘূৰি ভাগৰি পৰিলো। সেইটো ইয়াত সোমোৱাই দিলে সেইটো একত্ৰিকৰণ। তাৰ পিছত ক'লে সম্প্ৰৰসাৰণৰ কথা। সম্প্ৰৰসাৰণ কি এইটো তেওঁলোকৰ  বাজেটৰ Guiding

force একত্ৰিকৰণ, সম্প্ৰসাৰণ আৰু উত্তৰণ। বৃদ্ধ পেঞ্চনৰ কথাটো ক'লে। আগতে অকল দুখীয়া মানুহে পাইছিল। এতিয়া ধনী মানুহেও পাব। কিয় পাব বুজি পোৱা নাই। ধনী মানুহক কিয় বৃদ্ধ পেঞ্চনটো লাগে? এইটো এটা সম্প্ৰৰসাৰণ। তাৰ পিছত ক'লে উত্তৰণ। গৃহৰক্ষী বাহিনীৰ কাৰণে দৈনিক মাত্ৰ ৫০ টকা বৃদ্ধি কৰিছে। এইটোকে কৈছে উত্তৰণ। এই যে ছাৰ শব্দৰ মায়াজাল "একত্ৰিকৰণ, সম্প্ৰসাৰণ আৰু উত্তৰণ" এইটো কাৰণে আমি মাননীয় বিত্ত মন্ত্ৰীক ধন্যবাদ দিব লাগিব । মাননীয় অধ্যক্ষ মহোদয়, সিদিনাখন মাননীয় বিত্ত মন্ত্ৰীয়ে বাজেট দিয়াৰ আগদিনাখন , Pre- Budget Press - conference এখন কৰিছিল । তাত তেখেতে এটা গুৰুত্বপূৰ্ণ কথা কৈছে- চৰকাৰী পক্ষই কেনেকৈ লয় মই নাজানো । চৰকাৰ খনৰ হেনো মূলত - তিনিটা বিভাগেই প্ৰধান বিভাগ, বিভাগ কেইটা হ'ল - Health, Education and Home । গতিকে চাৰ , মই controversial কথাত নাযাওঁ । সেইটো তেওঁলোকৰ ভিতৰুৱা কথা। Agriculture, Water Resourse, P.W.D, Textile তেখেতৰ সমষ্টি গুৱালকুছিত Textile হে আছে । এই বিলাকলৈ মই নাযাওঁ । তেখেঁতে যিটো কথা ক'লে , Health, Education and Home, মোৰ যিহেতু সময় কম, গতিকে এই তিনিটা কথাই মই ক'ব বিচাৰিছোঁ, মোৰ হাতত এটা ৰেকৰ্ড আছে, এইটো Central Government ৰ নীতি আয়োগৰ এইটো Report । মাননীয় বিত্ত মন্ত্ৰীয়ে বাজেট ভাষণত কৈছে as per of electoral commitment, ভাল word, শুনিবলৈ খুউব ভাল । "প্ৰতিশ্ৰুতি দি প্ৰতিশ্ৰুতি ৰক্ষা কৰাটোৱেই" হ'ল commitment. কিন্তু চাৰ আমি যিটো Report দেখিছোঁ তাত Central Government ৰ নীতি আয়োগে কৈছে , infant mortality ত ভাৰতবৰ্ষত ২৯ খন ৰাজ্য আছে, ৭ খন Union Territory আছে । বৰ্তমান সকলোতকৈ তলৰ যি তিনিখন state আছে, তাৰ ভিতৰত Assam and Bihar একেলগে , chattisgarh, U.P. এইটো মই কোৱা নাই চাৰ, নীতি আয়োগে কৈ আছে আৰু ৪ খন ৰাজ্য, বিহাৰ আৰু অসম একেলগে আছে। গতিকে এই৪ খন ৰাজ্য কোনে শাসন কৰিছে । Assam , Bihar ,chattisgarh and U.P, এইটো জনা কথা, আগৰ নহয় । 10th March, 2018 ৰ মই চাৰ ৰেকৰ্ড দি আছোঁ । Government ৰ record . তাৰ পিছত Maternal Mortality, আগত ক'লো চাৰ Infant Mortality এইটো হ'ল Maternel Mortality. Maternel Mortality ত ভাৰতবৰ্ষৰ তিনিখন ষ্টেটৰ ভিতৰতAssam, U.P আৰু Uttarakhand একেলগে আছে ইয়াত কোনে শাসন কৰি আছে মই কোৱা নাই । মাননীয় অধ্যক্ষ মহোদয়,তাৰ কাৰণে মই আপোনাক ব্যক্তিগত ভাৱে ধন্যবাদ জনাইছোঁ । সিদিনা আপুনি আমাক National Legislation Conferrence ত পঠাইছিল তাত Prime Minister ডাঙৰীয়াৰ presence ত Chairman , Chief Executive Officer "Amitabh Kantray" এইটো ৰিপৰ্ট দিছে ।

very brief কৰি মই কৈ দিছোঁ । Details ত নাযাওঁ । নীতি আয়োগে , Ministry of Health &Family Welfare and World Bank. এই তিনিটা বিভাগে নবজাতকৰ মৃত্যুৰ হাৰ, ৫ বছৰ বয়সৰ অনুৰ্দ্ধৰ শিশুৰ মৃত্যুৰ হাৰ এই দুয়োটাৰ ওপৰত চাৰ্ভে কৰি ৰিপোৰ্ট উলিয়াইছিল । তাত চাৰ স্বাস্থ্যৰ যিটো সূচাংক, Health Index ,according to Government নীতি আয়োগ according to Union Health Ministry and according to World Bankআমাৰ স্থান চাৰ ২১ । এইখন চৰকাৰৰ মূল যিটো স্তম্ভ - স্বাস্থ্য, চাওঁক । মাননীয় মন্ত্ৰীয়ে কোৱা এই স্বাস্থ্যৰ বাস্তৱ অৱস্থা ।

Next,মই আহো Education সম্পৰ্কত । চাৰ একে নীতি আয়োগৰ ৰিপৰ্ট এটা আপোনালোকক দিব বিচাৰিছোঁ, ভাৰতবৰ্ষৰ ভিতৰত, School drop out ৰ যি ৪ খন সকলোতকৈ বেয়া পৰ্য্যায়ত আছে , তাৰ ভিতৰত অসম, বিহাৰ, মধ্যপ্ৰদেশ আৰু উত্তৰ প্ৰদেশ । এইটো বাস্তৱ, নীতি আয়োগে কোৱা স্কুল Drop out । সিদিনা বাজেট ভাষণত মাননীয় বিত্ত মন্ত্ৰীয়ে কৈছে, তেখেঁত মাননীয় শিক্ষামন্ত্ৰীও হয় । তেখেঁতে কৈছে , অসমত স্কুলৰ আৰু দৰকাৰ নাই । নীতি আয়োগে কৈছে যে খাৰুপেটীয়া আৰু দৰঙত ৫খন প্ৰাইমাৰী স্কুলত ১৩০০ ছাত্ৰ-ছাত্ৰী আছে । আপাৰ প্ৰাইমেৰি স্কুল এখন বৰপেটাত আছে তাত ৩৪৭ জন ছাত্ৰ-ছাত্ৰী আছে।আকৌ মাননীয় বিত্ত মন্ত্ৰীয়ে কৈছে যে স্কুলৰ দৰকাৰ নাই । অধ্যক্ষ মহোদয়, হোমগাৰ্ড সম্পৰ্কত এটা কথা কৈছে - wording to excellent এইটো salute কৰিব লাগিব Home Guard of Voluntary Organization for local defence has been acting as an auxilary to the police for the maintenance of Law and Order in elections and for meeting emergencies. ইমান ভাল শব্দ Home Guard ৰ কাৰণে ব্যৱহাৰ কৰি মাননীটো মাত্ৰ ৫০ টকাহে increase কৰিলে। আঢ়ৈশ টকাৰ পৰা ৩০০ টকা কৰিলে । ৫০ টকা increase কৰিলে । গতিকে চাৰ, এইয়াই হ'ল Education আৰু Home Department ৰ বাস্তৱ সত্য । মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত যিহেতু সময় কম, চৰকাৰী পক্ষক মই এটা কথা কৈছোঁ যে- আপোনালোকে আমাক যিমানেই Demoralise কৰিবলৈ চেষ্টা নকৰক কিয়, মই Ex- Prime Minister , Mr.Chandra Sekhar ৰ এটা ভাষণৰ দুটা লাইন আপোনাৰ জৰিয়তে সদনক জনাব বিচাৰিছোঁ । If occasion comes I shall go to the doors of my worst critics, but I assure you whether you are a critic or a supporter don't try to remove me from the path which I have started for myself . এইটো তেখেঁতে Prime Minister হিচাপে ১৯৯০ চনৰ ১৬ নৱেম্বৰত Parliament ত কৈছিল যিমানেই আপোনালোকে আমাক Demoralise কৰিবলৈ চেষ্টা নকৰক কিয় ? Don't try to remove me . আমি যিটো ৰাষ্টাত আছোঁ, মাননীয় অধ্যক্ষ মহোদয়, সেইদিনা মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে, জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ কেইটামান পংক্তি তেখেতে কৈছিল, মোৰ সচাঁকৈয়ে ভাল লাগিছিল । কবিতাটোৰ নামটো বহু কষ্ট কৰি মই উলিয়াইছো । কবিতা টোৰ নাম আছিল -"অসমীয়া ডেকাৰ উক্তি"। জ্যোতিপ্ৰসাদ আগৰৱালাই ২৬-০৮-১৯৪৩ চনত কলিকতাত লিখিছিল ।এতিয়া চাৰ, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে মাজে সময়ে আমাৰ বিধায়িনী দলক ইমান অৱজ্ঞাৰ সুৰত কথা বিলাক কয়, আমি চাৰ দুখ পাওঁ । সেইকাৰণে যিহেতু জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাটোৰ তেখেতে reference দিছে , same কবিতাটোৰে পিছৰখিনি শাৰী মই সংযোজন কৰি দিব বিচাৰিছোঁ আৰু মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জড়িয়তে অনুৰোধ কৰিব বিচাৰিছো, যে যদি এইটো spirit ত তেখেতে চলে, তেতিয়া চৰকাৰৰো ভাল হ'ব, অসমৰো ভাল হ'ব । গতিকে কবিতাটোৰ পিছৰ লাইনটো মই যোগ কৰিলো। জ্যোতিপ্ৰসাদ আগৰৱালাই লিখিছিল "-মইয়েই খাছীয়া, মইয়েই জয়ন্তীয়া, ডফলা, আবৰ, অ'কা; মইয়েই চিংফৌ, ভৈয়ামৰ মিৰি, সোৱণশিৰীয়া ডেকা । বিজয়ী অসম ক'ছাৰী কোচৰ, মেচৰ কুমাৰ মই ৰাজবংশী ৰাভা ; মই লালুং , চুতীয়া, লুচাই , মিকিৰ ,গাৰো, মিচিমি, খাম'তি, নগা আংগামি বীৰ ; পব্বৰ্তে-পাহাৰে জ্বলিছে উচ্চ শিৰ । সাম্য-মৈত্ৰীৰ মইয়ে বনুৱা, চাহ-বাগিচাৰ মইয়ে বনুৱা; ন-অসমীয়া মৈ-মান সিংঙীয়া, থলুৱা, নেপালী, মৃত্যু-কুশলী মনিপুৰীয়া মই

। ” - অধ্যক্ষ মহোদয়, তেখেতে পেজ নম্বৰ -৪ ত লিখা কবিতাটোৰ লগত যদি কবিতাটোৰ এই কথাখিনিও যদি যোগ কৰি দিয়ে আমি ভাল পাম। এইখিনি কথা কৈ মোৰ বক্তব্য শেষ কৰিলোঁ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । মই এতিয়া ইমানুৱেল মোছাহাৰীক ক'বলৈ আহ্বান জনালোঁ ।

**শ্ৰী ইমানুৱেল মোছাহাৰী, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেট আলোচনা চলি থকাৰ সময়তে মই কিছুমান সংযোজন কৰিব বিচাৰিছোঁ । আমাৰ ইতিমধ্যে শিবু মিশ্ৰ ডাঙৰীয়াই কিছুমান বক্তব্য ৰাখিছে । গতিকে, জাতি-মাটি-ভেটিৰ শ্লোগানেৰে ২০১৬ চনত জয়যুক্ত হৈ যৌথ ভাবে বিজেপিৰ নেতৃত্বত অসমত চৰকাৰখন চলি আছে । আজি আমাৰ বহুতো সদস্যই বক্তব্য ৰাখিলে । বাজেট স্পীচবোৰ আমি পঢ়িলোঁ । ইয়াত বিশেষকৈ আমি পালোঁ যে সমাজৰ প্ৰতিটো স্তৰৰ , এখন ঘৰৰ প্ৰতিটো লৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি, এখন ৰাষ্ট্ৰৰ প্ৰতিটো ধৰ্মাৱালম্বী, প্ৰতিটো জনগোষ্ঠীৰে অভাৱ- অভিযোগ, সমস্যা বিলাক ডাঙি ধৰি বাজেটখন প্ৰস্তুত কৰা হৈছে । ইয়াত আমি ৰিফ্লেক্ট কৰাটো আমি দেখিবলৈ পাইছো। বিশেষকৈ আমি যদি অলপমান ওভতি যাও যে নিটি আয়োগৰ আগতে প্লেনিং কমিছন আছিলে । সমগ্ৰ উন্নয়নৰ বাবে প্ৰতি বছৰে প্লেনিঙ কমিছনৰ পইছা আশা কৰি পেলাই আমি ষ্টেটবিলাকৰ উন্নয়নৰ কাৰণে বাট চাই আছিলো। গতিকে আজি ইয়াৰো সেই প্ৰচেষ্টাই চলি আছে কিন্তু এইবাৰ বিশেষকৈ এটা বস্তুয়ে দেখা পালো বিশেষকৈ এডভানটেজ আছাম ইনভেষ্টমেন্ট বিচাৰি আমাৰ ষ্টেটবিলাকত উন্নয়ন কৰাৰ বাবে আমাৰ কেন্দ্ৰীয় চৰকাৰে এটা বেলেগ ব্যৱস্থা কৰিছে। ইয়াত কোপাৰেটিভ ফেডাৰেলইজিম আৰু ইয়াৰ কিছু ক্ষেত্ৰত আমি মাজে মাজে আগুৱাই গৈ অলপ কম্পিটিটিভ ফেডাৰেলইজিম আমি দেখা পাম। গতিকে কেৱল প্লেনিঙ কমিছন বা নিটি আয়োগৰ পইছাৰে উন্নয়নৰ সেই আশাটো ন্যস্ত নকৰি এটা ইনোভেচন ষ্টেট হিচাপে কি ধৰণে আগুৱাই লৈ যাব পৰা যায় ইয়াৰ কাৰণে ফাণ্ডবিলাক কি ধৰণে জেনেৰেট কৰা যায়, এইটো চেষ্টা চলোৱাটো আমি এই বাজেটত দেখা পাইছো। গতিকে আমি পাহৰি গলো যে আজি ৫ টা বছৰ আগতে প্ৰথমবাৰ নিৰ্বাচিত হৈ যেতিয়া ইয়ালৈ আহিছো তেতিয়া প্ৰতিটো বাজেট আলোচনাত আমি ষ্টেটৰ ল এণ্ড অৰ্ডাৰ চিটুৱেশ্বনৰ বিষয়ে আলোচনা হৈছিল কিন্তু এইবাৰ আমি কোনো এগৰাকী সদস্যৰ মুখত উত্থাপন কৰা শুনা নাই। দেখা নাপালো। নিশ্চয় ৰাজ্যলৈ শান্তি ঘুৰি আহিছে। গতিকে আমি উন্নয়নৰ ফালে ঢাপলি মেলিছো। আমাৰ হাউছত মাননীয় পদ্ম হাজৰিকা ডাঙৰীয়াই কৈছে,মনত পেলাই দিছিলে ২০১৪ চনৰ ২৬ ডেচেম্বৰ তাৰিখে অপাৰেছন অল আউট ঘোষণা কৰাৰ পিছতে আমি ক'ব লাগিব অসমত শতকৰা ৯০ পাৰ্চেন্ট শান্তি ঘুৰি আহিছে। গতিকে শান্তি ঘুৰি অহাৰ কাৰণে নিশ্চয় আমি নতুন চৰকাৰক পৰিৱৰ্ত্তনকামী চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব লাগিব। বৰ্ত্তমান বি জে পি চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব লাগিব। প্ৰধান মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিব লাগিব। এতিয়া আমি এটলিষ্ট ফ্ৰিডম ফ্ৰম ফিয়েৰ। আগতে আমি ভয়ত কোঁচ খাই আছিলো । প্ৰতিদেনে ভয় আৰু শংকাগ্ৰস্থ হৈ আছিলো। গতিকে আমি উন্নয়নৰ কথা আমি ভাৱিব পৰা নাছিলো । কিন্তু এইবাৰ উন্নয়নৰ প্ৰতি আমি ভাবো কি হৈছে , কি হোৱা নাই , কি পাম, কি নাপাম আমাৰ পঢ়া শুনা কৰা লৰা ছোৱালীখিনি আজি পঢ়াৰ কাৰণে ভাল পৰিৱেশ পাইছে। আমি যদি ভাৱো যে আমাৰ এগৰাকী অবিবাহিত বাই বা ভনী আছে , তাই কিন্তু একো নাপালে, কিন্তু আজি আমি ইয়াত দেখা পাইছো আমাৰ অষ্টাদশ যিটো মুকুতা উন্নয়ন আঁচনিত এই গোটেই বিষয়টো অৰ্ন্তভূক্ত কৰিছে। গোটেই বিষয় বস্তুটো আমাৰ বাজেট স্পীচত উল্লেখ কৰা হৈছে। ১৮ প্লাচ ৪২ - টোটেল - ৬০ ডিক্লাৰেচন আমি দেখিবলৈ পাইছো। সমাজৰ প্ৰতিটো স্তৰক প্ৰভাবিত কৰাকৈ এই বাজেটখন প্ৰস্তুত কৰা হৈছে। আমাৰ

চাচটেইনবল ডেভল'পমেন্ট গোল ইয়াৰ বিষয়ে ইতিমধ্যে পাৰ্লিয়ামেন্টত চাৰিবাৰকৈ আলোচনা কৰা হৈছে। আমাৰ ইয়াতো মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত ইয়াৰ বিষয়ে আলোচনা আগবঢ়াইছে আমাকো এই বিষয়ে কথাবিলাক শিকালে আমি জানিলো কিন্তু অলপতে আমি গম পালো যে ২০৩০ চন নহয় ২০২২ চনত ভাৰতবৰ্ষই এই টাৰ্গেটটো মীট কৰিবলৈ চেষ্টা চলাইছে। আৰু স্বাধীনতাৰ ৭০ বছৰ পিছত যিখিনি মেক্সিমান টাৰগেট আছিল সেইখিনি যাতে ফুলফিল কৰিব পৰা যায় এই বিষয়ে প্ৰধান মন্ত্ৰী ডাঙৰীয়াই নিজে ঘোষণা কৰিছে। এই বাজেটত আমি দেখা পালো যে চাচটেইনেবল গোল কি ধৰণে মীট কৰিব পৰা যায়। ইয়াৰ লগত সংগতি ৰাখি ভাৰতত যি ১১৫ খন অনুন্নত ডিষ্ট্ৰিক্ট আছে যিখিনিত উন্নয়ন হোৱা নাই সেইখিনি আগবঢ়া ডিষ্ট্ৰিক্ট খিনিৰ লগত যদি সমানে খোজ মিলাই যাব নোৱাৰে তেন্তে ভাৰতবৰ্ষ বা অসমৰ উন্নয়ন কৰাটো সম্ভৱপৰ নহয়। আমি বেকৰাৰ্ড ডিষ্ট্ৰিক্ট ক'বলৈ বেয়া পাওঁ সেই কাৰণে এইবাৰ এচপায়ৰেচন ডিষ্ট্ৰিক্ট বুলি উল্লেখ কৰিছে। আমি কিন্তু সেই ডিষ্ট্ৰিক্টখিনিক ৰিপ্ৰেজেন্ট কৰা নাই। গতিকে সেই অনুন্নত ১১৫ খন ডিষ্ট্ৰিক্টক কিধৰণে উন্নত কৰিব পৰা যায় চৰকাৰে চিন্তা চৰ্চা কৰিছে। প্ৰতি জিলাত যিখিনি ঘোষণাখিনি দিছে ইয়াত সাঙুৰি লোৱা হৈছে। বিশেষকৈ আমাৰ চাচটেইনৱেল গোলৰ ওপৰত আমাৰ শিক্ষা যথেষ্ট প্ৰয়োজন যাতে কোনেও অনাহাৰে থাকিব নালাগে ঠিক তেনেকৈ শিক্ষাৰ ক্ষেত্ৰত, বা মহিলা শিক্ষাৰ ক্ষেত্ৰত হওক নাইবা নিউট্ৰিচেনৰ ক্ষেত্ৰত হওক এটা সুন্দৰ দস্তাবেজ, এটা সুন্দৰ ঘোষণা আজি আমি দেখিবলৈ পাইছো। বিশেষকৈ আমাৰ সমগ্ৰ ভাৰতবৰ্ষৰ যিটো ডেভল'পমেন্ট আমাৰ চেলেঞ্জেজ আছে যে আমাৰ বন্ধুবৰ সন্মানীয় সদস্য ডাঙৰীয়া অলপ আগতে যিটো কথা কলে সেই হিচাপে মই অলপ বেলেগ দৃষ্টিভঙ্গীৰে ক'ব বিচাৰিছো ,মই ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে, আমাৰ স্পীকাৰ ডাঙৰীয়াই মোৰ নাম অন্তৰ্ভূক্ত কৰি কনফাৰেন্সত যাবলৈ সুবিধা কৰি দিলে আমি যথেষ্ট উপকৃত হ'লো ইয়াত গৈ। যে আমাৰ মূল বিষয়বস্তু আমাৰ গ্ৰ'থ ভাৰতবৰ্ষৰ অৰ্থনীতি ক'বলৈ গ'লে গ্ৰ'থ যদি আমি চাও চাইনাকো আজি চেৰ পেলাইছে। কিন্তু মূল বিষয়টো হ'ল এনেকুৱা এখন ডিষ্ট্ৰিক্ট আছে যি ডিষ্ট্ৰিক্ট যথেষ্ট আগবঢ়া কিন্তু সেই ডিষ্ট্ৰিক্টবিলাকত এনেকুৱা কিছুমান ইনডেক্স ৰৈ গৈছে যে এই ডিষ্ট্ৰিক্টখন আজি পিছপৰি গ'ল কিছু ক্ষেত্ৰত গতিকে আমি বিভিন্ন ইনডেক্সখিনি যদি চাওঁ সেই আগবঢ়া ডিষ্ট্ৰিক্টখিনিতো আমি মিনিমাম প্লাছ- মাইনাছ কৰিব নোৱাৰা ছাত্ৰ ছাত্ৰীবিলাক ওলাইছে বিশেষকৈ কেৰেলাত। আমি কেৰেলাৰ কথা জানো এখেতসকল পঢ়া শুনাত যথেষ্ট ভাল লিটাৰেচী যথেষ্ট ভাল কিন্তু মেথেমেটিকছৰ কেলকুলেচনৰ ক্ষেত্ৰত আজি কেৰেলা কিন্তু তলত পৰি গ'ল। তেনেকুৱা উদাহৰণ বিলাকো কিন্তু আছে আৰু বিশেষকৈ আমি সেইটো দেখা পালো যে নিউট্ৰিচনৰ ক্ষেত্ৰত প্ৰতি দুজন মহিলা যদি আছে এজন এনামিক। ৩ জন লৰা ছোৱালীবিলাকৰ ভিতৰত এজনৰ ক্ষেত্ৰত যিধৰণৰ গ্ৰ'থ হ'ব লাগিছিলে হোৱা নাই। ঠিক তেনেকৈ ৪ জনৰ ভিতৰত এজন হ'ল মেলমেৰিজ তাৰ পিচত ৫ জনৰ ভিতৰত এজন হ'ল ৰেষ্টেড। জীৱনত কোনোধৰণৰ একো কৰিব নোৱাৰিলে। পঢ়াতো আগবাঢ়িব নোৱাৰিলে গতিকে ৰেষ্টেড হৈ গ'ল। গতিকে আমাৰ বন্ধবৰ মাননীয় সদস্যগৰাকীয়ে যিটো কথা কৈছে মই সেইটোৰে কৈছো যে অসমৰ কিছুমান ক্ষেত্ৰত যথেষ্ট উন্নত কৰিছে। কিছুমান ক্ষেত্ৰত অসম ফাষ্ট কিন্তু কিছু ক্ষেত্ৰত অসমৰ ইনডেক্স ৰৈ গৈছে এই ৰৈ যোৱা খিনি অলপ উল্লেখ কৰিছে কিন্তু বাকী যি খিনি আগবাঢ়িছে সেইখিনি কিন্তু নক'লে। যিটো মোৰ দৃষ্টিত পাৰ্চপেক্টিভ মই সেইটোৰে কৈছো আৰু যিটো স্পষ্টভাৱে উল্লেখ কৰিছে মই সেইটো কথাই কৈছো।

**মাননীয় অধ্যক্ষঃ** আপুনি অলপ চৰ্ট কৰিলে ভাল হ'ব কাৰন মই আৰু দুজনক ক'বলৈ দিব পাৰিম।

প্লিছ কেৰি অন।

**শ্ৰী ইমানুল মছাহৰী, তামুলপুৰঃ** মই কিছুমান জিলাকেন্দ্ৰীক আৰু Location কেন্দ্ৰীকৰ কথা কম যে শিক্ষাৰ ক্ষেত্ৰত আমাৰ আগতে যি বক্তব্য ৰাখিলে মাননীয় সদস্য শ্ৰী চন্দন ব্ৰহ্মা ডাঙৰীয়াই, তেখেতে কিছুমান কথা কলে তাতে আমি যথেষ্ট উৎফুলিত হলো। বিশেষকৈ সমগ্ৰ অসমত চৰকাৰী Law Collage স্থাপনৰ কথা যি চিন্তা চৰ্চা কৰিছে আমি সলাগ লৈছো। সেই হিচাপে আমি বিচাৰিছো যে চাৰিখন জিলাত কমেও এখন ঠাইত চৰকাৰী Law Collage স্থাপন কৰে যথেষ্ট আমি ভাল পাম। ঠিক তেনেধৰণে মহিলা কলেজৰ ক্ষেত্ৰত তুলনামুলক ভাৱে অসমৰ শিক্ষা শতকৰা হাৰত নামি অহাৰ অন্যতম কাৰণটো হ'ল যে আমাৰ চৰ অঞ্চত আৰু ট্ৰাইবেল ডমিনেটেদ এৰিয়াৰ, সেই জিলাবিলাকৰ কাৰণে শিক্ষাৰ হাৰতো যথেষ্ট কম হৈছে। সেই হিচাপে মহিলাসকলক যদি শিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিব পৰা যায়, আৰু যি উদ্দেশ্যৰে মহিলা কলেজ স্থাপন কৰাৰ চিন্তা চৰ্চা কৰিছে গতিকে কমেও ট্ৰাইবেল ডমিনেটেদ এৰিয়া নাইবা 6th schedule এৰিয়া বিশেষকৈ বি টি চি অঞ্চল যদি এখন মহিলা কলেজ স্থাপন কৰে,তেতিয়া হ'লে যথেষ্ট ফলপ্ৰসু হ'ব আৰু সাৰ্থক হ'ব বুলি মই বিবেচনা কৰো। গতিকে ঠিক তেনেধৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো যে মোৰ সমষ্টিত **১০০** খন বিচনাযুক্ত হস্পিতাল স্থানৰ বাবে যো-যা কৰা বুলি কৈছে, ধন্যবাদ জ্ঞাপন কৰিছো আমাৰ মন্ত্ৰী মহোদয়ক। কিন্তু অন্য এটা বিষয় হ'ল যে কলেজ এখন স্থাপন জিলাভিত্তিত বাক্সাজিলাত দিবলৈ ওলাইছে, তাৰ বাবে আমি শলাগ লৈছো। ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু আমাৰ বিধায়ক সকলৰ মাজত এইটোক লৈ অলপ অৰিয়া অৰি আৰম্ভ হ'ল। গতিকে মাননীয় অধ্যক্ষ মহোদয়ে মন্ত্ৰী মহোদয়ৰ জৰিয়তে সেই অৰিয়া অৰিটো ভাঙিব লাগিব। এইটো হ'ল যে বাক্সাজিলা বুলি কলে ইয়াৰ চাব -ডিভিজন তিনিখন আছে। মোৰ সমষ্টি হিচাপে এখন চাব - ডিভিজন আছে, কথা হ'ল যে মোৰ সমষ্টিতকলেজ এখনো নাই। গতিকে মই বিশেষকৈ মাননীয় অধ্যক্ষ মহোদয়ে জৰিয়তে মই সেইটোকে বিচাৰিম যে কমেও তামুলপুৰ সমষ্টি হিচাপে যাতে এখন কলেজ পাওঁ, তেতিয়া হ'লে যথেষ্ট সন্তুষ্টি লাভ কৰিব পাৰিম বুলি মই ভাৰিছো।

তাৰ পিছত যিহেতু যোৱা বছৰ বাজেট ভাষণত পাইছিলো সুন্দৰ কিছুমান কাম আহিছিলে, কিন্তু এইবাৰ reflect হোৱা নাই। নিশ্চয় কামবিলাক আগবাঢ়ি আছে। এইটো আছিলে one of the clauses in the Bodo land accord ত। বি এল টিৰ মাজত যিটো accord হৈছিলে, এইটো হ'ল ওদালগুৰি চিকাৰীদাঙৰ পৰা আৰম্ভ কৰি পেলাই কোকৰাঝাৰ বঙ্গৰসীমাৰ জমদুৱাৰলৈকে **৩১৩** কি.মি. ৰাস্তা। যোৱা বাৰ কৈছিলে প্ৰায় **১২০০** কি.মি.ৰাস্তা Home Ministry approval দিয়া বুলি। তাৰ পিছত **৮৭২** লাখ টকা DPR বনোৱৰ প্ৰাক্‌কালীন প্ৰস্তুতিৰ কাৰণে পইচা অনুমোদন দিয়া বুলি কৈছিলে। এইটো এইবাৰ বাজেটত reflect হোৱা নাই। খুব সম্ভৱ গোটেই প্ৰস্তুতিবিলাক চলি আছে , প্ৰাক্‌কালীন বিলাক নিশ্চয় বনোৱা হৈছে। এই বিষয়তো কি ধৰণত আছে, নিশ্চয় আমি পাছত চৰকাৰৰ পৰা জানিব পাৰিম। দ্বিতীয় কথাটো হ'ল যে সমগ্ৰ ভাৰতবৰ্ষত এটা profit making agricultural firm আছিলে কোকিলাবাৰীত। কিন্তু বডোলেণ্ডৰ আন্দোলন চলি থকাৰ সময়ত সেই কোকিলাবাৰীৰ ফাৰ্মটো একেবাৰে বিধস্ত হৈ গ'ল। যোৱা বছৰ বাজেট ভাষণত এইটো অল্প reflect হৈছিলে যে এখন Agriculture কলেজ স্থাপন কৰা হ'ব। সেই বিষয়ে Agriculture ইউনিভাচিটি চৰজমিনও কৰিছিল। যোৱা বছৰৰ বাজেট ভাষণ কোৱা মতে এইবাৰৰ পাৰ ক্লাচ হোৱা কথাও আছিলে। গতিকে সেইটো কি অৱস্থাত আছে, নিশ্চয় সেই ফাৰ্মখন যদি আকৌ revived কৰিব পৰা যায়। এগ্ৰিকালচাৰ ইউনিভাৰচিটি

হিচাপে নাইবা অন্য এটা অনুষ্ঠান হিচাপে এইখিনি যদি কৰিব পৰা যায়, এগ্ৰিকালচাৰৰ ক্ষেত্ৰত যথেষ্ট অসমে লাভৱন্তিত হ'ব। কাৰণ সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত profit making হিচাপে, seed firm হিচাপে কোকিলাবাৰীখন আমি জানিছিলো সেইটো সময়ত। গতিকে এইখিনি ক'লো লগতে এটা Inclusive budget হিচাপে, বাজেট প্ৰস্তুত কৰাই নহয়, যিধৰণে বাজটে প্ৰস্তুত কৰিছে এইখন বাজেট যদি পূৰ্ণাংগ কাৰ্যত পৰিনত কৰিব লাগিলে, নিশ্চয় আমাৰ মাজত এটা leadership ৰ প্ৰয়োজন হ'ব। সেই leadership নিশ্চয় আমি দেখা পাইছো। আৰু ইয়াৰ লগতে বাজেট প্ৰস্তুত কৰোতে need based হিচাপে আমি দেখা পাইছো যে জিলা ভিত্তিতে হওঁক, community wise হওঁক নাইবা সমাজত বিভিন্ন স্তৰতে হওঁক বা ছাত্ৰ -ছাত্ৰীৰ কথাই কওঁক ইত্যাদি need based হিচাপে এইটো বাজেট সুন্দৰভাৱে প্ৰস্তুত হৈছে। সেইকাৰণে মই আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** Thank you, Thank you for your speech. মই এতিয়া মাননীয় বিধায়িকা শ্ৰীমতী সুমন হৰিপ্ৰীয়।

**শ্ৰীমতী সুমন হৰিপ্ৰীয়, হাজোঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটত আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই ভাষণত আমাক কবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। সাধৰণতে দেখা যায় যে এখন বাজেট চৰকাৰৰ দাপোন বা আইনা হয়। এই কাৰণে দাপোন বা আইনা বুলি কৈছো ৰাইজে আশাৰে ৰৈ থাকে যে চৰকাৰখনে বাজেটত কি আনিব, কি আশাৰ বাতৰি লৈ আহিব। বহুত আশাৰে বহুতে টিভি ওচৰত, ৰেডিওৰ ওচৰত বহি আছিল। বাজেটখন পঢ়ি দিয়াৰ লগে লগে ৰাইজে উপলব্ধি কৰে যে ৰাইজৰ আশা-আকাংখা বিলাক পুৰন কৰিবৰ কাৰণে আমাৰ চৰকাৰ কিমান দায়বদ্ধ। কিন্তু **১২** তাৰিখে বাজেটখন ঘোষণা হোৱাৰ লগে লগে চিনেমা হিট হোৱা নিচিনাকৈ বাজেটখন লগে লগে হিট হৈ গ'ল। ৰাইজে আকোৱালী লগে। ৰাইজ যেতিয়া সন্তুষ্ট হৈছে গতিকে মই ভাৱো আমাৰ চৰকাৰৰ টি আৰ পি একেদিনাই আগতকৈ আৰু বাঢ়ি ওপৰলৈ গুছি গ'ল। কিন্তু এইখন বাজেটত আৰু এটা কথা মই দেখা পাইছো যে বাজেটখন বহুত পৰিকল্পনা কৰি কৰিছে। Long term development ৰ কথাটো মনত ৰাখি কৰিছে। Sustainable Development ৰ দিশ সেইটো প্ৰখৰ হৈ উঠিছে। এতিয়া মহিলাৰ ক্ষেত্ৰতে চাওঁক **১২৬** জন বিধায়ক আছে, সকলো সমষ্টিতে আমাৰ মহিলাসকলে আগবাঢ়ি আহে। ভোটৰ ক্ষেত্ৰতে হওঁক,আন্দোলনৰ ক্ষেত্ৰতে হওঁক বা জয় উল্লাস মনাবৰ কাৰণে হওঁক আমি মহিলা সকলক সকলো সময়তে আগবাঢ়ি আহে। কিন্তু এই মহিলাসকলক অত বছৰে ভালকৈ একো দিয়া হোৱা নাছিল। কিন্তু এই বছৰ মহিলাৰ ক্ষেত্ৰত যিখিনি পদক্ষেপ চৰকাৰে লৈছে মহিলা যুৱ সমাজৰ কাৰণে মই ভাৱো যে এইটো এটা বাজেটৰ উল্লেখনীয় দিশ। আৰু এই মহিলা সৱলীকৰণ দিয়াৰ দিশত আমাৰ চৰকাৰে প্ৰতিটো Ministarial linkage কৰিছে। এতিয়া মহিলা সৱলীকৰণ যোজনা তাত আমাৰ মহিলা সকলক সাৱলম্বি কৰাৰ কাৰণে তেওঁলোকক আমি revolving fund ত পইচা দিছে প্ৰত্যেক সমষ্টিৰ কাৰণে বঢ়াই **১.২৬** লাখ টকা দিছে। আৰু মহিলাৰ আত্মসহায়ক গোটবিলাকৰ কাৰণে **৫** লাখ টকাকৈ ৰাজ সাহাৰ্য্য যুক্ত লোণ দিছে। এই লোণটো কাৰ্যকৰী কৰিবৰ কাৰণে এটা inter ministarial linkage কৰিছো Handloom & Textile ৰ লগত। এইটো মোৰ কথা। কাৰণ Handloom & Textile ত আমি **১০** জনীয়াকৈ cluster develop কৰিবৰ কাৰণে প্ৰস্তাৱ আহিছে আৰু তাত নতুন কৌশল সম্পৰ্কে অৱগত কৰিবৰ কাৰণে **৫** লাখ টকাৰ সাহাৰ্য্য দিছে। এতিয়া আমি মহিলা সকলক সংগঠতিত কৰিলো আত্মসহায়ক গোটৰ নামত। কিন্তু তাৰ পিছত তেওঁলোকক

ঋণ দিছো। আমাৰ গাওঁৰ মহিলা সকলক তাতশাল বোৱাৰ কাৰণে Handloom & Textile আকৌ ৫ লাখ টকাকৈ লোণ দিছে। গতিকে Handloom & Textile Department & Rural Development Department ৰ যিটো এটা inter ministarial linkage হৈছে মহিলাসকলৰ সৰলিকৰণ কৰিবৰ কাৰণে মই ভাৱো এইটো এটা বৰ আদৰ্শনীয় পদক্ষেপ হৈছে আৰু পৰিকল্পিত ভাৱে লোৱা হৈছে। তাৰ লগে লগে মই আৰু এটা কথা কব লাগিব এইবাৰ মহিলাসকলক উন্নত মানৰ কুকুৰা চৰাইৰ কাৰণেও কিন্তু ব্যৱস্থা ৰাখিছে। Veterinary Department টো linkage কৰি দিছে। তাত স্পষ্টভাৱে লিখা আছে যে মহিলা সকলৰ সাৰলীকৰণ কৰাৰ দিশত আতি নিম্ন খৰচত প্ৰযুক্তিৰ ব্যৱহাৰৰ কৰি তেওঁলোকক কুকুৰা চৰাই দিব। গতিকে Veterinary Department, Rural Development Department তাৰ লগত Handloom & Textile Department তো inter linkage হৈছে । কিন্ত সকলোকৈ ডাঙৰ কথা চহৰ অঞ্চল মহিলাসকলৰ কাৰণেও কিন্তু দিনদয়াল অন্তদায়ৰ যোজনাৰ অন্তৰ্গত ৰাষ্ট্ৰীয় নাগৰিকয়া জীৱিকাৰ অভিযানত তিনি হাজাৰ আত্মসাহয়াক গোটক এটা revolving fund দিয়াৰ ব্যৱস্থা কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়,ৰাষ্ট্ৰীয় জীৱিকা অভিযানৰ অধীনত ৩ হাজাৰ আত্ম সহায়ক গোটক এটা Revolving Fund দিয়াৰ ব্যৱস্থা কৰা হৈছে। এতিয়া তেওঁলোকে আচাৰৰ ব্যৱসায়, ধূপ কাঠিৰ ব্যৱসায় কৰিব পাৰিব, গতিকে মই ভাৱো চহৰৰ মহিলাৰ কাৰণে এটা ডাঙৰ পদক্ষেপ। এই বাজেটখনে মহিলাৰ কাৰণে যিখিনি পদক্ষেপ লৈছে, সলাগ লবই লাগিব। অসমৰ ৰাইজে সলাগ লৈছে, ১৮১ আমাৰ মহিলা সকলক দেখা গৈছে, আমাৰ সুৰক্ষাৰ ক্ষেত্ৰত বহুত Problem. মহিলাৰ Against ত বহুত ক্ৰাইম হৈছে, সেই কাৰণে আমাৰ অতি সোনকালে নতুন যি আঁচনি ঘোষণা হৈছে, যে আমাৰ ১৮১ত Call Center ত আমি phone কৰিলে আমি এটা সাহাৰ্য্য পাম। গতিকে Home Ministry ইয়াত Involve কৰা হৈছে। তাৰ লগতে সমাজ কল্যান বিভাগত বাজেটখন ভালকৈ মহিলাৰ বাবে কি কি আছে, পঢ়ি দেখিলো যে সমাজ কল্যান বিভাগত Women and Child Development ৰ কাৰণে এটা Specially সঞ্চালকৰ ব্যৱস্থা কৰিছে। মহিলা সকলক আমি যথেষ্ট পৰিমাণে আগবঢ়াই নিবলৈ চেষ্টা কৰিছো। মহিলা সকলক আমি ব্যৱহাৰ কৰা নাই ভোট বেংক হিচাপে। মহিলা সকলক আমি উঠাই নিবলৈ চেষ্টা কৰিছো। যোৱাকালি মই শুনা পালো কাজিৰঙাৰ জংঘলৰ পৰা দুই এজনে বাজেট বিৰোধী কথা কৈ আছে, নাম নকওঁ কৈছে কি যোৱাবাৰৰ বাজেটখনে তেওঁ প্ৰতিফলন দেখা পালে এইবাৰ বাজেটত কিন্তু মই তেনেকুৱা নিচিনা অজ্ঞ বিশেষজ্ঞ সকলক মই বুজাব খুজো। এটা Development কৰিব গলে Development is a Continous process কৈছে নহয় বিৰোধীয়ে আমাৰ কিছুমান মেম্বাৰে বাতছা ডাঙৰ হলেও সময় লাগে। গতিকে আমাৰ process টো আমাৰ ১ বছৰত শেষ নহয়, এইটো Continous process হব লাগিব। আমাৰContinous process টো মনত ৰাখি আমাৰ যিখিনি ছোৱালী আছে, আমাৰ ছোৱালী সকলৰ কাৰণে যোৱাবাৰ বাজেটত আমি কলো Population Policy ৰ কথা। Population Policy ত মহিলা সকলক 50% Reservation দিয়াৰ কথা কলো। 50% Reservation দিয়াৰ লগত আমি পঞ্চায়ত Election খেলিবৰ কাৰণে তেওঁলোকৰ শিক্ষাগত অৰ্হতা আমি ঠিক কৰি দিছিলো। মেট্ৰিক পাছ হব লাগিব। Higher Secondary পাছ হব লাগিব। সেই Continous process চলাবৰ কাৰণে এইবাৰ বাজেটত কি দেখা পালো, সাধৰণেতে দেখা যায় যে সন্মানীয়

বিধায়ক সকলে বেয়া নাপাব, Minority অঞ্চলত পঢ়া শুনাৰ ক্ষেত্ৰত অকমান পোহৰ কম দেখা যায়। সেই কাৰণে Minority অঞ্চলৰ মহিলা সকলক উচ্চ শিক্ষাৰ কাৰণে Women University ৰ উপৰিও তেওঁলোকক যি জলপানী দিয়া ব্যৱস্থা কৰিছে, ৪হাজাৰ, ৬হাজাৰ,১০হাজাৰ, এই জলপানী দিয়াৰ ব্যৱস্থাটো এই কাৰণে কৰিছে, যোৱাবাৰ যিটো বাজেটৰ আমি প্ৰতিশ্ৰুতি দিছিলো শিক্ষাগত অৰ্হতা লাগিব পঞ্চায়তত। আমাৰ চৰকাৰখনে যিখিনি আঁচনি লৈছে, এইটো বহুত Long time Planning। Sustainable Development ৰ ক্ষেত্ৰত আগবাঢ়িবৰ কাৰণে এইখিনি পদক্ষেপ লোৱা হৈছে। যুৱ সমাজক, যুৱ প্ৰজন্মক ইমান প্ৰাধন্য দিছে, মই আচৰিত হৈ গৈছো, বহুতবাৰ কৈছো সদনত, আমাৰ দুখ লাগে হাজাৰ হাজাৰ দৰ্খাস্ত পেলাই দীঘল দীঘল লাইন, চাকৰিৰ কাৰণে এইবাৰ আমাৰ চৰকাৰে ৰাজ্যিক পৰ্য্যায়ত বৃহত দক্ষতাৰ বিকাশৰ এটা আঁচনি চিংগাপুৰৰ I.T.I ৰ লগত লবলৈ সক্ষম হৈছে আৰু সেইটো প্ৰস্তাৱ গ্ৰহণ কৰিছে। কাৰণ চাকৰি আমাৰ কিমানক দিব, কিন্তু নিৱনুৱা কিমান সংখ্যক যোৱা বছৰলৈ ২২লাখ নিৱনুৱা আছিল, এতিয়া কিমান হৈছে গম নাপাওঁ। আমি তেওঁলোকক কাৰ্য্যক্ষম কৰাটোহে আমাৰ উদ্দেশ্য তাৰ কাৰণে মই দুটা লাইন পঢ়ি দিম। আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই কৈছে, ৰাজ্যখনৰ নিৱনুৱা যুৱক যুৱতী সকলৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ জৰিয়তে উদ্যোগিক দিহা পৰামৰ্শ প্ৰদান, বৃত্তি মুখী প্ৰশিক্ষণ আৰু Career পৰামৰ্শ প্ৰদানৰ বাবে বাজেটত পৰ্য্যাপ্ত পুজিৰ তেওঁ যোগান ধৰিছে। এইটো কথাত প্ৰতিয়মান এই কাৰণে হৈছে, যে যোৱাবাৰ বাজেটত আমি যিখিনি Scheme লৈছিলো দীনদয়াল গ্ৰামীন কৌশল যোজনা তাৰ লগত গ্ৰাম্য আত্ম নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান। এই দুটা যোজনাৰ জৰিয়তে আমি আমাৰ গাওঁৰ যুৱক-যুৱতী সকলৰ আমি সক্ষম হৈছো। মোৰ হাজো সমষ্টিতে বহুত যুৱক যুৱতীক ইতিমধ্যে Training দিয়াৰ ব্যৱস্থা কৰাইছো। তাৰ লগতে ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানত যিটো Revolving Fund দিছে, মই ভাৱো এইটো এইবছৰ Continue ৰাখিছে। কিন্তু এই বছৰ এটা নতুন Scheme ৰ কথা আমাৰ উত্থাপিত হৈছে সেইটো হল আমাৰ যিখিনি শিক্ষিত নিৱনুৱা আছে। তেওঁলোকৰ কাৰণে “অটল আত্ম সংস্থাপন যোজনা” ৰখা হৈছে। অধ্যক্ষ ডাঙৰীয়া মই এইখিনি আমাৰ যুৱ চামৰ কাৰণে হোৱাটো বিচাৰো।

**মাননীয় অধ্যক্ষ ঃ** Please Conclude.

**শ্ৰীমতী সুমন হৰিপ্ৰয়া (মাননীয় সদস্যা, হাজো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱো এইটো যোজনাই আমাৰ শিক্ষিত নিৱনুৱাখিনিক উপকৃত কৰিব। তাৰ লগতে আমাৰ চহৰৰ যিখিনি শিক্ষিত নিৱনুৱা আছে, তাত তেওঁ লোকৰ কাৰণে “ দীনদয়াল অন্তদোয়া যোজনা” অন্তৰত ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ ১৩শ যুৱকক কৰ্মৰ দক্ষতাৰে সম্পন্ন কৰায় তেওঁলোকক নিয়োগৰ কাৰণে উপযুক্ত কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো, গতিকে এইখিনি কলো যুৱ সমাজ আৰু মহিলা সমাজৰ কাৰণে ইমানখিনি পদক্ষেপ লোৱা কাৰণে চৰকাৰলৈ, মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰীলৈ ধন্যবাদ থাকিল।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য ৰাজদ্বীপ গোৱালা। You can continune tomorrow also as you have time.

**Shri Rajdeep Gowala, Hon’ble MLA [Lakhipur] :-** Hon’ble Speaker Sir, it is indeed a privilige to participate in the Budget discussion, I would, like to thank you to giving me this opportunities today. Sir, Budget is an estimation of Government spending and Government

revenue in a financial year and it reflects the vision of State Government for the following financial years. The Budget, which was tabled on this House on 12th of March, 2018 by our Hon'ble Finance Minister has indeed tried to do the shape. Sir, Budget 2018-19 has got many announcements but I am sceptical, doubtful as to whether, most of them will materialize or not. I have come to this conclusion Sir, because of some facts which I would like to place before this August House. Sir, for the announcement to materialize the Government revenue and spending needs to meet the targets define in the Budget speech of the Hon'ble Finance Minister.

Therefore, I would like to go back to the Budget speechs and the actual figures which had come out in the year 2016-17 & 2017-18. Sir, in the Budget, the announcement will depand on how much revenue the Government collects on that is how the expenditure is done. But, if we see the figures in 2016-17, the Budgeted expenditure was 78 thousand crores and it was revised to 83 thousand crores. That the actual figure was 57 thousand crores, which is a variation of around 26%. Sir, the receipts that we are expecting except borrowing from various agencies. The Budget was 66 thousand crores but the actual receipts were 49 thousand crores. Sir, borrowings in the Budget 2016-17 was ten thousand six hundred and seventy three crores, but the actual borrowing was only 3,902 crores, that was a variation of 63%. Sir, there is an announcement in the Budget 2016-17, it was a revenue surplus Budget, according to the Budget speech and that was supposed to be a revenue surplus of three thousand seven hundred and twenty one crores. But the actual figure was that we had a revenue deficit and it was minus 143 crores and that is a variation of 100%. Sir, the fiscal deficit target in the year 2016-17 was 2.97% but when it was revised, the revision happened normally after 3 quarters of the financial year. Sir, in December, when it was revised, it was 8.2%. Sir, and then when the actual figure came it was 2.73% of the GSDP. Sir, this signifies that when it was revised we were too high about the FRBM recommendations, but to bring it down, we have to cut down on our expenditure, we have to cut down on our borrowings and that is why we have not able many announcements did not materalized at the ground level.

**Hon’ble Speaker :-** Rajdeep Gowala, I think you will continue tomorrow & you will be the first Speaker tomorrow.

**Shri Rajdeep Gowala, Hon’ble MLA :-** Ok Sir.

**মাননীয় অধ্যক্ষ ঃ** মই সকলো সন্মানীয় সদস্যক ৩ বজাত আহিবলৈ অনুৰোধ কৰিলো, আমি এতিয়া সদন পিছবেলা ৩বজালৈ স্থগিত ৰখা হৈছে।

**আজি ইং ১৪-০৩-২০১৮ তাৰিখে আবেলি ৩.০০ বজাৰ পৰা মাননীয় অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী মহোদয়ৰ অধ্যক্ষতাত বিধান সভাৰ কাম কাজ পুনৰ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ৫ (ক), মই মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰীক 'The Assam Yoga Council Bill, 2018' বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, 'The Assam Yoga Council Bill, 2018' খন দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ মজিয়াত উত্থাপন কৰিলো। প্ৰস্তাৱটো হ’ল 'The Assam Yoga Council Bill, 2018' খন বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়ক খনৰ ২ নং, ৩ নং দফা দুটাত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ ২ নং, ৩ নং দফা দুটা সদনৰ মজিয়াত উত্থাপন কৰিলো। প্ৰশ্নটো হৈছে ২ নং, ৩ নং দফা দুটা বিধেয়ক খনৰ অংশ হব। যিসকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে ২ নং, ৩ নং দফা দুটা বিধেয়ক খনৰ অংশ হ’ল। বিধেয়ক খনৰ ৪ নং দফাত মাননীয় সদস্য শ্ৰীদেবব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ ৪ টা সংশোধনী আছে। এতিয়া মই সংশোধনী প্ৰস্তাৱ ৪ টা উত্থাপন কৰিবলৈ তেখেতসকলৰ এজনক অনুৰোধ কৰিলো।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, 1) I beg to move that "In Sub-Clause (1)(a) of Clause 4 of the proposed Bill the words 'nominated by the state government' shall be substituted by the words, 'shall be elected from the Members'.

2) In Sub-Clause 1(b) of Clause 4 of the proposed Bill the words 'nominated by the state government' shall be subsituted by the words 'elected from the Members'.

3) After the end of sub-clause 1(g) of clause 4 of the proposed Bill a new sub-clause shall be added as- '1(h) Three members to be elected from the Assam Legislative Assembly'

4) In sub-clause (2) of clause 4 of the porposed Bill shall be deleted. মাননীয় অধ্যক্ষ মহোদয়, আমি বিচাৰিছো প্ৰস্তাৱিত Yoga Council ৰ সভাপতি

আৰু উপসভাপতিক ৰাজ্যচৰকাৰে মনোনিত কৰিব বিচাৰিছে, আমি বিচাৰিছো যে পৰিষদৰ যিসকল সদস্য হব তেওঁলোকৰ পৰা সভাপতি আৰু উপসভাপতি জন নিৰ্বাচিত হব লাগে। তদুপৰি আমি বিচাৰিছো যে এই Council ত অসম বিধান সভাৰ ৩ জন সদস্য অন্তৰ্ভূক্ত হ'ব লাগে। তদুপৰি Council ৰ প্ৰথম সদস্য সকলক চৰকাৰে মনোনীত কৰিব বিচাৰিছে, আমিও বিচাৰিছো যে এই সকল প্ৰথা অনুযায়ী নিৰ্বাচিত হ'ব লাগে। এইখিনি মানি ললে ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, Yoga Council আমি অসমত প্ৰথম বাৰৰ বাবে কৰিব বিচাৰিছো। বিশেষকৈ Yoga ৰ ক্ষেত্ৰত কোনবোৰ ৰায় ৰ ভিতৰত অন্তৰ্ভূক্ত হ'ব, ইয়াৰ ধাৰণাটো কেনেকুৰা হ'ব আৰু ৰাজ্য চৰকাৰৰ লগত তাৰ সম্বন্ধ কেনেকুৰা হ'ব এই গোটেই কথাবোৰ চিন্তা কৰি প্ৰথম পৰ্য্যায়ত আমি ভাৱিছো যে আমাৰ চৰকাৰে যদি সভাপতি আৰু উপসভাপতি মনোনিত কৰো আৰু প্ৰথম Council খন অন্ততঃ যদি আমি চৰকাৰৰ ফালৰ পৰা কৰি দিও পৰৱৰ্তী পৰ্য্যায়ত Council খনে নিজে নিজে মূৰ দাঙি উঠিব পাৰিব। যিহেতু যোগা ধাৰণাটোৱে বৰ্তমানো ই এটা growing stage ত আছে, একেবাৰে যোগা বুলি কলে কোনটো পৰিব বা কোনবিলাক Certificate মানা হব বা নামানা হ'ব, কেনেকুৰা ধৰণৰ ইয়াৰ কলেজত কেনেকুৰা ধৰণৰ Course হ'ব, এই গোটেই কথা বিলাক অধ্যক্ষ মহোদয়, আমাৰ কাৰণে নতুন হ'ব আৰু অসমত এইখন প্ৰথমবাৰৰ বাবে Council খন কৰিব বিচৰা হৈছে। সেইবাবে মই অধ্যক্ষ মহোদয়, এইটো অনুৰোধ কৰিম যে আমি প্ৰথমবাৰ সভাপতি, উপসভাপতি আমি ৰাজ্যচৰকাৰ বা প্ৰথম Council খন আমি ৰাজ্য চৰকাৰে কৰি লব বিচাৰিছো আৰু পৰৱৰ্তী পৰ্য্যায়ত ই নিজে Revolving হ'ব পাৰিব। বিধান সভাৰ সদস্য, অধ্যক্ষ মহোদায় আমি যেনেকৈ MCI (Medical Council of India) তাত Parliament ৰ Member নাথাকে, বিশ্ববিদ্যালয়তহে বিধান সভাৰ সদস্য সকল থাকে। ইয়াত যেনেকৈ Pharmacy Council, Dental Council, Medical Council, কতো বিধান সভাৰ প্ৰতিনীধি নাথাকে। কাৰণ যিহেতু তেওঁলোকে নিজে নিজৰ Council খন চলাই, এই practitioner সকলে। সেই কাৰণে মই ভাৱো যে ইয়াত আমাৰ বিধান সভাৰ সদস্য সকলক সোমোৱাৰ যুক্তি যুক্ততাটো মই বিচাৰি পোৱা নাই।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে যদি প্ৰথমখন কাউন্সিল গঠন কৰি দিয়ে তাত আমাৰ আপত্তি নাই আৰু বিধানসভাৰ সদস্যৰ ক্ষেত্ৰতো আমি আপত্তি নকৰো Principle ৰ কথা যিহেতু কৈছে। কিন্তু অন্তত: যিখন Permanent Council হ'ব তাৰ সভাপতি, উপসভাপতিজন নিৰ্বাচিত হ'ব লাগে, সেইটো আমি বিচাৰিছো। সদস্যসকল Criteria অনুযায়ী হ'ব লাগে।

**ড° হিমন্ত বিশ্বশৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এইটো এনেই ঠিকে আছে। আমাৰ বাকী Council বিলাকতো President বিলাকক সদস্য সকলে নিজে নিৰ্বাচন কৰি দিয়ে। State Government এ Nominate নকৰে। কিন্তু main তাৰ কাৰণটো হ'ল Dental বা Pharmacist সকলৰ গোটেই বস্তুটো difined. আমি যদি ইয়াত প্ৰথম কেইদিনমান Principal Secretary , Health বা Government মানুহ দি Chairman কৰি নাৰাখো, গোটেইখনত এটা খেলিমেলিৰ সৃষ্টি হ'ব। যেতিয়া Science টো grow কৰিব Council খন grow কৰিব পৰবৰ্তী পৰ্যায়ত আমি amendment কৰাৰ থল এটা থাকিব। যিহেতু Yoga Council বুলি

কলেই এতিয়াও বস্তুটো এটা Vauge যেনেকে Pharmacist জন তিনি বছৰ Diploma কৰিলেই তেওঁ Pharmacist হৈ যাব।তেনেকে আমাৰ কোনো University ত যোগা কোৰ্চ নাই। যোগাৰ ওপৰত কোনো কলেজো নাই। গতিকে আজিৰ দিনত তেওঁলোকৰ নিজৰ ভিতৰত যদি Select কৰিব দিয়া হয় কোনোৱা এজন মানুহ Select কৰি দিলে, চৰকাৰৰ লগত তেওঁৰ সামঞ্জস্য নাথাকে। তেতিয়া গোটেই Council খন grow নকৰিব। গতিকে প্ৰথম পৰ্য্যায়ত আমি এনেকুৱা এটা provision ৰাখিছো। কিছুবছৰ পিছত বিধান সভাৰ আইন যিকোনো মুহুৰ্ততে সংশোধন কৰিব পাৰে। সদস্যগৰাকীৰ ধাৰণাটোক মই সমৰ্থন জনাইছো। সদস্যসকলেই Chairman কৰিব পাব লাগে।কিন্তু যোগাটো যিহেতু এটা Special, Special in the sense that ইয়াত Science টো এতিয়াও grow কৰা নাই। সেইকাৰণে কেইটামান দিন মই ভাৱো এইটো provision থাকক। পৰৱৰ্তী পৰ্য্যায়ত চৰকাৰে নিশ্চয় এইটো বিবেচনা কৰিব।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম Council খন Nominated কৰাত আমি আপত্তি কৰা নাই। Chairman জন Nominate কৰক। কিন্তু আইনখনতেই যদি ৰৈ যায় , এইটো গণতান্ত্ৰিক পৰম্পৰাৰ প্ৰতি সঠিক সন্মান নহব। সেইকাৰণে আইনখনৰ সভাপতি আৰু উপসভাপতি জন আমি নিৰ্বাচিত হোৱাটো বিচাৰিছো আৰু মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে, কোনো University ত নাই, এই কথাটো বোধকৰো সত্য নহয় কাৰণ শ্ৰী মন্ত শংকৰদেৱ বিদ্যালয়ৰ যিখন শংকৰ সংঘই স্থাপন কৰিছে , তাত কিন্তু ইতিমধ্যেই তেওঁলোকে যোগা কোৰ্চ আৰম্ভ কৰিছে।

**ড° হিমন্ত বিশ্বশৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, গোটেই বস্তুটো চালুকীয়া অৱস্থাত আছে। মই সেইটোৱেই ক'ব বিচাৰিছো। ক'ৰবাত যোগা Science কৰিছে কিন্তু তাৰ Practitioner সকল Council ৰ পৰা Nominated হোৱা নাই। এতিয়া শ্ৰীমন্ত শংকৰ শংঘই স্থাপন কৰিছে, তাত কিন্তু ইতিমধ্যেই তেওঁলোকে যোগা কোৰ্চ আৰম্ভ কৰিছে।

অধ্যক্ষ মহোদয়, গোটেই বস্তুটো চালুকীয়া অৱস্থাত আছে মই সেইটোৱেই কব বিচাৰিছো। ক'ৰবাত যোগা Science কৰিছে কিন্তু তাৰ Practitioner সকল Council ৰ পৰা Nominated হোৱা নাই। এতিয়া শ্ৰী মন্ত শংকৰদেৱ University এ যোগা Science ক অনুমোদন দিছে কিন্তু কোন syllabus ওপৰত দিছে তেওঁলোকে হয়তো নিজেও ভালদৰে ক'ব নোৱাৰে। সেইবাবে মই প্ৰথমবাৰৰ কাৰণেহে এই কথাটো কৈছো। পিছত ammendment কৰি লব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** মই মাননীয় সদস্য কেইজনক অনুৰোধ কৰিব বিচাৰিছো Whether you are going to withdraw your ammendment?

**শ্ৰী আব্দুল খালেক ঃ** ঠিক আছে। কিন্তু এইটো ৰেকৰ্ডত থাকক যে তেখেত সংশোধনী কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মই সদনৰ সন্মতিক্ৰমে সংশোধনী প্ৰস্তাৱকেইটা প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছো। দফা নং ৪ গতিকে বিধেয়কৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্য-সদস্যাই এই দফাটোৰ সপক্ষে আছে কওক হয় আৰু যিসকলে ইয়াৰ বিপক্ষে আছে কওক নহয়।

মই ভাৱো হয়ৰ সপক্ষে হয়ৰ সপক্ষে হয়ৰ সপক্ষে ৪ নং দফাটো বিধেয়কখনৰ অংশ হৈছে বুলি ঘোষণা কৰিছো।

বিধেয়কখনৰ ৫,৬,৭,৮,৯,১০,১১, ১২,১৩,১৪,১৫,১৬,১৭,১৮,১৯ আৰু ২০ নং

দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। গতিকে এই দফা মই সংসদত উত্থাপন কৰিব বিচাৰিছো যে ৫ ৰ পৰা ২০ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ব।

যিসকল. সন্মানীয় সদস্য-সদস্যাই এই দফাকেইটাৰ সপক্ষে আছে কওক হয় আৰু যিসকলে ইয়াৰ বিপক্ষে আছে কওক নহয়।

মই ভাৱো হয়ৰ সপক্ষে হয়ৰ সপক্ষে হয়ৰ সপক্ষে ৫-২০ নং দফাটো বিধেয়কখনৰ অংশ হ'ব বুলি ঘোষণা কৰিছো।

এতিয়া বিধেয়কখনৰ ২১ নং দফাত সন্মানীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ নামত চাৰিটা সংশোধনী আছে। মই সংশোধনী কেইটা উত্থাপন কৰি তাৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাৱটো মুভ কৰাৰ আগতে মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানি ল'ব বিচাৰিছো যিহেতু আমি বিলখনৰ শেষত দেখিলো যে ইয়াত কোনো Financial Involvement নাই। যদি কোনো Financial Involvement নাই তেতিয়াহলে আমি ammendment কেইটা মুভ নকৰো।

**ড° হিমন্ত বিশ্বশৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, এই বিলখনত যেতিয়া Financial Memorandum থাকে তেতিয়া ৰাজ্যপাল মহোদয়ৰ পৰা অনুমোদন ল'ব লাগে ।ইয়াত যিহেতু কোনো Financial Involvement নাই, কাউন্সিলখন হ'ব আৰু কাউন্সিলে কোৰ্চ ৰেগুলেট কৰিব। যিসকলে কোৰ্চ বিচাৰে তেওঁলোকে কাউন্সিলত ফিচ দিব আৰু কাউন্সিলে কোৰ্চ এপ্ৰোভ কৰিব। যেনেকে MCA চলে , ইয়াত চৰকাৰৰ কোনো Grant in Aid ৰ ব্যৱস্থা বৰ্তমানলৈকে নাই আৰু সেইকাৰণে ইয়াত আমি Financial Delegation ও লিখিছো যে there is no financial involvement in the proposed Assam Yoga Council Bill.

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ammendment কেইটা দিব গলে ইয়াত অলপমান financial involvement ৰ কথা আহি যাব পাৰে। গতিকে এই ammendment কেইটা আমি মুভ নকৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। গতিকে দফা নং ২১ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্য-সদস্যাই এই দফাটোৰ সপক্ষে আছে কওক হয় আৰু যিসকলে ইয়াৰ বিপক্ষে আছে কওক নহয়।

মই ভাৱো হয়ৰ সপক্ষে হয়ৰ সপক্ষে হয়ৰ সপক্ষে ২১ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

ইয়াৰ পিছত বিধেয়কখনৰ ২২-৩১ নং দফালৈ কোনো সংশোধনী প্ৰস্তাৱ নাই। গতিকে ২১ ৰ পৰা ৩১ নং দফাকেইটা সদনৰ মজিয়াত উত্থাপন কৰিলো। প্ৰশ্নটো হৈছে যে ২২ ৰ পৰা ৩১ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্য-সদস্যাই এই দফাটোৰ সপক্ষে আছে কওক হয় আৰু যিসকলে ইয়াৰ বিপক্ষে আছে কওক নহয়।

মই ভাৱো হয়ৰ সপক্ষে হয়ৰ সপক্ষে হয়ৰ সপক্ষে ২২ ৰ পৰা ৩১ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩২ নং দফাত সন্মানীয় সদস্য দেবব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ নামত এটা সংশোধনী আছে। মই এই সংশোধনীটো উৎথাপন কৰিবলৈ আহ্বান জনাইছো

তাৰ ওপৰত তেখেত সকলৰ কবলগীয়াখিনি কৰলৈ অনুৰোধ জনাইছো।

**শ্ৰী আমিনুল ইছলাম** — মাননীয় অধ্যক্ষ মহোদয়, I beg to move after the end of Sub -Clause (1) of Clause (32) of the proposed Bill, a new para shall be added as , "However the Council authorize,affiliate any institution to provide Diploma, Post Graduate Diploma in Yoga & Naturotherapy after proper verification".
অধ্যক্ষ মহোদয়, আমি বিচাৰিছো যে, বিভিন্ন ধৰণৰ Diploma, Post Graduate Diploma Course যাতে চলাব পাৰে বিভিন্ন অনুষ্ঠানত তেওঁলোকৰ পৰীক্ষাগাৰ সমূহ পৰিদৰ্শন কৰি Council এ এলাও কৰিব পাৰে। তদুপৰি এই বিলখনত দেখা গৈছে Post Graduate Diploma in Yoga Science সেই বিষয়টো অন্তৰ্ভুক্ত কৰা হৈছে। কিন্তু একে সম পৰ্য্যায়ৰ আমাৰ ৰাজ্যখনৰ Post Graduate Diploma Yoga & Naturotherapy কৰা বহু যুৱক-যুৱতী আছে। সেই Course টো include কৰা হোৱা নাই। যিহেতু ইয়াত Bachelor of Yoga and Naturotherapy include কৰা হৈছে, Master of yoga & Naturotherapy include কৰা হৈছে। গতিকে Post Graduate Diploma in Yoga & Naturotherapy এইটোও include কৰা হওঁক। এই বিষয়টো বিবেচনা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। আমি Yoga ৰ কথা সকলোৱে কম বেছি পৰিমানে জানো কিন্তু এতিয়া Naturotherapy ৰ চিকিৎসা যথেষ্ঠ সমাদৃত হৈছে। এই বিষয়টোক আমি উৎসাহিত কৰিব লাগিব। যিহেতু ইয়াত Financial involvement ৰ কথা নাই, Naturotherapy ক চৰকাৰে যিমান পাৰে সিমান বিত্তীয় অনুষ্ঠান আগবঢ়াব লাগে বুলি আমি ভাৱো।
**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদিঃ** অধ্যক্ষ মহোদয়, এই বিধেয়ক খনৰ দফা নং ৩২ (১) ত এইটো কথা লিখা আছে যে, Except the Council, no person, association or Institution, not recognized by the Council, shall confer, grant or issue, or hold himself or itself or shall be entitled to confer, grant or issue, any degree, diploma, license, certificate or any other document stating or implying that the holder, grantee or recipient thereof is qualified to practice the Yoga and Naturopathy system of Medicine. তাৰ মানে অধ্যক্ষ মহোদয়, খালেক ডাঙৰীয়াই কোৱা কথা খিনি Act ত negatively কৈছে। এইটো কোৱা হৈছে যে, Council এ authorize কৰিলেহে Yoga and Naturopathy ৰ degree, diploma টো অসমত প্ৰযোজ্য হ'ব অৰ্থাৎ Nobody except Council . এতিয়া ইয়াত যিবোৰ মানুহে both Yoga and Naturopathy ত বিভিন্ন degree/diploma কৰি আহিছে they have to apply to the Council. Council এ যদি তেওঁলোকক recognize কৰে তেতিয়া তেওঁলোকে practice কৰিব পাৰিব। সেইকাৰণে আমি ইয়াত যিখিনি কথা কৈছো যে Council ত power দিব লাগে, সেইটোকে ইয়াত Act খনে কৈছে যে, Nobody except Council. গতিকে ইয়াৰ meaning টো একেটাই। অকল এতিয়াৰ পৰাই Yoga and Naturopathy ত যিকোনো de-

gree/diploma course বিলাক এই Council য়ে authorize কৰিব । তেতিয়াহে ই অসমত চলিব পাৰিব। বাহিৰৰ পৰা যদি কোনোৱে ইয়াৰ degree লৈ আহে তেতিয়া Council ত apply কৰিব লাগিব আৰু Council য়ে চাব যে তেওঁলোকৰ course ৰ লগত এইটো equivalent হয় নে নহয় আৰু তেতিয়াহে Council য়ে তাক allow কৰিব । গতিকে যিটো amendment দিয়া হৈছে যে, Council should authorize আৰু ইয়াত কোৱা হৈছে Except the Council, no person is authorized. Both are same.

**মাননীয় অধ্যক্ষঃ** Not recognized by the Council বুলি কৈছে।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদিঃ** হয়।

**মাননীয় অধ্যক্ষঃ** If somebody is recognized then he can. গতিকে মইও ভাৱো যে কথাটো একেই। ঠিক আছে।

মই ভাৱো সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছে।

(সদনে সন্মতি জনায়)।

গতিকে সদনৰ সন্মতি সাপেক্ষে সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হৈছে।

দফা নং ৩২ বিধেয়ক খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'। যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৩২নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২ আৰু ৪৩ নং দফাকেইটাত সংশোধনীৰ প্ৰস্তাৱ নাই। গতিকে মই বিধেয়ক খনৰ ৩৩ৰ পৰা ৪৩ নং দফাকেইটা সদনৰ মজিয়াত উত্থাপন কৰি প্ৰশ্নটো কৰিছো যে, ৩৩ ৰ পৰা ৪৩ নং দফাকেইটা বিধেয়ক খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/ সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'। যিসকল মাননীয় সদস্য/ সদস্যা দফাটোৰ বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৩৩ ৰ পৰা ৪৩ নং দফাকেইটা বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ৪৩ নং দফাৰ পিছত মাননীয় সদস্য হাফিজ বচিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী আছে। মই সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**হাফিজ বচিৰ আহমেদ, (বিলাসীপাৰা পশ্চিম)ঃ** Speaker Sir, since there is not any financial involvement, so accordingly, we withdraw our amendment.

**মাননীয় অধ্যক্ষঃ** Thank you. সদনৰ সন্মতি সাপেক্ষে সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হৈছে।

এতিয়া মই প্ৰশ্নটো কৰিছো যে, বিধেয়কখনৰ ৪৩ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/ সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'। যিসকল মাননীয় সদস্য/ সদস্যা দফাটোৰ বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৪৩ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব বুলি মই ঘোষণা কৰিছো।

এতিয়া বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। গতিকে মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিছো। প্ৰশ্নটো হৈছে, বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'। যিসকল মাননীয় সদস্য/ সদস্যা ইয়াৰ বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া মই স্বাস্থ্য মন্ত্ৰীক বিধেয়কখন পাৰিত কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Yoga Council Bill, 2018"খন পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো সদনত অনুমোদনৰ বাবে উত্থাপন কৰিছো। প্ৰস্তাৱটো হৈছে, "The Assam Yoga Council Bill, 2018" be passed. যিসকল মাননীয় সদস্য/ সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'। যিসকল মাননীয় সদস্য/ সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

**এতিয়া কাৰ্যসূচী নং ৬ (ক)।**

মাননীয় ৰাজ্যিক (স্বতন্ত্ৰ ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীক "The Assam Panchayat (Amendment) Bill, 2018" বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী, ৰাজ্যিক (স্বতন্ত্ৰ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Panchayat (Amendment) Bill, 2018" দফা অনুযায়ী বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো।

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, (বড়মপুৰ)ঃ** অধ্যক্ষ মহোয়, এই Amendment Bill খনৰ Clause 3 (2) ত দুটা বিষয় আছে। ভাৰতীয় সংবিধান অনুসৰি by birth Indian Citizen হ'ব পাৰে আৰু ইয়াত তেওঁৰ শিক্ষাৰ ওপৰত একো কথা উল্লেখ নাই। Indian Citizen হ'লেই তেওঁ ভোট দিব পাৰে। সেইকাৰণে MLA, MP হওঁতে, তেওঁৰ educational qualification টো চোৱা নহয়। তেওঁ যেতিয়া MLA, MP হ'ব, তেতিয়া তেওঁ ৰাজ্যসভাত elect কৰিব পাৰিব, President Election ত participate কৰিব পাৰিব। গতিকে অধ্যক্ষ মহোদয়, মই ভাৱো যে, qualification টো সকলোৰে বাবে সমান হ'ব লাগে। কাৰণ আমাৰ তাত provision আছেই যে, President, Member হ'লে 50% Women

Reservation, ST/SC Reservation থাকিব তেনেহ'লে কেনেকৈ Class নিৰ্ণয় কৰিব ? মই নাজানো কোনে কেনে ধৰণে এই কথাটো চিন্তা কৰিছে, গতিকে এই কথাটো বিবেচনা কৰিবৰ বাবে মই চৰকাৰী পক্ষক অনুৰোধ জনাইছো। দ্বিতীয় কথা হ'ল যে, দুটা ল'ৰা -ছোৱালী হ'লে পাৰিব, তাতকৈ বেছি হ'লে নোৱাৰিব। মানুহৰ সংসাৰ দুখন থাকে, এখন বৈষয়িক সংসাৰ আৰু এখন আধ্যাত্মিক সংসাৰ। এই আধ্যাত্মিক সংসাৰৰ সাধক জনক ল'ৰা বুলি ধৰা হয় আৰু সাধনাক ছোৱালী বুলি ধৰা হয় তাৰ পিছত আকৌ ৩ টা স্তৰ আহি পৰে। সেই কেইটা হ'ল জ্ঞান, বৈৰাগ্য আৰু ভক্তি। জ্ঞান আৰু বৈৰাগ্যক ল'ৰা বুলি ধৰা হয় আৰু ভক্তিক ছোৱালী বুলি ধৰা হয় আৰু এই ভক্তিৰ মাধ্যমেৰে যি ধৰ্মৰে মানুহ নহওঁক কিয়, তেওঁলোকে ঈশ্বৰ , আল্লা, God, ভগৱানক পাব পাৰে। গতিকে প্ৰাকৃতিক নিয়মমতে তিনিটা বিভাগ আছে। দুটা ল'ৰা, এজনী ছোৱালী, য'ত ভক্তিক ছোৱালী বুলি ধৰা হৈছে আৰু সাংসাৰিক আশা -আকাংক্ষা পূৰণ কৰিবৰ বাবে এই ভক্তিৰ মাধ্যমেৰে উদ্দেশ্যত উপনীত হ'ব পাৰে। কিন্তু অভক্তি হ'লে নোৱাৰে। গতিকে এনে ক্ষেত্ৰত ভাৰতীয় দৰ্শনৰ কথা কোৱাৰ পিছত এনেকুৱা এখন amendment কেনেকৈ আহিব পাৰে ? হিন্দু, খ্ৰীষ্টান, ইছলামৰ দৰ্শনে ভক্তি মাৰ্গৰ কথা কৈছে। তাত কৈছে যে, জ্ঞান, বৈৰাগ্য, ভক্তি -এই তিনিটা বিভাগ থকাৰ পিছত দুটা ল'ৰা এজনী ছোৱালী থকাৰ পিছত ইয়াত দুটা ল'ৰাৰ কথা কেনেকৈ আহি পৰে? গতিকে অধ্যক্ষ মহোদয়, মই চৰকাৰক এই কথাখিনি বিবেচনা কৰিবৰ বাবে অনুৰোধ জনাইছো। মোৰ এই দুটাই পৰামৰ্শ আছে। আনহাতে, 50% Women Reservation, ST/SC Reservation থকাৰ পিছত educational qualification ৰ কথা অহাটো উচিত নহয় আৰু যদি আহে তেতিয়া হ'লে সকলোৰে বাবে ই সমান হ'ব লাগে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, amendment ত ক'ব।

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী, ৰাজ্যিক (স্বতন্ত্ৰ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই যি বিষয়ত আমাক পৰামৰ্শ আগবঢ়াইছে , এই বিষয়টোত বিশেষকৈ জনসংখ্যা নীতিৰ আধাৰত, যিহেতু আমাৰ পঞ্চায়তৰ আগৰ যি ১৯৯৪ চনৰ অসম পঞ্চায়ত আইনৰ ১১১ নং পঞ্চায়ত নিৰ্বাচিত সদস্যৰ অধীনত কাৰক সমূহৰ এই ধাৰাত উল্লেখিত ........ কাৰক সমূহ জনসংখ্যা নিধিৰ ওপৰত ভিত্তি কৰি এই সংশোধনী বিলখন অনাৰ কাৰণে আজি আমি সদনত উত্থাপন কৰিছো আৰু দ্বিতীয়তে যিখিনি পঞ্চায়ত প্ৰতিনিধি সকলৰ শিক্ষাগত অৰ্হতা যিহেতুকে এতিয়া ভাৰত চৰকাৰৰ বা বিভিন্ন আমাৰ আঁচনি সমূহো স্বচ্ছতাৰে বা সকলো জাগাতে যাতে আঁচনি সমূহক উচিত ভাৱে জনসাধাৰণৰ ওচৰত দাঙি ধৰিব পাৰো যাতে বিষয়টোত স্বচ্ছতা আহে তাৰবাবে আমি এই শিক্ষাগত বিষয়টো ইয়াত সংযোজন কৰিব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটি এতিয়া সদনৰ মজিয়াত উত্থাপন কৰিব বিচাৰিছো। "The Assam Panchayat (Amendment) Bill, 2018" bill taking into consideration যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়। 'হয়' 'হয়' যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৱো 'হয়' ৰ সপক্ষে 'হয়' ৰ সপক্ষে 'হয়'ৰ সপক্ষে প্ৰস্তাৱটি গৃহীত হৈছে। এতিয়া কাৰ্য্যসূচী নং ৬ (খ)। বিধেয়ক খনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী প্ৰস্তাৱ আছে। মই মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আদমেদ বা তেখেতৰ সহযোগী এজনক প্ৰস্তাৱটি উৎথাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী আমিনুল ইছলাম ঃ** Hon'ble Speaker sir, ' I beg to move in clause 2 of the propose bill the word 'five' occuring in line 2 shall be substituted by the word 'three' ' আমাৰ বিল খনৰ ২ নং দফাত sub clause 1 যিটো কথা আছে যে quorum for meeting of the Gaonsabha shall be one 10th of the total Members or 500 Members of voters of the panchayat which ever is less. ইয়াৰ পূৰ্বে আইনখনত আছিল গাওঁসভাত ৰাইজৰ ১০০ ৰাইজ উপস্থিত হ'লেই গাওঁসভাখন quorum হ'ব। এতিয়া ১০০ ৰ পৰা ৫০০ কৰিব বিচৰা হৈছে। মানুহ বেছি হোৱাটো আমিও বিচাৰো অধ্যক্ষ মহোদয়, কিন্তু কথাটো হ'ল গাওঁসভা বিলাকত কেতিয়াবা আমিও যদি বিধায়ক সকল যাওঁ আমি দেখা পাওঁ যে কোনোবা গাওঁসভাত যদি IAY ঘৰ বাচনি কৰা হ'ব বা beneficiary selection হ'ব সেইদিনা মানুহ বহুত আহি যায়। ৬০০, ৭০০, ৮০০ বা ১০০০ ৰো হৈ যায়। কিন্তু কোনোবা গাওঁসভাত যদি কিছুমান action plan ত কোনোবা ৰাস্তা ধৰা হ'ব, কি scheme য'ত individual benefit ৰ কথা নাই সেই গাওঁসভাত marking কৰিলেও মানুহ বেছিকৈ নাহে। গতিকে যদি ৫০০ টো confine কৰি দিয়া হয় তেতিয়াহ'লে য'ত individual benefit ৰ কথাটো নাথাকিব সেই গাওঁসভা বিলাকত এদিন দুদিন postpone কৰি মাতিলেও ৫০০ মানুহ আহিব নোখোজে কিন্তু individual benefit হ'লে ২০০০ আহি যাব পাৰে। গতিকে মই ভাৱো এককোবে ১০০ ৰ পৰা ৫০০ কৰাতকৈ আমি ৩০০ বুলি বিলত দিওঁ যে আগতে আছিল ১০০ ৰাইজ উপস্থিত হ'লে গাওঁ সভাতো quorum হ'ব এতিয়া আমি ৩০০ ৰাইজ উপস্থিত হ'লে গাওঁসভাতো quorum হ'ব এইটো আমি কৰিব বিচাৰিছো। যাতে এককোবতে pursue কৰা নহয়। পিছত এইটো পৰ্য্যায়ক্ৰমে কৰিলে ভাল হ'ব।

ৰহিম আজমল, আবুল কালাম আজাদ, চাহাবুদ্দিন আহমেদ আৰু অনন্ত কুমাৰ মালো ডাঙৰীয়াই 'The Assam Panchayat (Amendment) Bill, 2018' ৰ ধাৰা ৪ ত যি সংশোধনী প্ৰস্তাৱ সদনত উত্থাপন কৰিছে এই সম্পৰ্কত মই ক'ব বিচৰো যে গণতান্ত্ৰিক ব্যৱস্থাত অধিক সংখ্যক জনসাধাৰণৰ অংশগ্ৰহণে চৰকাৰী নীতি, প্ৰশাসনিক ব্যৱস্থা আৰু চৰকাৰী উন্নয়নী পৰিকল্পনাত অধিক গতিশীলতা আনি দিয়ে।

এইটো উল্লেখযোগ্য বিষয় যে এখন গাওঁ পঞ্চায়ত গঠন কৰিবলৈ ৬০০০ অধিক আৰু ১০,০০০ ৰ কম জনসংখ্যাবিশিষ্ট এখন বা ততোধিক ৰাজহ গাওঁ অথবা বনগাওঁ অথবা এখন চাহবাগিছাৰ এলেকা নাইবা তেনে ৰাজহ গাওঁ বা এখন বনগাওঁ অথবা এখন চাহবাগিচাৰ এলেকাৰে গঠন কৰা সৰু সৰু চুবুৰি বা অন্য এনেধৰণৰ প্ৰশাসনিক গোট বা তাৰ অংশ সামৰি লোৱা যিকোনো স্থানীয় এলেকা এটাক গাওঁ পঞ্চায়ত বুলি ঘোষণা কৰিব পাৰিব।

এইমৰ্মে ১৯৯৪ চনৰ অসম পঞ্চায়ত আইনৰ ধাৰা ৪ উপধাৰা -৬(ছয়)- ত এইটো লিপিবদ্ধ কৰা আছে যে সংশ্লিষ্ট গাওঁ সভা সমূহৰ থুল গাওঁ পঞ্চায়তৰ সদস্যৰ এক দশমাংশ বা এশজন সদস্যৰ (যিটোৱে কম হয়) দ্বাৰা গঠন হয়। পঞ্চায়ত আইনৰ এইটো ধাৰাৰ মতে গাওঁ পঞ্চায়তৰ জনসংখ্যা অনুপাতে গাওঁ পঞ্চায়তৰ মুঠ সম্ভাব্য সদস্যৰ বুজন সংখ্যকৰ অংশগ্ৰহণ নোহোৱাকৈয়ে গাওঁসভাসমূহ সম্পন্ন হোৱাৰ সম্ভাৱনা থাকে।

এই বিষয়টোৰ ওপৰত দৃষ্টি ৰাখি যাতে গাওঁ পঞ্চায়তৰ নূন্যতম এক দশমাংশ সদস্যৰ উপস্থিতি নিশ্চিত কৰিব পৰা যায়, এই লক্ষ্য সন্মুখত ৰাখি আমাৰ চৰকাৰে অসম পঞ্চায়ত আইন,

১৯৯৪ৰ ধাৰা ৪ উপধাৰা ৬ ৰ সংশোধনী প্ৰস্তাৱটি সংশোধিত বিধেয়ক হিচাবে পবিত্ৰ সদনৰ অনুমোদনৰ বাবে উত্থাপন কৰা হৈছে। এইটো উল্লেখযোগ্য যে গাওঁ পঞ্চায়তৰ সৰ্বনিম্ন জনসংখ্যা ছয়হেজাৰৰ এক দশমাংশৰ পৰিমাণ ৬০০ সদস্য হয়। তথাপিও এখন গাওঁসভাৰ থুল হ'বৰ বাবে এই ধাৰাৰ সংশোধনৰ পাছতো সৰ্বনিম্ন সদস্যৰ অংশগ্ৰহণ ৫০০ সদস্যৰ ভিতৰত সীমিত কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত বিৰোধী পক্ষৰ মাননীয় বিধায়ক সকলে সংশোধনী প্ৰস্তাৱত উত্থাপন কৰা সৰ্বোচ্চ ৩০০ সদস্যৰ বিষয়টো গ্ৰহণযোগ্য নহয়।

মই আশা কৰো মাননীয় বিধায়ক সকলে তৃণমূল পৰ্য্যায়ৰ গণতান্ত্ৰিক ব্যৱস্থাত অধিক সংখ্যক ৰাইজৰ অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ অসম পঞ্চায়ত আইন, ১৯৯৪ ধাৰা ৪ ৰ এই সংশোধনী প্ৰস্তাৱত সমৰ্থন জনাব।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱটি প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কৈছে আমিও বিচাৰো যে active participation of people সেইটো বেছি হ'ব লাগে কিন্তু কিছুমান এনেকুৱা পঞ্চায়তো আছে সিদিনা অধ্যক্ষ মহোদয় আপুনিয়ে কৈছিলে যে আপোনাৰ সমষ্টিত ৯০০০ population থকা পঞ্চায়তো আছে তাত ৫০০ টো negligible । কিছুমান এনেকুৱাও থাকে যে য'ত ৬০০০ বা তাতকৈ কম। কিন্তু ৬০০০ হাজাৰ জনসংখ্যা থাকিলে তাত আকৌ সৰু ল'ৰা ছোৱালী লৈ count হয়। voter আকৌ তাত ৪০০০, ৩৫০০, ৩০০০ এনেকুৱাও হয়। তাৰ ভিতৰত আকৌ মহিলা, পুৰুষ দুইধৰণে আছে। মহিলা সকল সাধাৰণতে খুব কমেই আহে গতিকে সেই ক্ষেত্ৰত কিছুমান পঞ্চায়তৰ কাৰণে অসুবিধা আহিব পাৰে। বেছিভাগ পঞ্চায়তেত হয়তো নহয় যদি ভোটাৰৰ হিচাবত ধৰা হয় এক দশমাংশ তেতিয়া সমস্যা নাই। জনসংখ্যা ধৰিলে একদম শিশুৰ পৰা আৰম্ভ হয়। আপোনালোকৰ কোনোবাই কিবা ক'ব বিচাৰে নেকি?

**শ্ৰী নাৰায়ণ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তৰ ক্ষেত্ৰত আমাৰ যিটো সংশোধনী আনিছে এইটো প্ৰযোজ্য কাৰণ আমিও দেখিছো যে পঞ্চায়তত যদি active participation নাথাকে গাওঁসভা ৰাইজ তেনেহ'লে আমি স্বচ্ছ নিকা আৰু প্ৰগতিশীল পঞ্চায়ত আমি গঠন কৰিব নোৱাৰো আৰু আমাৰ যদিও ৬০০০ count কৰা হৈছে অসমত আজিৰ তাৰিখত এখনো পঞ্চায়ত নাই। ৬০০০ population ক লৈ ৬০০০ ৰ ভোটাৰৰ বেছি আছে প্ৰত্যেক পঞ্চায়তত। আমি de-limitation ৰ সহায়ত এই কথা লৈ এফালে কৈছো delimitation হ'ব লাগে, বেছি মানুহ আছে বুলি আনফালে আকৌ এইটোও যদি population কমাই ধৰি কথাখিনি কৰো এইটো impartial হ'ব। মই ভাৰো সেইটো ৫০০ আমাৰ প্ৰযোজ্য হ'ব লাগে। এইটো আমাৰ বাবে লাভজনক।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী কমল সিং নাৰ্জাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী ডাঙৰীয়াই যি যুক্তি দি পেলাই তেখেতে অন্ততঃ এক দশমাংশ অৰ্থাৎ দহ ভাগৰ এভাগ মানুহ উপস্থিত হোৱাটো তেওঁ বিচাৰিছে। গণতান্ত্ৰিক শাসন ব্যৱস্থাত ৰাইজক কাষ চপাই ল'বৰ কাৰণে এই ব্যৱস্থাটো কৰা হৈছে। তেখেতে এটা সঠিক সিদ্ধান্ত দিছে গতিকে আমি ইয়াৰ সমৰ্থন জনাইছো।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম ঃ** ঠিক আছে চাৰ। গণতান্ত্ৰিক ব্যৱস্থাটো শক্তিশালী হোৱাটো আমিও বিচাৰো। তথাপি যদি আমি সদনে ভাৰিছো যে ৫০০ টো possible গতিকে আমি এইটো প্ৰত্যাহাৰ

কৰিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** माননীয় অধ্যক্ষ মহোদয়, মই এটা suggestion দিব বিচাৰিছো যে ৫০০ ৰ অধিক হ'লে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মই সদনৰ সন্মতি সাপেক্ষে সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হৈছে বুলি ঘোষণা কৰিছো। যিহেতু সদনৰ সংশোধন প্ৰস্তাৱ প্ৰত্যাহাৰ হৈছে, গতিকে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়' যিসকলে বিপক্ষে আছে তেখেত সকলে কওক ' নহয়'। মই ভাৱো 'হয়ৰ সাপেক্ষে, 'হয়ৰ' সাপেক্ষে, 'হয়ৰ' সাপেক্ষে ।৩ নং দফাটো বিধেয়ক খনৰ অংশ হৈছে বুলি মই ঘোষণা কৰিছো। বিধেয়কখনৰ ৩ নং দফাত কেইবাটাও সংশোধনী আছে। প্ৰথমতে ৩ নং দফাটোত মাননীয় সদস্য শ্ৰী তপন কুমাৰ গগৈৰ নামত এটা সংশোধনী আছে। ৩ নং দফাটোৰে Clause ABCD ত শ্ৰী শ্বেৰমান আলি আৰু তেখেতৰ সহযোগী সকলৰ সংশোধনী আছে, চাৰিটা। আৰু ৩ নং Clause টোৰ Sub-Clause ABE তাত তিনিটা আছে। শ্ৰী হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ। মই প্ৰথমতে যিটো আছে, সেইটো ২ ত আছে। ২ ত যিটো লিখা আছে, দুটা লাইন ।তাৰ ওপৰত দিছে এটা Amendment, শ্ৰী তপন কুমাৰ গগৈয়ে। শ্ৰীতপন কুমাৰ গগৈক যিটো সংশোধনী, সংশোধনীটো উত্থাপন কৰি কব কাৰণে বক্তব্য দি বৰ কাৰণে অনুৰোধ কৰিছো। শ্ৰী তপন কুমাৰ গগৈ।

**শ্ৰী তপন কুমাৰ গগৈ, (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Panchayat (Amendment) Bill, 2018" ধাৰা ১১১, উপধাৰা ২ ত অধিক স্পষ্টতা আনিবৰ বাবে মই সংযোজনী প্ৰস্তাৱ আনিব বিচাৰিছো। সংশোধনী বিলখনৰ ধাৰা ১১১, উপধাৰা ২ ত উল্লেখ কৰা হৈছে যে, 'No person shall be eligible for contesting election or to be elected under this Act'.এই উপধাৰাত যিটো প্ৰভিজন দিয়া হৈছে , এই প্ৰভিজনটোৰে নিৰ্বাচিত হোৱাৰ পাছত যদি নিৰ্বাচিত প্ৰতিনিধি জনৰ এক বা ততোধিক সন্তান জন্ম হয়, তেনেক্ষেত্ৰত নিৰ্বাচিত প্ৰতিনিধিজন ক্ষমতাত অধিষ্ঠিত থাকিব নে নাথাকিব, ইয়াৰ স্পষ্টতা প্ৰদান কৰিব পৰা নাই। যাৰ বাবে সংশোধনী বিলখনে এই ধাৰাতে কাৰ্য্যকৰী ব্যৱস্থাত গ্ৰহণ কৰাত কৰ্তৃত্বশীল বিষয়াজনে সিদ্ধান্ত গ্ৰহণ কৰাত অসুবিধা পোৱাৰ সম্ভাৱনা অধিক। আৰু সেইবাবে এই বিষয়ত সংশোধনী বিলৰ **১১১**, উপধাৰাত ২ ত অধিক স্পষ্টতা আনিবৰ বাবে এই উপধাৰাত "No person shall be eligible for contesting election of co-opted and remain as president, vice-president or member of Zila parishad, Anchalik Panchayat and Gaon Panchayat," এই বাক্যটো এই সংশোধনী বিলখনত সংযোজন কৰিবলৈ মই প্ৰস্তাৱ আগবঢ়ালো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীতপন কুমাৰ গগৈ ডাঙৰীয়াই " The Assam Panchayat (Amendment) Bill, 2018" ৰ ১১১ ৰ উপধাৰা ২ ত যি সংযোজিত প্ৰস্তাৱ আনিছে, এই সংযোজনী প্ৰস্তাৱটোৰে চৰকাৰৰ বাবে গ্ৰহণযোগ্য হ'ব বুলি মই অনুভৱ কৰো। যিহেতুকে এই সংযোজনী প্ৰস্তাৱটোৰে ১১১ ৰ উপধাৰা ২ ত অধিক স্পষ্টতা প্ৰদান কৰিব। তাৰোপৰি এই সংযোজিত প্ৰস্তাৱটো মাননীয় চুপ্ৰিম কোৰ্টত Two shall norm for holding elective office ৰ সন্দৰ্ভত দিয়া সংশ্লিষ্ট ৰায়ৰ

পৰিসীমাৰ ভিতৰত পৰিব। এই পৰিপ্ৰেক্ষিতত মাননীয় বিধায়ক মহোদয়ে উত্থাপন কৰা সংযোজিত প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ পবিত্ৰ সদনত অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আব্দুল খালেক, (জনীয়া ) ঃ** চাৰ, ক্লাৰিফিকেশ্যন আছে, co-opted টোৰে কি বুজাব খুজিছে। Elected টো বুজিলো । যিটো এমেণ্ডমেণ্ট আনিছে গগৈ ডাঙৰীয়াই, 'No person shall be elected or co-opted অৰিজিনেল ল' ত co-opted শব্দটো নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিকেই অৱশ্যে মই অৰিজিনেল বিলখন চাই পঢ়ি আছো, মইয়ো পঢ়ি আছো। ইয়াতো সেই ১১১যিটো এতিয়া Sub-Clause 1 হ'ব, তাতো লিখা আছে No person shall be elected or co-opted আমাৰ পঞ্চায়তৰ আগতে কেতিয়াবা co-opted ব্যৱস্থা আছিল নেকি মই নাজানো সেই কাৰণে শুধিছো।

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,১১১ 'ক' ত কোনো ব্যক্তিয়ে জিলা পৰিষদ আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তলৈ নিৰ্বাচিত অথবা সহনিযুক্তি ।

**মাননীয় অধ্যক্ষ ঃ** সহনিযুক্তি টো আমাৰ আছে জানো। পঞ্চায়ত আইনত । মই নাজানো।

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী ঃ** নহব অথবা এইবিলাকৰ সভাপতি, উপসভাপতি নিৰ্বাচিত হয়।

**মাননীয় অধ্যক্ষ ঃ** আইনত আছে। সেই কাৰণে, মই ভাবো যে আইনখনৰো বহুত সংশোধনী ৰ প্ৰয়োজনীয়তা আছে। এতিয়া নতুন কথাবিলাক আছে। মই কালিৰে পৰা পঢ়ি আছো। এতিয়া বহুতো কথা এতিয়া প্ৰচলিত নহয়। ঠিক আছে।

**শ্ৰী আমিনু ইছলাম, (ধিং )ঃ** চাৰ, এইক্ষেত্ৰত এই আইনখন পাচহোৱাৰ আগতে co-opted আগতে এ বাৰ হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** আমি এতিয়া সলনি কৰিব খুজা নাই। কিন্তু In future, I think amendment আহিব লাগে এইটো।

**শ্ৰী আমিনুল ইছলাম, (ধিং )ঃ** চাৰ, ইয়াৰ লগত সিদিনা মই এইটো উপস্থাপন কৰোতে আৰু এটা কথা উনুকিয়াই দিছিলো। মন্ত্ৰী মহোদয়ে সিদিনা উত্তৰ দিয়া নাছিলে। সেইটো আছিলে যে, আমাৰ সভাপতিক যে, অনাস্থা দি পেলাই সদস্য সকলে ভাঙি দিয়ে। ১০ জন সদস্যই elected by public আৰু ১০ জন সদস্যএ অনাস্থা দি ভাঙি দিয়ে , সেই কথাটো আৰু এটা নতুন নতুন বিলত আনিবলৈ অনৰোধ কৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ** আগলৈ কিছু কথা চাবলগীয়া আছে। মইয়ো নিজেই আইনখন পঢ়ি আছো। বহুতখিনি আছে।

**শ্ৰী আব্দুল খালেক, (জনীয়া) ঃ**চাৰ আমিনুল ইছলামে যিটো কথা উত্থাপন কৰিছে, আপোনাৰ মনত আছে। মই এই সদনতে এখন বিলো আনিছিলো। কাৰণ এইটো গণতান্ত্ৰিকব্যৱস্থাৰ প্ৰতি ভ্ৰুকুতি। যে, জনসাধাৰণে প্ৰত্যক্ষ ভাবে সভাপতিজনক নিৰ্বাচিত কৰি পঠিয়ায়। আকৌ সদস্যসকলে তেওঁলোকক অনাস্থা দিয়ে। হয়, সদস্যসকলৰ মাজৰ পৰা সভাপতিজন নিৰ্ব্যাচিত হব লাগে। নহলে সভাপতি যেতিয়া নিৰ্বাচিত হব সদস্যই অনাস্থা দিয়াৰ ব্যৱস্থাটো থাকিব নালাগে। গতিকে মন্ত্ৰীমহোদয়ে যদি এটা আশ্বাস দিয়ে এইটো সংশোধনী কৰা হব ভাল হব।

**মাননীয় অধ্যক্ষ ঃ** আজি সেইটো ইয়াত সম্বন্ধ নাই। On principle, I agree with you and we will take later on. আজি যদি মন্ত্ৰীয়ে কিবা কয় কব পাৰে । কিন্তু নকলেও

আপত্তি নাই। আমি এইটো আলোচনা কৰিম।

**শ্ৰী নাৰায়ণ ডেকা, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো আচলতে আমিও বহুতবাৰ প্ৰত্যক্ষ কৰিছো। আমি অনুমান কৰিছো পঞ্চায়তখন আমিও চাইছো। এইটো আঞ্চলিক পঞ্চায়তৰ সভাপতিজনক remove ৰ ক্ষেত্ৰত যিখিনি নীতি নিৰ্দেশনা আছিলে সেইটোৰে জিপি ৰ ক্ষেত্ৰত copy paste কৰাযেনলাগিছে। এইটো অলপ সংশোধনী হলে ভাল হব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি আলোচনা হৈছে , ভাল হৈছে। কিন্তু বহুত Technical অসুবিধা আছে। এতিয়া আমাৰ ১০ টা ৱাৰ্ড হয়, ১০ টা ৱাৰ্ডৰ পৰা যদি আমি সভাপতি কৰো, তেন্তে অনাস্থা কেনেকৈ হব। পাচজন পাচজন যদি হয়। গতিকে ১১ জন কৰিব লাগিব। ১১ জন কৰিব হলে de-limitation কৰিব লাগিব। এইটো এটা ৰেজুৰ হব লাগিব। নহলে এটা ডাঙৰ excercise এটাৰ প্ৰয়োজন।

**মাননীয় অধ্যক্ষ ঃ** নহলে co-opted টৌলৈ যাব লাগিব।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, at the time of de-limitation.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।That is a good thing. good suggession.

**শ্ৰী আব্দুল খালেক, (জনীয়া) ঃ** চাৰ অনাস্থাৰ ক্ষেত্ৰত পঞ্চায়ত আইনখনত স্পষ্ট আছে two third লাগিব। গতিকে,১০-১১ ৰ কথা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনিকৈছে যে, ১০ জনৰ পৰা এজনক নিৰ্বাচিত কৰিব লাগিব।ৰকিবুল হুছেইনে ভাল কথা এটা কৈছে। ১০ জন সদস্য আছে। আমি যদি direct election নাপাতি এই ১০ জন সদস্য বা সভাপতি কৰো । পাঁচ পাঁচৰে আমি কি কৰিম। ঠিক আছে। এইটো কথা আমি আলোচনা কৰিছো।ভৱিষ্যতলৈ আমি এইটো ৰাখিছো।

**শ্ৰী নাৰায়ণ ডেকা, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কবলৈ বিচাৰিছো।পঞ্চায়ত সভাপতি অনাস্থাৰ ক্ষেত্ৰত এটা ডাঙৰ technical অসুবিধা এটা আছে।কাৰণ আঞ্চলিক পঞ্চায়তৰ সভাপতিজনক আঞ্চলিক পঞ্চায়তৰ সদস্যবিলাকে নিৰ্বাচন কৰে আৰু তেওঁলোকে ৬ মাহৰ মুৰে মুৰে অনাস্থা আনে। কিন্তু আঞ্চলিক পঞ্চায়তৰ সভাপতি যদি জন কিবা কাৰণত remove হয়, তেওঁ আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপ তেওঁ কাৰ্য্য নিৰ্বাহ কৰে। কিন্তু সভাপতিজনক যেতিয়া সাধাৰণ মানুহে ভোট দি তেওঁ নিৰ্বাচন কৰে। তেওঁ যদি কিবা কাৰণত অনাস্থাত ভাগি যায় তেওঁ সদস্য হৈ নাথাকিব।

**মাননীয় অধ্যক্ষ ঃ** সেই খিনি কথা ঠিক আছে। শ্ৰী ৰকিবুল হুছেইনে এটা গুৰুত্বপূৰ্ণ কথা কৈছে। যদি আমি সদস্যৰ মাজৰ পৰা নিৰ্বাচিত কৰিব লাগে আমাৰ সদস্যৰ সংখ্যা এটা বঢ়াব লাগিব ১১ কৰিব লাগিব। নহলে পাঁচ পাঁচ হলেতো নিৰ্বাচিত নহব।

**শ্ৰী আব্দুল খালেক, (জনীয়া) ঃ** চাৰ বিধান সভাতে ১২৬ জন আছে। আমাৰ তো ৬৩-৬৪ আছে।

**মাননীয় অধ্যক্ষ ঃ** বিধান সভাতো নানিব। আপুনি যুক্তি এটা দিছে।

**ডাঃ নোমল মোমিন, (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি পাঁচ পাঁচৰ অংকতো থাকে তেতিয়াহলে সভাপতি ভোটতো কাউণ্ট কৰি দিব নোৱাৰি নেকি ?

**মাননীয় অধ্যক্ষ ঃ** সেইটো কথা কোৱা নাই। We are talking from a different

angle.আজি এইটোৰ লগত সম্বন্ধ নাই। আমি কৈছো তেখেত সকলে কৈছে এইটো ভাল হৈছে। আলোচনাতো মই বেয়া পোৱা নাই। তেওঁলোকৰ মাজৰ পৰা এজন সভাপতি হব লাগে। সেই ক্ষেত্ৰত ৰকিবুল হুচেইনে কৈছে, ১০ জন সদস্য থাকিব । যদিকোনোব এজন উঠে দয়োজনে যদি পাচটা পাচতা ভোট পায় ,আকৌ deciding ভোট বিচাৰি খেলিমেলি হব তেতিয়া co-opted এজন সদস্য ৰাখিব লাগিব আগতিয়াকৈ বা ১১ জন সদস্য কৰিব লাগিব। কথাটো মিচা নহয় ।আমাৰ খালেক ডাঙৰীয়াই কৈছে, অসম বিধান সভাত ১২৬ জন আছে। কেতিয়াবা ভোট সমান নহয় তেতিয়া Speaker এ deciding ভোট দিয়ে ।আমাৰ custing আছে। তাত Speaker এজন নাই। We will discuss later on . Its a very good discussion . আৰু মই পঞ্চায়ত মন্ত্ৰীক কম আপুনি অকনমান আমাৰ যিসকলক legal priliminary আছে। অকনমান ইচ্চা কৰিলে পঞ্চায়ত আইনখন চোৰাচিতা কৰিব কাৰণে এখন সৰু কমিটি কৰি দিব পাৰো। এইটো আপোনালোকৰ হায় হব। পিছত চাব। ঠিক আছে। এতিয়া মই Clause যিটো সংশোধনী সেই সংশোধনীটো চৰকাৰৰ যিহেতু গ্ৰহণ কৰিছে, মই এইটো সংশোধনী সহ মই এই প্ৰথম যিটো part 2 ৰ যিটো 1st part মই এইটো except কৰি লৈছো। আৰু ইয়াৰ পাছত ২ ৰ যিটো Sub-clause আছে, Sub-clause ABCD তাত শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই সংশোধনী আনিছে আৰু তেখেতৰ সহযোগী সকলক মই সংশোধনী প্ৰস্তাৱ কৰি কবলৈ অনুৰোধ কৰিছো।

**শ্ৰী শ্বেৰমান আলী , (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিস্তৃত ব্যাখ্যালৈ নগৈ থুৰতে আমাৰ এই প্ৰস্তাৱিত সংশোধনী কেইটা উত্থাপন কৰিলো। আমাৰ সংশোধনী কেইটা আছিলে কোৱালিফিকেশ্যনৰ ক্ষেত্ৰত যেতিয়ালৈ বিধায়ক বা সাংসদ সকলৰ কোৱালিফিকেশ্যন fix কৰা নহব, তেতিয়ালৈ পঞ্চায়ত সভাপতি বা আঞ্চলিকপঞ্চায়তৰ সদস্যৰ ক্ষেত্ৰতো এই কোৱালিফিকেশ্যনটো প্ৰযোজ্য হব নালাগে। Date of effect should be after the qualification is prescribed for a MLA & MP. দ্বিতীয় কথাটো আছিল, ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত ।ইয়াতে আমাৰ সংশোধনী প্ৰস্তাৱটো হৈছে, যে, এই Actখন যিদিনাখনৰ পৰা প্ৰযোজ্য হব This bill will be turn into act and will come into force যিদিনাৰ পৰা হব তাৰ পিছত যিসকল মানুহে দুটাতকৈ বেছি সন্তানৰ জন্ম দিব তেওঁলোকহে ডিফাৰ কৰা হব। ইয়াতে মাননীয় অধ্যক্ষ মহোদয় আমাৰ এই ,সংশোধনী প্ৰস্তাৱৰ সমৰ্থনত দুটা মান কথা কব খুজিছো। আমাৰ এই গোটেই বিল খন আহিছে যিটো যোৱা ১৫ চেপ্তেম্বৰ, ২০১৭ Population and Women Empowerment Policy of Assam এই চৰকাৰী প্ৰস্তাৱটো ১৫ চেপ্তেম্বৰ, ২০১৭ ত যেতিয়া আমি গ্ৰহণ কৰিলো তাৰ প্ৰেক্ষাপটত আজিৰ এই বিলখন আহিছে। ইয়াত চাৰ, Population and Women Empowerment Policy of Assam ত স্পষ্ট ভাবে উল্লেখ আছে। The incentive and dis-incentives shall be applicable only propectively. অৰ্থাৎ অনাগত দিনবোৰত কাৰণেহে আৰু আপুনিও এজন আইনৰ মানুহ । আপুনিও জানে যে, আমাৰ আইনী ব্যৱস্থা টোৰ মূল ব্যৱস্থাটো হল principle টো হল যে,any law if given effect to it retrospective effect shall not adversly effect any body. এই কথাটো আমাৰ আইনী ব্যৱস্থাৰ এটা মূল কথা। কোনোবা ঘটনাৰ কাৰণে কাৰবাক punishment দিব নোৱাৰি। এতিয়া আমাৰ ্সিকল মানুহে দুটা বা

ততোধিক ল'ৰা ছোৱালী জন্ম দিলে তেওঁলোকতো আগতে জনা নাছিল যে, এই বিলখন এদিন হ্ব। গতিকেআজিয়ে বিলখন কৰি পেলাই আগতে কৰা ভুলবোৰৰ কাৰণে আমি কেনেকৈ শাস্তি দিম।আমাৰ আইনী ব্যৱস্থা ৰ বিৰুদ্ধে নাজাব জানো । চাৰ, এইটো প্ৰথম। দ্বিতীয়তে এই Population Policy তে আছিল যে আমাৰ MLA আৰু MP সকলৰ কাৰণে আমাৰ Govt. of India আৰু Parliament ৰ লগত take up কৰা হ'ব। requisitte qualification fix কৰিবলৈ। নেজানো এতিয়ালৈকে চৰকাৰে পঠিয়াইছেনে নাই ? যিহেতু এতিয়ালৈকে implement হোৱা নাই আৰু পঞ্চায়ত প্ৰেচিডেন্ট, কাউঞ্চিলাৰ বোৰৰ কাৰণে আমি বিধায়ক সকল, সাংসদ সকল, যথেষ্ট খিনিৰ ওপৰ শ্ৰেণীৰ, আমি তেওঁলোকৰ কাৰণে আদৰ্শ হব লাগে, আমাৰ qualification যিটো হব , আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াইও কৈছে এজন প্ৰেচিডেন্ট হব পাৰিব নিৰক্ষৰ ব্যক্তি, এজন প্ৰাইম মিনিষ্টাৰ হব পাৰিব এজন নিৰক্ষৰ ব্যক্তি, MP হ'ব পাৰিব, MLA হব পাৰিব অথচ আমি আমাৰ প্ৰেচিডেন্ট, কাউঞ্চিলাৰ সকলক শাস্তি দি আছো। সেই কাৰণে আমাৰ সংশোধনী প্ৰস্তাৱ টো হ'ল যে এই আইনখন পাচ কৰা হওঁক। কিন্তু date of effect যেতিয়া বিধায়ক আৰু সাংসদ সকলৰ qualification fix কৰা হব বা প্ৰযোজ্য যি দিনৰ পৰা হব সেই দিনাহে আমাৰ প্ৰেচিডেন্ট কাউঞ্চিলাৰৰ ক্ষেত্ৰতো এই আইনখন প্ৰয়োজ্য হব। আৰু দুটামান কথা এই আইনখনত স্পষ্ট হোৱা নাই আমাৰ এই population policy ত কেইটামান কথা স্পষ্টভাবে লিখা আছিল যে exception, where the second set of children is twins যদি এজন মানুহৰ প্ৰথম সন্তানটো হোৱাৰ পাছত দ্বিতীয় সন্তানটো হওঁতে যদি twin হয় বা triple হয়, তেনেক্ষেত্ৰত কি হব? এইটো ভগৱানৰ দান। কতো প্লেন কৰি লোৱা নাছিলে। এটাই বাচ্চা হব বুলি ভাবিছিলে, হৈ গ'ল দুটা, তিনিটা। তেনে ক্ষেত্ৰত কি হব? ইয়াতে ব্যতিক্ৰম দিয়া আছিল।

**মাননীয় অধ্যক্ষঃ**- একে লগেও তিনিটা হব পাৰে নেকি কেতিয়াবা?

**শ্ৰী শ্বেৰমান আলি আহমেদ,বিধায়কঃ**- হব পাৰে। এইটোও আছে,চাৰ। চাৰ সেইটোও আছে, গতিকে এইকথাটো ইয়াত স্পষ্ট নাই। ২ নং ত ইয়াতে আৰু এটা exception আছিল যে প্ৰথম সন্তানটো হওঁতেই, আমাৰ সকলো দম্পত্তীয়েই প্ৰথম সন্তানটোৰ কাৰণে ইমান হাবিয়াস কৰে, প্ৰথমটো হওঁতেই যদি তিনিটা হয়, চাৰিটা হয়, আছে উদাহৰণ, ১০ টা লৈও উদাহৰণ আছে। যদি হৈ যায় তেতিয়া কি হব?

**মাননীয় অধ্যক্ষঃ**- ঠিক আছে। বহক ।

**শ্ৰী শ্বেৰমান আলি আহমেদ,বিধায়কঃ**-আৰু এটা আছে। আৰু এটা স্পষ্টীকৰণ ইয়াত নাই। সেইটো হ'ল ইয়াত কোৱা হৈছে multiple partner ৰ ক্ষেত্ৰত। আমাৰ পুৰুষসকলে একাধিক বিবাহ কৰে। কিন্তু ভাৰতীয় ব্যৱস্থাত মেঘালয়ক বাদ দি কতো নাই যে ছোৱালীয়ে multiple partner ৰাখে। এতিয়া এজন মানুহে প্ৰথম বিবাহ কৰিছে, প্ৰথম পত্নীৰ পৰা তেওঁৰ ২ টা ল'ৰা-ছোৱালী হৈছে। প্ৰথম পত্নীৰ মৃত্যু হ'ল, দ্বিতীয় বিবাহ কৰিলে ২য় পত্নীৰ পৰা ১ টা বাচ্চা হ'ল। মানুহজনী দুখী তেওঁৰ তিনিটা হৈ গ'ল, এই আইনমতে কিন্তু যদি সেই মানুহজনৰ ২য় পত্নীয়ে . ইলেকশ্যন খেলিব খোজে, তেওঁৰটো এটাই সন্তান তেওঁৰ partner ৰো এজন not multiple partner, Husband এজনেই, Husband জনৰ double ঘৈণীয়েক আছে, কিন্তু তিৰোতা গৰাকীৰ double Husband নাই । সেই কথাবোৰ চাৰ, ক্লিয়াৰ নহয়। তিৰোতা গৰাকীয়ে খেলিব পাৰিব নে নাই? গতিকে অধ্যক্ষ মহোদয়, যিহেতু এই কথাখিনি অতি যুক্তিপূৰ্ণ, আৰু

বিশেষকৈ মই, আপুনি আইনৰ ছাত্ৰ হিচাপে retrospective effect বাদ দি adversly affect হব নালাগে। কালি আজি এমাহ পাছত Governor ৰ accent হোৱাৰ পাছত এই আইনখন পাচ হব, তাৰ পাছত যি সকলে তিনিটা সন্তান জন্ম দিব, তেওঁলোকেহে শাস্তিৰযোগ্য। not before that আৰু qualification MLA আৰু MP সকলৰ হওঁক তাৰ পাছতহে প্ৰেচিডেন্ট, কাউঞ্চিলাৰৰ হব।

**মাননীয় অধ্যক্ষঃ**- ঠিক আছে।

**ড° নোমল মোমিন, বিধায়কঃ**- মাননীয় অধ্যক্ষ মহোদয়, মেঘালয়ৰ মহিলাৰ ক্ষেত্ৰত Multiple partner law আছে বুলি কৈছে। এইটো কিন্তু ভুল তথ্য। Matriarchal প্ৰথা হে আছে। যিটো মহিলা সকলৰ Predomience এইটো মহিলা সকলৰ Multiple partner ৰ Law আছে বুলি যিটো কৈছে, সেইটো কথা উঠাই লব লাগে।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে এইটো গুচাই দিছো।

**ড° নোমল মোমিন, বিধায়কঃ**- মাননীয় অধ্যক্ষ মহোদয়,এইটো উঠাই লব লাগে। এইটো মহিলাক অপমান কৰা হৈছে। এইটো কৰা উচিত নহয়। এইটো উইড্ৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ**-তেখেতে উঠাই লৈছে, এতিয়া শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়া।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়কঃ**- মাননীয় অধ্যক্ষ মহোদয়, The Assam Panchayat (Amendment) Bill, 2018 যিদিনা উপস্থাপন কৰিছিল, সেই দিনা অধ্যক্ষ মহোদয়, আমি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা কিছু কথা সুধিছিলো। তেওঁ তেতিয়া সঠিক উত্তৰ নিদিয়াৰ বাবে, আপুনি কলে যে at the time of যেতিয়া পাৰিত কৰা হ'ব, তেতিয়া আপুনি এই কথাখিনি কব। মই সেই কথাখিনিকে দোহাৰিব বিচাৰিছো, অধ্যক্ষ মহোদয়, যে in principle এই আইনখন আমি agree কৰিছো, নীতিগতভাৱে, যি কেইটা যুক্তি আগবঢ়াইছে, যে জনবিস্ফোৰণৰ কাৰণে আমাৰ বিভিন্ন ধৰণৰ অসুবিধা হৈছে, আৰম্ভনি হিচাপে আমি ২টা ল'ৰা ছোৱালীতকৈ অধিক যদি হয়, তেতিয়া হলে পঞ্চায়তত আমি উঠিব নিদিও, চাকৰি-বাকৰিৰ ক্ষেত্ৰটো তেনেধৰণৰ ব্যৱস্থা হৈছে। নীতিগতভাৱে যিহেতু জনবিস্ফোৰণ হ'লে ৰাজ্যখনৰ অসুবিধা হব, সেইটো আমি সমৰ্থন আগবঢ়াইছো। দ্বিতীয় এটা কথা হৈছে, শিক্ষাগত অৰ্হতা। অধ্যক্ষ মহোদয়,যদিও আমি এই কথাটো আমাৰ বিধান সভাত আলোচনা কৰিছো, কেৱল যে আমাৰ অসম বিধান সভাই এই কথা আলোচনা কৰিছে, তেনে নহয়। ১৯৯৩ চনত আমাৰ সংবিধান সংশোধনৰ জৰিয়তে যেতিয়া পঞ্চায়তে সংবিধানৰ মৰ্য্যদা লাভ কৰে তাৰ পৰৱৰ্তী সময়ত পঞ্চায়ত আইন সংশোধন কৰাৰ কাৰণে সংবিধানে ৰাজ্য চৰকাৰক দায়িত্ব দিছিল। আৰু ৰাজ্য চৰকাৰে দায়িত্ব লোৱাৰ পাছত আমি বিভিন্ন ধৰনৰ যেতিয়া সংবিধান সংশোধন কৰো, পঞ্চায়তৰ ক্ষেত্ৰত দেখা গৈছে, যে তাত High-Court য়েও হস্তেক্ষেপ কৰা নাই, বহু ক্ষেত্ৰত Supreme Court য়েও হস্তক্ষেপ কৰা নাই. আমাৰ এই দুখন আইন, বিশেষকৈ দুটা ল'ৰা-ছোৱালী আৰু শিক্ষাগত অৰ্হতাৰ ক্ষেত্ৰত, দুটাকৈ মিলাই মই কৈছো, যে অন্ধ্ৰপ্ৰদেশ, গুজৰাট, মহাৰাষ্ট্ৰ, উৰিষ্যা, ৰাজস্থান, মধ্যপ্ৰদেশ, ছটিশগড়, হিমাচল প্ৰদেশ আৰু হাৰিয়ানা চৰকাৰে ইতিমধ্যে এই আইন বলৱৎ কৰিছে। এখন ৰাজ্যই ইতিমধ্যেই এই আইন বলবৎ কৰিছে, কিন্তু পৰৱৰ্তী সময়ত আকৌ মধ্যপ্ৰদেশ, ছট্টিশগড়, হিমাচল প্ৰদেশ আৰু হাৰিয়ানাই আমাৰ দুটা সন্তানৰ যিটো আইন প্ৰনয়ন কৰিছিল, উইড্ৰও কৰিছে। গতিকে এইটো যে আমি অকল অসম বিধান সভাই কৰিছো, সেইটো কথা নহয়। কিন্তু কথা হ'ল অধ্যক্ষ মহোদয়, যে এই কথাখিনি আজি যিহেতু আহিছে, আমাৰ দৈনন্দিন পৰিবৰ্তন আজি আমি ডিজিটেল বাজেট দিছো,

আমি GST ত আমি প্ৰথম ৰাজ্য হিচাপে আমি পাচ কৰিছো। গতিকে আমাৰ কথা হ'ল আমাৰ যিটো শ্বেৰমান আলি ডাঙৰীয়াই উত্থাপন কৰিলে, যে আজি আমি বিধায়ক। বিধায়ক হিচাপে আমি আজি এই আইন বলবৎ কৰিম,আমি প্ৰণয়ন কৰিম। মই বিধায়ক, মই কিন্তু বিদ্যালয়ত যাব নালাগে মই 'ক' শ্ৰেণী পাচ কৰিলেও হ'ল। মই যদি জীৱনত স্কুলো যোৱা নাই, মই যদি ব কলম, মই যদি স্বাক্ষৰ কৰিব নাজানো, মই বিধায়ক হব পাৰিম। মই যদি ব কলম, মই স্কুলত যোৱাই নাই, মই এম পি হব পাৰিম। মোৰ পঞ্চায়তৰ ৱাৰ্ড মেম্বাৰ হব নোৱাৰিব যি জনে, সেইজনে আকৌ এম পি হোৱাৰ যোগ্যতা আছে। সেই কাৰণে আমি কৈছো, যে অসম বিধান সভাই আমি এটা দেখুৱাও, যে আহক যিহেতু আপোনালোকৰ চৰকাৰ দিল্লীটো আছে, আমি কৈছো, যে আমি অসম বিধান সভাই এনেকুৱা এটা প্ৰস্তাৱ লওঁ যে আপোনালোকেই নিৰ্ধাৰণ কৰক যে MLA ৰ ক্ষেত্ৰত কি education হব লাগে? এম পি ৰ ক্ষেত্ৰত কি হব লাগে? সেইটো এটা পাচ হওঁক। যে বিধায়ক হলে আমাৰ শিক্ষাগত অৰ্হতা কিমান লাগে? আৰু সেইটো আমি প্ৰথমে পাচ কৰো, আমাৰ দায়িত্ব নাই । আমি পাচ কৰিব নোৱাৰো. কিন্তু আমি প্ৰথম ৰাজ্য হওঁ, যে আমি প্ৰথমে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ আগবঢ়াওঁ যে আমি অনুভৱ কৰিছো, আমি যিহেতু পঞ্চায়তত এই আইন বলবৎ কৰিব গৈছো, প্ৰথমে আমি এই আইন সংশোধন কৰাৰ কাৰণে আমাৰ বিধায়ক সকলৰ কাৰণে মিনিমাম গ্ৰেজুৱেট বা এম এ বা ডক্তৰেট যিটোৱে আপোনালোকে ঠিক কৰে সেইটো হব লাগে। সেইটো নোহোৱাকে আমি যাতে MLA হব নোৱাৰো, সেইটো প্ৰস্তাৱ এটা অন্ততঃ পাচ কৰক।

অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাৰ প্ৰতি যিসকল ৰাইজে চাই আছে তেখেতসকলে সাংসদৰ শিক্ষাগত অৰ্হতাৰ ক্ষেত্ৰততো বি.এ., এম.এ. ডক্টৰেট কিবা এটা কৰিলেহে ভাল পাব। এ.জি.পি, বিজেপি, কংগ্ৰেছ সকলো দলৰ মানুহ বিলাকে ভাল পাব। আজি বিলখন আপোনালোকে আনিছে কাৰণে আপোনালোকে সমৰ্থন কৰিব। কিন্তু অধ্যক্ষ মহোদয় বহুতে এইটো বিচৰা নাই। বহুত বিজেপি সদস্যই আমাক কয় 'সদ্যহতে ন'হলে ভাল হয়, আপোনালোকে চাওকচোন কিবা কৰি সদ্যহতে এইটো নোহোৱা কৰিব পাৰি নেকি'। আমি কেতিয়াবা বিজেপিৰ লগত সামাজিক ভাবে একেলগে বহো। তেওঁলোকে কৈ আছে 'মোৰ তিনিটা ল'ৰাছোৱালী কিবা এটা কৰিব নোৱাৰিনে, যদি কিবা এটা কৰিব পাৰি আমিও নিৰ্বাচনত উঠিব পাৰো'। আপোনালোকক বিধায়ক কৰা আপোনালোকৰ চৰকাৰ অনা বহুতেই ভাবি আছে যে - আমি এওঁলোকক বিধায়ক কৰিলো, এতিয়া আমি পঞ্চায়ত খেলিম - তেওঁলোকে বাদ চাই আছে। দ্বিতীয়তে অধ্যক্ষ মহোদয় শিক্ষাগত অৰ্হতা সম্পৰ্কত মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই কৈছে - আমেৰিকাৰ ৰাষ্ট্ৰপতি হ'বলৈ শিক্ষাগত অৰ্হতাৰ প্ৰয়োজন নাই। আব্ৰহম লিংকন - তেখেত বহু দুখীয়া আছিল, তেখেতৰ আনুস্থানিক শিক্ষা নোহোৱাকৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি হৈছিল। আমেৰিকাৰ ৰাষ্ট্ৰপতি হ'বলৈ শিক্ষাগত অৰ্হতা নালাগে কিন্তু ৱাৰ্ড মেম্বাৰ হ'বলৈ শিক্ষা লাগে। আজিৰ তাৰিখত শিক্ষাৰ প্ৰয়োজন আছে সেইটো মই মানো। কাৰণ বিভিন্ন বিভাগলৈ ট্ৰেন্সফাৰ হ'ব। কিন্তু মোৰ এই আইনখন পঢ়াৰ যোগ্যতাই নাই কিন্তু মই এই আইনখন পাছ কৰি দিছো। ইয়াত মই 'ক' লিখা আছেনে 'ব' লিখা আছে মই নাজানো। গতিকে মাননীয় অধ্যক্ষ মহোদয় আমি আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো এই কথাখিনি আমি একেবাৰে যোগাত্মক দৃষ্টিভঙ্গীৰে কৈছো। আমি চৰকাৰক কৈছো- আপোনালোকে এই প্ৰস্তাৱটো পাছ কৰাক - আমি আপোনালোকক সহায় কৰিম - সদ্যহতে এইখন বন্ধ ৰাখক। আমাৰ শ্বেৰামান আলি ডাঙৰীয়াই কৈছে, এইটো আপোনালোকে আজি আনিব খুজিছে

কাৰোবাৰ তিনিটা ল'ৰাছোৱালী আগতে হ'ল, এই সংশোধনীটো যদি ৰিট্ৰোস্পেকটিভ নকৰি প্ৰ'চপেকটিভ কৰিব পাৰে নেকি - অলপ চিন্তা কৰক। গতিকে অধ্যক্ষ মহোদয় মই ৰাজনৈতিক চিন্তাৰ উৰ্দ্ধত থাকি কৈছো, যিখিনি আমাৰ অসুবিধা আছে, সেই অসুবিধাখিনি সকলোৱে দুৰ কৰিব লাগে। মই বিভিন্ন ক্ষেত্ৰত সংশোধনী আনিছিলো হাৰিয়ানাৰ গোচৰ সম্পৰ্কত মহামান্য উচ্চ ন্যায়ালয়ৰ দুজনীয়া বিচাৰপীঠে ৰায় দি থৈছে, তাৰ পিছত উচ্চতম ন্যায়ালয়ত এটা গোচৰ ৰুজু হৈছে তাৰ বিচাৰ এতিয়াও চলি আছে। এই কথাবিলাকৰ উৰ্দ্ধত গৈ আমি কৈছো পঞ্চায়তৰ যিটো ব্যৱস্থা কৰিব গৈছে, গোটেই পঞ্চায়তৰ ক্ষেত্ৰত কৰিবলৈ গৈ আছো, হঠাৎ যেন কৰ'বাত ব্যাঘাত হৈছে, স্থবিৰ হৈ গৈছে তেনেকুৱা এটা ভাব হৈছে। গতিকে অধ্যক্ষ মহোদয় আপোনাক কৈছো আৰু বিধান সভা হ'ব, লাগিলে বিশেষ অধিবেশন পাতক, অনুগ্ৰহ কৰি সদ্যহতে আইনখন বলবৎ নকৰি পুনৰ বিবেচনা কৰক। আমি আপোনাক অনুৰোধ কৰিছো, আমি কোনো ধৰণৰ ৰাজনীতি নকৰো। এইটো আপোনালোক আমি সকলোৱেই মিলি কৰো। এই বিষয়ত অসমৰ তিনিকোটি বাৰ লাখ মানুহৰ কথা জড়িত আছে। আপোনালোকে সময় লওক, আলোচনা কৰক আৰু এটা সিদ্ধান্ত লওক। যদি আপোনালোকে এই ক্ষেত্ৰত বিবেচনা নকৰে তেতিয়া হ'লে অসম ৰাজ্যখনৰ বেয়া পৰিস্থিতি হ'ব। সঁচাকৈ যদি ইমান ৰাজ্যখনত জনবিস্ফোৰণ ঘটিছে, গতিকে পঞ্চায়তত শিক্ষাগত অৰ্হতাটো বলবৎ কৰিব লাগিবই। তেতিয়া হ'লে বিজেপিৰ চৰকাৰৰ যদি কোনোবা বিধায়কৰ শিক্ষাগত অৰ্হতা স্নাতক নাই বা দুটাতকৈ অধিক ল'ৰা-ছোৱালী আছে তেওঁ ৰাজ্যখনৰ স্বাৰ্থত,ৰাজ্যখনৰ সৰ্বাঙ্গীন উন্নয়নৰ স্বাৰ্থত পদত্যাগ কৰি এটা অদৰ্শ দেখুওৱাক । আমি নীতিগত ভাবে পদত্যাগ কৰি দিলো এইটো ৰাজ্যখনৰ উন্নয়নৰ বাবে। মই ৰকিবুল হুছেইনে সকলো দিশৰ পৰা সমৰ্থন জনাম। অধ্যক্ষ মহোদয় আৰু এটা কথা বিধেয়কখনত টাউন আৰু গাঁৱক ভাগ কৰিছে। গাঁৱত এইটো বলবৎ কৰিলে কিন্তু টাউনৰ ক্ষেত্ৰত মুকলিকৈ ৰখা হ'ল।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মই আপোনৰ পৰামৰ্শটো লিখিছো। শ্ৰীআমিনুল ইছলাম, আপোনালোকে বিধেয়কখনৰ ক্লজ 'এ' 'বি' 'ই' তিনিটাত সংশোধনী দিছে। 'এ' আৰু 'বি'ত তেখেতসকলেও কৈছে। 'চি', 'ডি'ত আপোনালোকে দিয়া নাই। 'এ' আৰু 'বি'ত তেখেতসকলৰ লগত একে হ'ব গতিকে একেলগে 'ই' সংশোধনীটো কৈ দিব তেতিয়া একেলগে গোটেই কেইটা শেষ হ'ব।

**শ্ৰীআমিনুল ইছলাম ঃ** Sir, I beg to move...

**মাননীয় অধ্যক্ষ ঃ** এইটো ধৰি লোৱা হৈছে। আপুনি সংশোধনীটো কওক।

**শ্ৰীআমিনুল ইছলাম ঃ** In Subclause A of the Clause 3 আমি দিছিলো who has two or more than two living childrens from a single or multiple partners and gives birth of a child after the act comes into force. তাৰমানে যিটো বিলত আছিলে who has two or more than two living childrens from a single or multiple partners তাত অলপ সংযোজন কৰিব বিচাৰিছো যে এই আইনখন বলবৎ হোৱাৰ পিছত যিসকলৰ দুই বা তাতকৈ অধিক সন্তান আছে...

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। বিষয়টো আলোচনা হৈছেয়েই।

**শ্ৰীআমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পইন্টটো clarify কৰিব বিচাৰিছো। আমি সংশোধনীটো ক'ত বিচাৰিছো। বিলখনৰ মতে যিসকলৰ দুটা বা তাতোধিক সন্তান আছে সেইসকলৰ যদি আইনখন বলবৎ হোৱাৰ পিছত আৰু এটা সন্তান জন্ম দিয়ে তেতিয়া হ'লে তেওঁ পঞ্চায়তত প্ৰতিদ্বন্দিতা কৰিব নোৱাৰিব। আমি সেইটো সংশোধন বিচাৰিছো। যাৰ এটা সন্তান আছে তেওঁ

আইন বলবৎ হোৱাৰ পিছত সন্তান জন্ম দিব পাৰিব। যাৰ দুই বা অধিক আছে তেওঁ যদি আৰু সন্তান জন্ম দিয়ে তেওঁ নিৰ্বাচন খেলিব নোৱাৰিব। এইটো আমাৰ সংশোধনী আছিল। শ্বেৰমান আলি ডাঙৰীয়াই এইটো সংশোধন দিয়া নাছিল যদিও তেখেতে কিন্তু আলোচনাত কথাটো আনিছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰীয়ে কিবা এটা ক'ব বিচাৰিছে। মাননীয় মন্ত্ৰী।

(বিৰোধী বিধায়কসকলৰ মাজৰ পৰা ভালেকেইজন মাননীয় বিধায়কে বিভাগীয় মন্ত্ৰীৰ অনুপস্থিতিত বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে বক্তব্য প্ৰদান কৰিবলৈ থিয় হোৱাত মাননীয় অধ্যক্ষ মহোদয়ক অভিযোগ কৰে ফলত সদনত এক হুলুস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ** ঃ He will speak as a Member of the House. He is also holding a portfolio.

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, Council of Minister is collectively responsible. In absence of Chief Minister, I am entitled to speak. Rules is there. অধ্যক্ষ মহোদয় গোটেই ঘটনাটো এনেকুৱা হয় যে অসম বিধান সভাই ইতিমধ্যে জনসংখ্যা বিধেয়কখন পাছ কৰিছে আৰু সিদিনাখন আমি গোটেই কথা বিলাক আলোচনা কৰিছো। সেইদিনা বহুত আলোচনাৰ পিছত সদনত যিটো collective decision হৈছে যত কংগ্ৰেছেও oppose কৰা নাই এ.ইউ.ডি.এফেও কৰা নাই। অসম চৰকাৰে পাছকৰা জনসংখ্যা নীতিটো বিধান সভাই গ্ৰহণ কৰিছিল। তাত লিখা আছে পঞ্চায়ত নিৰ্বাচন, নগৰপালিকা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবলৈ হ'লে দুটা সন্তানকৈ বেছি হ'ব নালাগে আৰু minimum qualification criteria should be notified. অধ্যক্ষ মহোদয় গতিকে মই ইয়াত কোনো বিসংগতি দেখা নাই। ক'ৰবাতটো আৰম্ভ হ'ব লাগিব। আজি ইয়াত কোৱা হৈছে যে reform will be conditional কোনোবাই কৰিলেহে আমি ইয়াত কৰিম। সেইটোটো হ'ব নোৱাৰে অধ্যক্ষ মহোদয় আজি পঞ্চায়তত যিহেতু আমি শিক্ষাগত অৰ্হতা দিলো গতিকে শিক্ষাৰ ফালে মানুহ আগবাঢ়িব। It is a progressive legislation. যেতিয়া ৰাজস্থান, মধ্যপ্ৰদেশত দুয়োখন আইন challenge হ'ল Supreme Court and High Court কিয় upheld কৰিলে It is a progress ive legislation আমাৰ অধ্যক্ষ মহোদয় আপত্তি নাই অসম বিধান সভা can be the first Assembly আমি দুই তিনিদিন পিছত বিধান সভাত এটা প্ৰস্তাৱ আনিব পাৰো এম.পি. এম.এল.এৰ ক্ষেত্ৰতো শিক্ষাগত অৰ্হতাৰ নিৰ্ণয় হ'ব লাগে। It is a good suggestion ইয়াত আছে, It shall come into force from the date of notification. Notification পাছতহে কাৰোবাৰ সন্তান হ'লে বাধা আছে, কিন্তু কাৰোবাৰ যদি already তিনিটা সন্তান আছে, তেওঁৰ ক্ষেত্ৰতে বাধা নাই। এইটো MP, MLA ৰ ক্ষেত্ৰতো আনিব লাগে। And it will be a good suggestion. It is a progressive suggestion and we are sitting here and বিৰোধীয়ে ভাল কথা ক'লে আমি কিয় নুশুনিম । মাননীয় অধ্যক্ষ মহোদয় মই অসম চৰকাৰৰ ফাল ৰ পৰা মই আপোনাক এইটো আশ্বাস দিছো যে নেক্সট দুই দিন বা তিনি দিনৰ ভিতৰত We move a official resolution.কিন্তু We are not in bargaining. Reform লৈ মানুহে bargaining নকৰে। ভোট হ'ব, ভোটত যিয়ে জিকি যাব, যদি Spirit টো যদি Legislation block কৰাটো নহয়। আমি যদি বিচাৰো পঞ্চায়তত‌ো হওঁক , লোকসভাতো হওঁক , ৰাজ্যসভাতো হওঁক। We are ready

কিন্তু যদি কয় এইটো কৰিলেহে সেইটো কৰিম। তাৰমানে উদ্দেশ্যটো ভাল নহয়। উদ্দেশ্যটো হ'ল কিবা প্ৰকাৰে এইটো বন্ধ হওঁক। সেইটোৰ লগত আমি খোজ নিমিলাওঁ। আমি ই মানলৈকে যাব পাৰো যে,resolutionটো পাৰ হোৱাৰ পিছত সৰ্বদলীয় প্ৰতিনিধিৰ এটা দলো গৈ আমি ভাৰতৰ প্ৰধান মন্ত্ৰী, লোকসভাৰ সদস্য , বিৰোধী দলপতি সকলোকে লগ কৰি আমি কম যে অসম বিধান সভাই এইটো পাছ কৰিছে। আপোনালোকে kindly লোকসভাতো আনক। কোনো পাৰ্টিয়েও বিৰোধীতা কৰিব নালাগে ।আমি এইটো বিচাৰো। এইটো লৈ আমাৰ কোনো বিৰোধীতা নাই। Educational Qualification সময়ৰ আহ্বান। RT হৈ গ'ল আৰু ইয়াতো হয়তোকোনো ক্লাচ ছিক্স পাচ কৰা মানুহ নাথাকিব। এনেকুৱা যদি হয আমাৰ অসমত ড্ৰপআউট ৰেচিঅ নাই যেতিয়াৰ পৰা RT আইন পাছ হৈছে। কোনোৱাই যদি এতিয়া কয় যে অসমত এতিয়া ক্লাচ ছেভেন পাছ নকৰা মানুহ আছে যিয়ে পঞ্চায়ত মেম্বাৰ হব বিচাৰিছে।। কৰবাত হয়তো দুই চাৰিজন থাকিব পাৰে। But they will accept it with a positive thinking. এইটোৰ পৰা শিক্ষাৰ প্ৰতি ছাত্ৰ সকল আগ্ৰহী হ'ব। ৰকিবুল ডাঙৰীয়াই ঠিক কৈছে যে কোনোৱা BJP ৰ মানুহে আহি তেওঁক বিৰোধীতা কৰি কৈছে যে এইখন বন্ধ কৰিব লাগে। তাৰ মানে ইয়াত BJP ৰো কিছুমান মানুহে বেয়া পাব পাৰে আৰু AGP য়েও পাব পাৰে কংগ্ৰেছেও পাব পাৰে। Because this is not been done in perty line আজি BJP ত তিনিটা সন্তান থকা মানুহ নাই নেকি? মোৰো কৰ্মচাৰীৰ আছে তেনেকুৱা। We have to rise above it.কিন্তু অসমখনতো বচাব লাগিব। অসমখনকতে ৰাখিব লাগিব, আগুৱাই নিব লাগিব। গতিকে আমি কেতিয়াৱা পাৰ্টি লাইনত কাম কৰা প্ৰত্যোকটো সিদ্ধান্ত সকলোৱে মানি ল'ব লাগিব এনেকুৱা নহয়। But as a leader we have to do certain things য'ত আমি convince যাৰ ফলত সমাজৰ লাভ হ'ব। অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব বিচাৰো যে এ্ৰিক্টখনতএটা এমেণ্ডমেণ্ডত কনফিউজন হৈ আছে যে আমি এইটো বুজোৱা নাই যে আজি তিনিটা লৰা-ছোৱালী থকা কোনো ব্যক্তিয়ে নিৰ্বাচন খেলিব নোৱাৰিব। তাৰমানে এই এক্ট খন পাছ হোৱাৰ পাছতহে তিনিটা লৰা-ছোৱালী হ'ব নোৱাৰিব। Prior to that কোনোবাৰ যদি আজিৰ দিনত তিনিটা লৰা-ছোৱালী আছে, মই আইনখনৰ বিষয়ে নাজানো। মই কিয় নিৰ্বাচন খেলিব নোৱাৰিম। ইয়াত আছে It shall come into force at once the date of notification come . Date of notification অহাৰ পাছতহে কাৰোবাৰ যদি তিনিটা লৰা-ছোৱালী হয় তেওঁৰ নিৰ্বাচন খেলাত বাধা আছে। আগত যদি কাৰোবাৰ তিনিটা বা চাৰিটা হৈ আছে তেওঁক বাধা কৰাৰ উদ্দেশ্য এই আইনখনৰ নাই। It will be effect wirh restropective.বুলি ইয়াত কথাটো নাই। ইয়াত কথাটো আছে যে আজি যদি মোৰ আইনখন পাছ হয় ধৰক আজি বিধান সভাই পাছ কৰিলে। ইয়াত কথাটো আছে যে আজি যদি মোৰ আইনখন পাচ হ'ল ৰাজ্যপালে ascent দিলে ৭ এপ্ৰিলত। এইখন Notify হ'ল ৭ এপ্ৰিলৰ পাছত কাৰোবাৰ তিনিটা সন্তান হ'লেহে তেওঁ পঞ্চায়ত নিৰ্বাচন খেলিব নোৱাৰো। এইবাৰতো Nobody will effected in this election. আপুনি ইয়াত যদি চাই Clause 13 It shall come into force at once. ইয়াত যদি আইন চাই It is a prospective Application. It is not restropective. সেইকাৰণে আজি যদি কাৰোবাৰ তিনিটা সন্তান হৈ আছে তেওঁক punish কৰাৰ উদ্দেশ্য এই আইনৰ নহয়। কাৰণ তেওঁতো নাজানিছিল। গতিকে অধ্যক্ষ মহোদয়, ইয়াত যদি কাৰোবাৰ এটা ধাৰণা আছে যে ক্লজটোৱে ইয়াতো স্পষ্ট কৰি দিয়া নাই। We can insert

the clause যে গোটেই উদ্দেশ্যটো হৈছে যে prospective Application.

**মাননীয় অধ্যক্ষঃ** I think you have very correctly said. It come into force at once. তাৰমানে পাচ হোৱাৰ পাচতহে হ'ব। গতিকে কোনো কোৰ্টে মানিও নল'ব। বেলেগ একো দিব নলাগে। It is all right.

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** কেবিনেটত It is discussed threadbare আৰু এইটো কথা একেবাৰে স্পষ্ট কৰি থোৱা আছে যে It will come from Prospective Application not from Restropective Application. তাৰমানে কাৰোবাৰ ৫ বা ৩টা সন্তান হৈ আছে। তেওঁলোকৰ কোনো সুবিধা নাই। আমি কাকো টাৰ্গেট কৰিব খোজা নাই। কোনো মানুহৰ বিপক্ষে নামি পৰিব খোজা নাই। আমি খুজিছো ভৰিষ্যতৰ অসমখন ভাল হওঁক। We donot want to target anybody. সেইকাৰণে অধ্যক্ষ মহোদয়, যিজন বিজেপিৰ মানুহ ৰকিবুল হুছেইন ডাঙৰীয়াৰ ওচৰত গৈ কৈছে যে মোৰ তিনিটা সন্তান আছে, মোক পঞ্চায়ত নিৰ্বাচন খেলিবলৈ ৰাস্তা উলিয়াই দিয়ক। আচলতে আমি ৰাস্তা উলিয়াই থৈছো। তাত কোনো অসুবিধা নাই. বিজেপি, অগপ, কংগ্ৰেছ বা কোনো দলৰ অসুবিধা নাই।গতিকে অধ্যক্ষ মহোদয়, যদি সদস্য সকলে ভাৱে যে কথাটো স্পষ্ট হৈ উঠা নাই We can insert a clause. তাত কোনো অসুবিধা নাই যে This will however not effect anyone who has already more than two children.

**অধ্যক্ষ মহোদয় ঃ** মই ভাৱো যেThe Law is very clear interpretation of Law. তাত আৰু কোনো প্ৰয়োজন নাই. কাৰণ interpretation of Law. তেনেকৈ হয়। বেলেগ আৰু লিখা নাযায়।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয় সেইকাৰণে বাহিৰত মই চন্দ্ৰমোহন ডাঙৰীয়া আৰু নবদলে ডাঙৰীয়াক স্পষ্টীকৰণ দিব পঠিয়াইছিলো।

**অধ্যক্ষ মহোদয় ঃ** সদনত এই কথাটো কৈছো। It will be all right.তাতকৈ আৰু নালাগে।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** আপুনি যদিও কৈছে অধ্যক্ষ মহোদয়, তথাপিও মই কৈ আছো যদি কিবা ওৱৰ্ড যোগ দিলে Prospctive আৰু স্পষ্ট হৈ যায়, আমাৰ কোনো আপত্তি নাই। গতিকে কংগ্ৰেচ দলৰপৰা যি দুটা পৰামৰ্শ আহিছে, আমি গ্ৰহণ কৰিছো। যে We will pass a resolution in this house that Educational Qualification is equally important for M.P. and M.L.A. সেইটো আমি মানি লৈছো যে আমি এইটো Prospectivly apply কৰিব খুজিছো not restropective.

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** গতিকে দুয়োটা কথাই ঠিক আছে। অধ্যক্ষ মহোদয় ইয়তে কোনো অসুবিধা নাই।

**অধ্যক্ষ মহোদয় ঃ** আৰু কিবা আছে নেকি ?

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, যিটো ক্লাৰিফিকেশ্যন দিছে সেইটো ঠিক আছে। আৰম্ভণিতে আপুনি নিশ্চয় মন কৰিছে যে নীতিগত ভাৱে, আদৰ্শগত ভাৱে আমি সেইখিনি accept কৰা বুলি কৈছো। মাননীয় হিমন্ত বিশ্ব শৰ্মাদেৱে যিখিনি কথা কৈছে, আমি বুজি পালো। কিন্তু শিক্ষাগত অৰ্হতা কথাটো আমাক নকলে এইটো Prospective নে Restropective.

**অধ্যক্ষ মহোদয় ঃ** আইনখন একেটাই।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক ঃ**- যিখিনি কথা কৈছে যে বিধায়ক সকলৰ পিচত যাব, সেইটো কথাই কৈছো যে বিধায়কৰ প্ৰস্তাৱটো যাওঁক। আমি আজিয়েই ইয়াত ইম্পলিমেণ্ট কৰিব কোৱা নাই। কাৰণ এইটো পাৰ্লিয়ামেণ্টে কৰিব। সেইটো কথা আজি কোৱা নাই কাৰণেহে। মই এইটো কথা সেইদিনখন উপস্থাপন কৰিছিলো। সেইদিনা যদি এইকথা আহে আমি উপস্থাপন নকৰো। সেইদিনাও আমি কৈছিলো যে সাংসদৰ ক্ষেত্ৰত আৰু বিধায়কৰ ক্ষেত্ৰত এক নিৰ্দ্দিষ্ট শিক্ষাগত অৰ্হতা ঠিক কৰক। সেই অৰ্হতা ইয়াৰ পৰা পঠিয়াই দিয়ক। এইটো আমি বিচাৰিছো যে পাৰ্লিয়ামেণ্টত যাওঁক।আপুনি ভাল প্ৰস্তাৱ দিছে।দৰকাৰ হ'লে আমি পাৰ্লিয়ামেণ্টত যাম। প্ৰধান মন্ত্ৰীক লগ ধৰিম আৰু এইটো ইম্পলিমেণ্ট কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লওঁক। আমি ওৱেলকাম জনাম। শিক্ষাগত অৰ্হতা আৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত We are very much clear. যেতিয়াৰ পৰা বলৱৎ হ'ব। নহলেতো আইনগত স্বীকৃতিও নাপাব।অৰ্হতাৰ ক্ষেত্ৰত বাকী কথাখিনি জানিব বিচাৰিছো।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়,শিক্ষাগত অৰ্হতাৰ ক্ষেত্ৰত এইটো হ'ব যে যিদিনাখন যিয়ে নমিনেশ্যন দিব, He will Show a Certificate যে মোৰ ক্লাছ ফাইভ পাচ কৰা আছে। কাৰণ সেইটো হৈছে, Educational Qualification আৰু সেইটোৰ ক্ষেত্ৰত আইনখনত Restropective. Prospective বুলি নাই। যিদিনাখন নমিনেশ্যন ফিলাপ কৰিছো, সিদিনাখন মোৰ ইমানটা থাকিব লাগিব। ইমানটা শিক্ষাগত অৰ্হতা থাকিব লাগিব। অধ্যক্ষ মহোদয়, বিৰোধী দলপতিৰ লগত আলোচনা কৰি ৩ বা ৪দিনৰ ভিতৰত আমি এটা এম এল এ, এম পি ৰ কাৰণে Qualification এটা আমাৰ নিজৰ ভিতৰতে আলোচনা কৰি লৈ We move a Government Resolution. অসম বিধান সভাই লোকসভাক এইটো ৰিকোমেণ্ড কৰিব বিচাৰো যে This should be a model Qualification for MP and MLA. আমি মানি লৈছো, কোনো অসুবিধা নাই।

**শ্ৰী আমিনুল ইছলাম, সদস্য, (ধিং ) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই এই শিক্ষাগত অৰ্হতা বিষয়টো move কৰি দিব বিচাৰিছো । এতিয়া যিটো কথা মন্ত্ৰী মহোদয়ে স্পষ্ট কৰিলে ।

**মাননীয় অধ্যক্ষ ঃ**- আপুনি শিক্ষাগত অৰ্হতাটো বঢ়াবলৈ কৈছে ।

**শ্ৰী আমিনুল ইছলাম ঃ**- এই কথাটোত আমি একমত এইকাৰণে যে বাকী ঠিকে আছে। আমাৰ যিসকল A.P member, President ৰ কাৰণে Metriculat আৰু জিলাপৰিষদৰ সদস্যৰ বাবে Higher Secondary pass হব লাগে ।এইটো আমি মানি লৈছো ।শিক্ষাৰ মানদণ্ডটো বঢ়াব লাগে । আমি যিটো Amendment আনিছিলো ইয়াত Ward Member ৰ কাৰণে আৰু Panchayat Member ৰ কাৰণে যিটো দিছে- Lacking of Minimum Educational qualification shall not be a bar for contesting Election or to be elected for the post of Gaon Panchayat Member of OBC, SC and ST. ইয়াত কিন্তু আমি ভাবো চাৰ, ইয়াৰ বাবে Minimum class-VI এটা Qualification bar কাৰণে ধৰিব লাগে for SC, ST and OBC also. কাৰণ আজিৰ যুগত এনেকুৱা এটা ৱাৰ্ড নাই যত SC & ST and OBC ৰ Class-IV pass কৰা এজনো candidate তাত নোলাব। গতিকে SC,ST আৰু OBC ৰ Panchayat Member ৰ কাৰণে Educational Bar থাকিব নালাগে, আমি এইটো ভাবো যে কমেওঁ তেওঁলোকৰ বাবে Class-VI qualification এটা ধৰিলোৱা হওঁক আৰু General Catagory ৰ কাৰণে Class-VI বান্ধি দিয়া আছিল, সেই Class-VI টো Class-VIII কৰক ।

**মাননীয় অধ্যক্ষ মহোদয় ঃ-** আপুনি কৈছে যে যিসকল SC & ST আৰু OBC Categori ৰ candidate ৰ Panchayat Membership ৰ কাৰণে General Qualification, Class-VI হব লাগে আৰু বাকী সকলৰ কাৰণে Class-VIII হব লাগে। এতিয়া বিলখনত আছে General Categori ৰ Candidate ৰ কাৰণে Class-VI pass আৰু বাকী সকলৰ কাৰণে free. মন্ত্ৰী ডাঙৰীয়াই এই সম্পৰ্কত কি কব ?

**শ্ৰী আব্দুল খালেক, সদস্য, জনীয়া ঃ-** মন্ত্ৰী ডাঙৰীয়াই বিল খনত যিটো আনিছে, সেইটো মই সমৰ্থন কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ-** One by one মই সকলোকে কবলৈ সুযোগ দিম। তেখেতে এটা Amendment আনিছে , তেখেতৰ Amendment টো প্ৰথমে Clear কৰিব লাগিব । তেখেতৰ Amendment টো সুকীয়া । তেখেতে কৈছে, গাওঁ পঞ্চায়তৰ এজন Member হবলৈ General Catagory ৰ এজন Candidate ৰ বাবে Educational Qualification Class-VIII Pass হ'ব লাগে। SC & ST আৰু OBC ৰ কাৰণে Class-VI হব লাগে । আমাৰ আইনখনত আছে, General Catagory ৰ কাৰণে Class-VI বাকী সকলৰ কাৰণে বিশেষ ভাৱে একো উল্লেখ কৰা হোৱা নাই । গতিকে এতিয়া তেখেতৰ Amendment টো ৰ ওপৰত কি কব ? তেখেতৰ এইটো এটা Additional Amendment.

**শ্ৰী নৱকুমাৰ দলে , মন্ত্ৰী ঃ-** মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই সংশোধনী বিল ধাৰা -১১১ উপধাৰা (২) অনুচ্ছেদ (B) ত যি সংশোধনী প্ৰস্তাৱ আনিছে, এই সংশোধনী প্ৰস্তাৱ এই কাৰণে গ্ৰহণযোগ্য নহয় যে গাওঁ পঞ্চায়তৰ সদস্যৰ বাবে অনুসূচীত জনজাতি, অনুসূচীত জাতি আৰু অন্যান্য পিচ পৰা শ্ৰেণীৰ লোকৰ আৰ্থ সামাজিক ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি আনুষ্ঠানিক শিক্ষা অৰ্হতাহীনৰ বাবে ৰখা হোৱা নাই । মাননীয় বিধায়ক সকলে নিশ্চয় একমত হ'ব যে আমাৰ অনুসূচীত জাতি, অনুসূচীত জন-জাতি আৰু অন্যান্য পিচ পৰা শ্ৰেণী লোক সকলৰ অৰ্থ-সামাজিক উন্নয়ণৰ কাৰণে এতিয়াও চৰকাৰৰ বহুতো কৰণীয় আছে।

তাৰোপৰি মাননীয় বিধায়ক ডাঙৰীয়াই, **"The Asssam Panchayat Amendment Bill, 2018"** ৰ সংশোধীত বিলৰ ধাৰা - ১১১ উপধাৰা ২ (B) ত গাওঁ পঞ্চায়তৰ সদস্যৰ শিক্ষাগত অহৰ্তা Class-VI পৰীক্ষা উত্তীৰ্ণৰ ঠাইত Class-VII ৰ যি সংশোধনী প্ৰস্তাৱ আনিছে, এই প্ৰস্তাৱটো গ্ৰহণযোগ্য বুলি বিবেচনা কৰিব নোৱাৰি, যিহেতুকে মাননীয় বিধায়ক গৰাকীয়ে সংশোধীত বিলৰ ধাৰা - ১১১ উপধাৰা ২ (B) ত গাওঁ পঞ্চায়তৰ সদস্যৰ শিক্ষাগত অৰ্হতা Class-VI পৰীক্ষা উত্তীৰ্ণৰ ঠাইত Class-VII উত্তীৰ্ণ হব লাগিব বুলি যিটো সংশোধনী প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱটোত বিশেষ কোনো পাৰ্থক্য অনুভৱ কৰা নাযায় । কিয়নো, সংশোধনী বিলখন সাধাৰণ শ্ৰেণীৰ সুবিধাৰ বাবে গ্ৰহণ আৰু বলৱৎ কৰাৰ ব্যৱস্থা কৰা হৈছে। গাওঁ পঞ্চায়তৰ সদস্য পদৰ বাবে প্ৰতিদন্দিতা কৰিবলৈ Class-VI উত্তীৰ্ণ হোৱাটো বাধ্যতা মুলক অৰ্হতা হিচাপে গ্ৰহণ কৰাৰ প্ৰস্তাৱ থাকিলেই হ'ব। গাওঁ পঞ্চায়তৰ সদস্য সকলৰ নিম্নতম পঢ়িব আৰু লিখিব পৰা সামৰ্থ থাকে ।

সেয়েহে বিৰোধী পক্ষই উৎথাপন কৰা এই সংশোধনী প্ৰস্তাৱটো গ্ৰহণযোগ্য বুলি বিবেচনা কৰিব নোৱাৰি। এই সমগ্ৰ বিষয়টো মাননীয় বিধায়ক সকলে ইতিবাচক দিশ লৈ তেওঁলোকে উত্থাপন কৰা সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰি **"অসম পঞ্চায়ত সংশোধনী" বিল, ২০১৮** পবিত্ৰ সদনত অনুমোদনৰ বাবে সমৰ্থন দিব বুলি আশা কৰিলো ।

**শ্ৰী ভূবন পেগু, সদস্য, জোনাই ঃ-** অধ্যক্ষ মহোদয়, ইয়াত যিহেতুকে Scheduled Caste and Scheduled Tribes ৰ শিক্ষাগত অৰ্হতাৰ কথাটোত relaxation আছে, “Population Control Bill” খন যেতিয়া আহিছিল, তেতিয়া মই ইয়াত উৎথাপন কৰিছিলো যে - **“Population ৰ ক্ষেত্ৰটো উন্নত ৰাষ্ট্ৰ বিলাকে Scheduled Caste and Scheduled Tribes Community ৰ মানুহ খিনিক এনে ধৰণৰ বাধ্যতামূলক ব্যৱস্থাৰ পৰা ৰেহাই দিয়া বা exclude কৰাৰ কাৰণে মত পোষণ কৰিছিল”**। ইয়াত মই যেতিয়া এই কথাটো উত্থাপন কৰিছিলো, তেতিয়া ইয়াত এটা আশ্বাস দিছিল যে পৰবৰ্তী সময়ত যেতিয়া সংশোধনী আহিব,বিভিন্ন বিভাগত, তেতিয়া Scheduled Caste and Scheduled Tribes Community ৰ মানুহ খিনিক ৰেহাই দিয়া হ’ব বুলি কৈছিল । কিন্তু ইয়াত ৰেহাই দিয়া দেখা নাই ।অধ্যক্ষ মহোদয়, Scheduled Caste and Scheduled Tribes Community ৰ মানুহ খিনি ইতিমধ্যে যথেষ্ট শংকিত হৈ পৰিছে ।

**মাননীয় অধ্যক্ষ ঃ-** ৰেহাই দিয়া কিহত হোৱা নাই ?

**শ্ৰী ভূৱন পেগু, সদস্য ঃ-** Population Control ত ৰেহাই দিয়া দেখা নাই ।

**মাননীয় অধ্যক্ষ ঃ-** শিক্ষাত দিছে ।

**শ্ৰী ভূৱন পেগু, সদস্য ঃ-** হয়, শিক্ষাত দিছে । Population টোত দিবলৈ কৈছো । আমাৰ হৈছে কি, জনসংখা যাৰ বেছি, তেওঁলোকৰ মাজত আমাক একাকাৰ কৰিব বিচাৰিলে আমি কাইলৈ Minority হৈ যাম । সেইবাবে ট্ৰাইবেল মানুহখিনিয়ে এতিয়া শংকাত ভোগী আছে। আমাৰ Populationý টো দুটা হ’ব আৰু কিছুমানৰ ১০ টা হ’ব । ভাৰতীয় গনতন্ত্ৰৰ যি ব্যৱস্থা, কাৰোবাৰ ভোট বেছি হৈ ৰজা হ’ব আৰু ট্ৰাইবেল সকল Marginalized হ’ব নিজৰ দেশতে, নিজৰ মাটিতে । গতিকে মই এই বিষয়টো ভাবো যে ট্ৰাইবেল, SC & ST Community ৰ মানুহ খিনিক এই কাৰবাৰ অৰ্থাৎ ব্যৱস্থাটোৰ পৰা Population আইনৰ পৰা ৰেহাই দিব লাগে বুলি মই উত্থাপন কৰিছো ।

**শ্ৰী ৰকিবুল হুছেইন, সদস্য, চামগুৰি ঃ-** আমি সমৰ্থন কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ-** আপুনি পৰামৰ্শহে দিব পাৰে । সংশোধনী আকাৰে আহিব লাগিব । মুখেৰে ক’লে নহব । যিহেতু এইখন এখন আইন হব, দৰ্কাৰ হলে আমি এইটো কৰিব লাগিব । কিন্তু সংশোধনী এটা আপুনি দিব লাগিছিল । কাৰণ যিখন আইন হব, সংশোধনী প্ৰস্তাৰ এটা আপুনি Formally দিব লাগিছিল ।এইটোৰ Scope আছে । In future there is scope. Every scope is there. But without a formal amendment, we can not just allow these things to go like this. ।আপোনাৰ কথাটো মই বুজিছো । মই even, আমিনুল ইছলাম ডাঙৰীয়াৰ কথাটোও বুজিছো । এইটো নহয় যে, আমি ট্ৰাইবেল population ৰো যিখিনি মানুহ দেখিছো, সেইখিনিওঁ বৰ্তমান বহুত Advance হৈ গৈ আছে, Class-VI পাছ নকৰা লৰা-ছোৱালী খুব কম আছে । তথাপি মই কোৱা নাই। মোৰ দৃষ্টিতো কিছু justification আছে। তেখেতৰ কথাটো justification আছে ।আপোনাৰটো সংশোধনী আকাৰে আহিলে আৰু ভৱিষ্যতে Government টেওঁ on its own যদি কিবা provision উলিয়াই তেতিয়া সেইটোৰ ব্যৱস্থা কৰিব পৰা যাব। আপোনাৰ কথাখিনি মই বুজিছো। এইটো according to Proceedure মতে কৰিবলৈ অসুবিধা হব ।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰীয়ে এই সম্পৰ্কে কিবা কৰ বিচাৰে নেকি ? ( সদনত হুলস্থুলীয়া পৰিবেশৰ

সৃষ্টি হয়)।

শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই Clause (E) ত এটা সংশোধনী আনিছিল। মই বৰ্তমান (E) টোহে আলোচনা কৰি আছো, গতিকে আগতে Clause (E) টো শেষ কৰি লওঁ। আপোনালোকক কথা কোৱাৰ সুযোগ দিব পাৰিম। আলোচনাৰ কাৰণে Clause (A), (B), (C) ও আছে। Clause (E) ত শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়াই সেই প্ৰস্তৱটো সমৰ্থন কৰা বুলি কোৱা মই শুনিলো। মই সকলোৰে কথা শুনিম । এখন আইন প্ৰণয়ন হ্বলৈ গৈ আছে, গতিকে মই নিয়মত যাব লাগিব। পেগু ডাঙৰীয়াই আগতে কওঁকচোন, কি কব বিচাৰিছে। মই আপোনালোককো ক'বলৈ সুবিধা দিম ।

**শ্ৰী ভূবন পেগু, সদস্য ঃ-** অধ্যক্ষ মহোদয়, চৰকাৰে এই "Popuplation Bill" খন আনোতে ৰেহাই দিয়াৰ কথাটো কৈছিল । সেইকাৰণে মই সংশোধনী প্ৰস্তাৱটো নানিলো।

**মাননীয় অধ্যক্ষ ঃ-** পেগু ডাঙৰীয়া, আপোনাৰ কথাটোত মই Appreciate নকৰাকৈ থকা নাই । কিন্তু যিহেতু বিলখন আহিল, আপুনি পঢ়িছে, আপুনি আগতীয়াকৈ চৰকাৰৰ লগত আলোচনা কৰিব লাগিছিল । চৰকাৰে তেতিয়া নিজাকৈ সংশোধনী আনিব পাৰিলেহেঁতেন । কিন্তু এতিয়াটো সময় নহব। You talk with the Government. I think there will have a solution itself. **শ্ৰী ভূবন পেগু, সদস্য ঃ-** অধ্যক্ষ মহোদয়, মই আনুৰোধ জনাইছো যে - - - -

**মাননীয় অধ্যক্ষ ঃ-** পেগু ডাঙৰীয়া, আপুনি অনৰোধ জনাইছে থিকেই, কিন্তু চৰকাৰে এইটো আনিব লাগিব। আজি এইখন অনাৰ পিছত আৰু বিল নাই। গতিকে আপুনি পিছত কথা পতাৰ বাবে সুযোগ পাব। আপুনি কওঁক ?

**শ্ৰী কমল সিং নাৰ্জাৰী, সদস্য, বিজনী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, পেগু ডাঙৰীয়াই যিটো প্ৰস্তাৱ আজি আনিছে ।

**মাননীয় অধ্যক্ষ ঃ-** প্ৰস্তাৱ নহয় । This is a Bill. । সংশোধনী প্ৰস্তাৱ লাগিব। তেখেতে এটা ভাল Suggestion দিছে । I Support the suggestion, I can not Direct the Government to do it. There is a proceedue. এই সম্পৰ্কত মই কথাও পাতিছো। যদি আপোনালোকে বিচাৰে, পৰৱৰ্তী সময়ত নিশ্চয় আহিব।

**শ্ৰী কমল সিং নাৰ্জাৰী, সদস্য, ঃ-** ঠিকে আছে, মই সেইটোকে ক'ব বিচাৰিছো যে, পেগু ডাঙৰীয়াই যিটো কথা কৈছে, সেই একে কথাই আমাৰ ৬ এপ্ৰিললৈকে অধিৱেশনখনত চলি থাকিব । গতিকে ইয়াৰ মাজতে আমাৰ চৰকাৰী ভাৱে মন্ত্ৰী ডাঙৰীয়াই ইয়াত উপস্থিত আছে, তেখেতে আইনখন আনিব পাৰে ।

**মাননীয় অধ্যক্ষ ঃ-** তেখেতে সংশোধন আনিব লাগিব ।

**শ্ৰী কমল সিং নাৰ্জাৰী, সদস্য, ঃ-** সংশোধন আনি দিলে হ'ল । এইখিনি মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যাতে সংশোধনী আনে ।

**মাননীয় অধ্যক্ষ ঃ-** আপুনি বহক । মই আপোনালোকৰ হৈয়ে কৈছো। এইটো মন্ত্ৰী ডাঙৰীয়াই চাব।

**শ্ৰীকমল সিং নাজাৰীঃ** আমাৰ মন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে। তেখেতে সংশোধনী আনি দিলেই হ'ল।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আপুনি বহক । আপোনালোকৰ হৈ মই কৈ আছো। মন্ত্ৰী ডাঙৰীয়াই

চাব। কংগ্ৰেছ বিধায়িনী দল আপোনালোকে ঠিক কৰি লওঁক।

**শ্ৰীৰকিবুল হুছেইনঃ** অধ্যক্ষ মহোদয়, মই চৰকাৰী পক্ষৰ কথাটোহে সমৰ্থন কৰিছো। ST/ SCৰ Qualification নালাগে বুলি যিটো কথা চৰকাৰে আনিছে সেইটোতহে সমৰ্থন আছে। ৰকিবুল হুছেইনে এ আই ইউ ডি এফ সমৰ্থন কৰা বুলি যিটো কথা কৈছে সেই কথাটো সমৰ্থন কৰা নাই।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থঃ** অধ্যক্ষ মহোদয়, পঞ্চায়তৰ মেম্বাৰৰ কাৰনে ষষ্ঠ শ্ৰেণী উত্তীৰ্ণ হ'ব লাগে। ঠিকে আছে কিন্তু কথাটো হৈছে কি যেতিয়া প্ৰেচিডেন্ট expire হ'ব বা resign দিব বা No confidence ত অপসাৰণ হ'ব তেতিয়া Vice president জনে সেই পদটো পাব। তেতিয়াতো ষষ্ঠ শ্ৰেণী পাচ কৰা কথাটো আকৌ আহি যাব অধ্যক্ষ মহোদয়। তেতিয়া এই ক্ষেত্ৰত কি হ'ব? অধ্যক্ষ মহোদয় বিলখনত বহু খেলিমেলি আছে।

**মাননীয় অধ্যক্ষঃ** এইটো কিন্তু প্ৰেক্টিকেল পইন্ট । মন্ত্ৰী ডাঙৰীয়াই বিষয়টো চাব। কিবা কাৰনে যদি প্ৰেছিডেন্ট expire হয় নিয়মমতে তেওঁ হ'ব লাগিব প্ৰেছিডেন্ট গতিকে In-charge president হ'ব কাৰণে তেওতো চিক্স পাচ এজনো হ'ব পাৰে। সেইটো কথাই কৈছে। This is a good point।

**শ্ৰীআব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিহে সদনত চৰকাৰৰ হৈ বিত্ত মন্ত্ৰীয়ে মহোদয়ে ক'লে যিটো prospective হ'ব কিন্তু অধ্যক্ষ মহোদয় এইটো মুখেৰে কোৱা হৈছে। বিলখনত কিন্তু clear নাই কথাটো।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাৰ লগত একমত নহয়। মই এজন lawyer হিচাপে সদনত কৈছো It shall come into force at once. This means everything . We are making Law and I am assuring you this is a right Language. You all are learned people . আমি Law বনাও Lawত লেংগুৱেজটো যদি আমি ঠিক নকৰো তেতিয়া কেনেকৈ হ'ব?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কৈছে, আমাৰ খালেক ডাঙৰীয়াই যিটো কৈছে সেইটো মুখেৰে কৈছে গতিকে আমাৰ মন্ত্ৰীয়ে এইক্ষেত্ৰত amendment move কৰিব যাতে এইটো official হৈ যায়।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক অনুৰোধ কৰিছো পাটোৱাৰী ডাঙৰীয়া you better to discuss with advocate General. This line means everything We are making Law. If We can't make Law in proper way others will laugh at us. Please discuss these things. You have said that come in to force it implies that you have said restrospective affect that Law will be slight down immediately I think it will be a concensus Therefore you should represent from the opposition .That suggestion must come through Leader of the opposition.

**শ্ৰীআব্দুল খালেকঃ** অধ্যক্ষ মহোদয়, চৰকাৰে যিটো প্ৰস্তাৱ সংসদলৈ পঠোৱাৰ কথা কোৱা কৈছে আমি ভাল পাইছো। কিন্তু অধ্যক্ষ মহোদয় সেইটো কেৱল qualification ৰ ক্ষেত্ৰত নহয়

সেই প্ৰস্তাৱটো populationৰ ক্ষেত্ৰতো হ'ব লাগিব। দুটাতকৈ অধিক সন্তান হ'লে এম এল এ আৰু এম পি হ'ব নোৱাৰিব। সেই কথাটো স্পষ্ট থাকিব লাগে অধ্যক্ষ মহোদয়। আৰু বিত্ত মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে সদনত সৰ্বসন্মতভাবে পাচ হৈছে কথাটো কিন্তু সঠিক নহয় অধ্যক্ষ মহোদয় যিদিনা বিলখন উত্থাপন হৈছিল সেইদিনাই আমি কৈছিলো এম এল এ - এম পিসকল Law maker । আমি আইন প্ৰস্তুত কৰো । পঞ্চায়তৰ প্ৰতিনিধিসকল কিন্তু আইন নবনায়। গতিকে আইন বনোৱাখিনি প্ৰথমে তেওলোকৰ ক্ষেত্ৰত প্ৰযোজ্য কৰিব লাগিব।

আইন বনোৱাসকলে প্ৰথমে তেওলোকৰ ক্ষেত্ৰত প্ৰযোজ্য কৰিব লাগিব। কোৱালিফিকেচনে হওক বা population হওক তেওলোকৰ ক্ষেত্ৰত প্ৰথম implement হ'ব লাগিব তাৰ পিছতহে পঞ্চায়তত হ'ব লাগিব। তেওলোকে devlopmentৰ কামখিনিহে চাব । সেইটোৱে কথা অধ্যক্ষ মহোদয়। যেতিয়া চৰকাৰী প্ৰস্তাৱটো আহিব তাত clear থাকিব লাগিব যে population আৰু qualification দুয়োটাই থাকিব লাগিব।

**মাননীয় অধ্যক্ষঃ** ঠিকে আছে, মই এটা কথা কওঁ এটা লাইন বিত্ত মন্ত্ৰীয়ে কোৱা আপুনি নুশুনিলে নেকি? বিত্ত মন্ত্ৰীয়ে কৈছে যে মই Leader of the opposition ৰ লগতো কথা পাতিম বুলি। তেখেতে কোৱা বাবেহে মই কৈছো। মই তেখেতে কোৱা শুনিছো। I think it will be a conseusus .

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** প্ৰথমতে নিদিয়া কাৰনে আমি মানি লৈছিলো কিন্তু আমাৰ suggestion খিনি দিয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, that suggestion must come through the Leader of the opposition যিহেতু কথা পাতি কৰিব এইটো। দৰকাৰ হ'লে Leader of the opposition পিচত ক'ব পাৰিব।

**Sri Sherman Ali Ahmed :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে কৈছিলে যে population policy পাচ কৰিছে আৰু accordingly আহিছে আৰু আমি এইখন পাচ কৰিছো আমি ইয়াত থকা চৰ্ত সাপেক্ষে। ইয়াত লিখা আছে যে এম এল এ আৰু এম পি সকলৰ কাৰণে prescribed qualification কাৰণে আমি Central government বা পাৰ্লিয়ামেন্টৰ লগত take up কৰিম। দুই নম্বৰ ইয়াত লিখা আছে যে Incentive shall be applicable prospectively . এই দুটা চৰ্ত সাপেক্ষে আমি এতিয়াও well come কৰো এই population policy । এতিয়া অধ্যক্ষ মহোদয় মাননীয় মন্ত্ৰী মহোদয়ে amendment আনিম খুজিছে regarding prospective ।

**Hon'ble Speaker :** I think it needs to be looked into legally .

**Sri Sherman Ali Ahmed :** মাননীয় অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয়ে আগৰ দুই তিনিজন লৰা ছোৱালী থাকিলেও effect নহয় বুলি কৈছে সেই কথাখিনি আমি amendmentত আনিছো। মই লাইনটো পঢ়ি দিছো। No persons shall be elligible for contesting election or to be elected under this Act who has more than two living children from a single or multiple partner provided that those who have more than two living children from a single or multiple partner before this amended Act comes into force shall not be affected by this amendment. সেই কথাখিনি কৈছে।

**মাননীয় অধ্যক্ষঃ** সেইটো নহয়। These are legal language। আপুনি কোৱা কথাটোৰ যিটো আছে that has been accepted. It will be done. I will look in to it.

Sri Sherman Ali Ahmed : চেকেণ্ড যিটো আছে ছাৰ কোৱালিফিকেচনৰ ক্ষেত্ৰত চাৰ। কোৱালিফিকেচন হ'ব লাগে স্বাক্ষৰতা বঢ়োৱাৰ ক্ষেত্ৰত আমি whole heartly support কৰিছো।কিন্তু ৰকিবুল হুছেইন ডাঙৰীয়াই কোৱাৰ সুৰতে মই ক'ব বিচাৰিছো আজি আমি আইন বনাও আমি যিসকলৰ কাৰণে আইন বনাইছো তেওঁলোকৰ কাৰণে qualification prescribe কৰিম অথচ আমাৰ নিজৰ qualification নাই। আমি নৈতিক ভাবে

-**শ্ৰীৰকিবুল হুছেইনঃ** অধ্যক্ষ মহোদয় যদি ক'বলৈ নিদিয়ে আমি সদনৰ পৰা যাওঁগৈ। আপোনালোকে কৰি থাকক।

**শ্ৰীআব্দুল খালেকঃ** ইমান পজিটিভলি কোৱাৰ পিছতো যদি শুনিবলৈ ধৈৰ্য্য নাই আমি যাওঁগৈ। আপোনালোকে আইন বনাই থাকক।

**শ্ৰীৰূপজ্যোতি কুৰ্মীঃ** আইন বনাব লাগে যে অকল এটা সন্তান থাকিলেহে জনপ্ৰতিনিধি হ'ব পাৰিব। সদনত হুলস্থূল।

**মাননীয় অধ্যক্ষঃ** কথাটো কি হ'ল ?

**শ্ৰীৰাজেদ আলি চৌধুৰীঃ** আমাক কথাই ক'ব নিদিয়ে? আমি সদন ত্যাগ কৰিম।

মাননীয় অধ্যক্ষঃ কোনে ক'ব নিদিয়ে । সদন মইহে চলাইছো।

------সদনত হুলস্থূল-------

( কংগ্ৰেছ বিধায়িনী দলে সদন ত্যাগ কৰে।)

**শ্ৰীঅশোক সিংঘলঃ** অধ্যক্ষ মহোদয় মই আপোনাক ধন্যবাদ জনাব খুজিছো। ইমান এজন ভাল বিধেয়ক আপোনাৰ অধ্যক্ষতাত আজি অনুমোদন হ'ল আৰু pass হ'ব ধৰিছে এটা ভাল ঐতিহাসিক সিদ্ধান্ত হৈছে বুলি মই ক'ব খুজিছো। খালি এটাই কথা মোৰ বেয়া লাগি আছে। যোৱা ৭০ বছৰত চাহ অধ্যুষিত অঞ্চলত শিক্ষাৰ কোনো ব্যৱস্থা হোৱা নাই কাৰণ আগৰ চৰকাৰ বোৰে কোনো শিক্ষাৰ ব্যৱস্থা কৰি দিয়া নাই। তাত ষষ্ঠ শ্ৰেণীলৈ পঢ়া মানুহ উলিয়াব পৰাটো টান হ'ব অধ্যক্ষ মহোদয়। আগৰ চৰকাৰে ব্যৱস্থা কৰা নাই অধ্যক্ষ মহোদয়, এতিয়াহে চৰকাৰে হাইস্কুল খুলিম বুলি কৈছে। চাহ বাগানত কাম কৰা মানুহৰ ক্ষেত্ৰত আগৰ চৰকাৰে শ্ৰমিকৰ সন্তান শ্ৰমিকেই হ'ব লাগে এই চিন্তাৰে কাম কৰিছিল। কিন্তু পৰিৱৰ্ত্তন হোৱাৰ পিচত এতিয়া নতুন চৰকাৰ আহিছে। নতুন চৰকাৰে শ্ৰমিকৰ কথা চিন্তা কৰিছে, দুখীয়াৰ কথা চিন্তা কৰি আছে। এইটো ভাল কথা হৈছে। কিন্তু পঞ্চায়ত নিৰ্বাচন কৰাৰ বাবে চাহ বাগানত মানুহ নাপাম অধ্যক্ষ মহোদয়। দ্বিতীয়তে ভালকৈ আলোচনা চলি আছে হঠাৎ কংগ্ৰেছ দলে সদন ত্যাগ কৰিলে এইটো এটা বেয়া কথা হৈছে অধ্যক্ষ মহোদয়। আপুনি ইমান ভালকৈ পৰিচালনা কৰি আছে। তেখেতসকলোকো কোৱাৰ সুযোগ দিলে। সকলো কথা কৈ ল'লে আৰু যেতিয়া একো ক'বলৈ কথা নাথাকিল তেতিয়া সদন ত্যাগ কৰিলে। এইটো বেয়া কথা হৈছে অধ্যক্ষ মহোদয়।

**শ্ৰীআমিনুল ইছলামঃ** কথাটো এটা জানিব খুজিছো। বিৰোধী দলে যে এতিয়া সদন ত্যাগ কৰিছে তেওলোকৰ লিডাৰ জনেতো ত্যাগ কৰিবলৈ কোৱা নাছিল। তেখেতৰ কোনো নেতৃত্ব নাই নেকি? লিডাৰে নোকোৱাকৈ ওলাই যায়।

**ডাঃ নোমল মোমিনঃ** অধ্যক্ষ মহোদয় এটা পৰামৰ্শ আছে। Next time যেতিয়া amendment হ'ব। একাধিক বিবাহ পাশত আৱদ্ধ হোৱা ব্যাক্তিকো ইলেকচনত থিয় দিয়াৰ ক্ষেত্ৰত বাধা

আৰোপ কৰা উচিত।

**মাননীয় অধ্যক্ষঃ** প্ৰদীপ হাজৰিকা। অধ্যক্ষ মহোদয়, এতিয়াও সময় যদি পাৰ হৈ যোৱা নাই আমাৰ ভূৱন পেগু ডাঙৰীয়াই যিটো কথা কৈছে সেইটো মানে সঁচাকৈ ........।

**মাননীয় অধ্যক্ষঃ** I have accepted the proposal on principal, so the Government will move it for that আপুনি চিন্তা কৰিব নালাগে। আজি মানে আইনখন যদি dilate কৰা হ'ব। আৰু আমাৰ হাতত সময়ো আছে, যদি চৰকাৰে নিজে আনে তেতিয়া কৰলৈ একো নাই। কিন্তু আজি ধৰিলওঁক চৰকাৰে কোনো সংশোধনী অনা নাই, কাৰণে মোৰ আজি দিবলৈ অসুবিধা হৈছে। কিন্তু on principal যদি চৰকাৰে কয় that we are going to move it then where is the harm? কথাটো আজি আমি অকনমান চিন্তা কৰি কোৱাতো ভাল। কাৰণ আইনখন প্ৰণয়ণ কৰাৰ পিছত প্ৰত্যেকটো clause যদি scrutiny হয় It will be subject to scrutiny, we have already given that High Court and Supreme Court can scrutinized our laws. কিন্তু মই ভাৱো যে নিয়মৰ মাজেৰে যোৱাতো ভাল। আৰু এতিয়া পলমহৈ যোৱা নাই। কাৰণ আইনখন pass হোৱাৰ পিছতো সংশোধনী আনিবলৈ বেছি সময় নালাগে। আজি passed হয় যদি পিছৰ সপ্তাহত সংশোধনী লৈ আহিব।

**শ্ৰী মৃণাল শইকীয়া, খুমটাইঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি জনসংখ্যাৰ ক্ষেত্ৰত আগতে যিটো বুজিছিলো যে বৰ্তমানত যাৰ দুটাকৈ অধিক সন্তান আছে। আচলতে at once সেইটোৰে execute হ'ব লাগিছিল। যিটো আমি বুজিছো সেইটোৰে হ'ব লাগিছিল। কিন্তু পিছত যিটো কৰিলে সেইটো আচলতে ভাল হোৱা নাই। দুটাতকৈ বেছি হ'লে খেলিব নোৱাৰে, সেইটো ব্যৱস্থা কৰিলে বেছি ভাল হয়।

**শ্ৰী আমিনুল ইছলাম, ধিংঃ** মাননীয় অধ্যক্ষ মহোদয়, point of order মই বিষয়বস্তুটো ভালকৈ নাজানো। সদনত বিল এতিয়ালৈকে passed হৈছে বা বিলৰ সম্পৰ্কত আলোচনা হৈছে এইটো private members ৰ আলোচনাৰ নিচিনা হৈ গৈ আছে। এতিয়া মই মুল কথাটো যে আমি যিটো সংশোধনী দিছিলো sub-clause 'a' তাত কথাটো সকলোৱে বুজি পোৱা নাছিলে, যিটো চৰকাৰে দিছিলে 'who has to or more than two living childrens from a single or multiple partners মাত্ৰ দুটামান শব্দ যোগ কৰি দিছিলো যে and gives but of a child after the Act comes into force' এইটো লগাই দিলে কাৰো কোনো প্ৰশ্ন নাথাকে। যিহেতু এইটো চৰকাৰে মানি লৈছে। এই সংশোধনীটোত সেই শব্দকেইটা লগাই বস্তুটো clear হৈ যায়। আৰু মই ভাৱো যে যিহেতু চৰকাৰে গ্ৰহণ কৰিছে এই আইনখনৰ সংশোধনীও গ্ৰহণ কৰিব লাগে। আৰু দ্বিতীয়তে আমি শিক্ষাৰ ওপৰত যিটো আনিছিলো যে আমি underestimate কৰিব নালাগে SC/ST/OBC হ'ল বুলিয়ে যে তেওঁলোকৰ শিক্ষাগত অৰ্হতা নাথাকে। যিহেতু বৰ্তমান যুগত তেওঁলোকে বহুত আগবাঢ়ি গৈছে, তথাপিও পুনৰ এবাৰ আমি অনুৰোধ কৰিম যে চৰকাৰে পাৰিলে এটা মানদণ্ড দিয়ে শিক্ষাৰ। আৰু sub-clause 'e' ত আমাৰ দুটা সংশোধনী আছিলে। এইটো কৰলৈ মই মাননীয় সদস্য মামুন ইমদাদুল হ'ক চৌধুৰীক অনুৰোধ জনাইছো।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী, নাওবৈছাঃ** Hon'ble Speaker Sir, I beg to move, after the end of sub-clause (e) of clause 3 of the proposed Bill two

new sub-clause shall be added as follows-

'(f) Who is convicted of involving in anti-social activities'

'(g) Who has the record of involving, provoking or indulging in creating disturbance to affect social peace and harmony.

ইয়াত মই কব বিচাৰিছো যে বৰ্তমান যিবিলাক existing law of land আছে । তাত দুইবছৰ যদি conviction হয় মানুহজনে election খেলিব নোৱাৰে। এইটো বৰ্তমানৰ existing law of land ত নাই। আমি ইয়াত কৈছো কোনোবা যদি conviction হয় crime কৰাৰ কাৰণে তেওঁক election খেলিব দিব নালাগে। ইয়াত দুই বছৰ এক বছৰৰ কোনো কথা নাই। আৰু এটা সংশোধনী আমি ইয়াত বিচাৰিছো যে কিছুমান anti social elements সমাজত আছে। এই মানুহবিলাকে বহুত গণ্ডগোল কৰি থাকে। এনেকুৱা past record থকা যদি কোনোবা মানুহ আছে, সিহতঁক election খেলাৰ পৰা বাধা দিব লাগে। এই দুটা বস্তু আমি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী নৱ কুমাৰ দলে, পঞ্চায়ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়া, মাননীয় বিধায়ক আমিনুল ইছলাম ডাঙৰীয়া, মাননীয় বিধায়ক নিজাম উদ্দিন চৌধুৰী ডাঙৰীয়া, মাননীয় বিধায়ক আজিজ উদ্দিন আহমেদ খান ডাঙৰীয়া, মাননীয় বিধায়ক আনোয়াৰ হুছেইন লস্কৰ ডাঙৰীয়াই "The Assam Panchayat (Amendment) Bill, 2018 ধাৰাৰ আধাৰত উপ-ধাৰা ১ অনুচ্ছেদ'e' ৰ ক্ষেত্ৰত সংযোজিত প্ৰস্তাৱ '(f) Who is convicted of involving in anti-social activities' আৰু '(g) Who has the record of involving, provoking or indulging in creating disturbance to affect social peace and harmony. সদনত উত্থাপন কৰা এই বিষয়ত মাননীয় সদস্যক সদনৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে অসম পঞ্চায়ত আইন ১৯৯৪ ধাৰা ১১১ যি দুটা সংযোজিত প্ৰস্তাৱ আছে। এই দুয়োটা বিষয় ইতিমধ্যে মুল আইনত অন্তৰ্ভূক্ত হৈ আছে। মই আশা কৰিছো এই সমগ্ৰ বিষয়টো মাননীয় বিধায়ক সকলে ইতিবাচক দৃষ্টিৰে লৈ "The Assam Panchayat (Amendment) Bill, 2018 সদনত অনুমোদন বাবে নিশ্চয় সমৰ্থন কৰিব।

**শ্ৰী আমিনুল ইছলাম, ধিংঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে, আমিও এই পঞ্চায়ত আইন ১৯৯৪ খবৰ গোটেই খিনি পঢ়ি চাইছো। তাতে আছে দুইবছৰ conviction হোৱা মানুহে পঞ্চায়ত election খেলিব নোৱাৰিব। বা কিছুমান 'Non bailable offence ত convicted by court they can not contest in the election.' এইটো আছে এই কথাখিনি আমি মানি লৈছো কিন্তু কিছুমান এনেকুৱা মানুহ আছে যিসকলে নেতৃত্বলৈ সম্প্ৰদায়িক উচতনি মুলক কাম কৰে আৰু পিছত গৈ নেতা হবলৈ যায়। যদি কাৰোবাৰ বিৰুদ্ধে তেনেকুৱা অভিযোগ আছে বা প্ৰমাণ আছে, তেওঁ যদিও conviction হোৱা নাই। তেওঁক election খেলাত বাধা দিব লাগে। তেতিয়া এনেকুৱা ধৰণৰ নেতৃত্বলৈ কোনোবাই সামাজিক আশান্তি কৰিবলৈ নাযাব।

**মাননীয় অধ্যক্ষঃ** তাৰ মানে গোটেই কথাটো হৈছে কি আপোনালোকে ভাল পৰামৰ্শ দিছে।

এইটো অলপ চৰকাৰে চিন্তা চৰ্চা কৰক। মই দেখিলো যে সদনৰ সন্মতি সাপেক্ষে সংশোধনী প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰা হৈছে। সেই কাৰণে মই ভাবো যে দফা নং ৩, বিধায়ক খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যাই দফাটোৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়'।

মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে সংশোধনী নং ৩ দফাটো বিধায়কখনৰ অংশ হ'ল।

এইখিনিতে মই আৰু এটা কথা স্পষ্ট কৰিব খুজিছো যে House is unanimous সেইটো যদি দৰকাৰ হয়, কৰবাত যদি দৰকাৰ হয় সেইটো সোমাই লব। যিহেতু retrospective affect নহয়, prospective হয়। আমি আমাৰ কথাখিনি সদনত ৰাখিছো চৰকাৰে কৰিব লাগে যদি কৰিব।

এতিয়া বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰৰ আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰৰ আৰম্ভণ সদনৰ মজিয়াত উত্থাপন কৰিলো।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যাই দফাটোৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়'।

মই ভাৱো 'হয়'ৰ' সপক্ষে, 'হয়'ৰ' সপক্ষে, 'হয়'ৰ' সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১নম্বৰ দফা সংক্ষিপ্ত নাম পৰিসৰ কোনো সংশোধনী প্ৰস্তাৱ নাই এতিয়া মই বিধেয়কখনৰ ১নম্বৰ দফা সংক্ষিপ্ত নাম পৰিসৰ নাম আৰম্ভন সদনৰ মজিয়াত উত্থাপন কৰিলো, বিধায়কখনৰ ১নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভন বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/ সদস্যাই দফাটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যি সকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখনৰ ১নং দফা সংক্ষিপ্ত নাম পৰিসৰ নাম আৰম্ভন বিধেয়কখনৰ অংশ হল । এতিয়া মাননীয় ৰাজ্যিক স্বতন্ত্ৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী নৱ কুমাৰ দলে (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Panchayat (Amendment) Bill, 2018'' পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** যি সকল এই প্ৰস্তাৱৰ সপক্ষে আছে, কওঁক হয়, যি সকল বিপক্ষে আছে, কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱ পাৰিত কৰা হল আৰু বিধেয়কখনো পাৰিত কৰা হল। মই সকলোকে ধন্যবাদ জনাইছো যে আজি এখন Historic Bill পাছ কৰিলো এতিয়া আইন হ'ব ।

**সদন অহাকালিলৈ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হল।**